● গুৱাহাটী, যোৰহাট আৰু তেজপুৰৰ পৰা প্ৰকাশিত

গুৱাহাটী (০৩৬১) ২২৬১৯২৩
চাৰ্কুলেচন ঃ ম'বাইল ঃ ৮৪৮৬৯৮০২৮১
বিজ্ঞাপন ঃ ম'বাইল ঃ ৯৮৬৪৮৯৭১৭৫
যোৰহাট ঃ (০৩৭৬) ২৩৭১৮৯৫, তেজপুৰ ঃ (০৩৭১২) ২২১৫৫১, ডিব্ৰুগড় ঃ (০৩৭৩) ২৩২৭৮৫৯
হোৱাটছএপ ঃ ৭৬৩৮০৫৮০৫৪ (সম্পাদনা)
agradoot@gmail.com
editor.agradoot@gmail.com
■ কাকত নাপালে ফোন কৰক ঃ ৯১০১২-৩৮০০৩


# দৈনিক অগ্ৰদূত

সামাজিক দায়বদ্ধতাত অবিচল

## দিগ্‌দৰ্শন

*চলচ্চিত্ৰ হ'ব পাৰে সপোন, হ'ব পাৰে সংগীত; চলচ্চিত্ৰৰ দৰে আন কোনো শিল্পকলাই আমাৰ অন্তৰাত্মাৰ নিভৃত কোঠালিবোৰত প্ৰৱেশ কৰি অনুভূতিক দোলা নিদিয়ে।*

ইংমাৰ বাৰ্গমেন
*ছুইডেনৰ পৰিচালক*



প্ৰধানমন্ত্ৰী কোন হ'ব সেয়া মৰ্চাই নিৰ্ণয় কৰিব ঃ অখিলেশ
আন্তঃৰাষ্ট্ৰীয় শ্বুটিঙত অসমৰ হৃদয়ৰ ব্ৰঞ্জ
৪
জীৱন নিৰ্বাহৰ পথ সৃষ্টিৰ কথা পাহৰি গ'ল ভোটদাতাই

RNI-Regd No. 62953/96 ■ চতুৰ্বিংশ বছৰ ● ২০৫তম সংখ্যা ● গুৱাহাটী ● সোমবাৰ ২২ ব'হাগ ১৪২৬ ভাস্কৰাব্দ ৬ মে' ২০১৯ চন
■ DAINIK AGRADOOT ● Guwahati ● Monday, 6 May 2019 মূল্য ঃ ৭.০০ টকা

সোমবাৰৰ কলম ● কনকসেন ডেকা


## ফেশ্বিজমৰ গতিবিধি

**মানৱ** সভ্যতাৰ বিকাশত ইতালিয়ে যথেষ্ট বৰঙণি আগবঢ়াই আহিছে। প্ৰাচীন ৰোমৰ সভ্যতা ইউৰোপৰ পৰা মেছোপটেমিয়ালৈ সম্প্ৰসাৰিত হৈছিল। সৰ্বত্ৰ জনপ্ৰিয় হৈ পৰা ৰোমান লিপিৰ জন্মস্থানো ইতালিয়েই। পাশ্চাত্যৰ শিল্প বিপ্লৱ, পুনৰ্জাগৰণ আদিও ইতালিৰ পৰাই আৰম্ভ হৈছিল। এই ইতালিতেই এক অভিনৱ ৰাজনৈতিক দৰ্শন ফেশ্বিজমৰ জন্ম হৈছিল।

সম্প্ৰতি আমাৰ দেশত ফেশ্বিজমৰ আগমনৰ শংকা প্ৰকাশ কৰি জনসাধাৰণক সন্ত্ৰস্ত কৰি তুলিবলৈ এচামে উদ্যোগ লোৱা দেখা গৈছে। সেই বাবেই ফেশ্বিজম সম্পৰ্কে আলোচনা কৰাৰ প্ৰয়োজন হৈছে। ৰাজতন্ত্ৰত ৰজাই নিজ ইচ্ছানুসৰি দেশ শাসন কৰে। গণতন্ত্ৰত ৰাইজৰ প্ৰতিনিধিয়ে শাসন চলায়। গ্ৰীক অলিগাৰ্কি অনুসৰি প্ৰতিনিধিত্বমূলক অভিজাত শ্ৰেণীটোৱে শাসনভাৰ বহন কৰে, যিটোক এচামে বৰ্তমানৰ আমাৰ দেশৰ সংসদীয় গণতন্ত্ৰৰ লগতো ১০ পৃষ্ঠাত চাওক

## বি এছ এফ জোৱানক চোৰাং গৰু বেপাৰী চক্ৰৰ আক্ৰমণ

■ ভাৰত-বাংলাদেশ সীমান্তত জব্দ আঠটাকৈ গৰু



অগ্ৰদূত বাৰ্তা
**মানকাচৰ, ৫ মে' ঃ** আৰক্ষী-প্ৰশাসনৰ সন্মুখেৰে ৰাজ্যত গৰুৰ চোৰাং ব্যৱসায় অব্যাহত ৰখা মাফিয়াই নিৰাপত্তাৰক্ষীৰ ওপৰতে আক্ৰমণ চলালে। একাংশ প্ৰভাৱশালী লোকৰ পৃষ্ঠপোষকতাত গৰুৰ এই চোৰাং ব্যৱসায় চলি থকা বুলি অভিযোগ উত্থাপিত হৈ থকাৰ সময়তে আজি পুৱতি নিশা ১০ পৃষ্ঠাত চাওক

## এন আৰ চি উন্নীতকৰণত বিধি-পথালি দিয়াৰ ষড়যন্ত্ৰৰ সন্দেহ

■ নিজৰ অজ্ঞাতে দুষ্টচক্ৰৰ দ্বাৰা বৃহৎ সংখ্যক আবেদন দাখিলৰ অভিযোগ

# ভুৱা আপত্তিৰে হাৰাশাস্তি



*বৰষুণৰ ফলত দ্বিতীয় দিনাও জলমগ্ন গুৱাহাটীৰ ৰাজপথ, দেওবাৰে।*

ষ্টাফ ৰিপ'ৰ্টাৰ
**গুৱাহাটী, ৫ মে' ঃ** ৰাষ্ট্ৰীয় নাগৰিকপঞ্জী (এন আৰ চি)ৰ সম্প্ৰতি চলি থকা শুনানি গ্ৰহণ প্ৰক্ৰিয়াত পোহৰলৈ আহিছে কেতবোৰ উদ্বেগজনক তথ্য। চূড়ান্ত খচৰাত নাম অন্তৰ্ভুক্ত হোৱা একাংশ লোকৰ নাগৰিকত্বক লৈ বহুলোকে এন আৰ চি কৰ্তৃপক্ষৰ ওচৰত আপত্তি আবেদন দাখিল কৰিছিল। সেই আবেদনো শুনানি প্ৰক্ৰিয়াত বিচাৰৰ বাবে গ্ৰহণ কৰা হৈছে। এই পৰ্যায়তে একাংশ চক্ৰই জালিয়াতিৰে উদ্দেশ্যপ্ৰণোদিতভাৱে বহুলোকৰ বিৰুদ্ধে সন্দেহজনক নাগৰিক ১০ পৃষ্ঠাত চাওক

ৰাজীৱ গান্ধীক এক নম্বৰ ভ্ৰষ্টাচাৰী আখ্যাৰ প্ৰত্যুত্তৰ ৰাহুলৰ

## কৃতকৰ্মৰ ফল ভোগ কৰিবলৈ মোদী সাজু হওক

■ নিউজ ব্যুৰ'
**নতুন দিল্লী, ৫ মে' ঃ** 'মোদীজী। যুঁজ পাৰ হ'ল। কৰ্মফলে আপোনালৈ অপেক্ষা কৰিছে। নিজৰ সম্পৰ্কে আপোনাৰ অন্তৰত যি বিশ্বাস আছে, সেইখিনি মোৰ পিতৃৰ ওপৰত ১০ পৃষ্ঠাত চাওক



ফণী ঘূৰ্ণীত বিধ্বস্ত ওড়িছাত হাহাকাৰ ঃ ২৯জনৰ মৃত্যু

## ক্ষতিগ্ৰস্তক ১৫ দিনলৈ সিদ্ধ খাদ্য যোগান ধৰিব চৰকাৰে

■ নিউজ ব্যুৰ'
**ভুৱনেশ্বৰ, ৫ মে' ঃ** বংগোপসাগৰত সৃষ্টি হৈ ওড়িছাক কোবাই যোৱা ফণী ঘূৰ্ণীৰ তাণ্ডৱত সম্প্ৰতি চৌদিশে কেৱল হাহাকাৰ ধ্বনি উঠিছে। এফালৰ ধাহি-মুহি ধ্বংসলীলা চলোৱা এই সামুদ্ৰিক দৈত্যৰ আঘাতত বহু অঞ্চল নিচিহ্ন হৈছে। চৰকাৰে ঘূৰ্ণী প্ৰৱাহিত হোৱাৰ পূৰ্বেই লাখ লাখ লোকক নিৰাপদ স্থানলৈ স্থানান্তৰ কৰে যদিও ধন-সম্পত্তিৰ ১০ পৃষ্ঠাত চাওক

## বৰষুণতে বকোত উটি গ'ল দলং

অগ্ৰদূত বাৰ্তা
**বকো, ৫ মে' ঃ** কালি অসমত প্ৰৱেশ কৰা ফণী ঘূৰ্ণীৰ প্ৰভাৱত হোৱা ধাৰাসাৰ বৰষুণে কামৰূপৰ বকোৰ বৃহত্তৰ ১০ পৃষ্ঠাত চাওক

## অসমক পাকিস্তানত চামিলৰ বিৰোধিতা কৰা বিধায়কৰ পৰিয়াললৈ জাননী জাৰি

বিশেষ সংবাদদাতা
**নগাঁও, ৫ মে' ঃ** অসমক এসমত পূৰ্ব পাকিস্তান (বৰ্তমানৰ বাংলাদেশ)ত অন্তৰ্ভুক্ত হোৱাৰ পৰা ৰক্ষাৰ বাবে অহোপুৰুষাৰ্থ কৰা এজন লোকৰ পৰিয়ালৰ সদস্যই এতিয়া সন্দেহজনক নাগৰিকৰ গ্লানি সহ্য কৰিবলগীয়া হৈছে। কোনো দুষ্ট চক্ৰৰ ষড়যন্ত্ৰৰ বাবেই প্ৰাক্ স্বাধীনতা কালতে বিধায়কৰ আসন শুৱনি কৰা ওছমান আলী সদাগৰৰ পৰিয়ালৰ ১০ পৃষ্ঠাত চাওক

## উগ্ৰতাৰাৰ বিগ্ৰহ চুৰিত ব্যৱহৃত বিলাসী বাহন জব্দ, অভিযান অব্যাহত

ষ্টাফ ৰিপ'ৰ্টাৰ
**গুৱাহাটী, ৫ মে' ঃ** জব্দ হ'ল মহানগৰীৰ ঐতিহ্যমণ্ডিত উগ্ৰতাৰা দেৱালয়ৰ হেজাৰ বছৰ পুৰণি বিগ্ৰহ চুৰিত ব্যৱহৃত বিলাসী বাহনখন। উগ্ৰতাৰা দেৱালয়ৰ বিগ্ৰহ চুৰিৰ গোচৰত গ্ৰেপ্তাৰ হোৱা ১০ পৃষ্ঠাত চাওক



## মঙলদৈত বৰষুণতে উটিল পাঁচ কোটিটকীয়া জিঅ'বেগ আঁচনি

বিশেষ সংবাদদাতা
**মঙলদৈ, ৫ মে' ঃ** মাথোঁ এজাক বৰষুণতে মঙলদৈত উটি গ'ল খহনীয়া প্ৰতিৰোধৰ এখন প্ৰায় পাঁচ কোটিটকীয়া জিঅ' বেগ আঁচনি। ফণী ঘূৰ্ণীৰ প্ৰভাৱত কালি পুৱাৰে পৰা হোৱা বাৰিষাৰ ১০ পৃষ্ঠাত চাওক

## মেজৰ লিটল গগৈক কাশ্মীৰৰ পৰা শাস্তিমূলক বদলি

■ নিউজ ব্যুৰ'
**শ্ৰীনগৰ/নতুন দিল্লী, ৫ মে' ঃ** ইটোৰ পাছত সিটো শাস্তি মূৰ পাতি ল'বলগীয়া হৈছে মেজৰ লিটল গগৈয়ে। ১০ পৃষ্ঠাত চাওক

আস্থা আৰু উৎকৃষ্টতাৰ ২১ অতিক্ৰমী ২২ বছৰত পদাৰ্পণ
Bhogali Jalpan
SINCE 1997






**কিডনীৰ আৰশ্যক**

AB+ Blood Groupৰ কিডনীৰ আৰশ্যক। ডনাৰ 50 বছৰ বয়সৰ ভিতৰত হোৱাটো আৰশ্যক।
Contact-9613507457

**ASTROLOGY/ জ্যোতিষী**

ত্ৰিকাল মহাভৈৰৰ তন্ত্ৰ কেন্দ্ৰ ও আচল ৰত্নৰ ৰাজভাণ্ডাৰ ৰত্নসাগৰ অসমত সৰ্বপ্ৰথম একমাত্ৰ ১৮টা বিদ্যাৰ দ্বাৰা একেলগে, একে ঠাইত সংমিশ্ৰিত, বিশ্লেষিত সকলো সমস্যাৰ গেৰাণ্টীযুক্ত সমাধান। সৰ্বমনোকামনা পূৰণকাৰী মহাকাল ভৈৰৱ কৱচত সকলো সমস্যা তিনি ঘণ্টাৰ পৰা সমাধান। জ্যোতিষ, বাস্তু, তান্ত্ৰিক সম্ৰাট.... ত্ৰিকাল ৰাজগুৰু, কুঁৰৰীটোল, কলিয়াবৰ, নগাঁও- 9954021556, 9947066469.

# প্ৰাক্তন সাংবাদিক, সমাজকৰ্মী ৰঞ্জিত কলিতাৰ মৃত্যুত শোক

অগ্ৰদূত বাৰ্তা

**বিহপুৰীয়া, ৫ মে’, ঃ** বিহপুৰীয়াৰ দক্ষিণপ্ৰান্তৰ দুই নম্বৰ জাপজুপ গাঁৱৰ নিবাসী ৰঞ্জিত কলিতা (৪৮)ৰ চাৰি মে’ৰ নিশা ৰোগাক্ৰান্ত হৈ পৰলোকপ্ৰাপ্তি ঘটাত অঞ্চলটোত গভীৰ শোকৰ ছাঁ পৰিছে। স্থানীয় বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠানৰ লগত জড়িত কলিতা এটা সময়ত সাংবাদিকতা বৃত্তিৰ লগতো জড়িত আছিল। নতুন দৈনিক, আজিৰ অসম বাতৰি কাকতত বিহপুৰীয়াৰ পৰা সংবাদ সেৱা আৰম্ভ কৰা কলিতা এজন সু-অভিনেতা তথা বিশিষ্ট সমাজকৰ্মীৰূপে অঞ্চলটোত পৰিচিত আছিল। স্থানীয় নবীন নাট্যমন্দিৰ, মইনা পাৰিজাত, দক্ষিণ বিহপুৰীয়া কল্যাণকামী শাখা সাহিত্য সভাৰ গুৰুত্বপূৰ্ণ দায়িত্বত নিষ্ঠা আৰু সততাৰে কাৰ্যনিৰ্বাহ কৰি যোৱা কলিতাৰ অকাল মৃত্যুত শোকস্তব্ধ হৈ পৰিছে সমগ্ৰ দক্ষিণ বিহপুৰীয়া অঞ্চল। কলিতাই মৃত্যুৰ সময়ত পত্নী, জ্যেষ্ঠ ভ্ৰাতৃ-নবৌয়েকক এৰি যায়। স্থানীয় বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠানৰ লগতে বিহপুৰীয়া প্ৰেছ ক্লাবেও প্ৰাক্তন সাংবাদিক, সমাজকৰ্মী কলিতাৰ বিয়োগত গভীৰ শোক প্ৰকাশ কৰাৰ লগতে শোকসন্তপ্ত পৰিয়ালবৰ্গলৈ গভীৰ সমবেদনা জ্ঞাপন কৰে।

# ঘগ্ৰাপাৰৰ চত্ৰা গাঁৱত খোৱাপানীৰ নাটনি

## *ছবছৰে পানী যোগান আঁচনিৰ চকৰি নুঘূৰিল*

অগ্ৰদূত বাৰ্তা

**ঘগ্ৰাপাৰ, ৫ মে’, ঃ** নলবাৰী জিলাৰ নলবাৰী জনস্বাস্থ্য কাৰিকৰী বিভাগ নলবাৰী সংমণ্ডলৰ বিভাগীয় বৰমূৰীয়া-অভিযন্তা-কৰ্মচাৰীসকলৰ চৰম অৱহেলা আৰু দায়িত্বজ্ঞানহীনতাৰ ফলত নলবাৰী বিধানসভা সমষ্টিৰ অন্তৰ্গত ঘগ্ৰাপাৰ ৰাজহ চক্ৰৰ কে’বাটাও বিশুদ্ধ পানী যোগান আঁচনি লাখ লাখ টকা ব্যয় কৰি নিৰ্মাণৰ পাছতো বিকল অথবা চকৰি নুঘূৰাকৈ আছে। তেনে এক উদাহৰণ হ’ল নলবাৰী জিলাৰ নলবাৰী সংমণ্ডলৰ অন্তৰ্গত ঘগ্ৰাপাৰ ৰাজহ চক্ৰৰ অধীনস্থ চত্ৰা গাঁওস্থিত চত্ৰা পানী যোগান আঁচনি। উল্লেখ্য যে ২০১৩ত এই প্ৰকল্পটো নিৰ্মাণৰ বাবে অসম চৰকাৰৰ জনস্বাস্থ্য আৰু কাৰিকৰী বিভাগে নলবাৰী সংমণ্ডলৰ জৰিয়তে প্ৰায় ৬৫ লাখ টকা ধাৰ্য কৰি বিভাগীয় ঠিকাদাৰৰ দ্বাৰা নিৰ্মাণ কাৰ্য সম্পূৰ্ণ কৰে। কিন্তু মুকলিৰ ছমাহ পাছতে প্ৰকল্পটো সম্পূৰ্ণৰূপে বন্ধ হৈ পৰে। বৃহত্তৰ অঞ্চলটোৰ প্ৰায় দুশটাৰো অধিক পৰিয়ালক সামৰি স্থাপন হোৱা চত্ৰা পানী যোগান আঁচনিৰে ২০১৩ত সংশ্লিষ্ট ৰাইজক মাত্ৰ ছমাহমান পানী যোগান ধৰিলে যদিও ইয়াৰ কিছুদিন পাছৰে পৰা প্ৰায় ছ বছৰ ধৰি উক্ত প্ৰকল্পটোৰ চকৰি অতি ৰহস্যজনক বন্ধ হৈ থকাত ৰাইজে বিশুদ্ধ খোৱাপানীৰ পৰা বঞ্চিত হৈ আহিছে। সম্প্ৰতি চত্ৰা গাঁৱৰ বড়ো-চত্ৰা-পৈছাৰ মুছলমান চুবুৰিৰ লগতে ন-হাউলী গাঁৱৰ ৰাইজে খাল, বিল, কুঁৱা দমকলৰ পানীকে ব্যৱহাৰ কৰিবলগীয়া হৈছে। ইফালে, আঁচনিখনৰ অধীনত পানী যোগানৰ ব্যৱহাৰ কৰা প্ৰকল্পটোৰ পাম্পঘৰ, জলাধাৰ, পানীৰ পাইপ, টেপ আদিও বৰ্তমানে নষ্ট হৈ যাবলৈ ধৰিছে। ইপিনে, ব্যৱহাৰৰ অভাৱত প্ৰকল্পটো জহি-খহি যাবলৈ ধৰিছে। আঁচনিখনৰ এনে মৃত্যুমুখী অৱস্থাৰ বাবে স্থানীয় ৰাইজে বিভাগীয় কৰ্তৃপক্ষ তথা স্থানীয় তদাৰক সমিতিকে দোষাৰোপ কৰিছে।

# মেলেং-আমলখিছিগা মথাউৰি জৰাজীৰ্ণ ঃ আতংকত দিন পাৰ কৰিছে মধ্য যোৰহাটৰ কেঁবাখন ৰাইজে পোৱা বানৰ আশংকা

অগ্ৰদূত বাৰ্তা

**লাহদৈগড়, ৫ মে’,** ঃ জলসম্পদ উন্নয়ন বিভাগ যোৰহাট সংমণ্ডলৰ অধীনস্থ মধ্য যোৰহাটৰ মেলেং মথাউৰি, আমলখিছিগা ককিলা জাঁজীমুখ মথাউৰি দুটাৰ অৱস্থা অতিকে সংকটজনক হৈ পৰিছে। বাৰিষা ব্ৰহ্মপুত্ৰ, নৈনৈ, বাঘজান, মেলেং নৈত বাঢ়নী পানীয়ে মথাউৰি দুটাত প্ৰচণ্ডভাৱে খুন্দা মাৰে আৰু বানপানীৰ সময়ত এই দুটা মথাউৰিয়ে মানুহৰ লগতে গৰু-ম’হৰ অহা-যোৱাৰ একমাত্ৰ পথ হৈ পৰে। অথচ কেতিয়া ব্ৰহ্মপুত্ৰৰ বানে ভাঙি পেলাব তাৰ কোনো নিশ্চয়তা নোহোৱা হৈছে। ফলত হাতীগড় আৰু চাওখাত মৌজাৰ জনসাধাৰণে আতংকত দিন পাৰ কৰিছে। উল্লেখ্য যে ২০১১-১২ত মেলেং মথাউৰিৰ ৫৬৯০ মিটাৰ নিৰ্মাণৰ বাবে ৰাজ্য চৰকাৰে পাঁচ কোটি ৫০ লাখ টকা মুকলি কৰি দিছিল। কিন্তু ব্ৰহ্মপুত্ৰৰ আৰু মেলেং নৈৰ পলস দি মথাউৰিটো নিম্নমানৰ কাম কৰি সিংহ ভাগ ধন ঠিকাদাৰ আৰু অভিযন্তাই আত্মসাৎ কৰাৰ অভিযোগ উত্থাপিত হয়। ৰাইজ আৰু অসম জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদৰ চাওখাও হাতীগড় আঞ্চলিক সমিতিয়ে যোৰহাট জিলা উপায়ুক্ত আৰু জলসম্পদ উন্নয়ন বিভাগ যোৰহাট সংমণ্ডলৰ কাৰ্যবাহী অভিযন্তাক স্মাৰকপত্ৰ দি কোনো সুফল নাপালে। ৫৬৯০ মিটাৰ দৈৰ্ঘ্যৰ মেলেং মথাউৰি আজিও পকীকৰণ নহ’ল। এতিয়া বৃহৎ বৃহৎ গাঁত সৃষ্টি হোৱাত এজাক বৰষুণত খোজ কাঢ়ি আহিব নোৱৰা অৱস্থা হৈছে।

ইপিনে, ককিলা আমলখিছিগা জাঁজীমুখ মথাউৰিটোৰ অৱস্থাও তথৈবচ। ব্ৰহ্মপুত্ৰৰ পৰা মাত্ৰ এশ মিটাৰ আঁতৰত থকা ককিলা আমলখিছিগা জাঁজীমুখ মথাউৰি মেৰামতিৰ নামত প্ৰতি বছৰে ৫০ হেজাৰ-এক লাখ টকা লুণ্ঠন চলাই আছে। ব্ৰহ্মপুত্ৰই প্ৰতিদিনে খহনীয়া সৃষ্টি কৰি মথাউৰি কাষ চপাৰ পাছতো জলসম্পদ উন্নয়ন বিভাগৰ যোৰহাট সংমণ্ডলৰ কাৰ্যবাহী অভিযন্তাই নীৰৱ দৰ্শক হৈ থকাত হাতীগড় আৰু চাওখাট মৌজাৰ ৰাইজ ক্ষুব্ধ হৈ পৰিছে। এইবাৰ বাৰিষা বৃহত্তৰ অঞ্চলটো বানৰ কবলত পৰাৰ আশংকা ক্ৰমাৎ বৃদ্ধি পাইছে। যিকোনো মুহূৰ্ততে বাঢ়নী পানীয়ে মথাউৰি ছিঙি পেলোৱাৰ আশংকা প্ৰকট হৈছে। বিগত কিছুদিন ধৰি নেৰানেপেৰা বৰষুণ হৈ থকাত ৰাইজৰ নিদ্ৰাহৰণ হৈছে।

## পি এইছ ডি ডিগ্ৰী লাভ



শ্ৰীজয়দ্বীপ মজুমদাৰক তেওঁৰ ‘প্ৰাচীন অসমীয়া সাহিত্যত কৃষ্ণকথা ঃ এক সমীক্ষাত্মক অধ্যয়ন’ শীৰ্ষক গৱেষণা গ্ৰন্থৰ বাবে গুৱাহাটী বিশ্ববিদ্যালয়ে সন্মানীয় ডক্টৰেট ডিগ্ৰী (পিএইছ, ডি) প্ৰদান কৰে। তেওঁ গুৱাহাটী বিশ্ববিদ্যালয়ৰ আধুনিক ভাৰতীয় ভাষা আৰু সাহিত্য অধ্যয়ন বিভাগৰ পৰা ড° দ্বিজেন্দ্ৰ নাথ ভকতৰ তত্ত্বাৱধানত গৱেষণা কাৰ্য সম্পন্ন কৰে। শ্ৰীজয়দ্বীপ মজুমদাৰ চিৰাং জিলাৰ বিজনী চহৰৰ অৱসৰপ্ৰাপ্ত শিক্ষক স্বৰ্গীয় ৰমণেন্দু মজুমদাৰ আৰু শ্ৰীযুত ৰুণু মজুমদাৰৰ জ্যেষ্ঠ পুত্ৰ।



## নিৰুদ্দেশ

সাগৰ কুমাৰ, বয়স ঃ ২০ বছৰ, উচ্চতা ঃ ৫ ফুট ৬ ইঞ্চি। সোঁহাতত কটা দাগ আছে। উত্তৰ প্ৰদেশৰ মীৰাটৰ বাসিন্দা এই যুৱকজন যোৱা ২৯ এপ্ৰিলৰ পৰা গুৱাহাটীৰ নমাইলৰ পৰা সন্ধানহীন হৈ আছে। কোনো লোকে তেওঁৰ সন্ধান পালে তলৰ ফোন নম্বৰত জনাবলৈ অনুৰোধ জনোৱা হ’ল। সন্ধান দিওতাক ১০ হেজাৰ টকাৰ পুৰস্কাৰ প্ৰদান কৰা হ’ব।

যোগাযোগৰ ফোন নম্বৰ
**8810005090, 9058808271**

# ছয়দুৱাৰ কলেজৰ বিজ্ঞান শিক্ষাৰ জনপ্ৰিয়কৰণৰ অভিযান

অগ্ৰদূত বাৰ্তা

**গহপুৰ, ৫ মে’, ঃ** গহপুৰ মহকুমাত বিজ্ঞান শিক্ষাৰ বাটকটীয়া শিক্ষানুষ্ঠান ছয়দুৱাৰ মহাবিদ্যালয়ৰ তত্ত্বাৱধানত মহকুমাটোৰ বিভিন্ন প্ৰান্তৰত অব্যাহত আছে বহিঃসংযোগ কাৰ্যসূচীৰ জৰিয়তে বিজ্ঞান শিক্ষাৰ জনপ্ৰিয়কৰণৰ অভিযান। শেহতীয়াকৈ যোৱা তিনি মে’ত বিজ্ঞানৰ জনপ্ৰিয়কৰণৰ উদ্দেশ্যেৰে মহকুমাটোৰ পূব ডুবিয়া হাইস্কুলত উক্ত বহিঃসংযোগ কাৰ্যসূচী ৰূপায়ণ কৰা হয়। উল্লেখ্য যে অসমৰ গ্ৰামাঞ্চলৰ শিক্ষাৰ্থীসকলক বিজ্ঞান শিক্ষাৰ প্ৰতি আগ্ৰহী কৰি তুলিবলৈ তথা বিজ্ঞানৰ পৰীক্ষা-নিৰীক্ষাসমূহ হাতে-কামে কৰি বিজ্ঞান শিক্ষাক নতুনত্ব প্ৰদান কৰাৰ মানসেৰে অসম ৰাজ্যিক বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যা পৰিষদে গ্ৰহণ কৰা বহিঃসংযোগ আঁচনিৰ অধীনত ছয়দুৱাৰ মহাবিদ্যালয়ে পূব ডুবিয়া হাইস্কুলত উক্ত পদক্ষেপ গ্ৰহণ কৰে। এই উপলক্ষে প্ৰকল্পটোৰ সমন্বয়ক তথা ছয়দুৱাৰ মহাবিদ্যালয়ৰ ৰসায়ন বিজ্ঞান বিভাগৰ জ্যেষ্ঠ সহযোগী অধ্যাপক ড° ৰাজু ওজাই পূব ডুবিয়া হাইস্কুলত ৰূপায়ণ কৰা উক্ত কাৰ্যসূচীৰ উদ্বোধনী অনুষ্ঠান বস্তুনিষ্ঠ আৰু তথ্য সমৃদ্ধ ভাষণ প্ৰদান কৰি প্ৰকল্পটোৰ লক্ষ্য-উদ্দেশ্যৰ সবিশেষ শিক্ষাৰ্থীসকলৰ আগত দাঙি ধৰে। ইয়াৰ পাছতে পূব ডুবিয়া হাইস্কুলৰ জ্যেষ্ঠ শিক্ষক চন্দ্ৰ বৰুৱা আৰু বিজ্ঞান শিক্ষক পবিত্ৰ নেওগে বিদ্যালয়খনৰ পৰিয়ালবৰ্গৰ হৈ প্ৰকল্পটোৰ লগত জড়িত সমল ব্যক্তিসকলক আদৰণি জনায়। পৰৱৰ্তী কাৰ্যসূচী অনুসৰি প্ৰকল্পটোৰ লগত সংগতি ৰাখি অনুষ্ঠিত কৰা সভাত প্ৰকল্পটোৰ সমন্বয়ক ড° ৰাজু ওজাই অভিনৱ প্ৰকল্পটোৰ জৰিয়তে ছয়দুৱাৰ মহাবিদ্যালয়ৰ পদাৰ্থ বিজ্ঞান, ৰসায়ন বিজ্ঞান, উদ্ভিদ বিজ্ঞান আৰু প্ৰাণী বিজ্ঞান বিভাগৰ সমল ব্যক্তিসকলে শিক্ষাৰ্থীসকলৰ সন্মুখত বিজ্ঞান শিক্ষাক নতুন ৰূপত উপস্থাপন কৰিব বুলি মন্তব্য কৰে।

# টে’ট পৰীক্ষা অনুষ্ঠিত হোৱাৰ খবৰ পাই তৎপৰতা অসাধু চক্ৰ

অগ্ৰদূত বাৰ্তা

**নদুৱাৰ, ৫ মে’ ঃ** গুৱাহাটীৰ পৰা প্ৰকাশিত এখন ‘দৈনিক কাকত’ত টে’ট পৰীক্ষা অনুষ্ঠিত কৰাৰ সিদ্ধান্ত সম্পৰ্কে প্ৰকাশিত বাতৰিৰ পাছতেই শোণিতপুৰ জিলাত এটা চক্ৰই সক্ৰিয় হৈ পৰিছে কোচিং চেণ্টাৰ খোলা কামত। প্ৰকাশিত বাতৰি মতে অহা ছেপ্টেম্বৰত এল পি আৰু এম ইৰ টে’ট পৰীক্ষা অনুষ্ঠিত হোৱাৰ কথা। ইয়াৰে সুযোগ লৈ একাংশ লোকে ব্যাপক ধন ঘটাৰ স্বাৰ্থত কেতবোৰ স্থানত টে’ট পৰীক্ষাত অৱতীৰ্ণ হ’ব খোজা প্ৰাৰ্থীসকলক কোচিং চেণ্টাৰৰ জৰিয়তে প্ৰস্তুত কৰি তোলাৰ অচিলাৰে আৰম্ভ কৰিছে ধন ঘটাৰ কৌশল। তথ্য মতে জিলাখনৰ একাংশ লোকে এটা মাহত চাৰি-পাঁচ হেজাৰ টকাৰ বিনিময়ত এনে চেণ্টাৰত নামভৰ্তিৰ চিন্তা-চৰ্চা কৰি যাৱতীয় কামত লাগি পৰিছে। একাংশ লোকে ইতিমধ্যে কোচিং চেণ্টাৰৰ প্ৰচাৰৰ বাবে বেনাৰ, হৰ্ডিংছ আদিও ছপা কৰিবৰ বাবে প্ৰেছত দিছে। ইফালে, এই চক্ৰটোৰ এনে তৎপৰতাত আশংকা প্ৰকাশ কৰিছে বৌদ্ধিক সমাজে। তেওঁলোকে এনে চেণ্টাৰৰ জৰিয়তে টে’টত অৱতীৰ্ণ হ’ব লগাসকল কিমান উপকৃত হ’ব তাত সন্দেহ প্ৰকাশ কৰিছে। কিয়নো এনে অধিকাংশ চেণ্টাৰত অনভিজ্ঞ শিক্ষকৰ দ্বাৰা পঢ়ুৱা হয়। একমাত্ৰ ধন আহৰণকে মুখ্য উদ্দেশ্যৰূপে লোৱা এইসকল চেণ্টাৰৰ গৰাকীয়ে অধিক ধন খৰচ কৰি কোনো কাৰণতে অভিজ্ঞ শিক্ষকৰ দ্বাৰা পাঠদান কাৰ্যসূচী নচলায়। এটা চৰকাৰী চাকৰিৰ বাবে হামৰাও কাঢ়ি ফুৰা শিক্ষিত নিবনুৱাসকলে টে’টৰ জৰিয়তে এটা চাকৰি যোগাৰ কৰাৰ স্বাৰ্থত এনে কোচিং চেণ্টাৰৰ যে আশ্ৰয় নল’ব তাক নুই কৰিব নোৱাৰি। টে’টত অৱতীৰ্ণ হ’বলৈ খোজা একাংশ লোকৰে ইতিমধ্যে এই চক্ৰটোৰে যোগাযোগ চলাইছে। নিবনুৱাসকলৰ চৰকাৰী চাকৰিৰ আশাৰ সুযোগ ল’বলৈ প্ৰস্তুতি চলোৱা চক্ৰটোৰে সেয়ে কোচিং চেণ্টাৰত নামভৰ্তিৰ নামত মাচুল উচ্চ নিৰিখত নিৰ্ধাৰণ কৰিছে। শিক্ষিত নিবনুৱাসকলক চূড়ান্ত প্ৰতাৰণা কৰিবলৈ প্ৰস্তুতি চলোৱা এনে চক্ৰবোৰক সময় থাকোতেই নাকী লগাবলৈ দাবী জনাইছে বৌদ্ধিক সমাজে।

# বৰভেটিত ৰঙালী বিহু

অগ্ৰদূত বাৰ্তা

**বেবেজীয়া, ৫ মে’ ঃ** নগাঁও জিলাৰ বেবেজীয়াৰ সমীপৰ বৰভেটিত কাইলৈ দিনজোৱা কাৰ্যসূচীৰে ৰঙালী বিহু উদ্‌যাপন কৰা হ’ব। নৱৰূপা সাংস্কৃতিক গোষ্ঠীৰ উদ্যোগত বৰভেটিৰ বিহু মঞ্চত অনুষ্ঠিতব্য উৎসৱৰ কাৰ্যসূচীৰ অংশৰূপে পুৱা পতাকা উত্তোলন, স্মৃতি তৰ্পণ, সাংস্কৃতিক শোভাযাত্ৰা, পৰম্পৰাগত খেল-ধেমালি, চিত্ৰাংকন প্ৰতিযোগিতাৰ পাছত সন্ধিয়া আলোচনাচক্ৰ অনুষ্ঠিত হ’ব। নিশা অনুষ্ঠিত হ’ব সদৌ অসম ভিত্তিক বিহু কুঁৱৰী আৰু বিহু কন্যা প্ৰতিযোগিতা। কাইলৈ সন্ধিয়া সাত বজাৰ পৰা ‘সাত বিহু’ শীৰ্ষক আলোচনাচক্ৰ অনুষ্ঠিত হ’ব।

# অস্তিত্বৰ সংকটত ডিপলুঙা আঞ্চলিক বন বিষয়াৰ কাৰ্যালয়

অগ্ৰদূত বাৰ্তা

**নদুৱাৰ, ৫ মে’, ঃ** শোণিতপুৰ জিলাৰ চতিয়া বিধানসভা সমষ্টিৰ অন্তৰ্গত অৰুণাচল প্ৰদেশ সীমান্তৱৰ্তী ডিপলুঙা আঞ্চলিক বন কাৰ্যালয়ৰ অধীনৰ সংৰক্ষিত বনাঞ্চলখন আজি জনাঞ্চলত পৰিণত হ’ল। বিগত তিনি দশক ধৰি ধাৰাবাহিকভাৱে এক বিশেষ জনগোষ্ঠীৰ লোকে বনাঞ্চলখনত প্ৰৱেশৰ কৰি বনাঞ্চলৰ গছ, বন কাটি ঘৰ-দুৱাৰ সাজি নিগাজীকৈ বসতি স্থাপন কৰিলে। ১২০০ হেক্টৰ ভূমিৰে আবৰা উক্ত সংৰক্ষিত বনাঞ্চলখনৰ সুৰক্ষাৰ স্বাৰ্থত পূব শোণিতপুৰ বন সংমণ্ডল প্ৰাধিকাৰীৰ কাৰ্যালয়ৰ অধীনত ৫০ৰ দশকতেই স্থাপন কৰা ডিপলুঙা আঞ্চলিক বন বিষয়াৰ কাৰ্যালয়টো আজি শংকটাপন্ন। দেশৰ বিভিন্ন প্ৰান্তৰ পৰ্যটকৰ লগতে বিদেশী পৰ্যটকৰো বিশেষ আকৰ্ষণৰ কেন্দ্ৰবিন্দু আছিল উক্ত সংৰক্ষিত বনাঞ্চলখন। মূল্যবান গছ-গছনিৰে পৰিপূৰ্ণ হৈ থকা অটব্য অৰণ্যানীৰ মাজত নিৰাপদেই আশ্ৰয় গ্ৰহণ কৰিছিল গঁড়, হাতী, বাঘ, ভালুক, হৰিণা, বন গাহৰি আদিকে ধৰি বিভিন্ন আপুৰুগীয়া জীৱ-জন্তুসমূহে। দিনৰ পোহৰতো অন্ধকাৰাচ্ছন্ন হৈ থকা বনাঞ্চলখন পৰিভ্ৰমণৰ বাবে অহা তথা গৱেষণাৰ বাবে বিদেশী পৰ্যটকসকলক উক্ত ডিপলুঙা আঞ্চলিক বন বিষয়াৰ কাৰ্যালয়ৰ বিষয়া আৰু বনকৰ্মীসকলৰ দ্বাৰাই সুৰক্ষা প্ৰদান কৰি পৰিভ্ৰমণ কৰোৱা হৈছিল। ইয়াৰ উপৰি বৃহত্তৰ অঞ্চলটোৰ জৈৱ-বৈচিত্ৰ্যক সুৰক্ষিত কৰি প্ৰাকৃতিক সম্পদৰাজিকো ৰক্ষণা-বেক্ষণ দিছিল কাৰ্যালয়টোৰ বন বিষয়া আৰু বনকৰ্মীৰ লগতে অন্যান্য কৰ্মচাৰীসকলে; কিন্তু অতি দুৰ্ভাগ্যজনক বিষয়টো হ’ল ৰাজ্যৰ ভিতৰতে সৰ্বাধিক ৰাজহ সংগ্ৰহ কৰি অভিলেখ সৃষ্টি কৰা আঞ্চলিক বন বিষয়াৰ কাৰ্যালয়টো সম্প্ৰতি এচাম দুষ্কৃতিকাৰীৰ কবলত পৰি প্ৰায় নিঃশেষ হৈছে। উল্লেখ্য যে দীৰ্ঘদিন ধৰি নামেৰী ৰাষ্ট্ৰীয় উদ্যান আৰু কাজিৰঙাৰ ষষ্ঠ সংযোজন অঞ্চলৰ পৰা খাদ্যৰ সন্ধানত ওলাই অহা শ শ বনৰীয়া হাতীৰ জাকে বনাঞ্চলখনৰ দাঁতি কাষৰীয়া গাঁওসমূহত প্ৰৱেশ কৰি শতাধিক লোকক হত্যা কৰাৰ লগতে দুই শতাধিক লোকক চিৰদিনৰ বাবে পংগু কৰাৰ উপৰি ঘৰ-দুৱাৰ ভাঙি তহিলং কৰি হেজাৰ হেজাৰ বিঘা মাটিৰ ধান খেতি নষ্ট কৰি আহিছে। ইয়াৰ প্ৰতিৰোধৰ বাবে উক্ত কাৰ্যালয়ৰ বন বিষয়া আৰু বনকৰ্মীসকলে দিনে-নিশাই কাম কৰি আহিছে। কিন্তু বনকৰ্মীসকলৰ সুবিধা হোৱাকৈ বন কাৰ্যালয়টোত নাই এখন ভাল গাড়ী। আওপুৰণি এখন জীপ গাড়ী আছে যদিও সেইখন সঘনাই বিকল হৈ পৰে। বিগত সময়ত বনৰীয়া হাতী জনাঞ্চলৰ পৰা খেদিবলৈ গৈ আধা বাটতে জীপ বিকল হোৱাত ঠেলিব লগা পৰিস্থিতিৰ সৃষ্টি হৈছে। ফলত ঘটনাস্থলীত যথা সময়ত উপস্থিত হৈ কৰ্তব্য সম্পাদনা কৰাত চৰম সমস্যাত পৰি আহিছে বনকৰ্মীসকল। তদুপৰি বৃহৎ বনাঞ্চলখনক ৰক্ষণা-বেক্ষণ দিব পৰাকৈ বন কাৰ্যালয়টোত যিমান বনকৰ্মীৰ প্ৰয়োজন সিমান নাই। ছয়-সাতজন বনকৰ্মী বন কাৰ্যালয়টোত আছে যদিও উগ্ৰপন্থী অধ্যুষিত বনাঞ্চল হোৱালৈ লক্ষ্য ৰাখি অত্যাধুনিক অস্ত্ৰ বনকৰ্মীৰ হাতত থকাটো প্ৰয়োজন আছিল যদিও আওপুৰণি বন্দুক দুটামানৰেই বনকৰ্মীৰ দৰে জীৱন মৰণৰে পৰিপূৰ্ণ কৰ্তব্য সম্পাদন কৰিব লগা হৈছে। গতিকেই প্ৰাকৃতিক সম্পদ ৰক্ষা আৰু বনৰীয়া হাতী প্ৰতিৰোধৰ স্বাৰ্থতে ডিপলুঙা আঞ্চলিক বন বিষয়াৰ কাৰ্যালয়টোত অতিৰিক্ত বনকৰ্মী, প্ৰয়োজনীয় গাড়ী আৰু অত্যাধুনিক অস্ত্ৰ-শস্ত্ৰসহ আধুনিকীকৰণ কৰাটোহে আতিকে প্ৰয়োজন হৈছে। এই সন্দৰ্ভত তাৎক্ষণিক পদক্ষেপ গ্ৰহণ কৰিবলৈ আছু, যুৱ-ছাত্ৰ পৰিষদ, আটছা, আছা আদি সংগঠনসমূহৰ লগতে বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠান তথা প্ৰকৃতিপ্ৰেমী ৰাইজে চৰকাৰক দাবী জনাইছে।

**পদ খালী**

পেকেজিং বয়, C.C. Executive, Security Guardৰ পদৰ বাবে ইচ্ছুক প্ৰাৰ্থী বিচৰা হৈছে। আকৰ্ষণীয় দৰমহা। শিক্ষা কমেও অষ্টম শ্ৰেণী উত্তীৰ্ণ। থকাৰ সুবিধা আছে। যোগাযোগ –
PAPCS Ltd. Howly.
Ph-6900824730, 8638313901
Last date - 29-5-19.

## সোঁৱৰণী



**প্ৰয়াত ভূপেন মেধী**
জন্ম ঃ ১-৩-১৯৬১
মৃত্যু ঃ ২৮-৪-২০১৭

*আজি আপোনাৰ দ্বিতীয় মৃত্যু বাৰ্ষিকীত আপোনাক শ্ৰদ্ধাৰে সুঁৱৰিছো। আপোনাৰ আত্মাই চিৰশান্তি লাভ কৰক — এয়াই ভগৱানৰ ওচৰত প্ৰাৰ্থনা।*

*পৰিয়ালৰ হৈ —*
*হীৰামণি মেধী (পত্নী)*
*ভাৰ্জিনা মেধী (কন্যা)*
*সীমান্তৰাজ মেধী (পুত্ৰ)*
*বেলতলা, গুৱাহাটী*

## সোঁৱৰণী



**গীতিকাৰ ফজলুল কৰিম**
জন্ম ঃ ৬-৪-৪৪
মৃত্যু ঃ ৬-৫-২০০১

*পৰিয়ালবৰ্গ আৰু অনুৰাগীসকল*

# কণ্ঠশিল্পী পংকজ বৰদলৈক সম্বৰ্ধনা

অগ্ৰদূত বাৰ্তা

**নদুৱাৰ, ৫ মে’, ঃ** বিশিষ্ট কণ্ঠশিল্পী পংকজ বৰদলৈক যোৱা ৩০ এপ্ৰিলত জামুগুৰিহাটৰ সাংস্কৃতিক অনুষ্ঠান ‘সৌভাগ্য মাধৱ ৰূপজ্যোতি শিল্পী সমাজ’-এ ৰাজহুৱা সম্বৰ্ধনা জ্ঞাপন কৰে। শিল্পীজনে শৈশৱ কালৰ পৰাই ৰূপজ্যোতি শিল্পী সমাজে অনুষ্ঠিত কৰা ‘মাধৱ ব’হাগী সমাৰোহ’ত গীত পৰিৱেশন কৰাৰ উপৰি স্থানীয় শিল্পীসকলক গীত পৰিৱেশনত সহায় কৰিছিল। যি সময়ত পংকজ বৰদলৈ অসমৰ শদিয়াৰ পৰা ধুবুৰীলৈকে বিহুমঞ্চসমূহত গীত গাই ফুৰিছিল আৰু বহু ঠাইত গীত পৰিৱেশনত সময় দিব পৰা নাছিল তেনে সময়তো ‘মাধৱ ব’হাগী সমাৰোহ’ত বিনা মাননিৰে গীত পৰিৱেশন কৰিছিল। মাধৱ গাঁওবাসীয়ে শিল্পীজনক নিজৰ গাঁৱৰেই বুলি অনুভৱ কৰিছিল। ৰঞ্জিত বৰঠাকুৰ আৰু মানস ভূঞাই আঁত ধৰা অনুষ্ঠানত পংকজ বৰদলৈৰ সম্পৰ্কত আৰু গাঁওখনৰ লগত কেনে ধৰণৰ সম্পৰ্ক তাক বিস্তৃত বিৱৰণি দাঙি ধৰা হয়। শিল্পী সমাজে প্ৰস্তুত কৰা সম্বৰ্ধনাপত্ৰ অনুষ্ঠানৰ সভাপতি সঞ্জীৱ ভূঞা আৰু যুটীয়া সম্পাদক ননী মাধৱ বৰঠাকুৰ আৰু বিজয় বৰঠাকুৰৰ হৈ পাঠ কৰে মানস ভূঞাই। সম্বৰ্ধনা গ্ৰহণ কৰি শিল্পী বৰদলৈ আৱেগিক হৈ পৰে। বৰদলৈক সম্বৰ্ধনা জ্ঞাপন কৰাৰ বাবে গাঁওবাসীৰ লগতে বৃহত্তৰ জামুগুৰিবাসীয়ে সন্তুষ্টি প্ৰকাশ কৰি উদ্যোক্তাসকলৰ শলাগ লৈছে।

# দিঘলটৰং বাগিচাৰ সহস্ৰাধিক শ্ৰমিকৰ ভৱিষ্যৎ অন্ধকাৰ

## বাগিচা নিঃশেষৰ পৰিকল্পনা মালিকপক্ষৰ

অগ্ৰদূত বাৰ্তা

**ডুমডুমা, ৫ মে’, ঃ** উজনি অসমৰ তিনিচুকীয়া জিলাৰ চাহ নগৰী ডুমডুমাৰ বাঘাজান অঞ্চলত অৱস্থিত আছাম টি কোম্পানীৰ দিঘলটৰং চাহ বাগিচাৰ তিনি সহস্ৰাধিক শ্ৰমিকে কৰ্মসংস্থাপন হেৰুওৱাৰ ভয়াৱহ সংকটৰ সন্মুখীন হৈছে। চাহ কোম্পানীটোৰ স্বত্বাধিকাৰ ডাঃ বি আৰ শ্বেঠীয়ে দিঘলটৰং চাহ বাগিচাত অইল ইণ্ডিয়া লিমিটেডক খাৰুৱা তেল খনন কৰিবলৈ বাগিচাৰ মাটি বিক্ৰী কৰাৰ বাবেই বাগিচাখনত কৰ্মৰত তিনি সহস্ৰাধিক চাহ শ্ৰমিকে কৰ্মসংস্থাপন হেৰুওৱাটো একপ্ৰকাৰ নিশ্চিত হৈ পৰিছে। অভিযোগ অনুসৰি, দিঘলটৰং চাহ বাগিচাৰ ছশ হেক্টৰ ভূমি আছে যদিও ইয়াৰে ৫০ শতাংশ ভূমি অইল ইণ্ডিয়াক বিক্ৰী কৰিছে চাহ কোম্পানীটোৰ স্বত্বাধিকাৰ ডাঃ শ্বেঠীয়ে। শেহতীয়া তথ্য মতে, খাৰুৱা তেল খনন কৰিবলৈ অইল ইণ্ডিয়াই দিঘলটৰং চাহ বাগিচাৰ ৩৬ বিঘা মাটিত চাহ গছ উচ্ছেদ কৰিলে। ইয়াৰ পূৰ্বে চাহ কোম্পানীটোৰ তদানীন্তন অধ্যক্ষ আদিত্য কুমাৰ জাজ’দিয়াই দিঘলটৰং চাহ বাগিচাত তিনিটাকৈ তেলখাদ বহুৱাবলৈ দুলীয়াজান ডিভিজন অইল ইণ্ডিয়াক কে’বা হেক্টৰ মাটি বিক্ৰী কৰি থৈ যায়। শেহতীয়াকৈ ডাঃ শ্বেঠীয়ে দিঘলটৰং চাহ বাগিচাৰ মাটি বিক্ৰী কৰি চাহ উৎপাদনত নিয়োজিত তিনি সহস্ৰাধিক শ্ৰমিক আৰু অৰ্ধশতাধিক কৰ্মচাৰীক পেটে-ভাতে মৰাৰ গোপন অভিসন্ধি ৰচনা কৰাৰ অভিযোগ উঠিছে। প্ৰাপ্ত তথ্য মতে, অইল ইণ্ডিয়াই খাৰুৱা তেলৰ সন্ধানত চলিত বৰ্ষৰ আৰম্ভণিতে দিঘলটৰং চাহ বাগিচাৰ লগতে ব্ৰহ্মপুত্ৰৰ উপ-নদী অনন্ত নলা আৰু ঐতিহাসিক ডিব্ৰু-চৈখোৱা ৰাষ্ট্ৰীয় উদ্যানত ভূ-জৰীপ কৰাৰ পাছত দিঘলটৰং চাহ বাগিচাত অইলে খাৰুৱা তেলৰ ভাণ্ডাৰ এটাৰ সন্ধান লাভ কৰে। ইয়াৰ পূৰ্বেও দিঘলটৰং চাহ বাগিচাত অইলে তিনিবাৰকৈ জৰীপ কাৰ্য চলাইছিল। উল্লেখ্য যে বিগত বৰ্ষত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ উপস্থিত মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱাল আৰু উদ্যোগ মন্ত্ৰী চন্দ্ৰমোহন পাটোৱাৰীয়ে গুৱাহাটীত বিশ্ব বিনিয়োগ সন্মিলন অনুষ্ঠিত কৰি অসমত উদ্যোগ-প্ৰতিষ্ঠান গঢ়ি তুলিবলৈ দেশ-বিদেশৰ উদ্যোগপতিসকলক আমন্ত্ৰণ জনাইছিল। ইয়াৰ বিপৰীতে অসমৰ আওপুৰণি চাহ উদ্যোগটোৰ অন্যতম চাহ উদ্যোগ কোম্পানী আছাম টি কোম্পানীৰ স্বত্বাধিকাৰ ডাঃ শ্বেঠীয়ে উজনি অসমৰ তিনিচুকীয়া জিলাৰ দিঘলটৰং চাহ বাগিচাৰ মাটি অইল ইণ্ডিয়াক বিক্ৰী কৰি চাহ বাগিচা ধ্বংস কৰাৰ লগতে চাহ বাগিচাখনত নিয়োজিত তিনি সহস্ৰাধিক শ্ৰমিকৰ কৰ্মসংস্থাপন বন্ধ কৰি দিয়াৰ গভীৰ ষড়যন্ত্ৰত লিপ্ত হোৱা ঘটনাই বিশেষ তাৎপৰ্য বহন কৰিছে। অসম চৰকাৰৰ শ্ৰম বিভাগৰ মন্ত্ৰী পল্লৱলোচন দাস নিজেই এজন চাহ জনগোষ্ঠীয় ব্যক্তি হোৱাৰ পাছতো এইখন অসমৰ বাগিচাৰ চাহ শ্ৰমিকে এইদৰে কৰ্মসংস্থাপন হেৰুওৱাৰ উপক্ৰম হোৱাত শ্ৰমিকৰ মাজত ক্ষোভৰ সৃষ্টি হৈছে। এই ক্ষেত্ৰত অসম চাহ মজদুৰ সংঘ, বি চি এম এছ, অসম চাহ কৰ্মচাৰী সংঘই কি পদক্ষেপৰ ব্যৱস্থা লৈছে সেই বিষয়ে এতিয়াও ৰাজহুৱা কৰা নাই। প্ৰাপ্ত তথ্য মতে, দিঘলটৰং চাহ বাগিচাত যিকোনো মুহূৰ্তত ডাঃ শ্বেঠী আৰু অইল ইণ্ডিয়াৰ বিৰুদ্ধে চাহ শ্ৰমিকে গণ বিক্ষোভ গঢ়ি তুলিব পাৰে।


# নিকৃষ্ট ৰাজনীতিয়ে ভ্ৰাতৃত্ববোধক নিঃশেষ কৰিছে ঃ ঠংছি

## মৰাণ ছাত্ৰ সন্থাৰ ৫১ সংখ্যক প্ৰতিষ্ঠা দিৱস

অগ্ৰদূত বাৰ্তা

**ডুমডুমা, ৫ মে’ ঃ** ‘এটা জাতিয়ে আন এটা জাতিক ভ্ৰাতৃত্ববোধৰ সমন্বয় বাৰ্তা প্ৰেৰণ কৰিহে সমন্বয়ৰ সম্প্ৰীতিৰ চানেকি গঢ়ি তুলিব পাৰি। উচ্চ-নিচ জাত-পাতৰ ভাবধাৰাই সমন্বয়ৰ ধাৰাবাহিকতাক নিঃশেষ কৰি তোলে। জীৱনত বহু সন্মানীয় বঁটা লাভ কৰিলো। মই কেতিয়াও নিবিচৰা সন্মানীয় বঁটা লাভ কৰিলো; কিন্তু সদৌ মৰাণ ছাত্ৰ সন্থাই আজি মোক প্ৰদান কৰা সমন্বয়ৰ বাহক বদৌচা ৰজাৰ নামত বদৌচা সমন্বয় বঁটাটোৰ দৰে সমন্বয় সৃষ্টি বঁটা কেতিয়াও লাভ কৰিম বুলি ভবা নাছিলো।’ এই মন্তব্য বিশিষ্ট সাহিত্যিক য়েছে দৰ্জে ঠংছিৰ। কালিৰে পৰা তিনিচুকীয়া জিলাৰ তালাপ কৰ্দৈগুৰিৰ শ্ৰীশ্ৰী বিষ্ণুভুজ সমন্বয় ক্ষেত্ৰত চাৰিদিনীয়া সাংস্কৃতিক কাৰ্যসূচীৰে অনুষ্ঠিত সদৌ মৰাণ ছাত্ৰ সন্থাৰ ৫১ সংখ্যক প্ৰতিষ্ঠা দিৱস আৰু মৰাণ জনজাতীয় সাংস্কৃতিক সমাৰোহৰ আজি মুকলি সভাত বৌদচা সমন্বয় বঁটা গ্ৰহণ কৰি বিশিষ্ট সাহিত্যিকগৰাকীয়ে এইদৰে মন্তব্য আগবঢ়ায়। তিনিচুকীয়া জিলাৰ কৰ্দৈগুৰি অঞ্চলৰ দৰ্জীজান গাঁৱৰ খেলপথাৰৰ শ্ৰীশ্ৰী বিষ্ণুভুজ সমন্বয় ক্ষেত্ৰত তালাপ-কৰ্দৈগুৰি আঞ্চলিক মৰাণ ছাত্ৰ সন্থাৰ উদ্যোগত কালিৰে পৰা চাৰিদিনীয়া বৰ্ণাঢ্য কাৰ্যসূচীৰে আয়োজিত সদৌ মৰাণ ছাত্ৰ সন্থাৰ ৫১ সংখ্যক কেন্দ্ৰীয় প্ৰতিষ্ঠা দিৱসৰ আজি দ্বিতীয় দিনাৰ মুকলি সভাত ঠংছিক আদিম ভূমিপুত্ৰ মৰাণ জনগোষ্ঠীটোৰ অন্তিমজন বদৌচা ৰজাৰ নাম ‘বদৌচা সমন্বয় বঁটা (২০১৯ বৰ্ষ)’ প্ৰদান কৰে মৰাণ ছাত্ৰ সন্থাই। তেওঁ পুনৰ কয়, ‘মই নিজৰ বাবে সাহিত্য চৰ্চা কৰা নাই। তেনেঁলৈ আগবঢ়োৱা বিভিন্ন বঁটাৰ মাননিবোৰ সাহিত্য চৰ্চাত ব্যয় কৰাৰ লগতে অসহায় সাহিত্যিক, সাংস্কৃতিক কৰ্মী আৰু সামাজিক দায়বদ্ধতাত থাকি সমন্বয়ৰ হকে কাম কৰা অনুষ্ঠানত মননীৰ পুঁজিবোৰ খৰচ কৰে. দেসত বৰ্তমানৰ নিকৃষ্ট ৰাজনীতিয়ে জাতি-জনগোষ্ঠীয় লোকৰ ভ্ৰাতৃত্ববোধ নিঃশেষ কৰি তুলিছে বুলি তেওঁ ক্ষোভ প্ৰকাশ কৰে। তেওঁ পুনৰ কয় যে এটা জাতিৰ লোকে অতিমাত্ৰা সমন্বয় গঢ়ি তুলি আন এটা জাতিৰ সমন্বয়ৰ সৃষ্টিত বিপদ কঢ়িয়াই আনে। মহাপুৰুষ শংকৰদেৱ আৰু ড° ভূপেন হাজৰিকাৰ সমন্বয়ৰ বাৰ্তাক স্মৰণ কৰিবই লাগিব বুলি উল্লেখ কৰি তেওঁ কয় যে বিশ্বৰ সকলো জাতি জনগোষ্ঠীৰ স্বকীয় ভাষা, কৃষ্টি-সংস্কৃতি আৰু সাহিত্য চৰ্চা সম্প্ৰতি বিশ্বায়নৰ কৰাল গ্ৰাসত পৰিব ধৰিছে। ধৰ্মৰ নামতো জাতি-জনগোষ্ঠীৰ সমন্বয়ৰ ভ্ৰাতৃত্বক ৰাজনীতিয়ে গ্ৰাস কৰা বুলিও সাহিত্যিকজনে ক্ষোভ উজাৰে। উত্তৰ-পূৰ্বাঞ্চলৰ সৰ্বকালৰ সৰ্বশ্ৰেষ্ঠ ভাস্কৰ শিল্পী তথা পদ্মশ্ৰী বীৰেন সিঙে নিৰ্মাণ কৰা সমন্বয় বঁটাটো গ্ৰহণ কৰি বিশিষ্ট সাহিত্যিকজনে কয় যে তেওঁৰ দৰে মহান শিল্পীৰ হাতেৰে নিৰ্মাণ কৰা এনে ধৰণৰ সম্মৃতি সোধ মই কেতিয়াবা পাম বুলি ভনা নাছিলেৰা। এজন মহান ব্যক্তিয়ে নিৰ্মাণ কৰা এই বঁটা সমন্বয় সাধক ভাৰত ৰত্ন ভূপেন হাজৰিকালৈ তেওঁ উৎসৰ্গা কৰা বুলি ঘোষণা কৰে। এই বঁটাত নগদ এক লাখ টকা, এটা স্মাৰক, এখন শৰাই, এখন মানপত্ৰ আৰু এখন গামোচা আছে। ইয়াৰ মাজতে এই বঁটাত নগদ এক লাখ টকা থকাৰ কথা বিশিষ্ট সাহিত্যিকজনে অৱগত নহয় বুলি উল্লেখ কৰি এই টকা সমাজৰ হিত কামৰ বাবে ব্যৱহাৰ কৰা হ’ব বুলি কয়। আজি এই সভাতে ছহিদ বিনন্দ মৰাণ সতীৰ্থ বঁটা মৰাণ ছাত্ৰ সন্থাৰ প্ৰাক্তন সভাপতি শৈলৰাজ মৰাণক প্ৰদান কৰে। এই বঁটাত এখন মৰাণ গামোচা, এখন সম্বৰ্ধনা পত্ৰ, এটা স্মাৰক, এখন শৰাই আৰু নগদ ১০ হেজাৰ টকা প্ৰদান কৰা হয়। সন্থাৰ সভাপতি অৰুণজ্যোতি মৰাণে সভাপতিত্ব কৰা আৰু সন্থাৰ সম্পাদক নৱ মৰাণে আঁত ধৰা মুকলি সভাখনৰ নিৰ্দিষ্ট বক্তা তৰুণ বৰুৱা মৰাণে জনগোষ্ঠীটোৰ বিভিন্ন সমস্যাক মৰাণ ছাত্ৰ সন্থাই কেনে ধৰণে অশেষ ত্যাগ স্বীকাৰ কৰি উন্নয়নৰ বাবে পদক্ষেপ গ্ৰহণ কৰিছে সেই সম্পৰ্কে ব্যাখ্যা আগবঢ়ায়। উক্ত সভাতে গিৰিণ মৰাণৰ সম্পাদনাত প্ৰকাশ পোৱা সদৌ মৰাণ ছাত্ৰ সন্থাৰ বাৰ্ষিক মুখপত্ৰ ‘গান্ধৈ’ উন্মোচন কৰে তিনিচুকীয়া জিলা সাংবাদিক সন্থাৰ প্ৰাক্তন সম্পাদক তথা জ্যেষ্ঠ সাংবাদিক ধীৰেণ ডেকাই। প্ৰতিষ্ঠা দিৱসৰ আজি দ্বিতীয় দিনাৰ কাৰ্যসূচীত পুৱাই সন্থাৰ পতাকা উত্তোলন কৰে সদৌ মৰাণ ছাত্ৰ সন্থাৰ সভাপতি অৰুণজ্যোতি মৰাণে আৰু তেওঁক সহযোগিতা আগবঢ়ায় তালাপ- কৰ্দৈগুৰি আঞ্চলিক মৰাণ ছাত্ৰ সন্থাৰ সভাপতি সঞ্জীত মৰাণে। ইয়াৰ পাছতে ছহিদ তৰ্পণ কাৰ্যসূচী আৰম্ভ কৰে সন্থাৰ সাধাৰণ সম্পাদক নৱ মৰাণে। উল্লেখ্য যে বৰষুণৰ মাজতে এই শোভাযাত্ৰাত আজি অসমৰ কে’বাটাও জনগোষ্ঠীয় নৃত্য দলৰ লগতে মৰাণ জনগোষ্ঠীয় কৃষ্টি-সংস্কৃতি প্ৰদৰ্শন কৰি সকলোৰে মনমুগ্ধ কৰে। মুকলি সভাত মৰাণ সাহিত্য সভাৰ সভাপতি তৰুণ বৰুৱা মৰাণ, সভা উদ্বোধক তথা মৰাণ ছাত্ৰ সন্থাৰ উপদেষ্টা দীপন মৰাণ, জ্যেষ্ঠ সাংবাদিক ধীৰেন ডেকা, জাতীয়তাবাদী যুৱ পৰিষদৰ সাধাৰণ সম্পাদক উদয়ন কুমাৰ গগৈ, মৰাণ জাতীয় মহিলা পৰিষদৰ সভানেত্ৰী প্ৰিয়লতা মৰাণ, তাই আহোম ছাত্ৰ সন্থাৰ যুটীয়া সম্পাদক মিলন বুঢ়াগোহাঁই, মটক যুৱ ছাত্ৰ সন্মিলনৰ সভাপতি ডেভিদ চেতিয়া, সোণোৱাল কছাৰী ছাত্ৰ সন্থাৰ সভাপতি দেৱানন্দ চেলেং, দেউৰী ছাত্ৰ সন্থাৰ সুনজিৎ দেউৰী, মৰাণ ছাত্ৰ সন্থাৰ প্ৰাক্তন সভাপতি টুটুকান্ত মৰাণ আদিয়ে সাৰুৱা বক্তব্য প্ৰদান কৰাৰ উপৰি জনগোষ্ঠীটোৰ লগতে অসমৰ কে’বাটাও জাতীয়-জনগোষ্ঠীয় সংগঠনৰ নেতৃত্ব উপস্থিত থাকে।

## আজিৰ দিনটো



**কিৰো ইয়ং,** ৰত্ন কুবেৰ জেমছ এণ্ড জুয়েলাৰী
জি. এছ. ৰোড, মণিপুৰী বস্তী, গুৱাহাটী-৭
☎ ঃ ২৫১২১০২, ৯৯৫৭১-১১১৭১

**২২ ব’হাগ সোমবাৰ ৬ মে’**

**সূৰ্যোদয় ঃ** ঘঃ ৪।৪৬।৩৪ **সূৰ্যাস্ত ঃ** ঘঃ ৫।৫০।৫০ **তিথি ঃ** শুক্লা দ্বিতীয়া দং ৫৬।১২।৩৭ ৰাঃঘঃ ৩।১৪।৫৭ **নক্ষত্ৰ ঃ** কৃত্তিকা দং ২৯।৫৬।৪১ ঘঃ ৪।৪৪।৩৪ **জন্মত ঃ** বৃষৰাশি শূদ্ৰবৰ্ণ মতান্তৰে বৈশ্যবৰ্ণ দেৱাৰিগণ মেষৰ অস্থি মাহেন্দ্ৰযোগ অষ্টোত্তৰী আৰু বিংশোত্তৰী ৰবিৰ দশা ঘঃ ৪।৪৪।৩৪ যোৱাত মনুষ্যগণ সাপৰ অস্থি বিংশোত্তৰী চন্দ্ৰৰ দশা। **আদ্যঋতু হ’লে ঃ** সাতদিনীয়া পতিহিতা যোগ মতান্তৰে ৪৫ দিনীয়া দুঃশীলা যোগ। **মৰণত দোষ ঃ** ত্ৰিপদ ঘঃ ৪।৪৪।৩৪ যোৱাত এপদ ৰাঃঘঃ ৩।১৪।৫৭ যোৱাত নাই। **যাত্ৰা ঃ** নাই পাপযোগ দোষ ৰাঃঘঃ ৩।১৪।৫৭ যোৱাত বিষযোগ দোষ। **শুভকৰ্ম ঃ** বিবাহ (ৰাঃঘঃ ৬।২৬ৰ পৰা ১০।৫৭ লৈ বৃশ্চিক আৰু ধনু লগ্নত সুতহিবুক যোগত) **যোগিনী ঃ** উত্তৰত ৰাঃঘঃ ৩।১৪।৫৭ যোৱাত অগ্নিকোণত। **ভক্ষ্যাভক্ষ্য ঃ** তিতাভেকুৰী ৰাঃঘঃ ৩।১৪।৫৭ যোৱাত পটল খোৱা নিষেধ।

*দিনটোৰ ৰাশিফল*

**মেষ ঃ** মন স্থিৰ কৰা টান হ’ব। বিনা কাৰণত খং-ৰাগ বৃদ্ধি পাব। চাকৰিয়ালৰ উৎসাহ-উদ্দীপনা বৃদ্ধি পাব। ভ্ৰমণত শুভ। সন্তান লাভ।

**বৃষ ঃ** আৰ্থিকত বেয়া দেখা নাযায়। প্ৰেমত হতাশা। বিদ্যাত মজলীয়া। ঘৰুৱাত বেয়া নহয়। বিদ্যাত শুভ।

**মিথুন ঃ** বিদ্যাত মজলীয়া। দূৰ ভ্ৰমণৰ যোগ। চাকৰিয়ালসকলে সাৱধান হ’ব। শত্ৰু বৃদ্ধিৰ যোগ। মনৰ আশা পূৰণ হ’ব।

**কৰ্কট ঃ** নতুন কাম হাতত নোলোৱাই ভাল হ’ব। প্ৰেমত বাধা। ক’লা বস্ত্ৰ ব্যৱহাৰ নকৰিব। গৃহ অশান্তি।

**সিংহ ঃ** স্বাস্থ্যৰ ক্ষেত্ৰত সিমান বেয়া দেখা নাযায়। বিদ্যাত সাফল্য পাব। দাম্পত্য বেয়া নহয়। দূৰ ভ্ৰমণ সম্ভৱ।

**কন্যা ঃ** পথ কষ্ট। খৰচৰ মাত্ৰা বৃদ্ধি পাব। বিদ্যাৰ্থীসকলে প্ৰতিযোগিতামূলক পৰীক্ষাত উত্তীৰ্ণ হ’ব। প্ৰেমত সন্দেহ।

**তুলা ঃ** দিনটোত আৰ্থিক দিশত ব্যয় বৃদ্ধি পাব। ব্যৱসায়ত পৰিকল্পিত অগ্ৰসৰতাত কিছু বাধা আছে। নিবনুৱাৰ ভাল।

**বৃশ্চিক ঃ** শাৰীৰিক ক্ষেত্ৰত মধ্যম। দাম্পত্য বিবাদ থাকিব। মাটি-বাৰী ক্ৰয় কৰাৰ চিন্তা কৰিব পাৰে। বিদ্যাত বাধা।

**ধনু ঃ** মাতৃৰ শুভ। সন্তানৰ বাবে চিন্তিত হ’ব। নিবনুৱাৰ চাকৰি লাভৰ যোগ। বিদ্যাত শুভ।

**মকৰ ঃ** বিদ্যাত বাধা। প্ৰেমত মজলীয়া। শিল্পীসকলৰ বাবে দিনটো শুভ। দ্ৰব্য লাভ কৰিব।

**কুম্ভ ঃ** সন্তানৰ সাফল্যই মানসিক আনন্দ বৃদ্ধি কৰিব। দিনটোত দাম্পত্য সংঘাত হ’ব। পিতৃৰ শৰীৰৰ যত্নৰ দৰকাৰ।

**মীন ঃ** কাৰ্যনাশ হ’ব। শৰীৰৰ অৱনতি। পৰীক্ষাৰ্থীয়ে চেষ্টা কৰক। প্ৰেমত শুভ। বিদ্যাত মধ্যম।

দৈনিক অগ্ৰদূত
গুৱাহাটী, ৬ মে', ২০১৯ সোমবাৰ পৃষ্ঠা তিনি

## শোণিতপুৰত ভূমি বিক্ৰীৰ নামত জালিয়াতি

### দালালৰ দপ্‌দপনি অব্যাহত ঃ নহয় মাত্ৰ তদন্ত

**অগ্ৰদূত বাৰ্তা**
**তেজপুৰ, ৫ মে' ঃ** শোণিতপুৰৰ বিভিন্ন হোলা আৰু কৃষি পথাৰৰ ভূমি বিক্ৰীৰ নামত বিগত সময়ছোৱাত বৃহৎ দুৰ্নীতি সংঘটিত হোৱাৰ লগতে এই ভূমি বিক্ৰীৰ স'তে একাংশ প্ৰশাসনীয় বিষয়া তথা আমোলাও প্ৰত্যক্ষভাৱে জড়িত হৈ আছে। এনে কাৰণতে জালিয়াতিৰে দৰিদ্ৰ কৃষকৰ পৰা প্ৰলোভনৰে মাটি ক্ৰয় কৰাৰ পাছত নিয়ম বহিৰ্ভূতভাৱে কৃষিভূমিত উদ্যোগ গঢ়ি তোলা একাধিক ঘটনাৰ কোনো ধৰণৰ তদন্তই নোহোৱাৰ উপৰি উন্নয়নৰ আভুৱা ভাঁৰি মাটিৰ দালালসকলক বছৰৰ পাছত বছৰ জালিয়াতিৰে ভূমি বিক্ৰীৰ সুযোগ দি থকা হৈছে। শোণিতপুৰৰ বন্যপ্ৰাণী সুৰক্ষা কৰ্মী দিলীপ নাথে প্ৰকাশ কৰা অনুসৰি ২০১১ত চিৰাজুলি অঞ্চলত বৃহৎ পৰিমাণৰ কৃষিভূমি এদিনৰ ভিতৰত বিক্ৰী কৰি পাছত 'পাৱাৰগ্ৰীড'ক হস্তান্তৰ কৰা আঠ পৃষ্ঠাত চাওক

## 'কৰ্মভূমিৰ পৰা জন্মভূমিলৈ' শ্ল'গান লিখা টি-ছাৰ্ট'ৰে আজি উপস্থিত গুৱাহাটীত

# সম্বলপুৰৰ পৰা যাত্ৰা ৰসৰাজৰ গুণমুগ্ধৰ



**ষ্টাফ ৰিপ'ৰ্টাৰ**
**গুৱাহাটী, ৫ মে' ঃ** বংগোপসাগৰত সৃষ্ট ফণী ঘূৰ্ণীয়ে সাগৰীয় উপকূলত তাণ্ডৱ চলোৱাৰ সময়তে সমন্বয়ৰ বাৰ্তা লৈ ওড়িছাৰ সম্বলপুৰৰ পৰা যাত্ৰা কৰা সাহিত্যৰথী লক্ষ্মীনাথ বেজবৰুৱাৰ গুণমুগ্ধৰ এটি দল কাইলৈ গুৱাহাটীত উপস্থিত হ'ব। ভাৰতীয় বায়ুসেনাৰ প্ৰাক্তন বিষয়া তথা ওড়িছাৰ সম্বলপুৰ নিবাসী প্ৰশান্ত প্ৰধানৰ নেতৃত্বত অহা দলটোক কাইলৈ গুৱাহাটী মহানগৰীত আদৰণি জনাব সাহিত্যৰথী লক্ষ্মীনাথ বেজবৰুৱা স্মৃতিৰক্ষা কমিটীয়ে। আজি ইয়াত এক সংবাদমেলত এই কথা অৱগত কৰি স্মৃতিৰক্ষা কমিটীৰ সভাপতি প্ৰদ্যুৎ কুমাৰ চৌধুৰীয়ে কয়, 'সাহিত্যৰথী লক্ষ্মীনাথ বেজবৰুৱাৰ সাহিত্য কৃতি কেৱল অসমতেই সীমাবদ্ধ নহয়। সাহিত্যৰথীৰ সাহিত্য কৃতিয়ে কৰ্মস্থলী ওড়িছাতো শেহতীয়াকৈ জনপ্ৰিয়তা লাভ কৰিছে। ফলত ওড়িছাতো সৃষ্টি হৈছে সাহিত্যৰথীৰ গুণমুগ্ধ। ওড়িছাৰ এনে এটি গুণমুগ্ধৰ দল যোৱা তিনি মে'ত গুৱাহাটী অভিমুখে যাত্ৰা আৰম্ভ কৰিছে। ভাষা, সাহিত্য, সংস্কৃতিৰ সমন্বয়ৰ বাৰ্তা কঢ়িয়াই সম্বলপুৰৰ পৰা যাত্ৰা কৰা সাহিত্যৰথীৰ গুণমুগ্ধৰ দলটো কাইলৈ গুৱাহাটীত উপস্থিত হ'ব।' সাহিত্যৰথী লক্ষ্মীনাথ বেজবৰুৱাৰ কৰ্মভূমিৰ পৰা জন্মভূমিলৈ' শীৰ্ষক শ্ল'গানেৰে গুণমুগ্ধৰ দলটোৱে গুৱাহাটী অভিমুখে ৰাওনা হোৱা বুলি অৱগত কৰি তেওঁ কয় যে ওড়িছাৰ সম্বলপুৰস্থিত বেজবৰুৱাৰ বাসগৃহৰ সন্মুখৰ পৰা যোৱা তিনি মে'ত গুৱাহাটী অভিমুখে যাত্ৰা কৰা দলটোৱে বেজবৰুৱাৰ ফটো সম্বলিত 'টি-ছাৰ্ট' পৰিধান কৰিছে। লগতে গাড়ীৰ সন্মুখৰ বেনাৰখনত আঠ পৃষ্ঠাত চাওক

## ভয়াৱহ কৃত্ৰিম বানৰ কবলত গোৱালপাৰাৰ মুজকুৰি দোহাপাৰা

### অৰ্ধশতাধিক পৰিয়ালৰ ক্ষতিসাধন

**অগ্ৰদূত বাৰ্তা**
**মাটিয়া, ৫ মে', ঃ** বিগত দুদিন ধৰি হোৱা নেৰানেপেৰা বৰষুণৰ ফলত গোৱালপাৰা জিলাৰ মাটিয়া ৰাজহ চক্ৰৰ অন্তৰ্গত মুজকুৰী দোহাপাৰাত ভয়াৱহ কৃত্ৰিম বানৰ সৃষ্টি হয়। কৃত্ৰিম বানৰ ফলত সৃষ্টি হোৱা দুধনৈ নদীৰ ঢলপানীয়ে মুজকুৰি, দোহাপাৰা অঞ্চল বুৰাই পেলোৱাত অঞ্চলটোত বসবাস কৰা অৰ্ধশতাধিক পৰিয়ালৰ বিস্তৰ ক্ষতিসাধন হয়। ইপিনে, নিৰ্মীয়মান 'দুধনৈ-মাটিয়া-গোৱালপাৰা-পঞ্চৰত্ন' সংযোগী ৪৬ নম্বৰ ৰাজ্যিক ঘাইপথৰ ৭/১ নম্বৰ দলঙৰ উপ-পথৰ কাঠৰ দলংখনৰ এটা অংশৰ মাটি খহাই নিয়াত মাটিয়া-দুধনৈৰ যোগাযোগ বিচ্ছিন্ন হৈ পৰিছে। ইপিনে, প্ৰবল বেগেৰে অহা ঢল পানীয়ে দুধনৈ নদীৰ ওপৰত থকা নিৰ্মীয়মান দলংখনৰ এটা অংশ খহাই নিয়ে। অৱশ্যে মুজকুৰি-দোহাপাৰ অঞ্চল প্লাৱিত কৰি পেলোৱাত এছ ডি আৰ এফৰ দলে যোৱা নিশাই উদ্ধাৰ অভিযান চলাই বহু লোকক নিৰাপদ স্থানলৈ স্থানান্তৰিত কৰে। অৱশ্যে আজি পানী কমি যোৱাত লোকসকলে নিজ নিজ ঘৰলৈ উভতি যায়। ফণীৰ প্ৰভাৱত হঠাতে কৃত্ৰিম বানপানী অহাৰ ফলত মুজকুৰি-দোহাপাৰা অঞ্চলৰ প্ৰতিটো পৰিয়ালৰ ঘৰৰ ভিতৰত পানী সুমুৱাই বিভিন্ন সা-সামগ্ৰী, বয়-বস্তু-ভঁৰালৰ ধানকে ধৰি আঠ পৃষ্ঠাত চাওক

## নগাঁও-কাৰ্বি আংলং সীমান্তত ডকাইতৰ আক্ৰমণত আহত

### লুট কৰি নিয়া অল্ট' উদ্ধাৰ

**অগ্ৰদূত বাৰ্তা**
**চামগুৰি, ৫ মে' ঃ** নগাঁও আৰু কাৰ্বি আংলং জিলাৰ সীমান্ত অঞ্চলত বৃদ্ধি পাইছে ডকাইতৰ সন্ত্ৰাস। কাৰ্বি আংলং জিলাৰ আঞ্জুকপানী আৰক্ষী চকীৰ অন্তৰ্গত পানীমুৱাত কালি সন্ধিয়াতে ডকাইতিৰ ঘটনা সংঘটিত হয়। এই ঘটনাত ডকাইতৰ অস্ত্ৰৰ আঘাতত এজন লোক আহত হয়। অৱশ্যে ডকাইতৰ দলে লুট কৰি নিয়া এখন অল্ট' গাড়ী আৰক্ষীয়ে উদ্ধাৰ কৰিবলৈ সক্ষম হয়। বিগত এটা সপ্তাহত জিলাখনৰ সীমান্তত দ্বিতীয়বাৰলৈ ডকাইতিৰ ঘটনা সংঘটিত হ'ল।

আৰক্ষী সূত্ৰই জনোৱা মতে, পানীমুৱাৰ এটা টিলাৰ ওপৰত অকলশৰীয়াকৈ বাস কৰা যুৱৰাজ ছিং বে' নামৰ লোকজনৰ বাসগৃহত কালি সন্ধিয়া পৰতে অস্ত্ৰধাৰী আঠ পৃষ্ঠাত চাওক

## মহানগৰীত আত্মগোপন কৰিও শেষ ৰক্ষা নহ'ল নিষিদ্ধ ড্ৰাগছ সৰবৰাহকাৰী

### নাজিৰা আৰক্ষীৰ তথ্যৰ ভিত্তিত মেগজিনত অভিযান



**ষ্টাফ ৰিপ'ৰ্টাৰ**
**গুৱাহাটী, ৫ মে' ঃ** আত্মগোপন কৰিও শেষৰক্ষা নহ'ল নিষিদ্ধ ড্ৰাগছ সৰবৰাহকাৰীৰ। শিৱসাগৰ জিলাৰ নাজিৰা আৰক্ষীয়ে দিয়া তথ্যৰ আধাৰত অভিযান চলাই মহানগৰ আৰক্ষীৰ অপৰাধ কোষ আৰু নুনমাটি আৰক্ষীয়ে আজি অভিযান চলাই মহানগৰীৰ মেগজিনৰ পৰা দুই সৰবৰাহকাৰীক গ্ৰেপ্তাৰ কৰে। ধৃত সৰবৰাহকাৰীদ্বয়ক নাজিৰাৰ ইজাদ আহমেদ (৩৮) আৰু নৰাজুদ্দিন আহমেদ (৪১) বুলি চিনাক্ত কৰা হৈছে। ঘটনা সন্দৰ্ভত আৰক্ষীয়ে জনোৱা মতে, শিৱসাগৰ জিলাৰ বিভিন্ন প্ৰান্তত নিষিদ্ধ ড্ৰাগছ সৰবৰাহ কৰি আহমেদ ভ্ৰাতৃদ্বয়ে পৰিৱেশ বিনষ্ট কৰে। নাজিৰা অঞ্চলত চলোৱা অভিযানৰ সময়ত নাজিৰা আৰক্ষীয়ে কিছুদিন পূৰ্বে এজন পেডলাৰ গ্ৰেপ্তাৰ কৰে। ধৃত পেডলাৰজনে দিয়া ভাষ্যৰ পাছত নাজিৰা আৰক্ষীয়ে আহমেদ ভ্ৰাতৃদ্বয়ৰ বিৰুদ্ধে এন ডি পি এছ আইনৰ ২১ (ক) ধাৰাৰ অধীনত ৬২/২০১৯ নম্বৰত এক গোচৰ ৰুজু কৰে। কিন্তু নাজিৰা আৰক্ষী থানাত গোচৰ ৰুজু হোৱা বুলি অৱগত হোৱাৰ পাছতে আহমেদ ভ্ৰাতৃদ্বয়ে আঠ পৃষ্ঠাত চাওক

## নগাঁৱত নিহত আৰক্ষী বিষয়া ভোলানাথ দাসৰ শেষকৃত্য

### জন্মস্থান তুলসীমুখ বুঢ়াগোসাঁই গাঁৱত শোকাকুল পৰিৱেশ

**বিশেষ সংবাদদাতা**
**নগাঁও, ৫ মে', ঃ** সতীৰ্থৰ গুলিত নিহত আৰক্ষী বিষয়া ভোলানাথ দাসৰ মৃতদেহ আজি পুৱতি নিশা তেওঁৰ জন্মস্থান তুলসীমুখ পশ্চিম বুঢ়াগোসাঁই গাঁও আহি পোৱাৰ লগে লগে গাঁওখনত এক শোকাকুল পৰিৱেশৰ সৃষ্টি হয়। অঞ্চলটোৰ অগণন লোকৰ লগতে স্থানীয় বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠানে তেওঁৰ প্ৰতি শেষ শ্ৰদ্ধা জনায়। উল্লেখ্য যে চতুৰ্দশ সাধাৰণ নিৰ্বাচনৰ নিৰাপত্তাৰ দায়িত্ব লৈ পশ্চিমবংগৰ হাওড়া জিলাত কৰ্তব্যৰত অৱস্থাত থকাৰ সময়তে সপ্তম অসম আৰক্ষীৰ উপ-পৰিদৰ্শক ভোলানাথ দাস সতীৰ্থ আৰক্ষী জোৱানৰ গুলিত যোৱা দুই মে'ত নিহত হৈছিল। এই খবৰ বিয়পি পৰাৰ লগে আঠ পৃষ্ঠাত চাওক

## প্ৰবল বৰষুণত জলমগ্ন ঘৰ-দুৱাৰ

## খাৰুপেটীয়াত ধুমুহাই উৰুৱাই নিলে এন আৰ চিৰ শুনানি কেন্দ্ৰ



**অগ্ৰদূত বাৰ্তা**
**দলগাঁও, ৫ মে' ঃ** প্ৰচণ্ড ধুমুহাই কালি বিয়লি দৰঙৰ খাৰুপেটীয়াৰ বিভিন্ন অঞ্চলৰ ৰাইজৰ ক্ষতিসাধন কৰে। তদুপৰি ধুমুহাত এটা ৰাষ্ট্ৰীয় নাগৰিকপঞ্জী (এন আৰ চি)ৰ শুনানি কেন্দ্ৰও বিধ্বস্ত হয়। প্ৰবল বৰষুণৰ স'তে অহা এই ধুমুহাত ১৪টা কাউণ্টাৰৰে গঠিত কেন্দ্ৰটোৰ সাত, আঠ, ন আৰু ১০ আঠ পৃষ্ঠাত চাওক

## আজি বিজনীৰ দুটা কেন্দ্ৰত পুনৰ ভোটগ্ৰহণ

**অগ্ৰদূত ব্যুৰ'**
**ৰঙাইগাঁও, ৫ মে' ঃ** নিৰ্বাচনী বিষয়াৰ ভুলৰ বাবে ভোটগ্ৰহণ স্থগিত ৰখা কোকৰাঝাৰ লোকসভা সমষ্টিৰ অন্তৰ্গত চিৰাঙৰ বিজনীৰ দুটা ভোটকেন্দ্ৰত কাইলৈ পুনৰ ভোটগ্ৰহণ হ'ব। নিৰ্বাচন আয়োগে বিজনী বিধানসভা সমষ্টিৰ অন্তৰ্গত বৰপথাৰ এম ভি স্কুলত স্থাপন কৰা ৩৩ আৰু ৩৪ নম্বৰ ভোটকেন্দ্ৰত পুনৰ ভোটগ্ৰহণ কৰিবলৈ নিৰ্দেশ জাৰি কৰিছে। আয়োগৰ এই নিৰ্দেশৰ ভিত্তিত কাইলৈ কেন্দ্ৰ দুটাত পুনৰ ভোটগ্ৰহণ হ'ব। এই উদ্দেশ্যে আজি নিৰ্বাচনী বিষয়া-কৰ্মচাৰী কেন্দ্ৰ দুটালৈ ৰাওনা হৈছে। উল্লেখ্য যে যোৱা ২৩ এপ্ৰিলত অনুষ্ঠিত ভোটগ্ৰহণৰ সময়ত উক্ত কেন্দ্ৰ দুটাৰ প্ৰিজাইডিং বিষয়াদ্বয়ে নিচেই পুৰাতে লোৱা 'মক প'ল'ৰ ভোটসমূহ মচি নেপেলোৱাকৈ ভোটগ্ৰহণ কৰাত কেন্দ্ৰ দুটাত ভোটগ্ৰহণ স্থগিত ৰখা হয়। ৰাইজে এই ভুল ধৰা পেলাই কৰা আপত্তিৰ বাবে উক্ত দিনা দিনৰ ১১ বজাতে কেন্দ্ৰ দুটাত ভোটগ্ৰহণ বন্ধ হৈ পৰে। অৱশ্যে জিলা নিৰ্বাচন বিষয়াই উক্ত দিনা বিয়লি চাৰি বজাত কেন্দ্ৰ দুটাত পুনৰ ভোটগ্ৰহণ পৰ্ব মুকলি কৰি ৰাইজক ভোটদানৰ বাবে আহ্বান জনায় যদিও অঞ্চলটো বন্যহস্তীৰ বিচৰণস্থলী হোৱাত ভোটদান কৰিবলৈ অস্বীকাৰ কৰে। ফলত ভোটদান পৰ্ব স্থগিত ৰখা হয়। পাছত ৰাইজে কেন্দ্ৰ দুটাত পুনৰ ভোটগ্ৰহণ কৰিবলৈ জনোৱা আবেদনলৈ নিৰ্বাচন আয়োগে ইতিবাচক সঁহাৰি দিয়ে। সেইমৰ্মে কাইলৈ আঠ পৃষ্ঠাত চাওক

## সুৱাগপুৰত নিচাসক্ত স্বামীক হত্যা কৰিলে মহিলাই

### কোলাত কেঁচুৱা লৈ থানাত আত্মসমৰ্পণ

**অগ্ৰদূত বাৰ্তা**
**গোৰেশ্বৰ, ৫ মে' ঃ** শাৰীৰিক-মানসিক অত্যাচাৰত ভাৰাক্ৰান্ত হৈ তথা কোলাৰ সন্তানক ৰক্ষা কৰাৰ স্বাৰ্থতে এগৰাকী মহিলাই স্বামীক হত্যা কৰাৰ ঘটনা সংঘটিত হৈছে গোৰেশ্বৰত। নিচাসক্ত স্বামীয়ে শিশু সন্তানক হত্যা কৰিবলৈ উদ্যত হোৱাত পত্নীয়ে এডাল লোৰ মাৰিৰে প্ৰহাৰ কৰাৰ লগতে দাৰে ঘাপ মৰাত লোকজনৰ মৃত্যু হয়। এই ঘটনাৰ পাছতে অভিযুক্ত মহিলাগৰাকীয়ে আঠ পৃষ্ঠাত চাওক

## চলিত বৰ্ষত ১০ সৰবৰাহকাৰী ধৃত, জব্দ ৯২৮ কেজি ভাং

## অসম-অৰুণাচলত ভাং সৰবৰাহকাৰীৰ নেটৱৰ্ক ঃ ১৩২ কেজি ভাং জব্দ



**বিশেষ সংবাদদাতা**
**ওদালগুৰি, ৫ মে' ঃ** অসম-অৰুণাচল প্ৰদেশৰ সীমান্তত সম্প্ৰতি ভাং সৰবৰাহকাৰীয়ে গঢ়ি তুলিছে বিশাল নেটৱৰ্ক। ওদালগুৰি জিলাৰ ভৈৰৱকুণ্ডত নিয়োজিত এছ এছ বিৰ ৬১ নম্বৰ বেটেলিয়নৰ তৰফৰ পৰা যোগান ধৰা তথ্যতে এই ভয়ংকৰ নেটৱৰ্কৰ কথা উন্মোচিত হৈছে। কালি সন্ধিয়া এছ এছ বিৰ এটা দলে এই চক্ৰটোৰ পৰা ১৩২ কেজি ভাং জব্দ কৰিবলৈ সক্ষম হয়। উল্লেখ্য যে ভাং সৰবৰাহকাৰী চক্ৰটোৱে এই চোৰাং ব্যৱসায় চলাই নিয়াৰ বাবে অস্ত্ৰও ব্যৱহাৰ কৰাৰ তথ্য পোৱা গৈছে।

এছ এছ বিৰ সূত্ৰই জনোৱা মতে, এক গোপন সূত্ৰৰ ভিত্তিত শুকুৰবাৰে বিয়লি প্ৰায় পাঁচ বজাত বালেমু আৰু ভৈৰৱকুণ্ড এছ এছ বিয়ে অসম-অৰুণাচল সীমান্তৰ গভীৰ অৰণ্যত অভিযান আঠ পৃষ্ঠাত চাওক

## খিলঞ্জীয়া মুছলমানৰ বাবে পৃথক জৰীপৰ দাবী

**বিশেষ সংবাদদাতা**
**শিৱসাগৰ, ৫ মে', ঃ** অসম চৰকাৰক ন্যায়াধীশ ৰাজিন্দৰ সিং চাচাৰৰ প্ৰতিবেদন কাৰ্যকৰী কৰাৰ দাবী জনাইছে উজনি অসম মুছলিম কল্যাণ পৰিষদে। বাতৰি কাকতলৈ প্ৰেৰণ কৰা এক বিবৃতিত উজনি অসম মুছলিম কল্যাণ পৰিষদৰ কেন্দ্ৰীয় সমিতিৰ সভাপতি চৌকত লটিফ, কাৰ্যকৰী সভাপতি মনিৰুল ইছলাম বড়া আৰু প্ৰধান সম্পাদক অহিদুৰ জামান চৌধুৰীয়ে উল্লেখ কৰে যে ২০০৫ত ন্যায়াধীশ চাচাৰৰ আঠ পৃষ্ঠাত চাওক

## টিহু আৰক্ষী থানা চৌহদত এজাক বৰষুণত একাঁঠু পানী

### হেজাৰ হেজাৰ ৰাইজৰ দুৰ্ভোগ

**অগ্ৰদূত বাৰ্তা**
**টিহু, ৫ মে', ঃ** অসম আৰক্ষী বিভাগৰ আধুনিকীকৰণৰ নামত চৰকাৰে বিভিন্ন আঁচনি গ্ৰহণ কৰি কোটি কোটি টকা খৰচ কৰি চমক দিবলৈ প্ৰয়াস কৰিছে যদিও নলবাৰী জিলাত আৰক্ষী বিভাগৰ আধুনিকীকৰণ প্ৰহসনত পৰিণত হৈছে। নলবাৰী জিলাৰ টিহু নগৰৰ মাজমজিয়াত অৱস্থিত টিহু আৰক্ষী থানাৰ পয়ালগা ৰূপ দেখিলে ৰাইজৰ চকু কপালত উঠিব। চৰকাৰ পৰিৱৰ্তন হ'ল যদিও পৰিৱৰ্তন নহ'ল টিহু আৰক্ষী থানাৰ। এজাক বৰষুণ দিলেই আৰক্ষী চকীৰ কোঠাৰ ভিতৰত সৃষ্টি হয় পয়মালৰ। অতি ব্যস্ত আৰক্ষী থানাৰ সন্মুখৰ লগতে গোটেই চৌহদটোত একাঁঠুলৈকে পানীৰে ভৰি পৰে। ফলত থানাখনৰ আৰক্ষীৰ লোকসকলৰ লগতে থানাখনলৈ অহা জনসাধাৰণে দুৰ্ভোগ ভোগাৰ লগতে পানী গচকিয়ে আহ-যাহ কৰিব লগা হয়। চৌহদটোত থকা আওপুৰণি তথা ব্যৱহাৰৰ অনুপযোগী আৰক্ষীৰ আৱাসসমূহত বসবাস কৰা আৰক্ষীৰ লোকসকলেও বহু কষ্টৰে বোকাপানীৰ মাজেৰেই আহ-যাহ কৰিবলগীয়া হয়। তদুপৰি বহু বছৰ পুৰণি উৱলি যোৱা আওপুৰণি আৱাসগৃহসমূহত থাকিয়েই আৰক্ষীৰ লোকসকলে কৰ্তব্য সমাপন কৰিবলগীয়া হোৱাত জৰুৰীকালীন সময়ত দায়িত্ব পালন কৰাৰ ক্ষেত্ৰত সেইসকল আৰক্ষীয়ে বহু সময়ত অসুবিধাৰ সন্মুখীন হৈছে। তদুপৰি চৌহদত থকা জৰুৰীকালীন সেৱাৰ ১০৮ এম্বুলেন্সসমূহৰ লগতে আৰক্ষীৰ লোক আৰু থানালৈ বিশেষ কামত অহা লোকৰ আঠ পৃষ্ঠাত চাওক



### সোঁতৰ বিপৰীতে




## বিশিষ্ট ঢুলীয়া শিল্পী গোলাপ ওজাৰ মৃত্যু



**অগ্ৰদূত বাৰ্তা**
**ৰাজগড়, ৫ মে' ঃ** ওৰেটো জীৱন ঢোলবাদ্যৰ স'তে জড়িত থাকি বিহু সংস্কৃতিৰ ক্ষেত্ৰত অনবদ্য সেৱা আগবঢ়াই অহা গোলাপ ওজাৰ (৯২)ৰ আজি পুৱা ৭.৫২ বজাত টিংখাঙৰ ভালুকমৰা গাঁৱৰ নিজা বাসগৃহত মৃত্যু হয়। ঢোলটো কান্ধত লৈ যাদুকৰী দুহাতেৰে ঢোলত বাদুলী ওলমা চেউৰ লহৰ তুলি উজনি-নামনি সকলোতে খলকনি সৃষ্টি কৰি অসমৰ বিহু সংস্কৃতিক জগত সভাত জিলিকাই তুলিবলৈ সক্ষম হৈছিল ঢুলীয়া শিল্পীজনে। যিজনে অক্লান্ত পৰিশ্ৰম আৰু নিৰলস সাধনাত ব্ৰতী হৈ ঢোল সম্ৰাট তুলসী ওজাৰ সহযোগত অসমৰ ঢুলীয়া সংস্কৃতিক কেৰালা, হায়দৰাবাদ, নাগপুৰ, কলকাতা আদিকে ধৰি ভাৰতৰ বিভিন্ন ঠাইৰ লগতে নেপালত ঢোলবাদন পৰিৱেশন কৰি অসমৰ সংস্কৃতিৰ বৰভৰাল চহকী কৰি তোলাত আঠ পৃষ্ঠাত চাওক

## বন্যহস্তীৰ আক্ৰমণত তেল নিগমৰ কৰ্মচাৰীৰ মৃত্যুত উত্তপ্ত পৰিস্থিতি

### *২৪ ঘণ্টাত ডিগবৈত দ্বিতীয়টো মৰ্মান্তিক ঘটনা*

**অগ্ৰদূত বাৰ্তা**
**ডিগবৈ, ৫ মে' ঃ** খাদ্যৰ সন্ধানত বনাঞ্চলৰ পৰা ওলাই অহা হাতীৰ আক্ৰমণত ডিগবৈত ২৪ ঘণ্টাৰ ভিতৰতে এগৰাকী ছাত্ৰীসহ দুজন লোকে প্ৰাণ হেৰুৱালে। কালি এটা বন্যহস্তীৰ আক্ৰমণত এগৰাকী ছাত্ৰীৰ মৃত্যু হয়। এই ঘটনাই অঞ্চলটোত আতংকৰ সৃষ্টি কৰি থকাৰ সময়তে আজি নিশা এটা বন্যহস্তীয়ে ডিগবৈৰ শ্বিলং ৰোডত এজন পথচাৰীক আক্ৰমণ কৰাত তেওঁৰ থিতাতে মৃত্যু হয়। ঘটনাকেইটাক কেন্দ্ৰ কৰি আজি তৈলনগৰীখনত উত্তপ্ত পৰিস্থিতিৰ সৃষ্টি হয়। আৰক্ষীয়ে জনোৱা মতে, আজি নিশা আঠ বজাত ঘৰলৈ আহি থকা অৱস্থাত লোকজন বন্যহস্তীটোৰ আক্ৰমণৰ সন্মুখীন হয়। মৃত লোকজনক আই অ' চিৰ অসম সংমণ্ডলৰ জনকল্যাণ বিভাগৰ ঠিকা শ্ৰমিক তথা শ্বিলং ৰোডৰ ৩০ নম্বৰ বাংলোৰ নিবাসী আঠ পৃষ্ঠাত চাওক






দৈনিক অগ্ৰদূত

গুৱাহাটী, সোমবাৰ ২২ ব'হাগ, ১৪২৬ ভাস্কৰাব্দ ৬ মে' ২০১৯

## ফণীৰ ধ্বংসলীলা

অৱশেষত কালধুমুহা ফণী অসম আৰু উত্তৰ-পূৰ্বাঞ্চলৰ মাজেৰে পাৰ হৈ গ'ল। নেৰানেপেৰা বৰষুণ আৰু ধুমুহাই ৰাজ্যখনৰ কিছু ক্ষয়-ক্ষতিও সাধন কৰি থৈ গ'ল। অৱশ্যে ফণী ধুমুহাই ভৱিষ্যদ্বাণী কৰাৰ দৰে ব্যাপক ক্ষতিসাধন কৰা দেখা নগ'ল। ঘণ্টাত ৫০ ৰ পৰা ৬০ কিলোমিটাৰ বেগেৰে অহা ধুমুহাই ৰাজ্যখনৰ স্বাভাৱিক জীৱন যাত্ৰা ব্যাহত কৰিলেও ক্ষয়-ক্ষতিৰ পৰিমাণ যথেষ্ট পৰিমাণৰ বুলি ক'ব নোৱাৰি।

নেৰানেপেৰা বৰষুণ আৰু তাৰ ফলত সৃষ্টি হোৱা কৃত্ৰিম বানপানীয়ে গুৱাহাটী মহানগৰীকে ধৰি ৰাজ্যখনৰ বহু স্থানত সমস্যাৰ সৃষ্টি কৰে। ইয়াৰ ফলত বিদ্যুৎ পৰিষদে সুদীৰ্ঘকাল বিদ্যুৎ সৰবৰাহ বন্ধ ৰাখে। বাংলাদেশ হৈ অসমত প্ৰৱেশ কৰা ধুমুহাজাকে অসমৰ উপৰি মেঘালয় আৰু উত্তৰ-পূবৰ আন আন ৰাজ্যসমূহ চুই যোৱা পৰিলক্ষিত হয়। তদুপৰি ব্ৰহ্মপুত্ৰকে ধৰি অসমৰ মুখ্য নৈবোৰ নেৰানেপেৰা বৰষুণৰ ফলত বিপদসীমাৰ ওপৰলৈ উঠিছে। অৱশ্যে বতৰ বিজ্ঞান বিভাগৰ সূত্ৰ অনুসৰি নৈবোৰ ওফন্দি উঠিলেও বিপদৰ আশংকা নাই।

অসমত ক্ষয়-ক্ষতিৰ সৃষ্টি নকৰিলেও এই কালধুমুহাই ওড়িছাকে ধৰি ভাৰতৰ অন্যান্য অংশত ব্যাপক ধ্বংসলীলাৰ সৃষ্টি কৰিছে। মানুহৰ জীৱনৰ ক্ষতিসাধন সীমিত হ'লেও সা-সম্পত্তি তথা ঘৰ-দুৱাৰৰ যথেষ্ট ক্ষতিসাধন হোৱাটো উল্লেখযোগ্য।

বতৰ বিজ্ঞানৰ আগজাননীৰ বাবেই হওক অথবা বতৰ আৰু অন্যান্য জলবায়ু সংক্ৰান্ত তথ্য দিব পৰা কৃত্ৰিম উপগ্ৰহৰ বাবেই হওক বৰ্তমান যুগত প্ৰাকৃতিক দুৰ্যোগৰ মোকাবিলা কৰাটো সহজ হৈ পৰিছে। এইবাৰ ফণী ধুমুহাৰ আগজাননী সঠিকভাৱে দিয়াৰ ফলত ক্ষয়-ক্ষতি হ'ব পৰা বহু অঞ্চলৰ পৰা আগতীয়াকৈ মানুহক আঁতৰাই আনি চৰকাৰে প্ৰাণহানিৰ পৰিমাণ হ্ৰাস কৰিবলৈ সক্ষম হৈছে। ভাৰতত সংঘটিত হোৱা ভালেমান প্ৰাকৃতিক দুৰ্যোগৰ ফলত যথেষ্ট লোকৰ জীৱন আৰু সা-সম্পত্তিৰ ক্ষতিসাধন হৈছে। যোৱা ২০০৪ত হোৱা ছুনামিৰ ফলত বিশ্বত প্ৰায় আঢ়ৈ লাখ লোক মৃত্যুমুখত পৰিছিল। ভাৰতবৰ্ষৰ উপকূল অঞ্চলত ছুনামিয়ে ব্যাপক ধ্বংসলীলাৰ সৃষ্টি কৰিছিল। তদুপৰি ভাৰতবৰ্ষৰ উত্তৰাখণ্ড, লাডাখ, হিমাচল প্ৰদেশ আদিত ডাৱৰ বিস্ফোৰণে ব্যাপক ধ্বংসলীলাৰ সৃষ্টি কৰা দেখিবলৈ পাইছো। গতিকে প্ৰাকৃতিক দুৰ্যোগ এক বৃহৎ প্ৰত্যাহ্বানত পৰিণত হৈছে। অসমতো প্ৰতি বছৰে বানপানীয়ে দুৰ্যোগৰ সৃষ্টি কৰি অহাটোৰ বাখ্যা নিষ্প্ৰয়োজন।

গোলকীয় উষ্ণতা বৃদ্ধি তথা জলবায়ুৰ পৰিৱৰ্তনে ভাৰতবৰ্ষকে ধৰি বিশ্বৰ বিভিন্ন দেশৰ উৎপাদনশীলতাত বিৰূপ প্ৰতিক্ৰিয়া সাধন কৰি আহিছে। খাদ্যশস্যৰ উৎপাদন প্ৰাকৃতিক দুৰ্যোগে যথেষ্ট হ্ৰাস কৰা দেখা যায়। এনে অৱস্থাৰ পৰিপ্ৰেক্ষিতত জলবায়ুৰ পৰিৱৰ্তন ৰোধৰ বাবে চৰকাৰ তথা বেচৰকাৰী সংস্থাসমূহ তৎপৰ হোৱা উচিত। বায়ুমণ্ডলত কাৰ্বনৰ পৰিমাণ হ্ৰাস কৰা, প্লাষ্টিকৰ ব্যৱহাৰ সীমিত কৰা, গ্ৰীণহাউছ গেছৰ নিৰ্গমন বন্ধ কৰাকে ধৰি বিভিন্ন ধৰণৰ ব্যৱস্থা চৰকাৰে হাতত ল'ব লাগিব। তদুপৰি পৰিৱেশ সংৰক্ষণৰ বাবে নতুন প্ৰজন্মকে ধৰি সকলোকে সংবেদনশীল কৰি তোলাৰ বাবে চৰকাৰে ব্যৱস্থা গ্ৰহণ কৰিব লাগিব। প্ৰদূষণ হ্ৰাসৰ পৰা আৰম্ভ কৰি পৰিষ্কাৰ-পৰিচ্ছন্নতাক গুৰুত্ব সহকাৰে লোৱাৰ বাবে জনসাধাৰণৰ মাজত সজাগতাৰ সৃষ্টি কৰিবলৈ চৰকাৰে বিশেষ কাৰ্যসূচী হাতত ল'ব লাগিব। নহ'লে জলবায়ুৰ পৰিৱৰ্তনে ভাৰতবৰ্ষকে ধৰি বিশ্বৰ বিভিন্ন দেশত এক ভয়ানক পৰিস্থিতিৰ সৃষ্টি কৰিব।

# জীৱন নিৰ্বাহৰ পথ সৃষ্টিৰ কথা পাহৰি গ'ল ভোটদাতাই

## ভাৰত এখন অধিকাংশ দুখীয়া নাগৰিকৰ ধনী দেশ



দৃষ্টিপাত

অনন্ত কলিতা



২০১৯ৰ লোকসভা নিৰ্বাচনী হাৱাত প্ৰত্যক্ষ কৰা গৈছে আৰু প্ৰতিফলিত হৈছে যে অধিক ভোটদাতাৰ চিন্তা ধাৰাত দেশৰ অৰ্থনীতি তথা তেওঁলোকৰ জীৱন-জীৱিকাৰ বা জীৱন নিৰ্বাহৰ পথটো অগ্ৰাধিকাৰ নাপায়। পাকিস্তানৰ বিৰুদ্ধে যুদ্ধ কৰিবলৈ শক্তিশালী ভাৰত, হিন্দুত্ববাদ সামগ্ৰিকভাৱে সাম্প্ৰদায়িকতাবাদে বিশেষ ভূমিকা গ্ৰহণ কৰিছে এইবাৰৰ নিৰ্বাচনত। ভাৰত ইতিমধ্যে সামৰিকভাৱে অন্যতম শক্তিশালী দেশ। পাকিস্তানৰ ভাৰত দখল কৰিব পৰা শক্তি নাই আৰু বৰ্তমানৰ আন্তৰ্জাতিক পটভূমিত পাকিস্তানে ভাৰতক আক্ৰমণ কৰিব পৰা পৰিস্থিতি নাই। প্ৰতিৰক্ষাত খৰচ কৰাৰ ক্ষেত্ৰত ভাৰত চতুৰ্থ বিশ্বত ৬৬.৫ বিলিয়ন ডলাৰ খৰচ কৰে বছৰি। পাকিস্তান এই বিষয়ত ১২ নম্বৰ ১১.৪ বিলিয়ন ডলাৰ খৰচ কৰে বছৰি। বহু যুগ আগৰে পৰা পাকিস্তানৰ মুখামুখি হ'ব পৰা ভাৰতৰ সামৰিক শক্তি আছে। নতুনকৈ প্ৰধানমন্ত্ৰী মোদীৰ নেতৃত্বত পাকিস্তানৰ লগত যুঁজিবৰ বাবে শক্তি আহৰণৰ প্ৰয়োজন নাই। কেন্দ্ৰত যিকোনো দলৰ চৰকাৰ থাকিলে আমাৰ দেশৰ সৈন্যবাহিনীক শক্তিশালী কৰিব। সেইটো কংগ্ৰেছ চৰকাৰেও কৰিছিল, বাজপেয়ীৰ নেতৃত্বৰ এন ডি এ চৰকাৰেও কৰিছিল। বৰঞ্চ বাজপেয়ীৰ নেতৃত্বৰ এন ডি এ চৰকাৰখনে আজিৰ দৰে পাকিস্তানৰ লগত এক যুদ্ধৰ পৰিৱেশ সৃষ্টি কৰাৰ পৰিৱৰ্তে যুদ্ধ এৰাই চলি বন্ধুত্ব গঢ়াৰ প্ৰচেষ্টাহে কৰিছিল। ভাৰত এখন অধিকাংশ দুখীয়া নাগৰিকৰ ধনী দেশ। নৰেন্দ্ৰ মোদীয়ে হেনো ভাৰতক বিশ্বৰ তিনি নম্বৰ ধনী দেশ বনাব। আই এম এফৰ তথ্য মতে ২০১৮ত ভাৰতৰ মুঠ ঘৰুৱা উৎপাদন (জি ডি পি) ২৬৯০ বিলিয়ন ডলাৰ। বিশ্বৰ সপ্তম বৃহত্তম অৰ্থনীতি। ফ্ৰান্স ষষ্ঠ ২৭৯৫ বিলিয়ন ডলাৰ, পঞ্চম ব্ৰিটেইনৰ জি ডি পি ২৯১৪ বিলিয়ন ডলাৰ। বিশ্বৰ দ্বিতীয় ধনী দেশ চীনৰ জি ডি পি ১২.০১ ত্ৰিলিয়ন অৰ্থাৎ ১২০১০ বিলিয়ন ডলাৰ। চীনৰ অৰ্থনীতি ভাৰততকৈ চাৰি গুণতকৈও অধিক বৃহৎ। মোদী চৰকাৰে গৌৰৱ কৰি আছে তেওঁৰ পাঁচ বছৰীয়া শাসন কালত হেনো জি ডি পি বিকাশে ইউ পি এ চৰকাৰক চেৰ পেলাইছে। অৱশ্যে বিশ্বৰ খ্যাতনামা অৰ্থনীতিবিদসকলে মোদী চৰকাৰৰ জি ডি পি গণনাৰ পদ্ধতিৰ লগত দ্বিমত প্ৰকাশ কৰিছে। যোৱা ২৮ মাৰ্চ (২০১৯)ত প্ৰকাশিত 'দ্য ইকন'মিক টাইমছ'ত প্ৰাক্তন ৰিজাৰ্ভ বেংকৰ গৱৰ্ণৰ আই এম এফৰে মুখ্য অৰ্থনীতিবিদ তথা বিশ্বৰ অন্যতম খ্যাতনামা অৰ্থনীতিবিদ ৰঘুৰাম ৰাজনৰ বক্তব্যৰ ওপৰত লিখিছে এইদৰে—Former RBI Governor Raghuram Rajan expressed doubts Over Indian economy growing at 7 percent when not enough jobs were being created and said the current cloud over the GDP numbers must be cleared by appointing an impartial body to look at the data. Rajan, Who has served as chief Economist at the international Monetary Fund (IMF), said he had no idea what statistics are pointing currently and 'a revap' was needed 'to really figure out what India's true growth rate is.' I know one minister (In the Narendra Modi Government) has said (that) how can we be growing at 7 percent and not have jobs. Well one possibility is that we are not growing at 7 percent' he told CNBC TV 18. গতিকে মোদী চৰকাৰৰ কোনো কথাৰে বিশ্বাসযোগ্যতা নোহোৱা হৈছে। ২০১৪ৰ লোকসভা নিৰ্বাচনৰ প্ৰচাৰত নৰেন্দ্ৰ মোদীৰ নেতৃত্বত বিজেপিৰ ঘোষণা আছিল উন্নয়ন। এইবাৰ বিজেপি মুখ্য শ্ল'গান উন্নয়ন নহয়। মুখ্য শ্ল'গান হিন্দু জাতীয়তাবাদ পাকিস্তানৰ বিৰুদ্ধে যুঁজ, পাকিস্তানক দমাই ৰাখিব লাগিব ইত্যাদি। যেনিবা দেশত যোৱা ৬৫ বছৰে অকণো উন্নয়ন হোৱা নাছিল যোৱা পাঁচ বছৰতে দেশৰ সকলো দিশৰ উন্নয়ন কৰি দিলে। দেশৰ অৰ্থনীতিৰ বিভিন্ন দিশৰ এক্সপাৰ্ট বিশেষজ্ঞসকলৰ তথ্য সমীক্ষা সকলো গাপ দিয়া হ'ল। সকলোতে পৰিৱৰ্তন আহিল। দেশৰ অৰ্থনীতিৰ যিকোনো উপায়ে উন্নয়ন তথা বিকাশ দেখুৱাবই লাগিব। গতিকে জি ডি পি গণনা কৰা ফৰমুলাই সলনি কৰি দিলে। বিশ্বৰ আগশাৰীৰ বিশ্ববিদ্যালয়বোৰৰ অৰ্থনীতিৰ জ্ঞান অৰ্জন কৰা ব্যক্তিসকল মূৰ্খ হৈ গ'ল। ৰঘুৰাম ৰাজনৰ নিচিনা অৰ্থনীতিবিদ যিজনক আই এম এফৰ নিচিনা আন্তৰ্জাতিক প্ৰতিষ্ঠানে মুখ্য অৰ্থনীতিবিদ নিয়োগ কৰিছিল। তেৰেঁ ভদ্ৰ ভাষাত পৰোক্ষভাৱে কৈছে ভাৰতৰ অৰ্থনীতি বিকশিত তথ্য সঠিক নহয়, জাল তথ্য।

এন এছ এছ ওৱে কৈছে ৪৫ বছৰৰ ভিতৰতে ২০১৮ত অধিক নিবনুৱা দেশত। বিশিষ্ট অৰ্থনীতিবিদ ড° মনমোহন সিং চৰকাৰৰ মুখ্য অৰ্থনৈতিক উপদেষ্টা ড° কৌশিক বসুৱে কৈছে 'unemployment Repot'– Idnia cen hide data but not the truth?

বৰ্তমান দেশৰ ৰাজনীতি- অৰ্থনীতিৰ পৰিস্থিতিয়ে আমাক বহু বছৰ আগতে পঢ়া 'কনফেচনছ অৱ এন ইকনমিক হিটমেন' নামৰ গ্ৰন্থখনৰ লিখনিৰ প্ৰতিচ্ছবি মনলৈ আনি দিছে। এই কিতাপখনৰ লিখক জন পাৰকিন্সৰ আত্মজীৱনীমূলক লিখনিসমূহৰ প্ৰত্যেকটো শাৰীয়ে ৰাজনৈতিক থ্ৰিলাৰৰ দৰে উত্তেজনাপূৰ্ণ। কি ধৰণে পাৰকিন্সক বিচাৰি উলিয়াই আমেৰিকান চোৰাংচোৱা সংস্থাই। কি ধৰণে শাসন ব্যৱস্থাৰ গুৰুত্বপূৰ্ণ পদত আৰু ভূমিকাত কৰ্প'ৰেট গোষ্ঠীয়ে তেওঁলোকৰ প্ৰতিনিধি নিয়োগ কৰে চৰকাৰৰ নীতি আৰু কাৰ্যকলাপক কেৱল কৰ্প'ৰেটৰ স্বাৰ্থত পৰিচালিত কৰাৰ বাবে আৰু ইয়াৰ দ্বাৰা আমেৰিকান চৰকাৰৰ নীতিয়ে কেনেকৈ আমেৰিকান কৰ্প'ৰেটবোৰৰ স্বাৰ্থ সুৰক্ষিত কৰিছে। বিদেশৰ চৰকাৰবোৰ নীতিত প্ৰভাৱিত কৰি কেনেকৈ আমেৰিকান কৰ্প'ৰেটৰ স্বাৰ্থত নিৰ্ধাৰিত কৰা হৈছে। পাৰকিন্সে অনুপুংখ বিৱৰণ অন্তৰ্ভুক্ত কৰিছে আমেৰিকান কৰ্প'ৰেট তন্ত্ৰ আৰু জনসাধাৰণৰ ওপৰত ইয়াৰ বিষময় পৰিণতি।

আজি ভাৰতৰ আইন-কানুনক বন্দী কৰি ৰখা হৈছে। দেশ চলিব লাগিব কৰ্প'ৰেটৰ স্বাৰ্থত। মোদী আমোলৰ প্ৰত্যেকটো সিদ্ধান্তই কৰ্প'ৰেট তন্ত্ৰৰ স্বাৰ্থপন্থী। সমকালীন পুঁজিবাদী অৰ্থনীতিৰ পটভূমিত দ্বিধাহীনভাৱে কৰ্প'ৰেট স্বাৰ্থ ৰক্ষাৰ উদ্দেশ্যত মোদীক প্ৰধানমন্ত্ৰী পদত অধিষ্ঠিত কৰাৰ অভিযান ২০১৪ৰ নিৰ্বাচনৰ প্ৰেক্ষাপটত ৰচনা হৈছিল। যোৱা পাঁচ বছৰ ধৰি এই লক্ষ্য পূৰণৰ বাবেই সকলো নীতি-নিৰ্ধাৰণ কৰিছে মোদী চৰকাৰে।

প্ৰধানমন্ত্ৰী মোদীয়ে যোৱা পাঁচ বছৰে বিদেশ ভ্ৰমণৰ এক অতুলনীয় কীৰ্তি স্থাপিত কৰিছে। এইসমূহ চৰকাৰী ভ্ৰমণত প্ৰধানমন্ত্ৰীৰ ভ্ৰমণৰ সহযাত্ৰী হৈছে প্ৰধানমন্ত্ৰীৰ ঘনিষ্ঠ কৰ্প'ৰেট নায়কসকল। বিদেশী চৰকাৰ আৰু বিদেশী কৰ্প'ৰেটবোৰৰ লগত এটাৰ পাছত আনটো চুক্তি স্বাক্ষৰিত হৈছে। কৰ্প'ৰেটতন্ত্ৰতেই এই ধৰণৰ সংস্কৃতি একমাত্ৰ সম্ভৱপৰ। এই চুক্তিবোৰৰ ভিতৰত নিৰ্লজ্জতম অভিলেখ সৃষ্টি কৰিছে প্ৰধানমন্ত্ৰী ব্যক্তিগত দায়িত্বত দাচল্ট কোম্পানীৰ লগত ৰাফেল যুদ্ধ বিমান ক্ৰয় কৰা সিদ্ধান্তৰ দ্বাৰা। অধিক দামত যুদ্ধ বিমান ক্ৰয় আৰু ইয়াৰ লগত প্ৰায় ৬০ হেজাৰ কোটি টকাৰ ব্যৱসায়ৰ সুযোগ কৰি দিছে দহদিন আগতে গজালি মেলা অনিল আম্বানীৰ ডিফেন্সৰ কোম্পানীক ৰাষ্ট্ৰায়ত্ত হিন্দুস্তান এৰ'নোটিক্সক বঞ্চিত কৰি। এইটো মাত্ৰ নমুনাহে। এই ধৰণৰ ৰাজনীতি আৰু কৰ্প'ৰেটৰ মিলনৰে সংগঠিত দুৰ্নীতিৰ অজস্ৰ উদাহৰণ অসংখ্যবাৰ সংগঠিত হোৱা দেখা গৈছে। দেশৰ সমস্ত বেংকিং ব্যৱস্থাক মৃত্যুমুখত থিয় কৰাই দিছে। অনাদায়ী অৰ্থাৎ ঘূৰাই পোৱাৰ সম্ভাৱনা নথকা (এন পি এ) ঋণৰ পৰিমাণ ২০১৮ৰ মাৰ্চলৈ আছিল ১০ লাখ ৩৬ হেজাৰ কোটি। ২১ টা ৰাজহুৱা খণ্ডৰ বেংকে ২০১৪ৰ পৰা ২০১৮ মাৰ্চলৈকে ৩.১৬ লাখ কোটি টকাৰ ঋণ মকুব কৰিছে। স্বঘোষিত চকীদাৰ হৈছে দেশৰ প্ৰধানমন্ত্ৰী; কিন্তু বেংকৰ ঋণ ঘূৰাই নিদিয়া লোকসকল পলাই যাবলৈ দুৱাৰ খোলা ৰাখিছিল। বিজয় মালিয়া, নীৰৱ মোদী, মেগুল চোকছিৰ কাৰণে বিদেশলৈ পলাই যোৱাৰ দুৱাৰখন খোলা আছিল। এইটোৱে হ'ল কৰ্প'ৰেট তন্ত্ৰ। দুৰ্নীতিৰ উৎসৰ মুখ।

বিমুদ্ৰাকৰণৰ ৯৯.৩ শতাংশ নোট ঘূৰি আহিছে। এজনো ক'লাধনৰ অধিকাৰী একদিনৰ কাৰণেও জেইলত যাব লগা হোৱা নাই। আহমেদাবাদ চহৰত জালনোট তৈয়াৰ কৰাৰ কাৰখানাৰ মালিক বিজেপিৰ যুৱনেতা গ্ৰেপ্তাৰ হৈছে। সন্ত্ৰাসবাদীসকলৰ ধনৰ অভাৱ হোৱা নাই। অভিযোগ উত্থাপিত হৈছে খোদ বিজেপিৰ সভাপতি অমিত শ্বাহৰ পৰিচালনাৰ আহমেদাবাদ সমবায় বেংকত ২৫৯ জন লোকে ৭৫০ কোটি টকাৰ বাতিল নোট সলনি কৰি থৈ গৈছে। জনসাধাৰণহে ভুক্তভোগী এইসমূহ কৰ্প'ৰেটমুখী চৰকাৰী সিদ্ধান্তত। নগদ টকাৰ ওপৰত ভিত্তি কৰি চলা অসংগঠিত খণ্ডৰ প্ৰায়সমূহ বাণিজ্য কাৰখানা বন্ধ হৈ গৈছে। জি এছ টি কৰ ব্যৱস্থাক সমালোচনা কৰিলে কোৱা হয় বিশ্বত ১৬০ খনত দেশত জি এছ টি কৰ ব্যৱস্থা আছে; কিন্তু বিশ্বৰ এইবোৰ দেশৰ কোনো এখন দেশতে ইমান পৰিমাণৰ অসংগঠিত খণ্ডৰ বাণিজ্য-উদ্যোগ নাই। দেশৰ মুঠ শ্ৰম শক্তি ৪৩৫ নিযুতৰ ৯৫ শতাংশই কাম কৰে অসংগঠিত খণ্ডত। জি এছ টিয়ে দেশৰ এই অসংগঠিত খণ্ডৰ ৰাজহাড় ভাঙিছে। গতিকে দেশত কৰ্মসংস্থাপন সৃষ্টিৰ বিপৰীতে চাৰি কোটি শ্ৰমিক-কৰ্মচাৰীয়ে কাম হেৰুৱাইছে। মোদী চৰকাৰে অভিলেখ স্থাপন কৰিছে যে ৬২ টা পিয়ন পদৰ প্ৰাৰ্থী হিচাপে ৩৭০০ পি এইছ ডি ডিগ্ৰীধাৰী প্ৰাৰ্থীয়ে আবেদনপত্ৰ জমা কৰিছে। ঋণৰ টকা ঘূৰাই নাপাই বেংকবোৰে জনসাধাৰণৰ কান্ধত বোজা জাপি দিছে। ন্যূনতম টকা একাউণ্টত জমা ৰাখিব নোৱাৰা অজুহাতত একাউণ্ট হল্ডাৰৰ পৰা পাঁচ কোটি টকা সংগ্ৰহ কৰিছে। অৰ্থনীতিৰ মুঠ ঘৰুৱা উৎপাদন (জি ডি পি)ৰ বিকাশ হৈছে; কিন্তু বিপৰীতে তথ্যত প্ৰতিফলিত হৈছে অৰ্থনীতিৰ সকলো দিশেই নিম্নগামী। যোৱা ফেব্ৰুৱাৰীত উদ্যোগীয় উৎপাদন বিকাশ মাত্ৰ ০.১ শতাংশ যোৱা ২০ মাহৰ ভিতৰত ন্যূনতম। মেনুফেকচাৰিঙৰ বিকাশ হোৱা নাই হ্ৰাসহে হৈছে ০.৩ শতাংশ। যোৱা ১২ এপ্ৰিলত (২০১৯) দ্য ইকনমিক টাইমছে লিখিছে ইউ পি এ-২ৰ সময়তকৈ মোদী চৰকাৰৰ যোৱা পাঁচ বছৰত গেলামাল, মটৰ গাড়ী, দুচকীয়া গাড়ীৰ বিক্ৰী হ্ৰাস পাইছে। অৰ্থাৎ মোদী চৰকাৰে নাগৰিকৰ আয় কৰাৰ উৎস সৃষ্টি কৰিব পৰা নাই। দ্য ইকনমিক টাইমছে এইদৰে কৈছে –The average growth rate far daily groceries as well as diseretionary items such as cars and two wheelers were lower under the NDA Government compared with the term of the congress led U P A regime. প্ৰতিবেদনত কৈছে জি এছ টি কৰ ব্যৱস্থা প্ৰৱৰ্তনৰ পাছত সমগ্ৰ উৎপাদিত সামগ্ৰীৰ বজাৰ চাহিদা হ্ৰাস পাইছে। ইয়াৰ অৰ্থই হ'ল মোদী চৰকাৰৰ নীতিয়ে নাগৰিকক আয় কৰাৰ সুযোগ নোহোৱা কৰিছে। তেওঁলোকৰ হাতত ধন নাই সামগ্ৰী কিনিবলৈ। এই পটভূমিতে ২০১৯ৰ লোকসভাৰ নিৰ্বাচন। অৰ্থনৈতিক ইছ্যুবোৰক একাষৰীয়া কৰি থৈ পাকিস্তান, হিন্দু জাতীয়তাবাদ শ্ল'গানত অভিভূত হৈ থাকিলে জনসাধাৰণে জীৱন জীৱিকাৰ পথ পাব নে তথা সুস্থ নাগৰিক হিচাপে জীয়াই থাকিব পাৰিব?

*ফোন ঃ ৯৪৩৫০-৪১২০৩*


## অহা ৩১ অক্টোবৰত অৱসৰ গ্ৰহণ

# প্ৰত্যাহ্বানৰ সন্মুখত মুখ্য ন্যায়াধীশ ৰঞ্জন গগৈ

## পদত্যাগৰ সম্ভাৱনা কিমান!

পৰ্যালোচনা

তৰণী পাঠক



**যোৱা** ২০ এপ্ৰিলত অনলাইনযোগে উচ্চতম ন্যায়ালয়ৰ ভূতপূৰ্ব মহিলা এগৰাকীৰ উচ্চতম ন্যায়ালয়ৰ ২২গৰাকী ন্যায়াধীশলৈ দিয়া শপতনামা এখন প্ৰচাৰিত হোৱাৰ লগে লগে যি ধুমুহাৰ সৃষ্টি হৈছে, সিয়ে দেশৰ সকলো সচেতন নাগৰিককে সচকিত কৰি তুলিছে। মহিলাগৰাকীৰ অভিযোগ, ২০১৮ৰ ১১ অক্টোবৰত প্ৰধান বিচাৰপতি ৰঞ্জন গগৈয়ে নিজৰ বাসগৃহৰ কাৰ্যালয়ত তেওঁৰ ওপৰত যৌন নিৰ্যাতন চলাইছিল। লগতে তেওঁ কৈছে যে নিৰ্যাতনৰ প্ৰতিবাদ জনোৱা বাবেই তেওঁৰ বিৰুদ্ধে মিছা অভিযোগ আনি প্ৰথমে তেওঁক বদলি আৰু পাছত চাকৰিৰ পৰা বৰ্খাস্ত কৰিছে। গতিকে মহিলাগৰাকীয়ে বিচাৰিছে সৰ্বোচ্চ ন্যায়ালয়ৰ জ্যেষ্ঠ ন্যায়াধীশক লৈ গঠিত এটা তদন্ত সমিতিৰ দ্বাৰাই এই অভিযোগৰ তদন্তৰ লগতে বিচাৰ হ'ব লাগে। উল্লেখযোগ্য যে ২২গৰাকী ন্যায়াধীশলৈ তেওঁৰ অভিযোগ পুংখানুপুংখভাৱে নথিপত্ৰসহ দাখিল কৰিছে।

মুখ্য ন্যায়াধীশগৰাকীৰ বিৰুদ্ধে উত্থাপিত যৌন নিৰ্যাতনৰ অভিযোগ সঁচা নে মিছা তাক লৈ এতিয়া বিশেষ প্ৰশ্ন উত্থাপিত হোৱা নাই, কাৰণ বিচাৰৰ শেষত ইয়াৰ শুদ্ধ উত্তৰ ওলাবই; কিন্তু প্ৰশ্ন উত্থাপিত হৈছে এই অভিযোগৰ বিচাৰৰ পদ্ধতিৰ ওপৰত। ৰঞ্জন গগৈয়ে এনে ধৰণৰ বিচাৰ ন্যায় ব্যৱস্থাত প্ৰতিষ্ঠিত আৰু ন্যায়পালিকাৰ নীতিগত পদ্ধতি সমুলঞ্চে জলাঞ্জলি দিছে তেওঁক নিজকে নিৰপৰাধী সজাবৰ বাবে।

উল্লেখ্য যে ২০১৮ৰ ২৭ অক্টোবৰত মহিলাগৰাকী প্ৰধান বিচাৰপতিৰ বাসভৱনৰ কাৰ্যালয়ত কনিষ্ঠ সহায়িকাৰূপে নিযুক্ত হৈছিল; কিন্তু 'অনুচিত আচৰণ'ৰ বাবে তেওঁক প্ৰথমে বদলি আৰু পাছত পদচ্যুতি দিয়া হৈছিল। এতিয়া প্ৰশ্ন হয় চৰকাৰী চাকৰিৰ পৰা পদচ্যুতি দিয়া ইমান সহজ কথানে? অস্থায়ী চাকৰি হ'লে যেন-তেন; কিন্তু সেই চাকৰিটো আছিল স্থায়ী। এবাৰ তেওঁ বদলি হৈছে। এই বিষয়ে সংবিধানৰ ৩১১ অনুচ্ছেদত বিশদভাৱে বৰ্ণনা কৰা আছে। সংবিধানত লিপিবদ্ধ আছে এই ধৰণে— 311, dismissal, removal or reduction in rank of person employed in civil capacities under the union or a state-1. No person who is a member.... shall be final. অনুচ্ছেদটো দীঘলীয়া বাবে গোটেইটো তুলি দিয়া হোৱা নাই। থূলমূল কথাখিনি হ'ল— অভিযুক্তক দোষী সাব্যস্ত কৰি পদচ্যুতি দিবলৈ হ'লে প্ৰথমে তেওঁৰ দোষৰ বিষয়ে তদন্ত হ'ব লাগিব আৰু এই তদন্তৰ আগতে তেওঁ কৰা দোষবোৰৰ বিষয়ে তেওঁক জনাব লাগিব আৰু তেওঁৰ শুনানিৰ বাবে এটা উপযুক্ত সময় আৰু সুবিধা দিব লাগিব। তদন্তত সাক্ষ্যবিলাকৰ পৰা প্ৰমাণ পালেহে শাস্তি প্ৰদান কৰিব পাৰিব। মহিলাগৰাকীৰ পদচ্যুতিৰ আগেয়ে এই প্ৰক্ৰিয়াবোৰ পালন কৰা হৈছিল নে নাই, বৰ্তমান যিখন তিনিজনীয়া ন্যায়াধীশেৰে গঠিত খণ্ডপীঠ আছে তেওঁলোকৰ তদন্তত আহিব লাগিব। কাৰণ মহিলাগৰাকীৰ 'অনুচিত আচৰণ' প্ৰমাণ কৰাটো সহজ কথা নহয়। মনত ৰাখিব লাগিব এই চাকৰি পদচ্যুতিৰ বিষয়টোৱে হ'ব মুখ্য ন্যায়াধীশগৰাকীয়ে যৌন নিৰ্যাতন চলোৱা সঁচা নে মিছাৰ প্ৰথম পদক্ষেপ।

প্ৰধান বিচাৰপতি ৰঞ্জন গগৈয়ে তেওঁৰ বিৰুদ্ধে অহা অভিযোগবোৰ খণ্ডন কৰিবলৈ ততাতৈয়াকৈয়ে এখন তিনিজনীয়া খণ্ড বিচাৰপীঠ গঠন কৰিলে আৰু খণ্ড বিচাৰপীঠৰ অধ্যক্ষ তেওঁ নিজেই হ'ল। খণ্ডপীঠৰ সতীৰ্থ ন্যায়াধীশ সঞ্জীৱ খান্না আৰু অৰুণ মিশ্ৰ (?)ক তেওঁ নিজেই নিযুক্তি দিয়া। গতিকে ৰঞ্জন গগৈৰ সপক্ষে মাত মাতিবই। এই ক্ষেত্ৰত ৰঞ্জন গগৈয়ে প্ৰধান বিচাৰপতি হৈ Cr. P. C.ৰ ৪৭৯ ধাৰাটো ভংগ কৰিলে। ৪৭৯ ধাৰাত লিখা আছে— 479 cases in which Judge or Magistrate is personally interested– No Judge or Magistrate shall, except with the permission of the Court to which an appeal lies from his court, try or commit for trial any case to or in which he is a party, or personally interested, and no Judge or Magistrate shall be or an appeal from any judgement or order passed or made by himself.

Explanation– A Judge or Magistrate shall not be deemed to be a party to or personally interested in any case by reason only that he is concerned there in a public capacity, or by reason only that he has viewed the place in which an offence is alleged to have been committed or any other place in which any other transaction material to the case is alleged or to have occured and made an enquiry in connection with the case. গুৱাহাটী উচ্চ ন্যায়ালয়ৰ ন্যায়াধীশৰূপে ৰঞ্জন গগৈয়ে ২০০৬ত এটা গোচৰত ৰায় দিওঁতে আঙুলিয়াই দিছিল যে স্বাভাৱিক ন্যায় প্ৰক্ৰিয়াটোৰ মৌলিক উপাদান দুটা (১) কোনোৱে নিজৰ বিষয়ে নিজৰ বিচাৰ কৰিব নোৱাৰে আৰু (২) বিচাৰ কৰোতে অন্য পক্ষৰ কথা শুনিবই লাগিব।

কিন্তু দেখা গ'ল ৰঞ্জন গগৈয়ে ওপৰোক্ত আইনৰ ধাৰাৰ লগতে ন্যায় ব্যৱস্থাৰ প্ৰতিষ্ঠিত সকলো নিয়ম উলংঘন কৰিয়ে ক্ষান্ত নাথাকি ওপৰত নিজেই কোৱা এক নম্বৰ মৌলিক উপাদানটো নিজক ৰক্ষা কৰাৰ কাৰণে জলাঞ্জলি দিলে আৰু নিজেই গোচৰ গ্ৰহণ কৰি অতি কম সময়ৰ ভিতৰতে তাৰ শুনানি আৰম্ভ কৰে আৰু তেওঁৰ বিৰুদ্ধে চলা গোচৰৰ এগৰাকী বিচাৰকৰূপে নিজেই আদালতৰ বেঞ্চত বহে।

তেওঁ ওপৰত কোৱা দুই নম্বৰ উপাদানটো অৰ্থাৎ বিচাৰ কৰোতে অন্য পক্ষৰ কথা শুনিবই লাগিব। এইটো অকল তেওঁ কোৱা কথাই নহয়, সাংবিধানিক নিয়ম। তেওঁ দেখ দেখকৈ সংবিধান উলংঘা কৰি নিজে গঠন কৰি দিয়া তিনিজনীয়া খণ্ডপীঠৰ আগত মহিলাগৰাকীৰ অনুপস্থিতিত একপক্ষীয় শুনানিত কৈ গ'ল তেওঁৰ সততাৰ কথা, মহিলাগৰাকীৰ নষ্ট চৰিত্ৰৰ কথা, তেওঁ ঘোচ নোখোৱাৰ কথা। ক'লৈ গ'ল তেওঁৰ অন্য পক্ষক ক'বলৈ সুযোগ দিয়াৰ নীতি? নিজে নিজৰ বিষয়ে বিচাৰ কৰাৰ পৰা বিৰত থকাৰ নীতি? এগৰাকী মহিলাৰ চৰিত্ৰ তথা আচৰণ সন্দৰ্ভত মহিলাগৰাকীৰ বক্তব্য নুশুনাকৈ তেওঁৰ বিৰুদ্ধে মন্তব্য দিয়াৰ অধিকাৰ তেওঁ ক'ত পালে? এইটো সাংবিধানিক নে? মহিলাগৰাকীয়ে শপতনামাত পুংখানুপুংখভাৱে সকলো লিখি দিছে; কিন্তু ৰঞ্জন গগৈয়ে তেওঁ গঠন কৰি দিয়া খণ্ড বিচাৰপীঠৰ আগত মৌখিকভাৱে মহিলাগৰাকীৰ নষ্ট চৰিত্ৰ আদিৰ বিষয়ে কৈ গৈছে। এইটো বাস্তৱিকতে গাঁৱৰ দুজনী মাইকী মানুহৰ মাজত লগা দ্বন্দ্বৰ নিচিনা হৈছে। ইজনীয়ে সিজনীক গালি পাৰিছে, সিজনীয়ে ইজনীক গালি পাৰিছে। সেয়ে ৰঞ্জন গগৈয়ে মুখ্য ন্যায়াধীশৰ পদমৰ্যাদা যথেষ্ট ক্ষুণ্ণ কৰিছে।

বিষয়টো আনুষ্ঠানিকভাৱে পঞ্জীয়ন কৰিবলৈ মহাধিবক্তা তুষাৰ মেহতাই দিয়া প্ৰস্তাৱটো প্ৰধান বিচাৰপতি গগৈয়ে প্ৰত্যাখ্যান কৰি কয় যে এই সন্ধিক্ষণত সংবাদ মাধ্যম দায়িত্বশীল হোৱাকে আমি বিচাৰো আৰু কয় যে ন্যায়পালিকা প্ৰচণ্ড ভাবুকিৰ সন্মুখীন হৈছে; কিন্তু বিতৰ্কই লগ এৰা নিদিয়া বৰ্তমানৰ মুখ্য ন্যায়াধীশ ৰঞ্জন গগৈসহ চাৰিগৰাকী ন্যায়াধীশে তদানীন্তন মুখ্য ন্যায়াধীশ দীপক মিশ্ৰৰ বিৰুদ্ধে অভিযোগ আনিছিল যে তেওঁ বিশেষ বিশেষ গোচৰবোৰ বছা বছা খণ্ড আদালতত আন জ্যেষ্ঠ ন্যায়াধীশৰ স'তে আলোচনা নকৰাকৈয়ে অৰ্পণ কৰিছিল। দীপক মিশ্ৰৰ বিৰুদ্ধে আৰু বহু অভিযোগ আনি ভাৰতবৰ্ষৰ ন্যায় ব্যৱস্থাৰ ইতিহাসত প্ৰথমবাৰৰ বাবে উচ্চতম ন্যায়ালয়ৰ চাৰিগৰাকী ন্যায়াধীশে প্ৰেছমেল অনুষ্ঠিত কৰিছিল। ন্যায়ালয়ৰ ভিতৰচ'ৰাৰ কথা ৰাজহুৱা কৰিবলৈ প্ৰেছমেল পতাৰ কি দৰকাৰ আছিল?



এইখিনিতে উল্লেখ্য যে মুখ্য ন্যায়াধীশগৰাকীৰ বিৰুদ্ধে উত্থাপিত এই অভিযোগ প্ৰকাশ কৰাৰ বাবে সংবাদ মাধ্যমকো সমালোচনা কৰিছে খণ্ড আদালতৰ অধ্যক্ষই। সংবাদ মাধ্যমক এনে ধৰণৰ বাতৰি প্ৰকাশ কৰাৰ ক্ষেত্ৰত বাধা-নিষেধ আৰোপ নকৰিলেও মুখ্য ন্যায়াধীশৰ বিৰুদ্ধে উত্থাপিত অভিযোগ প্ৰকাশৰ ক্ষেত্ৰত দায়িত্বশীল তথা সতৰ্ক হ'বলৈ উচ্চ ন্যায়ালয়ৰ এই মহিলাগৰাকীৰ অভিযোগ বিচাৰ কৰা খণ্ড আদালতে কৈছে।

এইটো একপ্ৰকাৰ সকীয়নি। পিছে সংবাদ মাধ্যমৰ নিজস্ব আচৰণ বিধি আছে। সংবাদ মাধ্যমে সমতা আৰু সততাৰ ভিত্তিতে বাতৰি পৰিবেশন কৰে। শক্তিশালী নেতা বা ব্যক্তিৰ বাতৰি প্ৰকাশৰ ক্ষেত্ৰত সংবাদ মাধ্যমে সুকীয়া মাপকাঠি ব্যৱহাৰ কৰিব নোৱাৰে। 'কৰ্মক্ষেত্ৰত যৌন হাৰাশাস্তি' আদালতৰ দ্বাৰা স্বীকৃত এক সমস্যা আৰু ইয়াৰ বাবে বিশেষ আইন প্ৰণয়ন কৰা আছে। মহিলাগৰাকীৰ বিচাৰটো এই আইনৰ গণ্ডীতে কৰিব পৰা গ'লহেঁতেন। পিছে তেওঁ শপতনামা দিছে উচ্চতম ন্যায়ালয়ৰ ২২গৰাকী ন্যায়াধীশৰ ওচৰত সুবিচাৰ পোৱাৰ আশাৰে। একে কাৰ্যালয়ৰ এগৰাকী মহিলাই তেওঁৰ ঊৰ্ধ্বতন বিষয়াৰ বিৰুদ্ধে যৌন নিৰ্যাতন তথা হাৰাশাস্তিৰ অভিযোগ উত্থাপন কৰিলে তেনে অভিযোগৰ বাতৰি সংবাদ মাধ্যমত প্ৰকাশ কৰাত বাধা নাই। যৌন নিৰ্যাতনৰ ক্ষেত্ৰত নিৰ্যাতিতা মহিলাৰ নাম প্ৰকাশত বাধা থাকিলেও নিৰ্যাতনকাৰীৰ নাম প্ৰকাশত কোনো বাধা নাই। সংবাদ মাধ্যমে যদি এনে যৌন নিৰ্যাতনৰ বাতৰি প্ৰকাশ কৰোতে কাৰোৰেই নাম উল্লেখ নকৰে, তেনেহ'লে সেইটো জানো প্ৰকাশযোগ্য বাতৰি হ'ব?

মুখ্য ন্যায়াধীশগৰাকী আন এক বিতৰ্কৰ মাজত সোমাই পৰিল। তেওঁ জ্যেষ্ঠ ন্যায়াধীশক চেৰাই কনিষ্ঠ ন্যায়াধীশক উচ্চতম ন্যায়ালয়ৰ ন্যায়াধীশৰূপে নিযুক্তি দিলে। কিয় তেওঁ এনেকুৱা কৰিলে বুলি 'তথ্য জনাৰ আইন'ৰ বলত জানিব বিচৰাত কোৱা হ'ল যে স্বচ্ছতাৰ নামত ন্যায় ব্যৱস্থা ধ্বংস কৰিব নোৱাৰি। কেনেকৈনো স্বচ্ছতাই ন্যায় ব্যৱস্থা ধ্বংস কৰে তাৰ ব্যাখ্যা তেওঁ কিন্তু দিব নোৱাৰিলে।

সৰ্বোচ্চ ন্যায়ালয়ৰ ৬৯ বছৰীয়া ইতিহাসত প্ৰথমবাৰৰ বাবে প্ৰধান বিচাৰপতিৰ বিৰুদ্ধে যৌন নিৰ্যাতনৰ অভিযোগ উত্থাপন হ'ল। প্ৰায় ছহেজাৰ অধিবক্তা সদস্যভুক্ত হোৱা উচ্চতম ন্যায়ালয়ৰ বাৰ এছ'চিয়েছন আৰু কে'বাজনো ন্যায়াধীশে দাবী কৰিছিল যে এই বিচাৰৰ বাবে আন এখন খণ্ড বিচাৰপীঠ গঠন কৰা হওক। সেই দাবীৰ ভিত্তিতে শেহতীয়াভাৱে এছ এ ববদেৰ অধ্যক্ষতাত এখন তিনিজনীয়া খণ্ড বিচাৰপীঠ গঠন কৰা হৈছে। প্ৰধান বিচাৰপতিৰ বিৰুদ্ধে উত্থাপিত যৌন নিৰ্যাতনৰ অভিযোগৰ বিচাৰ এই খণ্ড বিচাৰপীঠে কৰিব। এইটো আদৰণীয় পদক্ষেপ। লক্ষ্যণীয় যে তদন্তৰ বাবে খণ্ডপীঠ গঠনৰ সিদ্ধান্তটো লোৱা হৈছিল সৰ্বোচ্চ ন্যায়ালয়ৰ সমূহ ন্যায়াধীশৰ উমৈহতীয়া বৈঠকত গৃহীত সৰ্বসন্মত প্ৰস্তাৱৰ ভিত্তিত। এতিয়া অভিযোগকাৰীৰ চাকৰি সংক্ৰান্তীয় তথ্যপাতি তেওঁৰ শপতনামাত উল্লেখিত বিভিন্ন বিষয় সন্দৰ্ভত নিশ্চয়কৈ সুবিচাৰ কৰা হ'ব।

তাৎপৰ্যপূৰ্ণ যে প্ৰধান বিচাৰপতিকে ধৰি সৰ্বোচ্চ ন্যায়ালয়ৰ ন্যায়াধীশসকলৰ বিৰুদ্ধে এটা অশুভ চক্ৰই ষড়যন্ত্ৰ ৰচনা কৰি আছে বুলি মুখ্য ন্যায়াধীশ ৰঞ্জন গগৈয়েতো কৈছেই, তাৰ উপৰি এগৰাকী অধিবক্তাই এই সংক্ৰান্তীয় এখন শপতনামা দাখিল কৰিছে। আগতে উল্লেখ কৰা হৈছে যে ৰঞ্জন গগৈ ন্যায়াধীশ হৈ থাকোতে আন তিনিজন ন্যায়াধীশক লগত লৈ যোৱা ২০১৮ত তদানীন্তন মুখ্য ন্যায়াধীশ দীপক মিশ্ৰৰ বিৰুদ্ধে ষড়যন্ত্ৰ কৰি বহু অভিযোগ আনিছিল। তথাপি এগৰাকী অধিবক্তাই ৰঞ্জন গগৈৰ বিৰুদ্ধে ষড়যন্ত্ৰ কৰাৰ যি অভিযোগ আনি শপতনামা দাখিল কৰিছে, তাৰো তদন্ত কৰিবলৈ এখন বিশেষ খণ্ডপীঠ গঠন কৰা হৈছে। নিৰ্যাতনৰ অভিযোগ তোলা মহিলাগৰাকীৰ বিৰুদ্ধে ঘোচ খোৱাৰ অভিযোগ তোলা, তেওঁক আৰক্ষীয়ে আটক কৰা, তেওঁ আৰু তেওঁৰ স্বামী আৰু ভ্ৰাতৃক চাকৰিৰ পৰা নিলম্বন কৰা, জামিন নাকচ কৰাৰ বাবে আবেদন জনোৱা আদি অভিযুক্ত ৰঞ্জন গগৈৰ ৰক্ষণা-বেক্ষণৰ বাবে চলোৱা ষড়যন্ত্ৰ এটাও হ'ব পাৰে। ন্যায়ালয়ৰ স্বাধীনতা খৰ্ব কৰাৰ ষড়যন্ত্ৰও হ'ব পাৰে। তাৰ যথাযথ তদন্ত আৰু বিচাৰ হ'ব লাগিব।

এতিয়া দেখা গৈছে গণতন্ত্ৰৰ অন্যতম স্তম্ভ ন্যায়পালিকা আজি এটাৰ পাছত এটাকৈ বিতৰ্কৰ মাজত সোমাই পৰিছে আৰু সেয়ে ন্যায়পালিকাৰ ওপৰতো মানুহৰ আস্থা ক্ৰমান্বয়ে কমি আহিবলৈ ধৰিছে। ২০ এপ্ৰিলৰ কাৰ্য পদ্ধতিয়ে বিশ্বত ভাৰতীয় ন্যায়পালিকাৰ মৰ্যাদা বাৰুকৈয়ে ক্ষুণ্ণ কৰিলে।

ৰঞ্জন গগৈয়ে মুখ্য ন্যায়াধীশৰ পদত অধিষ্ঠিত হোৱাৰ পাছত মুঠ তিনিবাৰ কামাখ্যা দৰ্শন কৰিবলৈ আহে। তাৰ উপৰি তেওঁ শিৱসাগৰৰ শিবদ'লো দৰ্শন কৰে। ৰঞ্জন গগৈৰ মেধা, আইনৰ ব্যুৎপত্তি সন্দেহাতীত। তেওঁৰ যথেষ্ট দক্ষতাও আছে; কিন্তু সেইগৰাকী বিচাৰপতিয়ে যেতিয়া মন্দিৰে মন্দিৰে গৈ পূজা দিয়ে আৰু আশীৰ্বাদ লয়, তেতিয়া তেওঁৰ ধৰ্মপ্ৰীতিতকৈ নৈতিক সংকট এটাৰ আভাসহে বেছি পৰিস্ফুট হয়। তেওঁৰ যথেষ্ট মানসিক দুৰ্বলতা থকা বুলি গম পোৱা যায়। নহ'লেনো গুৱাহাটীতে ইমান বছৰ ওকালতি কৰি ন্যায়াধীশ হৈ থকাৰ পাছত মুখ্য ন্যায়াধীশ হোৱাৰ পাছত কি কাৰণে বাৰে বাৰে কামাখ্যা দৰ্শন কৰিবলৈ আহে। উল্লেখ্য যে তেওঁ প্ৰথমবাৰ কামাখ্যা দৰ্শনলৈ আহোতে নিৰাপত্তাৰ অভাৱ অনুভৱ কৰা বুলি চৰকাৰে বিবেচনা কৰাৰ ফলত এজন উপায়ুক্ততো হাৰাশাস্তি হ'লেই, তাতকৈ ডাঙৰ কথা দুজন আৰক্ষী বিষয়াৰ চাকৰি গ'ল। মঠ-মন্দিৰ দৰ্শন তেওঁৰ ব্যক্তিগত কথা— ই প্ৰধান বিচাৰপতিৰ কৰ্তব্যৰ আওতাত নপৰে; কিন্তু তেওঁৰ এই মন্দিৰ দৰ্শনত যদি ৰাজ্য চৰকাৰে তেওঁৰ নিৰাপত্তাৰ স্বাৰ্থত বাৰে বাৰে আৰক্ষী নিয়োজিত কৰিব লাগে ৰাজ্য চৰকাৰে ৰাজ্যৰ শাসনভাৰ কেনেকৈ চলাব?

এই প্ৰসংগতে অসমীয়া ফকৰা কেইটামান উনুকিয়াব পাৰি। যেনে 'হস্তীৰো পিছলে পাৱ সজ্জনৰো বুৰে নাও', মুনিনাঞ্চ মতিভ্ৰম' আদি। গতিকে ৰঞ্জন গগৈ আইন বিষয়ত হস্তী হ'ব পাৰে, কিন্তু তেওঁৰো পাৱ পিছলিব পাৰে, তেওঁ সজ্জন হ'লেও তেওঁৰো নাও বুৰিব পাৰে। তেওঁ আইনৰ মুনি হ'লেও তেওঁৰো মতিভ্ৰম হ'ব পাৰে। ৰঞ্জন গগৈ এজন মানুহ, তেওঁৰো মানৱীয় স্খলন হ'ব পাৰে। তাতকৈ ডাঙৰ কথা তেওঁ গঠন কৰা তিনিজনীয়া খণ্ড বিচাৰপীঠৰ আগত তেওঁ নিজেই কৈছে— 'এই গতানুগতিক আৰু শুনানিটোৰ বাবে ময়েই 'দায়বদ্ধ'। অৰ্থাৎ পাকে-প্ৰকাৰে তেওঁ দোষ স্বীকাৰ কৰিছেই। তাৰ পাছত সেই ঘটনাক লৈ হুলস্থুল কৰাৰ কোনো আৱশ্যক নাই।

আনহাতে, সেই খণ্ড বিচাৰপীঠৰ আগত তেওঁ কৈছে, 'কাৰ্যকালৰ শেষ দিনটোলৈকে মই নিৰপেক্ষভাৱে আৰু নিৰ্ভয়ে দায়িত্ব পালন কৰি যাম'। কিন্তু নোৱাৰে। কাৰণ ২০ এপ্ৰিলত মহিলাগৰাকীৰ শপতনামা প্ৰচাৰ হোৱাৰ লগে লগে পৰিস্থিতি সলনি হৈছে। নহ'লেনো তেওঁ নিজৰ বিচাৰ নিজে কৰিবলৈ উদ্যত হয়নে আৰু অন্য পক্ষৰ বক্তব্য নুশুনাকৈয়ে মহিলাগৰাকীৰ অনুপস্থিতিত তেওঁৰ দুংচৰিত্ৰৰ বিষয়ে ক'ব পাৰেনে? তেওঁ মুখ্য ন্যায়াধীশ হৈ এইবোৰ অসাংবিধানিক কাম কৰিলে কিয়? অৱসৰৰ দিনলৈকে তেওঁৰ মূৰৰ সম্পূৰ্ণ বিকৃতি ঘটিব। ইমান ডাঙৰ নাৰী ধৰ্ষণৰ অভিযোগ এটা মূৰত লৈ কেনেকৈ নিৰপেক্ষ আৰু নিৰ্ভয়ে দায়িত্ব পালন কৰিব? মুখ্য ন্যায়াধীশ গগৈৰ হিতাকাংক্ষী কোনো কোনোৱে তেওঁক পদত্যাগ কৰি অভিযোগৰ বোজাৰ পৰা সকাহ পোৱাৰ পৰামৰ্শ দিছে। অৱশ্যে পদত্যাগৰ পাছতো দোষী সাব্যস্ত হ'লে তেওঁ নিস্তাৰ নাপাব। নাৰীৰ ওপৰত যৌন নিৰ্যাতন আৰু শাস্তি ভাৰতীয় দণ্ড বিধিৰ ৩৫৪ ধাৰাত লিখা আছে এই ধৰণে— Sec. 354 : Assault or criminal force to woman with intent to outrage her modesty whoever assaults or uses criminal force to any woman, intending to outrage or it to be likely that he will there by outrage her modesty, shall be punished with imprisonment for either description for. এই বিবাদটো নিস্পত্তি হ'বলৈ ক'মৈও এবছৰ সময় লাগিব। তদন্ত কৰোতেই বহুদিন যাব। আৰুতো বিচাৰ আছেই। ইতিমধ্যে অহা ৩১ অক্টোবৰত তেওঁ অৱসৰ ল'ব নাৰী কেলেংকাৰিৰ অপৰাধৰ অভিযোগৰ বোজা এটা মূৰত লৈ। সেয়েহে গগৈৰ হিতাকাংক্ষী কোনো কোনোৱে তেওঁক পদত্যাগ কৰিবলৈ পৰামৰ্শ দিছে।

*ফোন ঃ ৯১০১৬৮২০৩৯*

**বিদেশী কবিতাৰ অনুবাদ**

## বন্ধন

**মূলঃ গীয়ম এপোলীনেয়াৰ**

**অনুবাদ ঃ পৰাগ কুমাৰ ভট্টাচাৰ্য**



চকুৰ পানীৰে তৈয়াৰ কৰা জৰী
গোটেই ইউৰোপ জুৰি টিলিঙা বাজে
শতিকাবোৰ ফাঁচিত ওলমিছে

আমি মাত্ৰ দুজন বা তিনিজন মানুহ
সকলো বন্ধনৰ পৰা মুক্ত
আহা আমি আটায়ে
হাতত ধৰা ধৰিকৈ থাকো

ভয়ংকৰ বৰষুণে ফালি যায় ধোঁৱা
জৰী
পকোৱা জৰী
সাগৰৰ তলিত টেলিগ্ৰাফৰ তাঁৰ
বেবলৰ স্তম্ভবোৰ হৈ পৰে সেতু

মকৰা মোহগ্ৰস্থ

এদাল সূতাৰে সকলো প্ৰেমিকা বন্ধা
আৰু সকলো সূক্ষ্ম বন্ধন
পোহৰৰ বজা ৰেখা
সূতা আৰু সমতা

হে অনুভৱ হে প্ৰিয় অনুভৱ
স্মৃতিৰ শত্ৰু
অনুতাপৰ শত্ৰু
অশ্ৰুৰ শত্ৰু
মোৰ সকলো প্ৰিয়বস্তুৰ শত্ৰুবোৰ
মই কেৱল তোমালোকৰ কথা গৌৰৱেৰে লিখি যাওঁ

**আধুনিক বাংলা কবিতাৰ অনুবাদ**

## মুখা

**মূল ঃ সুস্মিতা ভট্টাচাৰ্য**

**অনুবাদ ঃ ৰবীন্দ্ৰ চন্দ্ৰ বৰা**

সমগ্ৰ দিনটোতে মুখাৰ আঁৰত
লুকাই আছে মোৰ মুখ
মোৰ সকলো অসুখ, বেদনা অথবা সুখ-দুখ
এদিন সন্ধিয়াৰ নিভৃত সময়ত
খুলি আঁতৰালো মুখাখন
হাতত লৈ চশমা জোৰ
দেখা নাপালো মোৰ নিজৰ মুখ
মুখ ক’ত? মোৰ মুখ ক’ত?
ব্যৰ্থ প্ৰয়াস, বিচাৰি নাপালো
মোৰ মুখ
হয়তো অব্যৱহাৰত হেৰাই গ’ল
মোৰ নিজৰ মুখ।

*(পশ্চিমবংগৰ কলকাতা মহানগৰীৰ এগৰাকী প্ৰতিষ্ঠিত দ্বিভাষিক কবি সুস্মিতা ভট্টাচাৰ্যৰ ছিলেক্টেদ পয়েমচ্ অৱ সুস্মিতা ভট্টাচাৰ্য’ গ্ৰন্থত অন্তৰ্ভুক্ত কবিতাসমূহৰ পৰা ‘মুখোশ’ শীৰ্ষক কবিতা (অনুবাদ মুখা) সংগ্ৰহ কৰা হৈছে— অনুবাদক)*

## নলবাৰীৰ দৌল উৎসৱৰ স্মৰণিকা ‘দৌলগোবিন্দপুৰ’

**দৌলগোবিন্দপুৰৰ** দৌল উৎসৱস্থলীত নলবাৰীৰ ১৪৯ বছৰ পুৰণি দৌল মহোৎসৱটো পুনৰ উৎসাহ-উদ্দীপনাৰে পালন কৰা হয়। এই উপলক্ষে ‘দৌলগোবিন্দপু’ নামেৰে স্মৰণিকাখনো উলিওৱা হয় যিখন উৎসৱৰ মাজৰ দিনটোত কনকসেন ডেকাই উন্মোচন কৰি উৎসৱ তথা স্মৰণিকাখনৰ সৌন্দৰ্য বঢ়ায়। প্ৰসংগত উনুকিয়াই থওঁ যে এই সমালোচনা লিখোতে ‘১৪৯ বছৰীয়া দৌল উৎসৱ’, ‘অইন বছৰৰ দৰে এই বছৰো’, ‘পাৰস্পৰিকভাৱে’ আদি বিশ্লেষণবোৰ নিলিখি ‘১৪৯ বছৰ পুৰণি’ বুলি লিখাৰ কাৰণ হ’ল বহু উৎসাহ-উদ্দীপনা পালন কৰিলেও দৌলগোবিন্দপুৰৰ দৌল উৎসৱ বা খাতাবাৰী দৌল উৎসৱ বা বলাকুছি দৌল উৎসৱ বুলি জনাজাত এই উৎসৱটোৰ অতীতটোৱে বহুতৰ মন কিছু হ’লেও সেমেকাই তোলে। ঐতিহাসিক তথ্য মতে, মানৰ অসম আক্ৰমণৰ সময়ত উজনি অসমৰ বহুলোকে বিজয়ী মানৰ ভয়ত নিজৰ ঠাই এৰি বিভিন্ন ঠাইলৈ গুচি যায় আৰু বিভিন্ন ঠাইত থিতাপি লয়। এনেকৈ জাঁজী অঞ্চলৰ ভুবুলি সেন বৰকাকতি নামৰ লোকজনে পৰিয়াল-পৰিজন সহকাৰে আহি শেষত বৰ্তমানৰ নলবাৰী নগৰৰ পূব উপকণ্ঠত স্থায়ীভাৱে থিতাপি লয়। এই ভুবুলি সেন বৰকাকতিৰ উত্তৰপুৰুষে আজিৰ পৰা ১৪৯ বছৰ আগেয়ে নলবাৰীত এই উৎসৱৰ আৰম্ভণি কৰে। প্ৰথম অৱস্থাত মোটামুটি পাৰিবাৰিক উৎসৱৰ দৰে পালিত হ’লেও পিছলৈ ই জনপ্ৰিয় সামূহিক উৎসৱলৈ পৰিবৰ্ধিত হয় আৰু তিনিদিনীয়া, পাঁচদিনীয়া ৰাজহুৱা দৌল উৎসৱৰূপে পালিত হ’ব ধৰে। তাৰ পাছতো কিন্তু বিভিন্ন কাৰণত উৎসৱটোৰ স্থিতি একেদৰে নাথাকিল, ই ক্ৰমে ইয়াৰ সৌষ্ঠৱ হেৰুৱাই তিনিদিনীয়া, পাঁচদিনীয়া উৎসৱটো এদিনীয়াত পৰিল। শেষত কুৰি শতিকাৰ শেষৰ দহকত উৎসৱটো সম্পূৰ্ণৰূপে নিঃশেষ হৈ পৰিল আৰু ই এনে এক কৰুণ অৱস্থা পায় যে এই ঐতিহ্যমণ্ডিত উৎসৱটোৰ বিগ্ৰহটো আনকি উত্তৰ গুৱাহাটীৰ আউনীআটি সত্ৰলৈ স্থানান্তৰৰ বাবে আলোচনা-বিলোচনা চলিল। কিন্তু কামটো নহ’ল। নহ’ল মানে হ’বলৈ দিয়া নহ’ল। সাংগঠনিক দিশত পটু স্থানীয় যুৱ কৰ্মী দিলজিৎ বৰ্মন প্ৰমুখ্যে কেইজনমান উদ্যমী ডেকাৰ উদ্যোগত মৃত উৎসৱটোৱে এই বছৰ পুনৰ প্ৰাণ পাই উঠে, খৰতকীয়াভাৱে হ’লেও ধুমধামেৰে উৎসৱটো পালিত হয়। তাৰ মাজতে মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱাল, মন্ত্ৰী চন্দ্ৰমোহন পাটোৱাৰী, মুখ্যমন্ত্ৰীৰ প্ৰেছ উপদেষ্টা হৃষীকেষ গোস্বামী, উপাচাৰ্য দীপক কুমাৰ শৰ্মা, স্থানীয় বিধায়ক অশোক শৰ্মাৰ লগতে স্মৰণিকা উন্মোচক কনকসেন ডেকাৰ শুভেচ্ছা লৈ ‘দৌল গোবিন্দ’ নামৰ স্মৰণিকাখন ছপা হৈ ৰাইজৰ মাজলৈ ওলাই আহে। স্মৰণিকাখন দৌল উৎসৱৰ সভাপতি-সম্পাদক, স্মৰণিকাৰ সম্পাদকৰ লেখাৰ উপৰি ২৭টা প্ৰবন্ধ, ছটা কবিতা, উৎসৱস্থলীত আৰম্ভণি গীতৰূপে পৰিৱেশিত আৰম্ভণি গীতটো উদীয়মান যুৱ শিল্পী হেমাংগ দত্তৰ সংগৃহীত কেইটামান হোলী গীত, এই অঞ্চলৰ সামাজিক-সাংস্কৃতিক আদি ক্ষেত্ৰৰ লগত জড়িত পাঁচজন বিশিষ্ট ব্যক্তিলৈ যচা সমৃদ্ধ সোঁৱৰণী টোকাৰে পুষ্ট। ঐতিহ্যমণ্ডিত হ’লেও কে’বা বছৰৰ বিৰতিৰ পাছত এনেকুৱা এখন স্মৰণিকা উলিয়াই উদ্যোক্তাসকল ধন্যবাদৰ পত্ৰ হ’ল।




**● মুনীন্দ্ৰ নাথ পাঠক**

# স্ৰষ্টা আৰু সৃষ্টি ঃ ভাৰ্জিল

**সাহিত্যৰ ৰূপৰেখা**

**ড° নিভাৰাণী ফুকন**



**সাহিত্যত** জীৱনৰ কথা থাকে, প্ৰমূল্যবোধৰ কথা থাকে। সেই দৃষ্টিভংগী আগত ৰাখিয়েই ধ্ৰুপদী সাহিত্যৰাজি ৰচিত হৈছে। সেই সাহিত্যৰাজিৰ ঐশ্বৰ্যশালী ভাণ্ডাৰ হৈছে গ্ৰীক সাহিত্য। প্ৰাচীন গ্ৰীক সাহিত্যৰ ইতিহাস বিচাৰ কৰিবলৈ হ’লে আমি খ্ৰীষ্টপূৰ্ব শতিকালৈ ঘূৰি যাব লাগিব। সাহিত্যৰ আলোচকসকলে আলোচনাৰ সুবিধাৰ বাবে গ্ৰীক সাহিত্যক ভালেকেইটা স্তৰত ভাগ কৰিছে— প্ৰাক্ ধ্ৰুপদী যুগ, ধ্ৰুপদী যুগ, হেলেনীয় যুগ, ৰোমান যুগ ইত্যাদি। গ্ৰীক সাহিত্যৰ ইতিহাস বিচাৰি কৰিলে এইটো দেখা যায় যে আলোচকসকলে একো একোটা ‘যুগ’ক একোটা সময়ত বিশেষ পৰিধিৰ মাজত সামৰিছে। সেই অনুক্ৰমে প্ৰাক্ ধ্ৰুপদী যুগটোৱে খ্ৰীষ্টপূৰ্ব ৮০০ৰ পৰা খ্ৰীষ্টপূৰ্ব ৫০০ সামৰিছে, ধ্ৰুপদী যুগটোৱে খ্ৰীষ্টপূৰ্ব ৫০০ৰ পৰা খ্ৰীষ্টপূৰ্ব ৩২৩ সামৰিছে, হেলেনীয় যুগটোৱে খ্ৰীষ্টপূৰ্ব ৩২৩ৰ পৰা খ্ৰীষ্টপূৰ্ব ৩১ সামৰিছে তথা ৰোমান যুগটোৱে খ্ৰীষ্টপূৰ্ব ৩১ৰ পৰা খ্ৰীষ্টীয় ২৮৪ সামৰিছে। শেষৰ দুটা যুগ হৈছে বাইজেনটাইন সাহিত্যৰ যুগ যিটো খ্ৰীষ্টীয় ২৯০ৰ পৰা ১৪৫৩ খ্ৰীষ্টাব্দলৈকে আৰু আধুনিক গ্ৰীক সাহিত্যৰ যুগ যিটোৰ সময় ১৪৫৩ৰ পৰা বৰ্তমানলৈকে। অৱশ্যে আধুনিক সময়ৰ গ্ৰীক সাহিত্যৰ বুৰঞ্জীকাৰ আৰু আলোচকসকলৰ কোনো কোনোৱে এই যুগ বিভাজনক কিছু ভিন্ন ৰূপতো উপস্থাপন নকৰাকৈ থকা নাই।

অন্য সকলো সাহিত্যৰ দৰে গ্ৰীক সাহিত্যৰ ক্ষেত্ৰতো কবিতাৰ সৃষ্টি প্ৰথমেই হৈছিল। কবিতা সৃষ্টিসমূহ মৌখিক আছিল আৰু সেইসমূহ গীতৰ আকাৰে গোৱা হৈছিল বা আবৃত্তি কৰা হৈছিল। সৰহভাগ কবিতাৰ বিষয়বস্তু পৌৰাণিক গাথা, কিম্বদন্তীৰ অংশ আছিল যিবোৰ অৰ্ধেক লোককথা আৰু অৰ্ধেক ধৰ্মীয় ভাৱনাৰ সংমিশ্ৰণ আছিল। খ্ৰীষ্টপূৰ্ব ৬০০মান ট্ৰেজেডী আৰু কমেডীৰ আবিৰ্ভাৱ ঘটিছিল। সেই সময়ছোৱাৰ কৃতিত্বপূৰ্ণ সাহিত্যকাৰৰ নাম ল’বলৈ হ’লে আমি পোনছাটেই হোমাৰৰ নাম ল’ব লাগিব। তেওঁৰ কৃতীসমূহ হৈছে ইলিয়াড আৰু ওডিচি। সেই সময়ছোৱাৰ অন্য এগৰাকী কবি হৈছে হেচিয়ড। তেওঁৰ কৃতীৰূপে পৰিগণিত হোৱা সৃষ্টিৰাজি হৈছে ৱৰ্কছ এণ্ড ডেইজ আৰু থিঅ’গনি। ধ্ৰুপদী যুগত পাশ্চাত্য সাহিত্যৰ বিভিন্ন শাখাৰ অন্তৰ্গত সাহিত্যই গ্ৰীক সাহিত্যতো স্থান লাভ কৰিছিল। গীতি কবিতা, স্মৃতি গাথাযুক্ত কবিতা (Ode), বনগীত, শোকগীতি, ব্যংগ কবিতা, অলংকাৰ শাস্ত্ৰ, দাৰ্শনিক বিষয় সম্পৃক্ত ৰচনাই সেই সময়ছোৱাত পত্ৰে-পুষ্পে জাতিষ্কাৰ হৈ উঠিছিল। গ্ৰীক ধ্ৰুপদী সাহিত্যৰ উত্থান আৰু বিকাশলৈ লক্ষ্য কৰিলে এইটো মন কৰিবলগীয়া বিষয় যে সেই সময়ছোৱাত ট্ৰেজেডী আৰু কমেডীৰ লগতে ইতিহাস ৰচনা আৰু গদ্যত দাৰ্শনিক বিষয়ৰ লেখনে বিশেষ প্ৰসাৰ লাভ কৰিছিল। সেই সময়ছোৱাৰ উল্লেখযোগ্য গীতি কবি দুগৰাকী হৈছে ক্ৰমে চাফো আৰু পিন্দাৰ। সেই সময়ছোৱাত ভালেমান ট্ৰেজেডী ৰচিত হৈছিল যদিও কেইখনমানৰহে অস্তিত্ব ৰ’ল। সেই সমূহৰ ৰচনাকাৰ হৈছে ক্ৰমে এচিলাছ, চোফোক্লিছ্ আৰু ইউৰিপিডিছ্। ডায়নিছাছ দেৱতাৰ সন্মানত ৰচিত হোৱা কমেডীৰ ৰচনাকাৰ হিচাপে এৰিষ্টোফেঞ্চৰ কমেডী কৃতীসমূহ আজিও সমাদৃত আৰু আলোচিত। ইতিহাসবিদ হেৰোডোটাছ আৰু থুচিডিডেছৰ লেখাসমূহৰ মাজেদি প্ৰাচীন গ্ৰীক সভ্যতা-সংস্কৃতিৰ ভালেমান দিশ পৰৱৰ্তী সময়ৰ ইতিহাসবিদ আৰু গৱেষকসকলৰ বাবে উন্মোচিত হৈছে। জেনোফোন নামৰ তৃতীয়গৰাকী উল্লেখযোগ্য ইতিহাসবিদৰ ৰচনাক থেচিডিডেছৰ ইতিহাস ৰচনাৰ পৰিবৰ্ধিত সংস্কৰণ বুলিব পাৰি। খ্ৰীষ্টপূৰ্ব চতুৰ্থ শতিকাৰ গদ্য কৃতীসমূহৰ ভিতৰত উল্লেখযোগ্য হৈছে দাৰ্শনিক ৰচনা কৃতীসমূহ। আন কথাত ক’বলৈ গ’লে ধ্ৰুপদী যুগতে গ্ৰীক দৰ্শনে চৰম উৎকৰ্ষ লাভ কৰিছিল। এই প্ৰসংগত সৰ্বাধিক চৰ্চিত দাৰ্শনিককেইগৰাকী হৈছে ক্ৰমে ছক্ৰেটিছ, প্লেটো আৰু এৰিষ্ট’টল।

হেলেনীয় যুগটোৰ সময় খ্ৰীষ্টপূৰ্ব ৩২৩ৰ পৰা ৩১ খ্ৰীষ্টপূৰ্বলৈকে। এই যুগটোৰ উল্লেখযোগ্য প্ৰতিনিধিত্বমূলক চৰিত্ৰৰ ভিতৰত ভাৰ্জিল অন্যতম। আমাৰ এই বিশেষ আলোচনাৰ মূল্য লক্ষ্য ব্যক্তি ভাৰ্জিল যদিও তেওঁৰ বিষয়ে আলোচনা কৰাৰ আগতে তেওঁ প্ৰতিনিধিত্ব কৰা যুগটোৰ সংক্ষেপ আলোচনা কৰা যুগুত হ’ব। ভাৰ্জিলে যি সময়ত স্থিতি লাভ কৰিছিল সেই সময়ছোৱা গ্ৰীক ভাষা-সাহিত্য-সংস্কৃতিৰ সোণালী যুগ আছিল। তেতিয়াৰ ৰোমান সম্ৰাট আছিল আগষ্টাছ চিজাৰ। আগষ্টাছ চিজাৰৰ জন্ম হৈছিল খ্ৰীষ্টপূৰ্ব ২৭ত আৰু মৃত্যু ঘটিছিল খ্ৰীষ্টপূৰ্ব ১৪ত। তেওঁৰ প্ৰকৃত নাম আছিল গেলাছ অক্টাভিয়াছ। তেওঁৰ মোমা ককাক জুলিয়াছ চিজাৰৰ হত্যাৰ পাছত চিজাৰৰ পোষ্যপুত্ৰ তথা উত্তৰাধিকাৰীৰূপে তেওঁক ৰোমান চিনেট সভাই ৰোমৰ সম্ৰাটৰূপে স্বীকৃতি দিয়ে। গৃহযুদ্ধৰ দ্বাৰা ভাৰাক্ৰান্ত ৰোমক তেওঁৰ সুদৃঢ় শাসনকালত সুস্থিৰ কৰি তোলাই নহয়, তাৰ লগে লগে ৰোমান সাম্ৰাজ্যৰ সামগ্ৰিক উন্নয়নতো তেওঁ জোৰ দিছিল। তেওঁৰ সেই বিদ্যুৎসাহী মনোভাৱৰ বাবে ৰোমান চিনেটে তেওঁক সন্মানজনক ‘বিশিষ্টজন’ (the illustrious one) উপাধিৰে ভূষিত কৰি ‘আগষ্টাছ’ নাম প্ৰদান কৰিছিল। তেতিয়াৰে পৰা তেওঁৰ নাম হয় গোলাছ জুলিয়াছ চিজাৰ আগষ্টাছ। যদিও আগষ্টাছে ৰোম প্ৰজাতন্ত্ৰক পৰ্যায়ক্ৰমিকভাৱে এখন বিশাল সাম্ৰাজ্যলৈ পৰিৱৰ্তন কৰিবলৈ উঠি-পৰি লাগিছিল, তথাপিতো তেওঁ প্ৰশাসনৰ লগতে ৰোমৰ সমাজ, ৰাজনীতি আৰু অৰ্থনীতিক অধিক গতিশীল ৰূপ প্ৰদান কৰিছিল। ফলত ৰোমৰ সমাজ জীৱন, সাংস্কৃতিক জগত তথা অৰ্থনৈতিক পৰিস্থিতিলৈ সমৃদ্ধি নামি আহিছিল। তেওঁৰ অধীনত ৰোমত ৰাজতন্ত্ৰৰ পুনঃ প্ৰতিষ্ঠা হৈছিল যদিও তাৰ লগে লগে ৰোমান সভ্যতা-সংস্কৃতিয়ে সমৃদ্ধিৰ উচ্চ শিখৰ লাভ কৰিছিল। ৰোমান সভ্যতা-সংস্কৃতিৰ এই উত্থানমুখী গতি আৰু বৈভৱশালী স্থিতিতে ভাৰ্জিলৰ আবিৰ্ভাৱ ঘটিছিল।



ভাৰ্জিলৰ জীৱনী সম্বন্ধীয় তথ্য একে ঠাইতে থূপ খাই থকা নাই। সেইবাবে ভাৰ্জিলৰ এখন পূৰ্ণাংগ জীৱনী পোৱা সহজসাধ্য নহয়। তথাপিতো তেওঁৰ বিষয়ে ভেৰিয়াছে লিখা জীৱনী (যিখন বৰ্তমান লুপ্তপ্ৰায়), তেওঁৰ কবিতাৰ ভাষ্যকাৰ ছাৰ্ভিয়াছ আৰু ডনাটাছ আৰু পৰৱৰ্তী সময়ত ভাৰ্জিলৰ জীৱনীকাৰ চিউটনিয়াছৰ ৰচনাৰ মাধ্যমেদি আমি ভাৰ্জিলৰ জীৱনৰ ভালেমান দিশত চকু ফুৰাব পাৰো। ভাৰ্জিলৰ জন্ম আৰু কৰ্মজীৱনলৈ যি পৰম্পৰাগত বিশ্বাস চলি আহিছে তাৰ আধাৰতে এইটো ক’ব পাৰি যে তেওঁৰ জন্ম কাচালপাই গৌলৰ এণ্ডেচ গাঁৱত হৈছিল। আগলৈ তেওঁৰ জীৱনকালতেই কাচালপাইন গৌল অঞ্চল ইটালীৰ লগত চামিলকৰণ কৰা হৈছিল। মাক্ৰোবিয়াছে ভাৰ্জিলক সাধাৰণ বংশজাত বুলি কোৱাৰ বিপৰীতে পৰৱৰ্তী সময়ৰ গৱেষক-পণ্ডিতসকলে ভাৰ্জিলক অভিজাত বংশৰ সন্তান বুলি মত প্ৰকাশ কৰিছে। সেই হিচাপে সামাজিক খলপাত অভিজাত শ্ৰেণীৰ অন্তৰ্ভুক্ত দ্বিতীয় খলপা অৰ্থাৎ Equestrian ভূ-সম্পত্তি অধিকাৰী অৱস্থাপন্ন ঘৰৰ সন্তান আছিল ভাৰ্জিল। সেইসূত্ৰে তেওঁক তেওঁৰ পিতৃ-মাতৃয়ে উপযুক্ত শিক্ষা প্ৰদানেৰে সুশিক্ষিত কৰিব পাৰিছিল। তেওঁৰ শিক্ষা লাভ কৰা স্থানসমূহ হ’ল ক্ৰেমোনা, মেডিঅ’লানাম, ৰোম আৰু নেপল্‌ছ। তেওঁ প্ৰথমে অলংকাৰ শাস্ত্ৰ আৰু ন্যায় (আইন) শিক্ষা লাভ কৰিছিল যদিও পৰৱৰ্তী সময়ত তেওঁ কাব্য শাস্ত্ৰত মনপুতি লাগিছিল। ছাৰ্ভিয়াছৰ মতে, ল’ৰালিকালত ভাৰ্জিল লাজকুৰীয়া স্বভাৱৰ আছিল। লগতে তেওঁ অন্তৰ্মুখীও আছিল। তেওঁৰ সহপাঠীসকলে তেওঁক পাৰ্থেনিয়াছ (maiden) উপনাম দিছিল। এইটোৱে কোৱা হয় যে তেওঁ স্বাস্থ্যজনিত কাৰণত অন্যান্যৰ দৰে উদ্যমী জীৱন জীৱন যাপন কৰিব পৰা নাছিল।

*(আগলৈ)*

neevarani11@gmail.com

# মায়া শৰ্মাৰ ‘একুঁকি গল্প’

**ড° ভূপেন শইকীয়া**

**অ**ৱসৰপ্ৰাপ্ত শিক্ষয়িত্ৰী মায়া শৰ্মাই দীৰ্ঘদিন ধৰি সাহিত্যচৰ্চা কৰি আহিছে। নৱম শ্ৰেণীৰ ছাত্ৰী হৈ থাকোতেই লিখা জীৱনৰ প্ৰথমটো গল্প বিদ্যালয়ৰ বছৰেকীয়া আলোচনীত প্ৰকাশ হৈছিল। ইতিমধ্যে শৰ্মাৰ দুখন উপন্যাস আৰু চুটিগল্প সংকলন প্ৰকাশ পাইছে। আন এখন উপন্যাস ‘কলেজৰ পৰা জীৱনলৈ’ প্ৰকাশৰ পথত। ‘একুঁকি গল্প’ তেওঁৰ শেহতীয়া প্ৰকাশিত গ্ৰন্থ। সংকলনখনিত পাঁচশটা গল্প সন্নিৱিষ্ট হৈছে। আটাইকেইটা গল্পই বিভিন্ন আলোচনী আৰু বাতৰি কাকতত ইতিপূৰ্বে প্ৰকাশ পাইছে। ইয়াৰে পাঁচটা গল্প ‘শোণিতপুৰ জিলা সাহিত্য সভা’ৰ চুটি গল্পৰ পাণ্ডুলিপি প্ৰতিযোগিতাত পুৰস্কৃত।

প্ৰথমটো গল্প ‘দ্বাৰ উন্মোচন’ত এগৰাকী নবীন লেখিকাই নিজে প্ৰকাশ কৰা উপন্যাস বিক্ৰী কৰিবলৈ গ্ৰহণ কৰা অভিনৱ প্ৰচেষ্টা আৰু ইয়াৰ মাজেৰে লাভ কৰা বিচিত্ৰ অভিজ্ঞতা সুন্দৰকৈ বৰ্ণিত হৈছে। ‘প্ৰেমৰ বিষয়ে এখন ৰচনা’ এটা অতি উৎকৃষ্ট গল্প। গুণগ্ৰাহী এজনী ছাত্ৰীয়ে এগৰাকী বিখ্যাত কবিৰ কবিতা পঢ়ি ইমানেই অভিভূত হ’ল যে এদিন ফোনযোগেই প্ৰেমৰ প্ৰস্তাৱ দিলে। দুটি সন্তান আৰু পত্নীৰে স’তে এখন সুখৰ সংসাৰ আছে বুলি কবিয়ে জনাই দিয়াৰ পাছতো ছাত্ৰীজনী নিজৰ স্থিতিত অটল। কবিয়ে এই প্ৰেমৰ কোনো যুক্তি নেদেখে। কিন্তু যুক্তি য’ত শেষ হয়; তাতেই যেন প্ৰেমৰ আৰম্ভণি! কবিৰ পত্নী শ্যামাই কৰা সমাধানৰে গল্পটোৰ পৰিসমাপ্তি ঘটিছে।

মায়া শৰ্মাৰ গল্পৰ বিষয়বস্তুৰ ব্যাপ্তি আছে। মধ্যবিত্তৰ পাৰিবাৰিক দ্বন্দ্ব-সংঘাত, প্ৰেম-বৈৰাগ্য, দীনতা, শিক্ষাৰ সংকট, নিবনুৱা অৱস্থা, বানপানী, শাৰীৰিক ৰোগ, অক্ষমতা, দিব্যাংগলোকৰ মনস্তত্ত্ব আদি বিষয়বস্তুৰে ‘একুঁকি গল্প’ সমৃদ্ধ। সমসাময়িক অসমৰ সমাজ জীৱনৰ কিছু বাস্তৱ চিত্ৰ শৰ্মাৰ গল্পত পৰিস্ফুট। ‘শাশ্বত সত্যৰ অন্বেষণ’ গল্পটোত সচৰাচৰ পৰিয়ালত ঘটি থকা এক বাস্তৱ ঘটনা বৰ্ণিত হৈছে। পুত্ৰ-বোৱাৰী আঁতৰি পাছত নিঃসংগ হৈ পৰা মাতৃৰ যন্ত্ৰণাখিনি বৃদ্ধাৱস্থাত জীয়াৰীয়ে উপলব্ধি কৰিছে।




প্ৰেম প্ৰত্যাখিত এক যুৱকৰ কাহিনী ‘বাচাধন মোৰ’। বাৰে বাৰে আত্মহনন কৰিবলৈ গৈ ব্যৰ্থ হোৱা যুৱকে এগৰাকী পিতৃসম ভুক্তভোগী লোকৰ কাৰ্যত অৱশেষত সংশোধনৰ পথ দেখা পাইছে। ‘অভিলেখ’ এটা ভিন্ন ৰুচিৰ গল্প। বিদেশী গল্পৰ ছাঁ ‘অভিলেখ’ত পৰা যেন ধাৰণা হয়। ‘পাঠ’ এক প্ৰেমৰ গল্প। অভিজাত পৰিয়ালৰ দুই প্ৰেমিক-প্ৰেমিকা ঘৰৰ পৰা পলাই গৈ কলকাতাত দুবছৰ থকাৰ পাছৰ পৰিণতি বৰ্ণিত হৈছে। ‘অপত্য স্নেহৰ চুক্তি’ এগৰাকী দীনদুখী পুৰোহিতে নিজৰ আদৰৰ কন্যা বিয়া দিয়াৰ কাহিনী। ‘দুখৰ ডেউকাত সুখৰ সন্ধান’ত শ্বেতৰোগী কন্যা শিশুক লৈ পিতৃ-মাতৃৰ উদ্বিগ্নতা প্ৰকাশ পাইছে। এগৰাকী শিক্ষিত নিবনুৱাৰ মানসিক অৱস্থা ‘সঁজাল ধৰা গান’ত বৰ্ণিত হৈছে। একেদৰে দিল্লীৰ নাম কৰা কলেজত পঢ়িবলৈ সুযোগ নোপোৱা তিনিজন যুৱকৰ মানসিক অৱস্থা প্ৰকাশ পাইছে ‘জীৱনৰ কাট অৱ মাৰ্ক’ গল্পটোত।

‘দুখৰ আত্মকথা’, ‘অৰণ্যত এটা ৰাতি’, ‘দ্বন্দ্ব’ তিনিটা নাৰীবাদী গল্প। নাৰীমনৰ বিদ্ৰোহ ভিন্ন ৰূপত প্ৰকাশ পাইছে। ‘একত্ৰিশ ডিচেম্বৰ’ত এগৰাকী আধুনিকা চাকৰিয়াল যুৱতীৰ নৈতিক স্খলনৰ ছবি ফুটি উঠিছে। ইয়াৰ বিপৰীতে ‘ছাৰৰ শিক্ষা’ আৰু ‘কষটি শিল’ গল্প দুটাই নৈতিক শিক্ষাৰ স্বাক্ষৰ বহন কৰিছে। বানাক্ৰান্ত গাঁৱৰ যুৱক-যুৱতীৰ দুৰ্দশাগ্ৰস্ত জীৱনৰ ছবি চিত্ৰিত হৈছে ‘প্ৰব্ৰজন’ গল্পটোত।

সংকলনখনিৰ আটাইকেইটা গল্পই সুখপাঠ্য, নিটোল। মায়া শৰ্মাৰ কথনভংগীত আছে এক সুকীয়া স্বাদ। শ্লেষ মিশ্ৰিত ভাষাত আছে মৃদু চোক। তীক্ষ্ণ পৰ্যবেক্ষণে গল্পসমূহত সংযোজিত কৰিছে বিশেষ মাত্ৰা। ‘একুঁকি গল্প’ই পাঠকক নিৰাশ নকৰে। সঞ্জীৱ শৰ্মাৰ বেটুপাত সজ্জা সুন্দৰ, অৰ্থবহ। পদ্মবলিন সোঁৱৰণী চ’ৰাই প্ৰকাশ কৰা ২০৮ পৃষ্ঠাৰ গ্ৰন্থখনৰ মূল্য দুশ টকা।

*ফোন ঃ ৯৪৩৫২২০৬৬৬*

**কবিতা**

### কবিতা

**● প্ৰণৱ খাৰজাৰা**

কবিতাৰ প্ৰেৰণা হ’বলৈ
মোৰ নিঃসংগতাত
আহা তুমি!
সন্ধিয়া এটি কবিতা
মোৰ কাষলৈ আহে,
মোক লিখ বুলি
লেখাত ধৰি হাঁহে।

### মই-তুমি নহয়!

**● শশাংক শেখৰ গোস্বামী**

মই-তুমি নহয়!
তুমিও-মই নহয়!
মই-তোমাক বিচাৰো,
তুমিওতো মোক বিচৰা।
কিন্তু মই তুমি হৈ যাব নোৱাৰো।
হেজাৰ চেষ্টা কৰিলেও,
তুমি—
মই হ’ব পাৰিবা জানো?
তেনেহ’লে
তুমি,
তুমি হৈয়েই থাকা
আৰু মোক,
মই হৈয়েই থাকিব দিয়া।
মই-তুমি হ’বলৈ,
প্ৰতিযোগিতা কৰা নাই।
এতেকে, তুমিও মই হ’বলৈ
প্ৰতিযোগিতা নকৰাটোৱেই
কামনা কৰিলো।
তুমি-তোমাৰ লগত
প্ৰতিযোগিতা কৰা
তুমি হৈ চিনাকি দিয়া।
তোমাৰ পৰিচয় অক্ষুণ্ণ ৰাখা।
তুমি-অনুপম, বিতোপন, দিগন্ত
কিম্বা
দিগ্বিজয় হৈয়েই থাকা।
তুমি ৰ’দ হৈয়েই থাকা।
পোহৰ বিলাবলৈ।
আৰু মোক,
জোনাক হৈয়েই থাকিব দিয়া।
স্বকীয় ৰূপত।
কাৰণ, মই-তুমি নহয়
আৰু তুমি-মই নহয়।

## এ ষ্ট্ৰিট কাৰ নেম ডিজায়াৰ টেনেচী উইলিয়ামছৰ সৰ্বশ্ৰেষ্ঠ নাটক

**সৰু**-সুৰা প্ৰায় ১৮খন নাটক ৰচনা কৰা টেনেচী উলিয়ামছৰ সৰ্বশ্ৰেষ্ঠ নাটক ‘এ ষ্ট্ৰিট কাৰ নেম ডিজায়াৰ’। এই নাটকখন ব্ৰডৱে হলত ৫৬৩বাৰ অভিনীত হৈছিল। নাটকখনত দুই বাই-ভনীৰ সংঘাত আৰু ভিনিহিয়েক-খুলশালীয়েকৰ প্ৰেম কাহিনী আৰু তাৰ পৰিণতি দেখুওৱা হৈছে।



Stalley Kowalskiৰ বয়স ২৮ বছৰ। তেওঁৰ পত্নী ষ্টেলাৰ বয়স ২৫ বছৰ। তেওঁলোক নিউ অৰ্লেন্‌ছৰ বাসিন্দা। চহৰৰ ইলিচিয়ান ফিল্ডত এটা দুই মহলীয়া ঘৰৰ তলৰ মহলাত থাকে। ষ্টেলি গুৰিতে আছিল পলিচ; কিন্তু বৰ্তমান সম্পূৰ্ণ আমেৰিকান। যুদ্ধৰ সময়ত তেওঁ আছিল এজন অভিযন্তা, যুদ্ধৰ শেষত এজন চৰকাৰী বিষয়া আৰু সম্ভ্ৰান্ত নাগৰিক। ওপৰ মহলাত থাকে হুবেলৰ পৰিয়াল (ষ্টিভ আৰু ইউনিকা)। দুয়োটা পৰিয়াল নিজৰ ভাগে সুখেৰে বসবাস কৰে। এদিনাখন ষ্টেলৰ বায়েক (বয়স প্ৰায় ৩০ বছৰ) ভনীয়েকৰ লগত কেইদিনমান থকাকৈ আহিল। তাই আহিছিল ডিজায়াৰ নামৰ এখন সৰু গাড়ী লৈ (ষ্ট্ৰীট কাৰ)— তাই আহিল লগত সমস্যাও আহিল।

ব্লানচি অলপ বিশেষ অহমিকা থকা ধৰণৰ মহিলা। তাই নিজকে অলপ ওপৰত বুলি ভাবে। তাইৰ স্নায়ুৰ দোষ আছে আৰু খুব সঘনে গৰম পানীৰ ভাপ ল’ব লাগে। তাইৰ মদ খোৱাৰো অভ্যাস আছে; কিন্তু কথাই কথাই কয় যে তাই কাচিৎহে মদ খায়। যিখন স্কুলত তাই কাম কৰিছিল, সেই স্কুলৰ অধীক্ষকে বোলে তাইক দীঘলীয়া ছুটীত যাবলৈ ক’লে আৰু যিহেতু তেওঁলোকৰ সম্পত্তি বিক্ৰী হৈ গৈছে। গতিকে তাই ভনীয়েকৰ ঘৰত কিছুদিন থকাকৈ আহিছে। তাই ঘনে ঘনে ভনীয়েকক কয় বিস্তৃতভাৱে কি পৰিস্থিতিত পৰি ঘৰ-মাটি বিক্ৰী কৰিব লগা হ’ল। ভনীয়েক গা ধোৱা ঘৰত থাকোতে তাই ভনী-জোঁৱায়েকক ক’লে তাইৰ খুব কম বয়সতে বিয়া হয় আৰু স্বামীৰ অসুস্থতাৰ বাবে ঘৰ-মাটি পৰ্যন্ত বিকিব লগা হ’ল। ব্লানচি (বায়েক)ৰ বয়স প্ৰায় ৩০ বছৰ আৰু একালত দক্ষিণৰ আভিজাত্য থকা ছোৱালী। বৰ্তমান ভাগ্যৰ বিপাকত পৰি গভীৰ অৰ্থ সংকটত ভুগিছে। ব্লানচি এসময়ত ইংৰাজীৰ শিক্ষয়িত্ৰী আছিল আৰু ভাগ্যৰ বিপাকত আগৰ ৰং-বৰণ হেৰাল আৰু খুব বেজাৰৰ মুহূৰ্তত অদ্ভুত সংগীত শুনে। সেই অচিনাকি পৰিৱেশ আৰু প্ৰায় অভদ্ৰ ভনী জোঁৱায়েক ষ্টেনলিৰ ব্যৱহাৰপাতিয়ে ব্লানচিক বৰ অস্বস্তিত পেলাইছে। তথাপি তাই নিজৰ আভিজাত্যসূচক সাজপাৰ, কথনভংগী, আচাৰ-আচৰণ বাদ দিয়া নাই।

দিন যোৱাৰ লগে লগে ব্লানচি ষ্টেনলিৰ পৰিয়ালত সমস্যা হৈ দেখা দিলে। ষ্টেনী ষ্টেনলিয়ে জেশাহুক সহজভাৱে ল’ব পৰা নাই তাইৰ ফোঁপোলা আভিজাত্য প্ৰদৰ্শনৰ বাবে আৰু ব্লানচিয়ে ষ্টেনলিক তেওঁৰ বৰ্বৰতা আৰু কামুক স্বভাৱ-চৰিত্ৰৰ বাবে সহজভাৱে ল’ব পৰা নাই। ফলত ভনী জোঁৱাই আৰু জেশাহুৰ মাজত প্ৰচণ্ড সংঘাত ব্যৱহাৰপাতি আৰু ৰুচি-অভিৰুচিৰ। ভনী জোঁৱায়েকৰ গ্ৰাম্য ৰুচি-অভিৰুচি, ৰুক্ষ কথা-বতৰা ব্লানচে মুঠেই হজম কৰিব নোৱাৰে। ফলত দুয়োৰে মাজত চলি থাকে শীতল যুদ্ধ। ভনীয়েক এফালে, এফালে বায়েক আনফালে স্বামী।

ক্ৰমে ক্ৰমে ষ্টেনলিয়ে ব্লানচিৰ অতীত বিভিন্ন সূত্ৰৰ পৰা জানিব পাৰে। তাইৰ পৰিয়ালে সকলো সম্পত্তি হেৰুওৱাৰ পাছত তাই এক দুৰ্ভাগ্যজনক বিবাহত বহিল খুব কম বয়সতে। স্বামী আছিল সমকামী যুৱক আৰু তেওঁ নিজৰ সমকামিতাৰ বাবে অনুতপ্ত হৈ খুব কম বয়সতে আত্মহত্যা কৰে। ইয়াৰ পাছত ব্লানচিৰ কুখ্যাত চৰিত্ৰৰ বাবে অৰ্থাৎ ১৭ বছৰীয়া এজন ছাত্ৰক প্ৰেমৰ ফান্দত পেলোৱাৰ অপৰাধত স্কুলৰ পৰা খেদা খায়। তাৰ পাছত তাই নানা অনৈতিক সময় কটাবলৈ ধৰিলে যৌনতাত লিপ্ত হৈ। ষ্টেনলিয়ে পৰিবাৰক ক’লে ব্লানচিৰ এনে গোপন অভিসাৰৰ কথা।


ব্লানচি এটা সপোনত নিমগ্ন হৈ আছিল। এক— ফ্লৰিডাৰ এজন ধনাঢ্য ব্যক্তিয়ে নিজৰ পত্নীক এৰি দি ব্লানচিক বিয়া কৰোৱাৰ কথা, আনটো হ’ল ষ্টেনলিৰ এজন বন্ধু মিট্‌চ, যিয়ে মাজে মাজে ষ্টেনলিৰ ঘৰলৈ আহে, তেৱোঁ তাইক বিয়া কৰোৱাৰ আশা দিছে। এক সপোন ভাঙিল যেতিয়া ষ্টেনলিয়ে তেওঁৰ বন্ধু মিট্‌চক ব্লানচিৰ চাৰিত্ৰিক অধঃপতনৰ বিষয়ে ক’লে।

ষ্টেনলিৰ আছিল ব্লানচিৰ প্ৰতি জৈৱিক আকৰ্ষণ। এবাৰ যেতিয়া ষ্টেনলিৰ পৰিবাৰ সন্তান জন্ম দিয়াৰ হেতুকে ভালোৰ্দা হাস্পতালত আছিল ষ্টেনলিয়ে ব্লানচিক উপৰ্যুপৰি ধৰ্ষণ কৰিলে।

ষ্টেলা যেতিয়া হাস্পতালৰ পৰা ঘূৰি আহিল ব্লানচিয়ে সকলো কথা-কাহিনী ক’লে, ভনীয়েক এই কথাত পতিয়ন নগ’ল এই কাৰণেই যে বায়েকক বিশ্বাস কৰিলে (যদিও ঘটনা সত্য) তাই থাকি যাব। কাৰণ ষ্টেলাই ষ্টেনলিক নিজৰ মৰ্যাদা আৰু অৰ্থনৈতিক-সামাজিক স্থিতিৰ বাবে স্বামীক এৰিব নোৱাৰে। গতিকে দুয়ো এক পৰিকল্পনা যুগুত কৰি ব্লানচিক মানসিক চিকিৎসালয়লৈ পঠাই দিলে। যাবৰ পৰত মেট্ৰন আৰু চিকিৎসকৰ লগত ব্লানচিৰ এখন খণ্ডযুদ্ধ অনুষ্ঠিত হ’ল। এইখন নাটকৰ ওপৰত বোলছবি নিৰ্মাণ হৈছে।

**ড° নৰকান্ত বৰদলৈ,** *ফোন ঃ ৯৪৩৫০৬৪৪৬২*

## নীলা গোলাপ আৰু অন্যান্য




**আধুনিক** অসমীয়া কবিতাৰ পথাৰখন বৰ চহকী। চহকী কবিতাৰ পথাৰখনত নাৰী কবি সমাজে উল্লেখনীয় অৰিহণা আগবঢ়াইছে। তেনে এগৰাকী বিশিষ্ট কবি হৈছে মামণি ডেকা। অচিনাকি আকাশ বনৰীয়া জোন আৰু নৈঃ শব্দত তোমাৰ খোজ শীৰ্ষক দুখন কাব্য সংকলন প্ৰকাশেৰে প্ৰতিষ্ঠা লাভ কৰা মামণি ডেকাৰ নীলা গোলাপ আৰু অন্যান্য শীৰ্ষক তৃতীয়খন কাব্য সংকলন অলপতে প্ৰকাশ পাইছে। সূক্ষ্ম অনুভূতিশীল এইগৰাকী সংবেদনশীল কবিৰ শেহতীয়া ৬৪টা বাছকবনীয়া কবিতা সম্ভাৰ সংকলনটোত সন্নিবিষ্ট হৈছে। প্ৰসিদ্ধ সমালোচক ড° বসন্ত কুমাৰ ভট্টাচাৰ্যই মামণি ডেকাৰ কবিতাৰ বৈশিষ্ট্য সম্পৰ্কে এইদৰে কৈছে,— ‘কবি মনৰ আবেগ-অনুভূতি উপলব্ধি, কামনা, অভিলাষ, প্ৰেমানুৰাগ, প্ৰকৃতি চেতনা, যন্ত্ৰণাবোধ, আকুলতা, কাতৰতা, সমাজ চেতনা, বিষাদ-বিৰহ তেওঁৰ কবিতাৰ প্ৰধান উপজীব্য। বিষয় বৈচিত্ৰ্য থকা তেওঁৰ কবিতাৰ বিষয় বা ভাববস্তু আৰু আংগিকৰ সামঞ্জস্যতাৰ মাজেদি কবিতাৰ গৰিমা বা লাৱণ্য পৰিস্ফুটিত হৈছে। প্ৰসিদ্ধ কবি নীলিম কুমাৰে তেওঁৰ কবিতাক আত্মকেন্দ্ৰিক চেতনাস্ৰোতৰ ধাৰাৰ চিনাক্ত কৰিব পৰা এক সাৰ্থক উদাহৰণ বুলি কৈছে। আন এগৰাকী জনপ্ৰিয় কবি প্ৰণৱ কুমাৰ বৰ্মনে মামণি ডেকাৰ কবিতাত ভাষাৰ নিৰ্ভেজাল সৰলতা আৰু ব্যঞ্জনাৰ প্ৰকাশ হোৱা বুলি কৈছে। জটিল জীৱনৰ চাকনৈয়াৰ বিপৰীতে কবিতাবোৰ পৰীক্ষাহীন, কিন্তু হৃদয়ৰ তুলাচনীত গধুৰ আৰু অৰ্থবহ। মূলতঃ কবি প্ৰেমপূৰ্ণ হৃদয়ৰ গৰাকী হোৱাৰ বাবে কবিতাবোৰৰ শব্দই শব্দই ওলমি আছে প্ৰেমৰ নিয়ৰকণা। সেয়ে তেওঁ কৈছে, ‘কি নাই তোমাৰ বিশাল বুকুত/ যে তুমি মোৰ প্ৰেমৰ স্পন্দিত ছন্দ’। মামণিৰ কবিতাৰ গোলাপবোৰ ৰঙা নহয় নীলা। সেয়ে কবিতাবোৰ বিষাদমগ্ন। অৱশ্যে সংকলটোৰ কবিতাৰ বিষয় অকল প্ৰেমেই নহয়, বৃদ্ধাশ্ৰমৰ দৰে অলেখ সমাজ জৰ্জৰিত কৰা কবিতাই কবিৰ সমাজ চেতনাক প্ৰতিনিধিত্ব কৰিছে। ‘বৃদ্ধাশ্ৰমত থকা আইতাৰ শেঁতা পৰা মুখ/ হাঁহি হেৰাই যোৱা হেঁপাহ হেৰাই যোৱা ভৱিষ্যৎ/ হেৰাই যোৱা মুখবোৰ যেন একোখন বিষাদ গধুৰ তৈলছবি’। আনহাতে কবিতাবোৰত প্ৰকাশিত প্ৰকৃতিৰ উপমা, চিত্ৰকল্পই, প্ৰকৃতিৰ ৰমনীয় বৰ্ণময় জগতখনে আমাৰ দৃশ্যপটত দোলা দি যায়। ‘বৰ্ষাস্নাতা মাটিৰ গোন্ধ বিয়পি পৰিল চৌদিশে/আৰু মোৰ স্বপ্নৰ উদ্যান/ সোণাৰু হালধীয়াত বুৰিল’ প্ৰকৃতিৰ আন এক সুন্দৰ উপমা— ‘কি যে চঞ্চল এই বৰ্ষাকাল/ যেন এখন হালধীয়া উৰ্ণা’। সুন্দৰ ছপাবন্ধাৰে কাব্য সংকলনটো প্ৰকাশ কৰি উলিয়াইছে প্ৰতিশ্ৰুতি প্ৰকাশনে।

**● নিমানন্দ দাস**



*চিৰাঙত পুনৰ ভোটগ্ৰহণ কেন্দ্ৰলৈ ৰাওনা বিষয়া-কৰ্মচাৰীৰ।*

## এজনীয়া কৰ্মচাৰীৰে চলিছে বৃহত্তৰ অঞ্চলটোৰ বিদ্যুৎ সেৱা

# মিছামাৰীত সঘনাই বিদ্যুৎ ব্যাহত

**অগ্ৰদূত বাৰ্তা**

**ঠেলামৰা, ৫ মে' ঃ** জনসাধাৰণক ২৪ ঘণ্টাই বিদ্যুৎ যোগান ধৰাটো শাসনাধিষ্ঠিত বিজেপি চৰকাৰখনৰ অন্যতম প্ৰতিশ্ৰুতি আছিল। কিন্তু সম্প্ৰতি চৰকাৰখনৰ উক্ত প্ৰতিশ্ৰুতি অসাৰ প্ৰতিপন্ন পৰিলক্ষিত হৈছে। ৰাজ্য চৰকাৰৰ শক্তি বিভাগটো মন্ত্ৰী পল্লৱলোচন দাসৰ পৰা মন্ত্ৰী তপন গগৈৰ হাতত অৰ্পণ কৰাৰ পাছতো চৰকাৰৰ গুৰুত্বপূৰ্ণ বিভাগটোৰ কোনো পৰিৱৰ্তন দেখিবলৈ পোৱা নাই। শেহতীয়াকৈ শোণিতপুৰৰ ঢেকিয়াজুলি বিধানসভা সমষ্টিৰ অন্তৰ্গত বৃহত্তৰ মিছামাৰী অঞ্চলত ইয়াৰ বাস্তৱ ছবি এখন দেখিবলৈ পোৱা গৈছে। উল্লেখ্য যে ৰঙাপৰা বিদ্যুৎ উপ-সংমণ্ডলৰ অধীনস্থ বৃহত্তৰ মিছামাৰীত বিগত প্ৰায় এমাহ ধৰি বিদ্যুৎ সঘনাই ব্যাহত হৈ থকাৰ ফলত জনজীৱন অতিষ্ঠ হৈ পৰিছে। বিদ্যুৎ পৰিবাহী তাঁৰ আৰু খুঁটাবোৰ পুৰণিকলীয়া হোৱাৰ ফলত ধুমুহা, বৰষুণৰ দূৰৰে কথা, সাধাৰণ বতাহ-বৰষুণৰ বতৰতো বিদ্যুৎ ব্যাহত হৈ আহিছে। যোৱা এপ্ৰিলত বতাহত কে'বাটাও বিদ্যুতৰ খুঁটা ভাগি পৰাৰ ফলত মিছামাৰীবাসীয়ে একেৰাহে চাৰিদিন অন্ধকাৰত জীৱন অতিবাহিত কৰিবলগীয়া হৈছে। কেৱল ইমানেই নহয়, যোৱা কিছুদিন ধৰি অলপ সময়ৰ পাছে পাছে বিদ্যুৎ কৰ্তন কৰাৰ ফলত গ্ৰাহক ৰাইজ অতিষ্ঠ হৈ পৰিছে। এপাচি শাকত এটা জলকীয়াৰ দৰে বৃহত্তৰ অঞ্চলটোত যোগান ধৰা বিদ্যুৎ ব্যৱস্থা চোৱাচিতাৰ বাবে এজনেই কৰ্মচাৰী আছে। বিভাগীয় কাৰ্যালয়ৰ নিৰ্দেশ মৰ্মে অঞ্চলটোৰ কমল চাহু, অৰূপ ডেকা, নৃপেন ডেকা আৰু উত্তম বড়ো কে'বা বছৰ ধৰি বিনা বেতনে বিভাগটোত সেৱা আগবঢ়াই আহিছিল। তেওঁলোকৰ পদবোৰ স্থায়ীকৰণ হোৱাৰ আশাত নিষ্ঠা সহকাৰে সেৱা আগবঢ়াই থকাৰ মাজতে অলপতে চৰকাৰে বিদ্যুৎ বিভাগত খালী হোৱা পদ পূৰণ আৰু নতুন পদত মকৰলৰ বাবে বিজ্ঞাপন জাৰি কৰিছিল। উল্লিখিত যুৱককেইজনেও বিভাগটোত অৰ্হতাৰ ভিত্তিত চাকৰি পোৱাৰ আশাত আবেদন কৰিছিল। কিন্তু পৰিতাপৰ বিষয়, সাক্ষাৎকাৰৰ আগমুহূৰ্তলৈকে তেওঁলোকৰ প্ৰৱেশ পত্ৰ আহি নোপোৱাত মূৰত চেঁচাপানী পৰিল। এই সন্দৰ্ভত আটাইকেইজন যুৱকে বিভাগটোৰ ঊৰ্ধ্বতন কৰ্তৃপক্ষৰ স'তে যোগাযোগ কৰাৰ পাছতো কোনো ফল নধৰাত উপায়হীন হৈ কৰ্মস্থলী ত্যাগ কৰিবলৈ বাধ্য হয়। বৃহত্তৰ অঞ্চলটোত শতাধিক সৰু-বৰ গাঁও, ভাৰতীয় সেনাৰ বৃহৎ ছাউনী, ৰেলৰে বিভাগৰ উপৰি অঞ্চলটোত আছে বিভিন্ন কল-কাৰখানা। এই সকলোবোৰ ঠাইৰ বিদ্যুৎ যোগান বৰ্তমানে অজয় দৈমাৰী নামৰ এজন কৰ্মচাৰীয়ে চোৱা-চিতা কৰিবলগীয়া হৈছে। একেজন কৰ্মচাৰীয়ে বিদ্যুৎ ব্যাহত হ'লে মেৰামতি কৰিব লাগে আৰু বিভাগে যোগান ধৰা গাড়ীও চলাবলগীয়া হয়।

# গোৱালপাৰাৰ উৰপদ বিলত সমূহীয়া মৎস্য চিকাৰ স্থানীয় ৰাইজৰ

**অগ্ৰদূত বাৰ্তা**

**মাটিয়া, ৫ মে', ঃ** গোৱালপাৰা জিলাৰ ঐতিহ্যমণ্ডিত উৰপদ বিলত আজি স্থানীয় ৰাইজে সমূহীয়া মৎস্য চিকাৰ কৰে। উল্লেখ্য যে যি সময়ত থলুৱা মাছৰ প্ৰজাতিসমূহ হেৰাই যোৱাৰ উপক্ৰম হৈছে সেই সময়তে উৰপদ বিলৰ চৌদিশে থকা বাসিন্দাসকলে থলুৱা প্ৰজাতিৰ মৎস্য চিকাৰ কৰি ৰাইজক যোগান ধৰিছে। উল্লেখ্য যে যেতিয়া প্ৰয়োজন হয় তেতিয়াই স্থানীয় বাসিন্দাসকলে জাকৈ, খালৈ, ভলুকা আৰু বিভিন্ন ধৰণৰ জালেৰে এই বিলত মৎস্য চিকাৰ কৰে। বিলখনত পুঠি, খলিহনা, দৰকিনা, শৌল, শিঙি, মাগুৰ, কাৱৈ, গৰৈ আদি মাছ পোৱা যায়। অৱশ্যে এই মাছ একাংশ লোকে মাছমৰীয়াৰ পৰা অতি কম দৰত ক্ৰয় কৰি খাব পাৰে। উৰপদ বিলত নিতৌ স্থানীয় বয়োজ্যেষ্ঠ মাছমৰীয়াৰ লগতে মাজে সময়ে কণ কণ শিশুসকলেও মাছ ধৰাৰ দৃশ্য দেখিবলৈ পোৱা যায়। ইপিনে, একাংশ মাছমৰীয়াই উৰপদ বিলৰ পৰা নিতৌ মাছ ধৰি বিক্ৰী কৰি পৰিয়াল পোহপাল দি আহিছে। সেয়ে মাছমৰীয়াৰ পৰা থলুৱা প্ৰজাতিৰ মাছ ক্ৰয় কৰাৰ বাবে ৰাইজে সদায় বিলৰ পাৰলৈ গৈ ভিৰ কৰা দেখা যায়।

## লাহৰীঘাটত কণীযুক্ত মাছৰ ব্যৱসায়

# বিলুপ্তিৰ পথত থলুৱা মাছ

**অগ্ৰদূত বাৰ্তা**

**লাহৰীঘাট, ৫ মে' ঃ** মৰিগাঁও জিলাৰ লাহৰীঘাট ৰাজহ চক্ৰৰ অন্তৰ্গত বিভিন্ন অঞ্চলত মীন বিভাগৰ অকৰ্মণ্যতাৰ বাবে একাংশ অসাধু ব্যৱসায়ীয়ে ব্যাপক হাৰত কণীযুক্ত মাছৰ লগতে পোনা মাছৰ ব্যৱসায় চলাই থকাৰ অভিযোগ উত্থাপিত হৈছে। অভিযোগ মতে, লাহৰীঘাট বজাৰত নিতৌ থলুৱা প্ৰজাতিৰ কণীযুক্ত মাছ বিক্ৰী কৰি থকাত অঞ্চলটোত সম্প্ৰতি এনে মাছ বিলুপ্তিৰ পথত আগবাঢ়িছে। মাৰ্চৰ শেষৰ পৰা জুলাইলৈকে মাছৰ প্ৰজননৰ সময় হোৱা হেতুকে চৰকাৰে প্ৰত্যেক বছৰৰ প্ৰথম এপ্ৰিলৰ পৰা জুনৰ শেষলৈ ৰাজ্যৰ খাল-বিল, নদী আদিত আঢ়ৈ ইঞ্চিতকৈ সৰু ফুটাযুক্ত জালেৰে মাছ ধৰাটো নিষিদ্ধ কৰিছে। কিন্তু চৰকাৰী আইনক ভেঙুচালি কৰি লাহৰীঘাট বজাৰৰ লগতে ইয়াৰ দাঁতিকাষৰীয়া সৰু-বৰ বজাৰসমূহত অসাধু ব্যৱসায়ীয়ে মুকলিভাৱে কণীযুক্ত থলুৱা মাছৰ ব্যৱসায় চলাই গৈছে। মীন বিভাগৰ অমনোযোগিতাৰ বাবেই আইন অমান্য কৰি এই অঞ্চলসমূহত কণীযুক্ত থলুৱা মাছ অবাধে বিক্ৰী কৰি থকা বুলি অভিযোগ উঠিছে। লাহৰীঘাট ৰাজহ চক্ৰৰ অন্তৰ্গত অঞ্চলত বিভিন্ন মাছৰ উৎস থকা অঞ্চলসমূহত নানা ধৰণৰ জাল ব্যৱহাৰ কৰি কণীযুক্ত মাছ ধৰা কাৰ্য চলি থকাত থলুৱা মাছৰ বংশবৃদ্ধিৰ ক্ষেত্ৰত ভীষণ সমস্যাই দেখা দিয়া বুলিও অভিযোগ উঠিছে। এই ক্ষেত্ৰত বিহিত ব্যৱস্থা গ্ৰহণ কৰিবলৈ বিভাগক এই অঞ্চলৰ সচেতন ৰাইজে দাবী জনাইছে।

# বটদ্ৰৱাত সতী ৰাধিকা উৎসৱৰ আয়োজন

**অগ্ৰদূত বাৰ্তা**

**জাজৰি, ৫ মে' ঃ** পৰম্পৰাগতভাৱে উদ্‌যাপন হৈ অহা সতী ৰাধিকা উৎসৱ অহা ১৮-১৯ মে'ত বৰ্ণাঢ্য কাৰ্যসূচীৰে বটদ্ৰৱাৰ পৱিত্ৰ শান্তিজানৰ পাৰৰ সতী ৰাধিকা স্মৃতি ক্ষেত্ৰত অনুষ্ঠিত কৰাৰ আয়োজন চলিছে। সেই উদ্দেশ্যে কালি দিনৰ এক বজাত সতী ৰাধিকা স্মৃতিক্ষেত্ৰৰ সভাগৃহত এখন সাধাৰণ সভা অনুষ্ঠিত হয়। সাংবাদিক দিব্যজ্যোতি বৰুৱাৰ সভাপতিত্বত অনুষ্ঠিত হোৱা সাধাৰণ সভাৰ উদ্দেশ্য ব্যাখ্যা কৰে সদৌ অসম অনুসূচিত জাতি সংগ্ৰামী মঞ্চৰ সভাপতি সঞ্জীৱ দাসে। সেই সভাতে সতী ৰাধিকা উৎসৱৰ দুদিনীয়া কাৰ্যসূচীৰ দ্বিতীয়দিনা তথা ১৯ মে'ৰ দিনা উদ্‌যাপনৰ বাবে এখন ৫১ জনীয়া উদ্‌যাপন সমিতি গঠন কৰা হয়। প্ৰবীণ চন্দ্ৰ দাসক সভাপতি, অভিজিৎ দাসক কাৰ্যকৰী সভাপতি, কনকজিৎ দাসক সাধাৰণ সম্পাদক, ভৰত কেওঁটকে ধৰি চাৰিজন সম্পাদকৰ লগতে স্বেচ্ছাসেৱক উপ-সমিতি, খাদ্য আৰু আপ্যায়ন উপ-সমিতি, সাংস্কৃতিক আৰু শোভাযাত্ৰা উপ-সমিতি, বিত্ত উপ-সমিতি, অতিথি আদৰণি উপ-সমিতিৰ উপৰি সাংবাদিক দিব্যজ্যোতি বৰুৱাক সভাপতি আৰু সাংবাদিক ৰাহুল দেৱ বৰদলৈক সম্পাদকৰূপে লৈ স্মৃতিগ্ৰন্থ উপ-সমিতিখন গঠন কৰে। উৎসৱৰ প্ৰথমদিনা বটদ্ৰৱা থান পৰিচালনা সমিতিৰ উদ্যোগত পৰম্পৰাগত ধৰ্মীয় কাৰ্যক্ৰমণিকা উদ্‌যাপনৰ পাছত দ্বিতীয়দিনা পুৱা ন বজাত সাংস্কৃতিক শোভাযাত্ৰা, নাম-প্ৰসংগ আৰু ১১ বজাত মুকলি সভা অনুষ্ঠিত হ'ব।

# গোলাঘাট আন্তঃমাধ্যমিক বিদ্যালয় মুখপত্ৰ প্ৰতিযোগিতা

**অগ্ৰদূত বাৰ্তা**

**নুমলীগড়, ৫ মে', ঃ** কমাৰগাঁও আঞ্চলিক সাংবাদিক সংস্থাই গোলাঘাট জিলাৰ মাধ্যমিক বিদ্যালয়ৰ ভিতৰত ৰাষ্ট্ৰপতি পুৰস্কাৰপ্ৰাপ্ত কৃতী শিক্ষক দুৰ্বানন্দ গগৈ সোঁৱৰণী মুখপত্ৰ প্ৰতিযোগিতাৰ আয়োজন কৰিছে। ২০১৮ত প্ৰকাশিত মুখপত্ৰৰ দুটা কপি অহা ৩০ মে'ৰ ভিতৰত মহেন শইকীয়া, সভাপতি, কমাৰগাঁও আঞ্চলিক সাংবাদিক সংস্থা, ডাক ঃ কমাৰগাঁও, জিলা ঃ গোলাঘাট (অসম)-৭৮৫৬১৯ ঠিকনাত প্ৰেৰণ কৰিবলৈ সাংবাদিক সংস্থাই আজি এক প্ৰেছ বিবৃতিযোগে আহ্বান জনাইছে।

# সৰুপেটা বি এইচ বি মহাবিদ্যালয়ত প্ৰশিক্ষণ শিবিৰ

**অগ্ৰদূত বাৰ্তা**

**সৰুপেটা, ৫ মে', ঃ** সৰুপেটাস্থিত বি এইছ বি মহাবিদ্যালয় আছু গোটৰ উদ্যোগত অহা সাত জুলাইত এক বিশেষ প্ৰশিক্ষণ শিবিৰৰ আয়োজন কৰা হৈছে। প্ৰশিক্ষণ শিবিৰত ছাত্ৰ-ছাত্ৰীসকলক কেৰিয়াৰ সম্পৰ্কে তথা ভৱিষ্যৎ জীৱনক সঠিক দিশত আগবঢ়াই নিয়াৰ কৌশল, বক্তৃতা দিয়াৰ কৌশল, কথা কোৱাত আত্মবিশ্বাস সৃষ্টিৰ উপায় আদি বিভিন্ন বিষয়ত বিশেষ প্ৰশিক্ষণ প্ৰদান কৰা হ'ব। তদুপৰি বিশেষ এদিনীয়া প্ৰশিক্ষণ শিবিৰটোত মুখ্য প্ৰশিক্ষকৰূপে অংশগ্ৰহণ কৰিব প্ৰাগ নিউজৰ জ্যেষ্ঠ সাংবাদিক তথা অধিবক্তা দীপক শৰ্মাই। শিবিৰটোত অষ্টম শ্ৰেণীৰ পৰা স্নাতক শাখালৈ অধ্যয়নৰত ছাত্ৰ-ছাত্ৰীসকলে অংশগ্ৰহণ কৰিব পাৰিব বুলি বি এইছ বি মহাবিদ্যালয় আছু গোটৰ সম্পাদক গৌৰাংগ দাস আৰু আহ্বায়ক তথা সাংস্কৃতিক সম্পাদক হিল্লোল পাঠকে সদৰী কৰিছে। লগতে উক্ত প্ৰশিক্ষণ শিবিৰত যোগদান কৰিব বিচৰা ইচ্ছুক ছাত্ৰ-ছাত্ৰীসকলক অহা ১০ জুনৰ আগত প্ৰ-পত্ৰ পূৰণ কৰি জমা দিবলৈ তথা ৭৮৯৬৫১৮২৭৪, ৮৭৫৩৯৩২২৯৮ আৰু ৭০০২৪৭৫৮৯৩ ফোন নম্বৰত যোগাযোগ কৰিবলৈ উদ্যোক্তাসকলে আহ্বান জনাইছে।

## মেৰামতি কৰাত গুৰুত্ব নাই বিভাগৰ

# বিধ্বস্ত দলঙৰ বাবে ব্যাহত নগাবাট-বৰহোলা পথত যাতায়াত



**বিশেষ সংবাদদাতা**

**নগাবাট, ৫ মে', ঃ** তিতাবৰ মহকুমাৰ বৰহোলাৰ পৰা নগাবাট সংযোগী মুখ্য পথটোৰ তেৰিমেৰী নৈৰ ওপৰত আছে এখন বিধ্বস্ত দলং। উক্ত দলংখনেৰে যাতায়াত কৰাটো এতিয়া ভয়ানক হৈ পৰিছে। দলংখনৰ কাষৰ অংশত পুখুৰী সদৃশ দ গাঁত আৰু বোকাময়। যোৰহাট জিলাৰ গড়কাপ্তানী বিভাগৰ অমনোযোগিতাৰ সুযোগত যোৰহাটৰ এজন ঠিকাদাৰে নিম্নমানৰ আৰু অসম্পূৰ্ণকৈ এই দলংখন নিৰ্মাণ কৰাৰ পৰিপ্ৰেক্ষিততে বৃহত্তৰ অঞ্চলটোৰ ৰাইজে দুৰ্ভোগ ভুগিবলগীয়া হৈছে। যোৱা দুদিন নেৰানেপেৰা বৰষুণ দিওঁতেই পকী দলংখনৰ কাষৰ অংশ সম্পূৰ্ণৰূপে বিধ্বস্ত হৈ পৰিছে। ফলত সৰু গাড়ী উক্ত পথটোৰে পাৰ হ'ব নোৱৰা হৈছে। আজি পুৱাৰে পৰা মটৰ চাইকেলৰ বাহিৰে চাৰিচকীয়া সকলো যানবাহনৰ যাতায়াত সম্পূৰ্ণৰূপে বন্ধ হৈ পৰে। বহুসংখ্যক পথচাৰী দলংখনৰ পৰাই ঘূৰি অন্য দীঘলীয়া পথেৰে যাব লগা হৈছে। উল্লেখ্য যে যোৰহাটৰ পৰা বৰহোলা হৈ নগাবাট যোৱা এই পথটো বৃহত্তৰ অঞ্চলটোৰ একমাত্ৰ পথ হোৱা হেতুকে বাছ, মেজিক, টেম্প', ডাম্পাৰ, টেংকাৰ আদি সঘনে অহা-যোৱা কৰে। এনে এটা গুৰুত্বপূৰ্ণ পথৰ মাজত থকা এই দলংখনৰ কাষত ঠিকাদাৰে সামান্য শিল আৰু মাটি পেলায়েই দায়িত্ব সামৰা কাৰ্যত অঞ্চলটোৰ ৰাইজ সৰৱ হৈ পৰিছে। গড়কাপ্তানী বিভাগে শীঘ্ৰে উক্ত অঞ্চলটো পৰিদৰ্শন কৰি মেৰামতিৰ ব্যৱস্থা কৰিবলৈ স্থানীয় ৰাইজে দাবী জনাইছে।

# বহুমুখী সমবায়ত দক্ষতা বিকাশৰ বিনামূলীয়া প্ৰশিক্ষণ

**অগ্ৰদূত বাৰ্তা**

**নলবাৰী, ৫ মে', ঃ** নিবনুৱা যুৱক-যুৱতীক কৰ্মসংস্থাপনৰ পথ দেখুওৱাৰ উদ্দেশ্যে নলবাৰী জিলাৰ পূব উপৰ বৰভাগ বহুমুখী সমবায়ত দক্ষতা বিকাশৰ বিনামূলীয়া প্ৰশিক্ষণ কেন্দ্ৰ এটা যোৱা দুই মে'ত উদ্বোধন কৰা হয়। আছাম স্কীল ডেভেলপমেণ্ট মিছনৰ ট্ৰেইনিং পাৰ্টনাৰ ষ্টাৰ এভাৰগ্ৰীণ ডেভেলপমেণ্ট ছ'চাইটিৰ সহযোগত কৃষি বিভাগৰ গাৰ্ডেইনাৰ আৰু সৌন্দৰ্য চৰ্চাৰ প্ৰশিক্ষণৰ শাখা দুটা মুকলি কৰা হয়। প্ৰশিক্ষণ কেন্দ্ৰটো উদ্বোধন কৰে সমাজকৰ্মী তথা নলবাৰী পাইকাৰী গ্ৰাহক সমবায় সমিতিৰ সভাপতি আক্ৰাম হুছেইনে। পূব উপৰ বৰভাগ বহুমুখী সমবায়ৰ সভাপতি কাশীনাথ তালুকদাৰৰ সভাপতিত্বত অনুষ্ঠিত উদ্বোধনী অনুষ্ঠানত নলবাৰী জিলা বহুমুখী সমবায় সন্থাৰ সাধাৰণ সম্পাদক জাকিৰ হুছেইন, সমবায় বিভাগৰ জ্যেষ্ঠ পৰিদৰ্শক মুনীন্দ্ৰ কুমাৰ বৈশ্য, পূব উপৰ বৰভাগ বহুমুখী সমবায়ৰ সঞ্চালক মণ্ডলী, নতুনদেহৰ মৌজা বহুমুখী সমবায়ৰ সম্পাদক ভৱেশ ৰাজবংশী, বড়িগোগ বনভাগ সমবায়ৰ সম্পাদক বসন্ত বেজবৰুৱা, ষ্টাৰ এভাৰগ্ৰীণ ডেভেলপমেণ্ট ছ'চাইটিৰ সভাপতি অমৰ দাস, সম্পাদক মণ্টু শৰ্মা, প্ৰকল্পৰ মুৰব্বী অজিত বৰ্মন আদি উপস্থিত থাকে। প্ৰশিক্ষণ কেন্দ্ৰটোৰ এছ পি অ' চি ৰত্নেশ্বৰ কলিতাই জানিব দিয়া মতে, সম্পূৰ্ণ বিনামূলীয়া প্ৰশিক্ষণ ব্যৱস্থাত সকলো বিভাগতে ৬০খন আসনৰ সীমাবদ্ধতা থাকিব। প্ৰতিজন প্ৰশিক্ষাৰ্থীয়ে দৈনিক চাৰি ঘণ্টাকৈ এশ দিনৰ ভিতৰত ৩৮০ ঘণ্টা প্ৰশিক্ষণ ল'ব লাগিব। প্ৰশিক্ষাৰ্থীসকলক বিশেষকৈ টেকনিকেল, কমিউনিকেছন, ব'ডি লেংগুৱেজ, প্লেচমেন অফাৰ আদিৰ ওপৰত গুৰুত্ব প্ৰদান কৰা হ'ব। উপযুক্তভাৱে প্ৰশিক্ষিত হোৱাৰ পাছত সহজতে কৰ্মসংস্থাপন লাভ কৰিব বুলি আশা ব্যক্ত কৰে প্ৰশিক্ষণ কেন্দ্ৰটোৰ তত্ত্বাৱধায়ক কলিতাই। প্ৰশিক্ষণত কৃষি বিভাগত কৃষি বিজ্ঞানৰ স্নাতকোত্তৰ বনস্মিতা বৰ্মন আৰু সৌন্দৰ্যচৰ্চাত সৌন্দৰ্য বিশেষজ্ঞা ডলী ডেকাই প্ৰশিক্ষণ প্ৰদান কৰিব।

## বঙাইগাঁৱত শিক্ষা বিষয়াৰ উদ্যোগত সজাগতা অভিযান

# অনুশাসন নহয়, হৃদয়ৰ পৰা আগ্ৰহ সৃষ্টি কৰি শিক্ষকতাত ব্ৰতী হ'ব লাগিব

**অগ্ৰদূত বাৰ্তা**

**অভয়াপুৰী, ৫ মে' ঃ** যি সময়ত একাংশ শিক্ষা বিভাগৰ কৰ্মচাৰীৰ বিৰুদ্ধে সততে বিভিন্ন অভিযোগ উত্থাপন হৈ আহিছে, সেই সময়তে বঙাইগাঁও জিলাৰ শিক্ষা বিষয়াৰ উদ্যোগত চলিছে শিক্ষা সজাগতা অভিযান। জিলাখনৰ বিদ্যালয়সমূহৰ পৰিদৰ্শক ছাদুল্লা খানে জিলাখনত আৰম্ভ কৰিছে এই শিক্ষা জাগৰণ অভিযান। এই অভিযানৰ অংশ হিচাপে কালি অভয়াপুৰী লেংটিছিঙা উচ্চতৰ মাধ্যমিক বিদ্যালয়ত অনুষ্ঠিত হয় কেন্দ্ৰভিত্তিক শৈক্ষিক সভা। সভাত লেংটিছিঙা কেন্দ্ৰৰ অধীনস্থ আঠখন বিদ্যালয়ৰ শিক্ষক তথা বিদ্যালয় পৰিচালনা সমিতিৰ সদস্যসকল উপস্থিত থাকে। প্ৰায় এশজন শিক্ষক-শিক্ষয়িত্ৰী উপস্থিত থকা সভাত বিদ্যালয় প্ৰধানসকলে বিভিন্ন অভাৱ-অভিযোগ, শৈক্ষিক দিশত থকা সমস্যাসমূহ উত্থাপন কৰে। সমস্যা, অভিযোগ আৰু ইয়াৰ সমাধানৰ ওপৰত এক বক্তব্য প্ৰদান কৰি জিলা শিক্ষা বিষয়া ছাদুল্লা খানে কয় যে মানুহৰ অভাৱ-সীমাহীন এই সমস্যাৰে মোকাবিলা কৰি আমি আমাৰ শিক্ষা ব্যৱস্থাক আগুৱাই নিব লাগিব। এই ক্ষেত্ৰত শিক্ষা বিভাগৰ সমান্তৰালকৈ শিক্ষক আৰু ৰাইজৰ সহযোগ একান্তই প্ৰয়োজন বুলি উল্লেখ কৰি তেওঁ আৰু কয় যে প্ৰতিখন বিদ্যালয়ে এক পৰিৱেশ তৈয়াৰ কৰিব লাগিব। তেতিয়াহে উপযুক্ত মানৱসম্পদ তৈয়াৰ কৰিবলৈ আমি সক্ষম হ'ম। তেওঁ সমস্যাসমূহ সমাধানৰ ক্ষেত্ৰত যৎপৰোনাৰ্থে চেষ্টা চলাব বুলিও কয়। প্ৰতিজন শিক্ষকৰ ওপৰত উত্তৰসুৰীসকলক সুনাগৰিক হিচাপে গঢ়ি তোলাৰ এক গধুৰ দায়িত্ব। এই দায়িত্ব সুকলমে পালন কৰিলে আমাৰ সমাজখন নিজে নিজেই সুস্থ হৈ পৰিব। একাংশ শিক্ষকে দায়িত্ব নিষ্ঠাসহকাৰে দায়িত্ব পালন কৰাৰ বিপৰীতে একাংশই দায়িত্ব পালনত ব্যৰ্থ হোৱা বুলিও কয়। দায়িত্ব পালনত ব্যৰ্থ শিক্ষকসকলক উদ্দেশ্য কৰি তেওঁ অনুশাসনৰ ভয়ত নহয়, হৃদয়ৰ পৰা আগ্ৰহ সৃষ্টি কৰি শিক্ষকতাৰ কৰ্মত ব্ৰতী হ'বলৈ আহ্বান জনায়। পৰিদৰ্শকজনে ইতিমধ্যে জিলাখনত বিদ্যালয়সমূহত শৈক্ষিক মান উন্নতকৰণৰ বাবে পাঁচখন কেন্দ্ৰত এনে ধৰণৰ সভা অনুষ্ঠিত কৰাৰ কথা উল্লেখ কৰি আৰু ১১টা কেন্দ্ৰত ১১খন সভা অনুষ্ঠিত কৰিব বুলিও অৱগত কৰায়। বিদ্যালয়ে বিদ্যালয়ে শিক্ষক পদ খালী হৈ শিক্ষকৰ অভাৱ, সময়তে পাঠ্যপুথি যোগান নোপোৱা, একাংশ শিক্ষকৰ দায়িত্বহীনতাৰ ফলত চৰকাৰী বিদ্যালয়সমূহত শিক্ষাৰ মান নিম্নগামী হোৱাৰ সময়তে শিক্ষা বিষয়াজনৰ এনে পদক্ষেপক শলাগ লৈছে অভিভাৱক আৰু বিদ্যমহলে।

# বাৰিষা সমাগত ঃ লাহৰীঘাটত উন্মুক্ত অৱস্থাত মথাউৰি



**অগ্ৰদূত বাৰ্তা**

**লাহৰীঘাট, ৫ মে', ঃ** মৰিগাঁও জিলাৰ লাহৰীঘাটত উন্মুক্ত অৱস্থাত থকা মথাউৰিৰ বাবে আগতীয়া বানৰ আশংকাত চিন্তিত হৈ পৰিছে বৃহত্তৰ অঞ্চলৰ কৃষকৰ লগতে ইয়াৰ নৈপৰীয়া ৰাইজ। মিকিৰগাঁৱৰ পৰা টেঙাগুৰি-কছাৰীগাঁৱলৈ প্ৰায় আঢ়ৈ কিলোমিটাৰ অঞ্চলজুৰি উন্মুক্ত অৱস্থাত আছে মথাউৰি। বাৰিষা সমাগত যদিও এই অঞ্চলৰ উন্মুক্ত মথাউৰি নিৰ্মাণৰ কাম আজি পৰ্যন্ত আৰম্ভ নোহোৱাত নৈপৰীয়া ৰাইজৰ লগতে কৃষকসকলৰ মাজত হাহাকাৰ হৈছে। অঞ্চলটোত মথাউৰি নিৰ্মাণ নহ'লে আগতীয়া বানে ইয়াৰ কৃষকসকলৰ বিস্তৰ ক্ষতিসাধন কৰাৰ সম্ভাৱনা আছে। বৃহত্তৰ লাহৰীঘাট অঞ্চলৰ কৃষকৰ প্ৰধান খেতি হৈছে বৰোধানৰ খেতি। ইয়াৰ কৃষকসকলে অতি কষ্টৰে গাঁঠিৰ ধন খৰচ কৰি বৰো ধানৰ খেতি কৰিছে। কিন্তু অঞ্চলটোত এতিয়া মথাউৰি নিৰ্মাণ নোহোৱাত আগতীয়া বানে বৰোধানৰ খেতি নষ্ট কৰাৰ সম্ভাৱনাত চিন্তিত হৈ আছে ইয়াৰ কৃষকসকল। উল্লেখ্য যে অঞ্চলটোৰ উন্মুক্ত অংশত মথাউৰি নিৰ্মাণৰ বাবে ধন আবণ্টন হৈছে যদিও এতিয়ালৈকে মথাউৰি নিৰ্মাণৰ কাম আৰম্ভ হোৱা নাই। ইফালে, লাহৰীঘাটৰ কাঠনি অঞ্চলত যোৱা কিছুদিন ধৰি ব্ৰহ্মপুত্ৰৰ ভয়াৱহ গৰাখহনীয়া আৰম্ভ হৈছে। এই খহনীয়াত অঞ্চলটোৰ শ শ পৰিয়াল গৃহহীন হোৱাৰ লগতে নদীত জাহ গৈছে বিঘাই বিঘাই কৃষিভূমি। সেয়ে শীঘ্ৰে উন্মুক্ত অঞ্চলটোৰ মথাউৰি নিৰ্মাণ কৰাৰ লগতে কাঠনি অঞ্চলৰ খহনীয়াৰ স্থায়ী প্ৰতিৰোধৰ ব্যৱস্থা গ্ৰহণ কৰিবলৈ ইয়াৰ ৰাইজে বিভাগক দাবী জনাইছে।

## গোৱালপাৰা পৌৰসভাৰ চাফাই কৰ্মী ইউনিয়নৰ ধৰ্মঘট

# প্ৰতিশ্ৰুতি পালনত ব্যৰ্থ জিলা উপায়ুক্ত

**অগ্ৰদূত বাৰ্তা**

**মাটিয়া, ৫ মে', ঃ** প্ৰাপ্য দৰমহা আদায়ৰ দাবীত কাইলৈ গোৱালপাৰা পৌৰসভাৰ চাফাই কৰ্মচাৰীসকলে দুঘণ্টীয়া অৱস্থান ধৰ্মঘট পালন কৰিব। গোৱালপাৰা জিলা উপায়ুক্তই দিয়া প্ৰতিশ্ৰুতি পালনত ব্যৰ্থ হোৱা বাবেই চাফাই কৰ্মীসকলে পুনৰ আন্দোলনত নামি পৰাৰ সিদ্ধান্ত লৈছে। প্ৰাপ্য দৰমহাকে ধৰি কে'বাটাও দাবীৰ সমৰ্থনত গোৱালপাৰা পৌৰসভাৰ চাফাই কৰ্মচাৰী ইউনিয়নে জানুৱাৰীৰ প্ৰথম সপ্তাহৰ পৰাই আন্দোলন কৰি আহিছে। চাফাই কৰ্মীৰ আন্দোলনৰ ফলত গোৱালপাৰা চহৰ জাবৰেৰে পৰিপূৰ্ণ হৈ এক দুৰ্গন্ধময় পৰিৱেশৰ সৃষ্টি হয়। পাছত যোৱা ৩১ মাৰ্চৰ পুৱা চাফাই অভিযান চলোৱাৰ বাবে জিলা উপায়ুক্তই কৰা পৰিদৰ্শন কালত চাফাই কৰ্মীৰে হোৱা আলোচনামৰ্মে তেওঁলোকে আন্দোলন প্ৰত্যাহাৰ কৰি কৰ্মত যোগদান কৰে। এই সম্পৰ্কে পহিলা এপ্ৰিলত গোৱালপাৰা জিলা তথ্য আৰু জনসংযোগৰ ভাৰপ্ৰাপ্ত বিষয়া কবিতা ডেকাই সংবাদ মাধ্যমলৈ 'উপায়ুক্তৰ হস্তক্ষেপত পৌৰসভাৰ চাফাই কৰ্মীৰ আন্দোলন প্ৰত্যাহাৰ' হোৱা বুলি এক প্ৰেছ বিবৃতি দিয়ে। উক্ত প্ৰেছ বিবৃতিত উল্লেখ কৰা হৈছিল যে বিগত কিছুদিন ধৰি গোৱালপাৰা পৌৰসভাৰ চাফাই কৰ্মচাৰীসকলে আন্দোলনত ব্ৰতী হৈ চাফাই কৰ্মৰ পৰা বিৰত থকাৰ পৰিপ্ৰেক্ষিতত গোৱালপাৰা জিলা উপায়ুক্তই বিষয়টোত গুৰুত্ব আৰোপ কৰি আলোচনাৰ মাধ্যমত সমাধান কৰে। চাফাই কৰ্মীৰ আন্দোলনৰ ফলত গোৱালপাৰা চহৰৰ কে'বাটাও স্থান বিশেষকৈ বজাৰ অঞ্চলসমূহ লেতেৰা হৈ পৰাত ৩১ মাৰ্চৰ পুৱা জিলা উপায়ুক্ত বৰ্ণালী ডেকাই অতিৰিক্ত উপায়ুক্ত নুৰ হুছেইনসহ আন কে'বাজনো প্ৰশাসনিক বিষয়াক লগত লৈ বজাৰ অঞ্চলত চাফাই কৰাৰ উদ্দেশ্যে পৰিদৰ্শন কৰে। সেই সময়তে আন্দোলনৰত চাফাই কৰ্মীসকলে তাত গৈ জিলা উপায়ুক্তৰে আলোচনাত মিলিত হয়। চাফাই কৰ্মীৰ সমস্যাসমূহৰ বিষয়ে উপায়ুক্তৰ আগত পুনৰ দোহাৰে আৰু উপায়ুক্তই চাফাই কৰ্মীসকলৰ সমস্যাসমূহ নিষ্পত্তি কৰিব বুলি অৱগত কৰাত পৌৰসভাৰ চাফাই কৰ্মীসকলে আন্দোলন প্ৰত্যাহাৰ কৰি কৰ্মত যোগদান কৰে। জিলা উপায়ুক্তই আগভাগ লৈ চাফাই কৰ্মীৰ সমস্যা সমাধান কৰাত গোৱালপাৰাৰ স্থানীয় লোকে উপায়ুক্তজনক ধন্যবাদ জ্ঞাপন কৰে বুলি প্ৰেছ বিবৃতিটোত উল্লেখ কৰিছিল। কিন্তু এমাহ পাৰ হোৱাৰ পাছতো জিলা উপায়ুক্তই চাফাই কৰ্মীসকলক দিয়া আশ্বাস পূৰণ কৰিব নোৱাৰিলে। বিগত সময়ত চাফাই কৰ্মচাৰীসকলক পৌৰসভাৰ কৰ্তৃপক্ষই মাত্ৰ বৰ্ধিত দৰমহাৰ এহেজাৰ টকাকৈহে আদায় দিয়ে। উপায়হীন হৈ যোৱা দুই মে'ৰ পৰা গোৱালপাৰা পৌৰসভাৰ চাফাই কৰ্মচাৰী ইউনিয়নে পুনৰ আন্দোলন আৰম্ভ কৰে। চাফাই কৰ্মীসকলৰ কৰ্মবিৰতিৰ ফলত পুনৰ গোৱালপাৰা চহৰ জাবৰেৰে পৰিপূৰ্ণ হৈ পৰিছে। চাফাই কৰ্মীৰ সমস্যা সমাধান কৰা বুলি প্ৰেছ বিবৃতিযোগে বাঃ বাঃ ল'ব বিচৰা জিলা প্ৰশাসনে এইবাৰ কি পদক্ষেপ ল'ব সচেতন মহলে সেইটোলৈ বাট চাই আছে। উল্লেখ্য যে বিগত ১১ মাহৰ প্ৰাপ্য দৰমহা আদায় পোৱাৰ দাবীত গোৱালপাৰা পৌৰসভাৰ পৌৰ কৰ্মচাৰী সন্থায়ো যোৱা তিনি জানুৱাৰীৰ পৰা কৰ্মবিৰতিকে ধৰি বিভিন্ন পদ্ধতিৰে ধাৰাবাহিক আন্দোলন কৰি আহিছে। কিন্তু সমস্যা সমাধানৰ ক্ষেত্ৰত পৌৰ কৰ্তৃপক্ষৰ লগতে জিলা প্ৰশাসনে গঠনমূলক পদক্ষেপ নোলোৱা বুলি এক গুৰুতৰ অভিযোগ উত্থাপিত হৈছে। ইপিনে, পৌৰপতি ইখতিয়াৰ উদ্দিন আহমেদে পৌৰ কৰ্মচাৰীৰ সমস্যা সমাধানৰ পৰিৱৰ্তে এজন এজনকৈ কৰ্মচাৰীৰ বিৰুদ্ধে শাস্তিমূলক পদক্ষেপ লোৱা বুলি এক গুৰুতৰ অভিযোগ উত্থাপিত হৈছে। ইপিনে, চাফাই কৰ্মচাৰীৰ সমস্যা সমাধানৰ দাবীত কাইলৈ জিলা উপায়ুক্ত কাৰ্যালয়ৰ সন্মুখত দিনৰ ১১ বজাৰ পৰা দুঘণ্টীয়া অৱস্থান ধৰ্মঘট পালন কৰিব বুলি গোৱালপাৰা পৌৰসভাৰ চাফাই কৰ্মচাৰী ইউনিয়নৰ সভাপতি ননী দাসে জানিবলৈ দিয়ে।

# আজি ৰঙাগড়াত সাংবাদিক সংস্থাৰ ৰাইজমেল

**অগ্ৰদূত বাৰ্তা**

**নুমলীগড়, ৫ মে', ঃ** বোকাখাত মহকুমাৰ বান বিধ্বস্ত বৃহত্তৰ ৰঙাগড়া অঞ্চলৰ জ্বলন্ত সমস্যা সম্পৰ্কত কাইলৈ ৰঙাগড়া জুনিয়ৰ কলেজত এক ৰাইজমেলৰ আয়োজন কৰিছে। অনুষ্ঠানত সাংবাদিক সংস্থাৰ 'এই মাহৰ অতিথি' কাৰ্যসূচীও ৰূপায়ণ কৰিব। এই মাহৰ অতিথিৰূপে এইবাৰ সাংবাদিক সংস্থাই অ' এন জি চি (খনন)ৰ মুখ্য অভিযন্তা তথা বিশিষ্ট সমাজকৰ্মী সুভাষ পায়েঙক আমন্ত্ৰণ জনাইছে। বিয়লি এক বজাৰ পৰা হ'ব লগা অনুষ্ঠানত উদ্যোক্তাসকলে ৰাইজৰ উপস্থিতি কামনা কৰিছে।

## শ্ৰদ্ধাঞ্জলি মোহন চন্দ্ৰ মালাকৰ

১৯৪৯ৰ ২২ ফেব্ৰুৱাৰীত পাঠশালাৰ ডুবি গাঁৱৰ পৰিহৰেশ্বৰী দেৱালয়ৰ ওচৰত মোহন চন্দ্ৰ মালাকৰৰ জন্ম হৈছিল। ১০ বছৰ বয়সৰ পৰা প্ৰকাশন গোষ্ঠী বাণী প্ৰকাশৰ স'তে জড়িত হৈ পাছলৈ কলিকতাৰ দ্বিতীয় আছাম হাউছখ্যাত পুৰ্বোদয় প্ৰেছৰ এজন কৰ্মী তথা সেৱক হিচাপে আটাইৰে প্ৰিয়পাত্ৰ হৈ পৰা মালাকৰ (৭০)ৰ যোৱা ২৪ এপ্ৰিলত নিজ গাঁৱত মৃত্যু ঘটে।

ড° ভূপেন হাজৰিকা, ড° লীলা গগৈ, ড° দেৱপ্ৰসাদ বৰুৱা, ড° মহেন্দ্ৰ বৰা আদিকে ধৰি ড° নগেন শইকীয়া, ড° ৰণজিৎ দেৱ গোস্বামী, ড° সত্যেন্দ্ৰ নাৰায়ণ গোস্বামী, ড° বসন্ত ভূঞাৰ লগতে বহু লোকৰ বাবে কলকাতাৰ পূৰ্বোদয় প্ৰেছ ভাতঘৰ আছিল আৰু মোহনে সকলোকে আপ্যায়ন কৰাৰ লগতে তেওঁলোকক বিভিন্ন দিশত সহায়-সহযোগিতাও আগবঢ়াইছিল। এই ক্ষেত্ৰত পূৰ্বোদয় প্ৰেছৰ স্বত্বাধিকাৰী প্ৰয়াত গুৰুপদ দেৱচৌধুৰীৰ বদান্যতাক মালাকৰে সদায় স্বীকাৰ কৰিছিল। অসমৰ যিকোনো মানুহ কলিকতালৈ গৈ মোহনক সাক্ষাৎ কৰিলে তেওঁ সাধ্যানুসাৰে সহায়ৰ হাত আগবঢ়াইছিল। এনেকুৱা অসমপ্ৰেমী অসমীয়া কলিকতা চহৰত বিৰল আছিল। তেওঁৰ মৃত্যুত আমি এজন পৰম শুভাকাংক্ষী বন্ধু হেৰুৱালো। পত্নী হিমানী মালাকৰসহ দুই পুত্ৰ, বোৱাৰী, জী-জোঁৱাই আৰু ছজন ভায়েকৰ ভৰা সংসাৰৰ লগতে অনেক শুভাকাংক্ষীক তেওঁ এৰি গ'ল।

আজি আদ্যশ্ৰাদ্ধৰ দিনা তেওঁৰ আত্মাৰ চিৰশান্তি কামনা কৰিলো।

**ধীৰাজ গোস্বামী**

# ১২৬ ঘণ্টা একেৰাহে নৃত্য প্ৰদৰ্শনৰে নতুন বিশ্ব অভিলেখ নেপালী কিশোৰীৰ




নিউজ ব্যুৰ’
কাঠমাণ্ডু, ৫ মে’ ঃ এঘণ্টা, দুঘণ্টা বা ১০ ঘণ্টা নহয়, একেৰাহে ১২৬ ঘণ্টা নৃত্য কৰি এক নতুন বিশ্ব অভিলেখ গঢ়িলে নেপালৰ এগৰাকী কিশোৰীয়ে। বন্দনা নামৰ ১৮ বছৰীয়া বয়সৰ নৰ্তকীগৰাকীয়ে একেৰাহে ১২৬ ঘণ্টা নাচি গীনিজ ৱৰ্ল্ড ৰেকৰ্ডত নিজৰ নাম অন্তৰ্ভুক্ত কৰিবলৈ সক্ষম হ’ল। বন্দনাৰ পূৰ্বে এই অভিলেখ এজন ভাৰতীয় নৃত্য শিল্পীয়ে ৰচিছিল। কালি নেপালৰ ৰাজধানী কাঠমাণ্ডুত দেশৰ প্ৰধানমন্ত্ৰী কে পি শৰ্মা অ’লিৰ বাসগৃহত আয়োজিত এক অনুষ্ঠানত বন্দনাক সন্মানিত কৰা হ’ল। ২০১১ত কলামণ্ডলম হেমলতাই একেৰাগে ১২৩ ঘণ্টা ১৫ মিনিট নৃত্য প্ৰদৰ্শনৰে ‘দীৰ্ঘতম নৃত্য মাৰাথন’ৰ অভিলেখ ৰচিছিল। বন্দনাই হেমলতাৰ এই অভিলেখ ভংগ কৰে।

# ওড়িছাত ফণী তাণ্ডৱত হেজাৰ হেজাৰ লোকক উদ্ধাৰ কৰিলে এইগৰাকী মহিলা আৰক্ষীয়ে



নিউজ ব্যুৰ’
**ভুৱনেশ্বৰ, ৫ মে’ ঃ** ফণী ঘূৰ্ণী বতাহে ওড়িছাত তাণ্ডৱ চলোৱাৰ সময়ত নিজৰ দায়িত্ব আৰু কৰ্তব্য পালনৰে সংবাদ শিৰোনাম দখল কৰিলে এগৰাকী মহিলা আৰক্ষীয়ে। ফণীৰ তাণ্ডৱত ৰাজ্যখনৰ কমেও ১৬ জন লোকৰ প্ৰাণহানি ঘটাৰ লগতে কমেও ৫৮ কোটি ৬০ লাখ টকাৰ খেতি-বাতি আৰু সম্পত্তি ধ্বংস হয়। এই বিপৰ্যয়ৰ স’তে মোকাবিলা কৰাত এগৰাকী মহিলা আৰক্ষীয়ে গ্ৰহণ কৰা ভূমিকাই ছ’চিয়েল মিডিয়াত বিশেষ চৰ্চা লাভ কৰিছে। ফণীৰ ভয়াৱহ তাণ্ডৱৰ পৰা হেজাৰ হেজাৰ লোকক নিৰাপদ স্থানলৈ স্থানান্তৰিত কৰি আৰক্ষী বিষয়াগৰাকীয়ে সকলোৰে ধন্যবাদৰ পাত্ৰ হয়। ফণীৰ পূৰ্বাভাস লাভৰ পাছৰে পৰা ওড়িছাৰ আৰক্ষীয়ে প্ৰয়োজনীয় সতৰ্কতামূলক ব্যৱস্থা অৱলম্বনৰ লগতে বিপদৰ শংকা থকা অঞ্চলসমূহৰ পৰা স্থানীয় বাসিন্দাক নিৰাপদ স্থানলৈ নিয়াৰ ব্যৱস্থা কৰিছিল। এই ক্ষেত্ৰত আগভাগ লৈছিল এতিয়ালৈকে নাম পোহৰলৈ নহা এইগৰাকী মহিলা আৰক্ষী। যুদ্ধকালীন তৎপৰতাৰে আৰক্ষী বিষয়াগৰাকীয়ে অসংখ্য লোকক ফণীৰ পৰা ৰক্ষা কৰিবলৈ নিৰাপদ স্থানলৈ নিয়াত সহায় কৰিছিল। বিগত কমেও তিনিদিন ধৰি আৰক্ষী বিষয়াগৰাকীয়ে ৰাজ্যৰ বাসিন্দাসকলৰ নিৰাপত্তাৰ স্বাৰ্থত নিজকে দিনে-নিশাই কৰ্তব্যত নিয়োজিত কৰিছিল। আনকি নিজৰ বাহনতো উঠাই বিষয়াগৰাকীয়ে স্থানীয় বাসিন্দাক নিৰাপদ স্থানলৈ লৈ গৈছিল।



# আফগান আৰক্ষীৰ মুখ্য কাৰ্যালয়ত তালিবানৰ আত্মঘাতী বোমা আক্ৰমণ

নিউজ ব্যুৰ’
**কাবুল, ৫ মে’ ঃ** উত্তৰ আফগানিস্তানৰ পুল-ই-খুমৰি চহৰত আজি আত্মঘাতী তালিবান সন্ত্ৰাসবাদীয়ে চলোৱা বোমা বিস্ফোৰণত কমেও ২০ জন লোক গুৰুতৰভাৱে আহত হয়। অঞ্চলটোত থকা আৰক্ষীৰ মুখ্য কাৰ্যালয়ক লক্ষ্য হিচাপে লৈ তালিবানৰ আত্মঘাতী বোমাৰুৱে এই বিস্ফোৰণ সংঘটিত কৰে। প্ৰত্যক্ষদৰ্শীয়ে প্ৰকাশ কৰা মতে, কে’বাজনো তালিবান বিদ্ৰোহীয়ে আৰক্ষীৰ মুখ্য কাৰ্যালয়ত প্ৰৱেশ কৰি বোমা বিস্ফোৰণ কৰাৰ লগতে নিৰাপত্তা বাহিনীলৈ গুলিবৰ্ষণ কৰিছিল। এই ঘটনা সংঘটিত কৰাৰ পাছতে তালিবানে আক্ৰমণৰ দায়িত্ব স্বীকাৰ কৰে। আহতসকলৰ কে’বাজনৰো অৱস্থা সংকটজনক বুলি আৰক্ষীয়ে জানিবলৈ দিয়ে।

## ভাৰতীয়সকলে গ্ৰীষ্মকালত সৰ্বাধিক বিদেশ ভ্ৰমণ কৰে

# ১০ বছৰত বিদেশ ভ্ৰমণকাৰী ভাৰতীয়ৰ সংখ্যা তিনিগুণ বৃদ্ধি


নিউজ ব্যুৰ’
**নতুন দিল্লী, ৫ মে’ ঃ** বিগত এক দশকত বিদেশত ছুটী উপভোগ কৰিবলৈ যোৱা ভাৰতীয়ৰ সংখ্যা তিনিগুণ বৃদ্ধি পালে। কেন্দ্ৰীয় পৰ্যটন মন্ত্ৰণালয়ে প্ৰকাশ কৰা ২০১৮ৰ প্ৰতিবেদনৰ তথ্য অনুসৰি ২০০৬ত ভাৰতৰ পৰা প্ৰায় ৮৩ লাখ লোকে বিদেশলৈ ফুৰিবলৈ গৈছিল। বিদেশ ভ্ৰমণলৈ যোৱা ভাৰতীয়ৰ সংখ্যা ২০১৭ত ২.৩৯ কোটিজনলৈ বৃদ্ধি পায়। ৰাষ্ট্ৰসংঘৰ বিশ্ব পৰ্যটন সংগঠনৰ তথ্য মতে বিগত সাত বছৰত বিদেশলৈ যোৱা ভাৰতীয় পৰ্যটকৰ সংখ্যা প্ৰতি বছৰে ১০-১২ শতাংশ হাৰত বৃদ্ধি পাইছে। ভাৰতীয়সকলে গ্ৰীষ্মকালত ছুটী



উপভোগৰ বাবে সৰ্বাধিক বিদেশ ভ্ৰমণ কৰে বুলিও এই প্ৰতিবেদনত প্ৰকাশ। বছৰৰ মে’ মাহত সাধাৰণতে সৰ্বাধিক সংখ্যক ভাৰতীয়ই বিদেশলৈ ভ্ৰমণাৰ্থে গৈ আহিছে। ২০১৭ৰ মে’ত ২৩.১২ লাখ ভাৰতীয় বিদেশলৈ গৈছিল। ২০১৫ৰ মে’ত বিদেশ ভ্ৰমণকাৰী ভাৰতীয়ৰ সংখ্যা আছিল ১৯.৬২ লাখ। একেদৰে ২০১৬ৰ মে’ত বিদেশ ভ্ৰমণ কৰা ভাৰতীয়ৰ সংখ্যা আছিল ২১.২৮ লাখ।

বিদেশ ভ্ৰমণকাৰী ভাৰতীয়ৰ সংখ্যা দ্ৰুত বৃদ্ধিৰ প্ৰতি লক্ষ্য ৰাখি বিশ্বৰ ৭০খন দেশৰ ৰাষ্ট্ৰীয় পৰ্যটন সংস্থাই ভাৰতত নিজৰ কাৰ্যালয় মুকলি কৰিছে। পূৰ্বে ভাৰতীয়সকলে গতানুগতিক বিদেশী পৰ্যটন কেন্দ্ৰসমূহলৈ ভ্ৰমণাৰ্থে গৈছিল যদিও এতিয়া ভাৰতীয় পৰ্যটকসকলক দক্ষিণ আফ্ৰিকা, টিউনেছিয়া, জৰ্দান, ফিজি, মেক্সিকো, ইকুৱেডৰৰ দৰে দেশেও বিশেষভাৱে আকৰ্ষিত কৰিছে। ২০০৯ত ইকুৱেডৰ ভ্ৰমণকাৰী ভাৰতীয়ৰ সংখ্যা আছিল ১৫৭০ জন আৰু ২০১৬ত ই ১০২৬৭ জনলৈ বৃদ্ধি পায়। ভাৰতীয়সকলে বিদেশ ভ্ৰমণৰ ক্ষেত্ৰত সৰ্বাধিক ধন ব্যয় কৰি আহিছে বুলিও প্ৰতিবেদনটোত প্ৰকাশ। ভাৰতীয় ভ্ৰমণকাৰীৰ বিদেশ ভ্ৰমণৰ ক্ষেত্ৰত সবাতোকৈ প্ৰিয় দেশ হিচাপে কুৱেইট, ছৌদি আৰব, ছিংগাপুৰ, থাইলেণ্ড আৰু আমেৰিকাই শীৰ্ষস্থান দখল কৰিছে। একে সময়তে ছুইজাৰলেণ্ড, মৰিছাছ, ছেছেলছ, মালদ্বীপ, ইণ্ডোনেছিয়া, অষ্ট্ৰেলিয়া আৰু কানাডা ভ্ৰমণকাৰী ভাৰতীয়ৰ সংখ্যাও বৃদ্ধি পাইছে।

# মূল্যবৃদ্ধিত জৰ্জৰিত পাকিস্তান, লিটাৰত গাখীৰ ১৮০, পেট্ৰ’ল ১০৮ টকা হ’লগৈ




**নিউজ ব্যুৰ’, ইছলামাবাদ, ৫ মে’ ঃ** আকাশলংঘী মূল্যবৃদ্ধি অব্যাহত আছে পাকিস্তানত। বৃহৎ ঋণৰ বোজা বহন কৰা দেশখনৰ বজাৰত এতিয়া লাগিছে জুই। কিছুদিন পূৰ্বে প্ৰতিলিটাৰ গাখীৰৰ মূল্য পাকিস্তানত ১২০ টকালৈ বৃদ্ধি পাইছিল। সম্প্ৰতি দেশখনৰ বহু অঞ্চলত প্ৰতিলিটাৰ গাখীৰৰ মূল্য ১৮০ টকালৈ বৃদ্ধি পাইছে। ফল-মূল, শাক-পাচলিৰ পৰা পেট্ৰ’ল-ডিজেললৈকে সকলো সামগ্ৰীৰে মূল্য ভয়াৱহ হাৰত বৃদ্ধি পাইছে। দেশখনৰ বজাৰত প্ৰতি কিলো বিলাহীৰ মূল্য এশ টকা হৈছে। আনহাতে, পেট্ৰ’লৰ মূল্য প্ৰতি লিটাৰত ১০৮ টকা হৈছে। ২০১৩ৰ নৱেম্বৰৰ পৰা এতিয়া পৰ্যন্ত পাকিস্তানত মূল্যবৃদ্ধিৰ হাৰ ৯.৪১ শতাংশ হৈছে।

# ক্ষমা নিবিচাৰিলে জাভেদ আখতাৰৰ চকু কাঢ়ি নিয়াৰ ধমক কৰণীসেনাৰ

নিউজ ব্যুৰ’
**মুম্বাই, ৫ মে’ ঃ** বলিউডৰ বিশিষ্ট সুৰকাৰ-গীতিকাৰ জাভেদ আখতাৰক চকু কাঢ়ি নিয়াৰ ভাবুকি দিলে কৰণীসেনাই। সংগঠনটোৰ মহাৰাষ্ট্ৰ শাখাৰ সভাপতি জীৱন সিং চোলাংকিয়ে ভাবুকি দি কয় যে আখতাৰে ওৰণি (ঘোমটা) নিষিদ্ধ কৰাৰ সন্দৰ্ভত যি মন্তব্য অলপতে প্ৰকাশ কৰিলে তাৰ বাবে তেওঁ তিনিদিনৰ ভিতৰত ক্ষমা বিচাৰিব লাগিব, অন্যথা তেওঁৰ বাসগৃহত কৰণীসেনাই



প্ৰৱেশ কৰি তেওঁৰ চকু আৰু জিভা কাঢ়ি আনিব। উল্লেখ্য যে শ্ৰীলংকাৰ ধাৰাবাহিক বোমা বিস্ফোৰণৰ পাছত দেশখনত বোৰ্খা নিষিদ্ধ কৰা হৈছিল আৰু ভাৰততো শিৱসেনাকে ধৰি কে’বাটাও সংগঠনে বোৰ্খা নিষিদ্ধ কৰাৰ দাবী উত্থাপন কৰিছিল। এই সন্দৰ্ভত প্ৰতিক্ৰিয়া প্ৰকাশ কৰি আখতাৰে কৈছিল যে বোৰ্খা নিষিদ্ধকৰণত তেওঁৰ কোনো আপত্তি নাই যদিও ইয়াৰ লগতে ওৰণিও নিষিদ্ধ কৰিব লাগিব। আখতাৰৰ এই মন্তব্যৰ সন্দৰ্ভতে কৰণীসেনাই বিশিষ্ট শিল্পীগৰাকীক আক্ৰমণৰ ভাবুকি দিয়ে।

## বন্দুক-বাৰুদৰে নক্সাল সমস্যাৰ সমাধান সম্ভৱ নহয়

# চৰকাৰে বিচাৰিলে নক্সালপন্থীৰে আলোচনাত মধ্যস্থতাৰ বাবে সাজু আন্না



**নিউজ ব্যুৰ’, মুম্বাই, ৫ মে’ ঃ** মহাৰাষ্ট্ৰৰ গড়চিৰ’লিত সেনা জোৱানৰ ওপৰত নক্সাপন্থীয়ে চলোৱা আক্ৰমণৰ পাছত বিশিষ্ট সমাজকৰ্মী তথা গান্ধীবাদী নেতা আন্না হাজাৰেয়ে কয় যে নক্সালবাদৰ সমস্যাটো বন্দুকৰ পৰিৱৰ্তে আলোচনাৰে সমাধান কৰা সম্ভৱ। চৰকাৰে অনুমতি দিলে আন্নাই আলোচনাৰ ক্ষেত্ৰত চৰকাৰ আৰু নক্সালপন্থীৰ বাবে মধ্যস্থতাকাৰী হিচাপে দায়িত্ব গ্ৰহণ কৰিবলৈ প্ৰস্তুত বুলি কয়। প্ৰবীণ গান্ধীবাদী নেতাজনে এই সন্দৰ্ভত নিজৰ প্ৰতিক্ৰিয়া প্ৰকাশ কৰি কয়, ‘সকলো সমস্যাৰে সমাধানৰ সঠিক প্ৰক্ৰিয়া অৱলম্বন কৰা জৰুৰী। নক্সালসকলৰ সমস্যাৰ সমাধান বন্দুক-বাৰুদ বা নিৰীহ লোকৰ প্ৰাণ লৈ কৰাটো সম্ভৱ নহয়। ইয়াৰ ফলত সমস্যা অধিক জটিলহে হ’ব। আমি প্ৰতিটো সমস্যাক মানৱীয় দৃষ্টিকোণৰে চোৱা উচিত। দুয়োপক্ষ তৈয়াৰ হ’লে মই নক্সাল সমস্যাটোৰ সমাধানৰ ক্ষেত্ৰত হস্তক্ষেপ কৰিবলৈ সাজু আছো। মোৰ হাতত বহু শক্তি নাই, মই এজন ফকীৰ। মোৰ লক্ষ্য হৈছে ৰাষ্ট্ৰ আৰু সমাজ, সেয়েহে এই সমস্যাৰ সন্দৰ্ভত মই মধ্যস্থতা কৰাৰ কথা কৈছো।’



# নিৰ্বাচনৰ পাছত ‘বন্ধুত্ব’ৰ দুৱাৰ তৃণমূলৰ বাবে খোলা আছে ঃ কংগ্ৰেছ

নিউজ ব্যুৰ’
**কলকাতা, ৫ মে’ ঃ** মিত্ৰতাৰ বাবে তৃণমূলৰ বাবে দুৱাৰ খোলা ৰাখিছে কংগ্ৰেছে। অৱশ্যে নিৰ্বাচনৰ পাছতহে কংগ্ৰেছ এনে মিত্ৰতাৰ বাবে প্ৰস্তুত আছে। কলকাতাত এই কথা ঘোষণা কৰিলে কংগ্ৰেছৰ জ্যেষ্ঠ নেতা ছলমান খুৰ্শ্বিদে। লোকসভাৰ নিৰ্বাচনত তৃণমূলৰ বিৰুদ্ধে যুঁজ দিলেও নিৰ্বাচনৰ পাছত পশ্চিমবংগৰ শাসনাধিষ্ঠিত দলটোক ‘বন্ধু’ হিচাপে গ্ৰহণ কৰাত কংগ্ৰেছৰ আপত্তি নাথাকিব বুলি খুৰ্শ্বিদে কয়। ‘তৃণমূলৰ বাবে দুৱাৰ বন্ধ কৰা নাই। ঢকা মাৰি তৃণমূলক আঁতৰাই দিয়া নাই। আমি বিচাৰো বিজেপিবিৰোধী সকলো দলৰ এখন মৰ্চা চৰকাৰ গঠন হওক।’ খুৰ্শ্বিদে এইদৰে কয়।

# চৰকাৰ কাৰ, প্ৰধানমন্ত্ৰী কোন হ’ব সেয়া মৰ্চাই নিৰ্ণয় কৰিব ঃ অখিলেশ



**নিউজ ব্যুৰ’, লক্ষ্ণৌ, ৫ মে’ ঃ** সমাজবাদী পাৰ্টিৰ ৰাষ্ট্ৰীয় অধ্যক্ষ অখিলেশ যাদৱে কয় যে কেন্দ্ৰত পৰৱৰ্তী চৰকাৰ কোনে গঠন কৰিব আৰু প্ৰধানমন্ত্ৰী কোন হ’ব এই সিদ্ধান্ত বিৰোধীৰ মৰ্চাই গ্ৰহণ কৰিব। লোকসভাৰ চলিত নিৰ্বাচনৰ বিগত চাৰিটা পৰ্যায়ৰ ভোটগ্ৰহণত বিজেপিয়ে মুখ থেকেচা খোৱা বুলি দাবী কৰি অখিলেশে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীক ‘১৮০ ডিগ্ৰী প্ৰধানমন্ত্ৰী’ বুলি অভিহিত কৰে। অখিলেশে কয় যে মোদীয়ে যি কথা মুখেৰে কয়, বাস্তৱত তাৰ সম্পূৰ্ণ বিপৰীত কাৰ্য সম্পন্ন কৰি আহিছে। কেন্দ্ৰত বিৰোধীৰ নেতৃত্বতে পৰৱৰ্তী চৰকাৰ গঠন হ’ব বুলিও সমাজবাদী পাৰ্টিৰ মুৰব্বীজনে দাবী কৰে। ‘বিজেপিয়ে ইতিমধ্যে বুজিব পাৰিছে যে কেন্দ্ৰত এইবাৰ তেওঁলোকৰ চৰকাৰ গঠন নহ’ব। সেয়েহে তেওঁলোকে আয়কৰ, চি বি আই, ই ডি আদিৰ সহায় ল’ব ধৰিছে। কেন্দ্ৰৰ চৰকাৰখনে মানুহক ভয় খুৱাব বিচাৰে, কিন্তু এইবাৰ বিজেপিৰ চৰকাৰ গঠন নহ’ব।’ অখিলেশে এইদৰে কয়।

# পুনৰ উত্তপ্ত গাজা ষ্ট্ৰীপ, ইজৰাইলক লক্ষ্য কৰি ২৫০ ৰকেট নিক্ষেপ পেলেষ্টাইনৰ

নিউজ ব্যুৰ’
**গাজা ষ্ট্ৰীপ, ৫ মে’ ঃ** যোৱা নিশা ইজৰাইলক লক্ষ্য কৰি পেলেষ্টাইনৰ বিচ্ছিন্নতাবাদী সংগঠন হামাছে নিক্ষেপ কৰিলে ২৫০ টাৰো অধিক ৰকেট। এই ৰকেট আক্ৰমণৰ ফলত ৮০ বছৰীয়া এগৰাকী বৃদ্ধাসহ দুজন লোক গুৰুতৰভাৱে আহত হয়। পেলেষ্টাইনৰ এই আক্ৰমণৰ পাছতে ইজৰাইলৰ প্ৰতিৰক্ষা বাহিনী আৰু আই ডি এফে প্ৰত্যাক্ৰমণৰে প্ৰত্যুত্তৰ দিয়ে। গাজা ষ্ট্ৰীপৰ ৭০ টা অঞ্চলক লক্ষ্য হিচাপে লৈ বিমানৰে আক্ৰমণ চলোৱা হয়। গাজাৰ স্বাস্থ্যমন্ত্ৰীয়ে প্ৰকাশ কৰা তথ্য অনুসৰি ইজৰাইলী আক্ৰমণত ডেৰমহীয়া শিশু-কন্যা আৰু ২২ বছৰীয়া এজন যুৱকৰ মৃত্যু হয়। পেলেষ্টাইন আৰু ইজৰাইলৰ সংঘাত পুনৰ বৃদ্ধি পোৱাত উত্তপ্ত হৈ উঠিছে গাজা ষ্ট্ৰীপ।




# কেন্দ্ৰত মোদী, উত্তৰ প্ৰদেশত যোগী চৰকাৰ থকালৈকে এছ পি-বি এছ পি মৰ্চা অটুট থাকিব ঃ মায়াৱতী



**নিউজ ব্যুৰ’, লক্ষ্ণৌ, ৫ মে’ ঃ** যেতিয়ালৈকে কেন্দ্ৰৰ পৰা নৰেন্দ্ৰ মোদী আৰু উত্তৰ প্ৰদেশৰ পৰা যোগী আদিত্যনাথৰ চৰকাৰ অপসাৰিত নহ’ব, তেতিয়ালৈকে সমাজবাদী পাৰ্টি (এছ পি) আৰু বহুজন সমাজ পাটি (বি এছ পি)-য়ে মৰ্চা বাহাল ৰাখিব। বি এছ পিৰ মুৰব্বী মায়াৱতীয়ে আজি উত্তৰ প্ৰদেশৰ আম্বেদকাৰ নগৰত এখন নিৰ্বাচনী সভাত অংশ লৈ এইদৰে ঘোষণা কৰে। এছ পি-বি এছ পিৰ মৰ্চা গঠনে বিজেপিক লোকসভাৰ চলিত নিৰ্বাচনত সংকটৰ সন্মুখীন কৰালে বুলিও মায়াৱতীয়ে দাবী কৰে। এছ পি আৰু বি এছ পিৰ মৰ্চা গঠনৰ মূল উদ্দেশ্য হৈছে কেন্দ্ৰত মোদী আৰু উত্তৰ প্ৰদেশত যোগীক ক্ষমতাৰ পৰা অপসাৰিত কৰা বুলি মন্তব্য কৰি মায়াৱতীয়ে কয় যে অহা ২৩ মে’ত ঘোষিত হ’ব লগা নিৰ্বাচনৰ ফলাফলক লৈ মোদী ইমানে শংকিত হৈছে যে তেওঁ আবোল-তাবোল বকিবলৈ লৈছে।

# কানাডাৰ নাগৰিক অক্ষয়ক ৰাষ্ট্ৰীয় শ্ৰেষ্ঠ অভিনেতাৰ বঁটা প্ৰদানক লৈ প্ৰশ্ন উত্থাপন



**নিউজ ব্যুৰ’, মুম্বাই, ৫ মে’ ঃ** বলিউডৰ জনপ্ৰিয় অভিনেতা অক্ষয় কুমাৰ ভাৰতৰ নহয়, কানাডাৰ নাগৰিক বুলি বাতৰি প্ৰচাৰিত হোৱাৰ পাছত অভিনেতাজনক শ্ৰেষ্ঠ অভিনেতাৰ ৰাষ্ট্ৰীয় বঁটা প্ৰদানক লৈ ছ’চিয়েল মিডিয়াত প্ৰশ্ন উত্থাপিত হৈছে। একাংশ ছ’চিয়েল মিডিয়া ব্যৱহাৰকাৰীয়ে কয় যে অক্ষয় যিহেতু ভাৰতীয় নাগৰিক নহয়, তেন্তে তেওঁ কেনেকৈ ৰাষ্ট্ৰীয় বঁটাৰ দাবীদাৰ হ’ব পাৰিব? উল্লেখ্য যে ২০১৬ত অক্ষয়ে শ্ৰেষ্ঠ অভিনেতাৰ ৰাষ্ট্ৰীয় পুৰস্কাৰ লাভ কৰিছিল। কানাডাৰ নাগৰিক হিচাপে অক্ষয় কুমাৰক চলচ্চিত্ৰৰ ৰাষ্ট্ৰীয় বঁটা প্ৰদান কৰা অনুচিত বুলি একাংশ লোকে যুক্তি প্ৰদৰ্শন কৰাৰ সময়তে চলচ্চিত্ৰ নিৰ্মাতা ৰাহুল ঢোলকীয়াই অক্ষয়ৰ সমৰ্থনত থিয় দিয়ে। ‘ৰাষ্ট্ৰীয় বঁটাৰ ক্ষেত্ৰত বিদেশী মূলৰ লোককো এই বঁটাৰ বাবে নিৰ্বাচন কৰিব পাৰি। এয়া বৈধ আৰু নিয়ম অনুসৰি লোৱা সিদ্ধান্ত।’ চলচ্চিত্ৰ বঁটা নিৰ্বাচনৰ জুৰিৰ সদস্য হিচাপে পূৰ্বে কাৰ্যনিৰ্বাহ কৰা ঢোলকীয়াই এইদৰে কয়। অভিনেতা-ৰাজনীতিক পৰেশ ৰাৱলেও অক্ষয়লৈ সমৰ্থন ব্যক্ত কৰি কয়, ‘অভিনয় জীৱনৰ কেৰিয়াৰত মই অক্ষয় কুমাৰৰ দৰে সৎ আৰু সৰল মনৰ মানুহ লগ পোৱা নাই। অক্ষয়ে নিজৰ নাগৰিকত্ব সন্দৰ্ভত যি বক্তব্য আগবঢ়াইছে সেয়া সত্য আৰু সেয়েহে আমি অক্ষয়ৰ স’তে আছো।’ উল্লেখ্য যে লোকসভাৰ চলিত নিৰ্বাচনত অক্ষয়ে ভোটদান নকৰাৰ পাছতে তেওঁ ভাৰতৰ নহয়, বৰঞ্চ কানাডাৰ নাগৰিক হোৱাৰ তথ্য পোহৰলৈ আহিছিল।

# সহকৰ্মীৰ স’তে ছেলফি উঠি ধেমালি কমাণ্ডাৰ অভিনন্দনৰ

**নিউজ ব্যুৰ’, শ্ৰীনগৰ, ৫ মে’ ঃ** পাকিস্তানৰ এখন এফ-১৬ যুঁজাৰু বিমান ধ্বংস কৰি সংবাদ শিৰোনাম দখল কৰা ভাৰতীয় বায়ুসেনাৰ উইং কমাণ্ডাৰ অভিনন্দন বৰ্তমানৰ কেইখনমান ফটো আৰু ভিডিঅ’ ছ’চিয়েল মিডিয়াত শেহতীয়াভাৱে ভাইৰেল হৈছে। এই ফটো আৰু ভিডিঅ’ত অভিনন্দনে সহকৰ্মীৰ স’তে হাঁহি-ধেমালি কৰাৰ দৃশ্য আবদ্ধ হৈছে। পাকিস্তানী বিমান ধ্বংস কৰি ঘটনাক্ৰমে অভিনন্দন পাকিস্তানত বন্দী হৈছিল যদিও পাছত তেওঁক পাকিস্তান চৰকাৰে মুক্ত কৰি দিয়ে। স্বদেশলৈ উভতি অহাৰ পাছত অভিনন্দনে কিছুদিন চিকিৎসালয়ত চিকিৎসা গ্ৰহণ কৰিছিল আৰু সেনাৰ চিকিৎসকৰ অনুমতি লাভৰ পাছতে তেওঁ শ্ৰীনগৰৰ বায়ুসেনাৰ স্কোৱাড্ৰনত যোগদান কৰিছিল। অচিৰে অভিনন্দনে ককপিটৰ দায়িত্ব পুনৰ গ্ৰহণ কৰিব। কৰ্মত নতুনকৈ যোগদানৰ পূৰ্বে সহকৰ্মীৰ স’তে হাঁহি-ধেমালি কৰাৰ লগতে অভিনন্দনে কে’বাখনো ছেলফিও উঠে। এই ছেলফি ছ’চিয়েল মিডিয়াত বহুলভাৱে প্ৰচাৰিত হৈছে।





মৰাণ ছাত্ৰ সন্থাৰ অধিবেশন উপলক্ষে উলিওৱা সাংস্কৃতিক শোভাযাত্ৰা, দেওবাৰে।

# ৪৮ বছৰে মেৰামতি নহ'ল লংজাপ উপ-স্বাস্থ্য কেন্দ্ৰ

## পুনৰ নিৰ্মাণৰ দাবী

অগ্ৰদূত বাৰ্তা

**কচুৰা, ৫ মে' ঃ** জাতি, মাটি, ভেটিৰ কথা কৈ অহা বিজেপি মিত্ৰজোঁটে চৰকাৰে আন আন শিতানৰ লগতে স্বাস্থ্য বিভাগটোৰ উন্নয়ন সাধাৰণতে বছৰি কোটি-কোটি ৰাজভড়ালৰ ধন ব্যয় কৰি অহাৰ সময়তে ৰহা সমষ্টিৰ গৰুবাট মৌজাক এনে ধৰণৰ আঁচনিয়ে ঢুকি নোপোৱাৰ কথা পোহৰ লৈ আহিছে। উল্লেখ্য যে সমষ্টিৰ ভিতৰতে সৰ্ববৃহৎ লংজাপ পঞ্চায়ত। কাৰ্বি আংলং সীমান্তত অৱস্থিত এই অঞ্চলত ৰাস্তা-ঘাট, যোগাযোগ, শিক্ষা, বিজুলী আদি প্ৰধান সমস্যাবোৰৰ ভিতৰত স্বাস্থ্য অন্যতম। কাৰ্বি আংলং সীমান্তৱৰ্তী অঞ্চল হিচাপে এই অঞ্চলত জ্বৰ, জণ্ডিজ, মেলেৰিয়া, টাইফয়েড, গ্ৰহণী আদি ৰোগসমূহ ভিতৰুৱা গ্ৰামাঞ্চলত প্ৰাৰ্দুভাৱ বেছি। লংজাপৰ বৃহৎ অঞ্চলটোত বিশুদ্ধ খোৱাপানীৰ অভাৱ। ফলত বছৰটোৰ ১২ মাহে অঞ্চলবাসীয়ে বিভিন্ন ৰোগত আক্ৰান্ত হৈ জীয়তু ভোগ কৰি আহিছে। ভিতৰুৱা-দুৰ্গম অঞ্চলবাসীৰ সুবিধাৰ্থে অসম চৰকাৰে তথা স্বাস্থ্য বিভাগে লংজাপ অঞ্চলৰ বাবে উপ-স্বাস্থ্য কেন্দ্ৰ অনুমোদন কৰে ১৯৭১তে। কেন্দ্ৰটো অঞ্চলটোৰ মধ্যম স্থলত হ'ব লাগিছিল যদিও স্থানীয় একাংশ অসামাজিক, স্বাৰ্থান্বেষী লোকৰ হস্তক্ষেপৰ নানা বিতৰ্কিত অভিযোগ থকা স্বত্বেও চিৰবোঁৱতী পাহাৰীয়া খৰস্ৰোতা বৰপানী নদীৰ নিচেই কাষত স্থাপন কৰে। ফলত কেন্দ্ৰটোৰ লগতে কেন্দ্ৰলৈ আহ-যাহ কৰা বাট-পথ বছৰি খহনীয়াৰ লগতে প্ৰতিটো বাৰিষাত বানৰ কৱলত পৰি আজি ৩০ বছৰ ধৰি জীয়াতু ভোগ কৰিব লগা হৈছে। নদীৰ দাঁতিতে কেন্দ্ৰটো স্থাপন হোৱা বাবে পাহাৰীয়া খৰস্ৰোতা বৰপানী নদীৰ প্ৰৱল বান পানীৰ কৱলত পৰি ২০০১তে এক বৃহৎ মথাউৰিৰ লগতে স্বাস্থ্যকেন্দ্ৰটোৰ চৌহদৰ মজিয়া খহাই লৈ যায়। তাৰ পাছৰ পৰাই কেন্দ্ৰটোলৈ নাৰ্ছ-চিকিৎসক কোনো নহা হয়। স্থানীয় ৰাইজে প্ৰতিটো ৰাজনৈতিক দলৰ প্ৰতিনিধি, জিলা স্বাস্থ্য বিষয়াকে আদি কৰি একাধিকবাৰ কেন্দ্ৰটো মেৰামতি- নিৰ্মাণৰ সন্দৰ্ভত অভিযোগ কৰি অহাৰ পাছতো বিগত ৪৮ বছৰে সকলো ফুটুকাৰ ফেনত পৰিণত হৈ আহিছে। কেন্দ্ৰটো বিগত ৪৮ বছৰে পৰিত্যক্ত হৈ আহিছে। লংজাপ উপ-স্বাস্থ্য কেন্দ্ৰৰ নাৰ্চ,



চিকিৎসাকৰ্মীসকলে ইচ্ছা হ'লে কেতিয়াবা অঞ্চলটোৰ কাৰোবাৰ চোতালত, ঘৰত বহি দায়িত্ব সামৰে। অঞ্চলটোৰ গৰ্ভৱতী মহিলা, শিশু আৰু ৰোগীসকলে চিকিৎসাৰ নামত বঞ্চিত হৈ অহাৰ অভিযোগ উঠিছে। এই ক্ষেত্ৰত স্থানীয় বিধায়ক ডিম্বেশ্বৰ দাসেও চকুমুদা কুলিৰ ভাও লোৱা পৰিলক্ষিত হৈছে। বিধায়কজনক স্থানীয় ৰাইজে অকৰ্মণ্য আখ্যা দিছে। কেন্দ্ৰটো পুনৰ নিৰ্মাণৰ বাবে একাধিক সামাজিক সংগঠন-ৰাইজে দাবী জনাইছে।

## গোসাঁইগাঁৱত কেন্দ্ৰীয়ভাৱে ৰঙালী বিহুৰ আয়োজন

অগ্ৰদূত বাৰ্তা

**গোসাঁইগাঁও, ৫ মে' ঃ** বৃহত্তৰ গোসাঁইগাঁও মহকুমাৰ বিভিন্ন প্ৰান্তৰ বিদ্যালয়সমূহত কৰ্মৰত টেট শিক্ষকসকলৰ সন্মিলিত প্ৰচেষ্টাত আৰু গোসাঁইগাঁওবাসী ৰাইজৰ সমূহীয়া উদ্যোগত অহা ১২ আৰু ১৩ মে'ত স্থানীয় কমলনাথ ক্লাব কাম লাইব্ৰেৰীৰ বাকৰিত ৰঙালী বিহু পালনৰ আয়োজন কৰা হৈছে। এই উপলক্ষে যোৱা দুই মে'ত গোসাঁইগাঁৰৰ কে'বাটাও সামাজিক সংগঠনৰ বিষয়ববীয়া আৰু স্থানীয় ৰাইজৰ উপস্থিতিত স্থানীয় কমলনাথ ক্লাব কাম লাইব্ৰেৰীত বিয়লি এখন ৰাজহুৱা সভা অনুষ্ঠিত হয়। অধ্যাপক ড° দীনেশ দাসৰ সভাপতিত্বত আয়োজিত তথা সাংবাদিক ৰুবুল পাঠকে আঁতধৰা আৰু সাংবাদিক শংকৰ চৌধুৰীয়ে শলাগৰ শৰাই আগবঢ়োৱা সভাত কমলনাথ ক্লাব কাম লাহব্ৰেৰীৰ সম্পাদক মদন দাস, গোসাঁইগাঁও নামঘৰৰ সভাপতি তথা সম্পাদক ক্ৰমে মানিক চন্দ্ৰ ডেকা আৰু ভূপাল বৈশ্য, গোসাঁইগাঁও আঞ্চলিক ছাত্ৰ সন্থাৰ সভাপতি আৰু সম্পাদক ক্ৰমে যতেন ৰায় আৰু আফজালুৰ ৰহমান প্ৰমুখ্যেক বহু সংখ্যক স্থানীয় লোক উপস্থিত থাকে। সভাত আলোচনাৰ অন্তত এখন কাৰ্যকৰী সমিতি গঠন কৰা হয়। সেই মৰ্মে জ্যেষ্ঠ প্ৰৱক্তা ড° দীনেশ দাসক সভাপতি আৰু সাংবাদিক ৰুবুল পাঠকক সম্পাদক আৰু শিক্ষক বিশ্বজিৎ পাটোৱাৰীক কোষাধ্যক্ষৰূপে লৈ এখন বিহু উদ্‌যাপন সমিতি গঠন কৰা হয়। সমিতিখনত স্থানীয় বিধায়ক মাজেন্দ্ৰ নাৰ্জাৰীক মুখ্য পৃষ্ঠপোষক আৰু পৃষ্ঠপোষক হিচাপে বি টি চিৰ কাৰ্যবাহী সদস্য মৃত্যুঞ্জয় নাৰ্জাৰী, পৌৰপতি ধ্ৰুৱ কুমাৰ ব্ৰহ্ম নাৰ্জাৰী, মহকুমাধিপতি গয়াপ্ৰয়াদ আগৰৱালা, মহকুমা আৰক্ষী বিষয়া বিদ্যুৎ বিকাশ বৰা ভূঞা আৰু জেঠমল মালোক সন্নিবিষ্ট কৰা হয়। দুয়োদিনৰ সমূহ কাৰ্যসূচী সূচাৰুৰূপে চলাই নিয়াৰ বাবে মূল সমিতিক সহায় কৰিবলৈ উক্ত সভাতে বিভিন্ন উপ-সমিতিসমূহো গঠন কৰা হয়। আয়োজক সমিতিয়ে যুগুতাই উলিওৱা কাৰ্যসূচী অনুসৰি প্ৰথমদিনা পতাকা উত্তোলনৰ পাছত ভেশছনৰ লগতে বিভিন্ন থলুৱা খেল-ধেমালি প্ৰতিযোগিতা, আবৃত্তি আৰু সাহিত্য প্ৰতিযোগিতা অনুষ্ঠিত হ'ব। ইয়াৰ পাছতে সন্ধিয়া বিহু নৃত্য আৰু লোকনৃত্য (একক আৰু দলীয় শাখাত) প্ৰতিযোগিতাৰ লগতে নিশালৈ স্থানীয় শিল্পীসকলৰ দ্বাৰা অনুষ্ঠিত হ'ব সাংস্কৃতিক অনুষ্ঠান। ১৩ মে'ত বিভিন্ন জাতি-জনগোষ্ঠীৰ সমন্বয়ত সাংস্কৃতিক শোভাযাত্ৰাৰ অন্তত বিয়লি সাংস্কৃতিক সমন্বয় সমাৰোহ অনুষ্ঠিত হ'ব সন্ধিয়া। মুকলি সভা আৰু বঁটা বিতৰণী অনুষ্ঠান। সাংস্কৃতিক অনুষ্ঠান উদ্বোধনৰ পাছত সম্বৰ্ধনা অনুষ্ঠান আৰু বিহু হুঁচৰি প্ৰদৰ্শন।

## দেৰগাঁৱত বুলেট চুৰি

**দেৰগাঁও, ৫ মে' ঃ** দেৰগাঁও ন নম্বৰ ৱাৰ্ডৰ পদ্মপুৰ নিবাসী হৰকান্ত মহন্তৰ গৃহৰ ভাড়াঘৰৰ পৰা কালি এ-এছ-০৫ কে-৪৩৫৩ নম্বৰৰ এখন ক'লা ৰঙৰ বুলেট চোৰে চুৰি কৰি লৈ যায়। মাধুৰ্য ভৰালী নামৰ যুৱকজনৰ বুলেটখন তলা মাৰি ৰখাই থোৱা অৱস্থাত সন্ধিয়া ৬-৩০ বজাত গেট খুলি চোৰে লৈ যায়। ভুক্তভোগী মাধুৰ্যই দেৰগাঁও আৰু আৰক্ষী থানাত কালি এজাহাৰ দাখিল কৰিছে। দেৰগাঁও আৰক্ষী থানাৰ অন্তৰ্গত বিভিন্ন স্থানত সঘনাই এনেদৰে মটৰ চাইকেল চুৰি হোৱা কাৰ্যই চকু কপালত তুলিছে সচেতন মহলত। বুলেটৰ গৰাকী মাধুৰ্যই তেওঁৰ বুলেটখন যদি কোনো সদাশয় ব্যক্তিয়ে উদ্ধাৰ কৰিব পাৰে তেনেহ'লে নগদ ২০ হেজাৰ টকা পুৰস্কাৰ দিম বুলি ঘোষণা কৰিছো যদি কোনো সদাশয় লোকে বুলেটখনৰ খবৰ পায় তেনেহ'লে ৮৬৩৮৮৯৯৭৫২ নম্বৰত যোগাযোগ কৰিবলৈ অনুৰোধ জনাইছে।

## টংলা বিদ্যাপীঠত বিজ্ঞান আৰ্হি প্ৰতিযোগিতা

অগ্ৰদূত বাৰ্তা

**টংলা, ৫ মে' ঃ** ওদালগুৰি জিলাৰ অন্যতম শিক্ষানুষ্ঠান তথা টংলাস্থিত টংলা আদৰ্শ বিদ্যাপীঠত কালি ছাত্ৰ-ছাত্ৰীসকলৰ মাজত বিজ্ঞান আৰ্হি প্ৰতিযোগিতা অনুষ্ঠিত হয়। বিদ্যাপীঠৰ শতাধিক ছাত্ৰ-ছাত্ৰীয়ে উক্ত বিজ্ঞান আৰ্হি প্ৰতিযোগিতাত ৫০ টা বিজ্ঞান আৰ্হি প্ৰস্তুত কৰি প্ৰদৰ্শন কৰে। টংলা আদৰ্শ বিদ্যাপীঠৰ অধ্যক্ষ অঞ্জলি শৰ্মাই উদ্বোধন কৰা প্ৰতিযোগিতাত বিচাৰক হিচাপে অংশগ্ৰহণ কৰে টংলা মহাবিদ্যালয়ৰ প্ৰাণী বিজ্ঞান বিভাগৰ মুৰব্বী অধ্যাপিকা অনিমা ভূঞা বৰুৱা আৰু হৰিশিঙা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ পদাৰ্থ বিজ্ঞানৰ বিষয় শিক্ষক বনমালী নাথ। বিদ্যাপীঠৰ বিজ্ঞান শিক্ষক মৃগাংক প্ৰতিম তালুকদাৰ, জিতু শৰ্মা আৰু প্ৰিয়া বড়োৰ তত্ত্বাৱধানত ছাত্ৰ-ছাত্ৰীসকলে প্ৰস্তুত কৰা বিজ্ঞান আৰ্হিৰ ভিতৰত দীপজ্যোতি দাস, বিজয় ডেকা আৰু কৌশিক দাসে প্ৰস্তুত কৰা হাইএলাৰ্ট চিকিউৰিটি ছিষ্টেম আৰ্হিক প্ৰথম স্থানত নিৰ্বাচিত কৰে। আনহাতে ডিম্পী বৰা, পিংকী দাস আৰু ভাস্কৰ কৰ্মকাৰে প্ৰস্তুত কৰা এচিড বৰষুণ পদ্ধতি আৰ্হিক দ্বিতীয় স্থান, জয় প্ৰকাশ ৰাভা আৰু সুমন শৰ্মাই প্ৰস্তুত কৰা ড্ৰোণ নিৰ্মাণ আৰ্হিত তৃতীয় স্থানত নিৰ্বাচিত কৰাৰ লগতে কাজল ব্যাস, হেমাংগ বড়ো আৰু টিম্পল বসুমতাৰীয়ে প্ৰস্তুত কৰা ৰাটাৰ এলাৰ্ম আৰ্হি আৰু ৰশ্মি ৰয় আৰু হিমা দাসে প্ৰস্তুত কৰা আইছ কুলাৰ আৰ্হিক উদ্‌গনিমূলক বঁটা প্ৰদান কৰা হয়।

## ৩৭ নম্বৰ ৰাষ্ট্ৰীয় ঘাইপথ মেৰামতিৰ দাবীত আন্দোলন ঘোষণা

**পশ্চিম যোৰহাট, ৫ মে', ঃ** যোৰহাট জিলাৰ পশ্চিম যোৰহাটৰ দিশৰ ৩৭ নম্বৰ ৰাষ্ট্ৰীয় ঘাইপথ (অজন্তা বাইপাছৰ পৰা কাকডোঙা পৰ্যন্ত) জৰাজীৰ্ণ আৱস্থাৰ বাবে যাতায়াতৰ লগতে সাধাৰণ জীৱন যাপনত দীৰ্ঘদিন ধৰি অসুবিধাৰ সৃষ্টি হৈ আহিছে। উক্ত পথছোৱাত সৃষ্টি হোৱা ডাঙৰ ডাঙৰ পুখুৰী সদৃশ গাঁতৰ বাবে যানবাহনসমূহৰ প্ৰতিদিনে দুৰ্ঘটনাত পতিত হোৱাৰ উপৰি বহুতো লোক আহত হোৱাৰ লগতে মৃত্যুকো সাবটিব লগা হৈছে। সেইসমূহ গাঁত নিম্নমানৰ সামগ্ৰীৰে পুতিব খোজাত তাত ব্যৱহাৰ কৰা বালিৰ বাবে সমগ্ৰ অঞ্চল ধূলিৰে একো নেদেখা হৈ পৰিছে। ফলত মটৰ চাইকেল আৰোহীসকলৰ অতি দুৰৱস্থা হোৱাৰ লগতে সাধাৰণ জীৱন যাপনতো অসুবিধাৰ সৃষ্টি হৈছে। অসম জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদৰ পশ্চিম যোৰহাট আঞ্চলিক সমিতিয়ে দীৰ্ঘদিনৰ পৰাই উক্ত বিষয়ত কাৰ্যসূচী লোৱাৰ লগতে জিলা প্ৰশাসন, ৰাষ্ট্ৰীয় ঘাইপথ প্ৰাধিকৰণ আৰু জিলা উপায়ুক্তৰ যোগেদি মুখ্যমন্ত্ৰীলৈ স্মাৰকপত্ৰ প্ৰেৰণ কৰিছিল যদিও পথছোৱা মেৰামতিৰ বাবে কোনো বিহিত ব্যৱস্থা লোৱা পৰিলক্ষিত নহ'ল। সেই বাবে বৃহত্তৰ পশ্চিম যোৰহাটবাসী ৰাইজৰ সহযোগত পশ্চিম যোৰহাট আঞ্চলিক সমিতিয়ে ধাৰাবাহিক প্ৰতিবাদী কাৰ্যসূচী গ্ৰহণ কৰাৰ অংশৰূপে অহা ছয় মে'ত পথ অৱৰোধ কাৰ্যসূচী গ্ৰহণ কৰিব বুলি এক প্ৰেছ বিবৃতিযোগে জানিবলৈ দিয়ে পশ্চিম যোৰহাট আঞ্চলিক সমিতিৰ সভাপতি ছাদ্দাম হুছেইন আৰু সাধাৰণ সম্পাদক ইন্দ্ৰজিত শইকীয়াই।

## সোণাৰি পৌৰসভা-মৰাণ নগৰ সমিতিৰ বৈঠক সম্পন্ন

অগ্ৰদূত বাৰ্তা

**মৰাণ, ৫ মে' ঃ** আগন্তুক বাৰিষাৰ প্ৰতি লক্ষ্য ৰাখি চৰাইদেউ জিলাৰ অন্তৰ্গত সোণাৰি পৌৰসভা আৰু মৰাণ নগৰ সমিতিৰ সকলো ৱাৰ্ডক সামৰি উন্নয়নমূলক আৰু পৰিষ্কাৰ-পৰিচ্ছন্নতা সম্বন্ধীয় বিশেষ পৰিকল্পনা যুগুত কৰি কাৰ্যসূচী হাতত লৈছে চৰাইদেউ জিলা প্ৰশাসনে। এই সন্দৰ্ভত যোৱা তিনি মে'ত চৰাইদেউ জিলা উপায়ুক্ত কাৰ্যালয়ৰ সভাকক্ষত উপায়ুক্ত দীপক কুমাৰ সন্দিকৈৰ সভাপতিত্বত সম্পন্ন হোৱা বৈঠকত দুয়োখন নগৰত পেলনীয়া সামগ্ৰী, জাবৰ-জোঁথৰ, নলা-নৰ্দমা পৰিষ্কাৰ, উপযুক্ত স্থানত ডাষ্টবিনৰ ব্যৱস্থা, অনুপযুক্ত স্থানৰ পৰা ডাষ্টবিন স্থানান্তৰ, পলিথিনৰ ব্যৱহাৰ নিষিদ্ধ, ই-ৰিক্সা নিয়ন্ত্ৰণ, পদপথসমূহ মুক্ত মাদক দ্ৰব্য নিয়ন্ত্ৰণ, নগৰৰ মাজমজিয়াত গধুৰ যান-বাহনৰ চলাচল নিয়ন্ত্ৰণ কৰা আদি কেতবোৰ স্পৰ্শকাতৰ বিষয়ৰ ওপৰত আলোচনাৰ অন্তত সিদ্ধান্ত গ্ৰহণ কৰা হয়। আনহাতে, চৰাইদেউ জিলাৰ আৰক্ষী অধীক্ষক আনন্দ মিশ্ৰই বৈঠকত অংশগ্ৰহণ কৰি এই সন্দৰ্ভত সম্পূৰ্ণ সহযোগিতা আগবঢ়োৱাৰ আশ্বাস দিয়ে। উল্লেখ্য যে সভাত চৰাইদেউ জিলাৰ অতিৰিক্ত উপায়ুক্ত ক্ৰমে জিত কুমাৰ দাস, প্ৰণৱ কুমাৰ বৰা, জিলাখনৰ জ্যেষ্ঠ নাগৰিকসকল, সোণাৰি পৌৰসভা আৰু মৰাণ নগৰ সমিতিৰ বিষয়ববীয়া তথা জিলাখনৰ সংবাদকৰ্মীসকলৰ লগতে জিলাখনৰ বিভিন্ন বিভাগৰ বিষয়াসকল উপস্থিত থাকে।

## ঢেকিয়াজুলিৰ ভংগামন্দিৰত জ্ঞানযজ্ঞ-প্ৰবচনৰ আয়োজন

অগ্ৰদূত বাৰ্তা

**ঠেলামৰা, ৫ মে' ঃ** শোণিতপুৰ জিলাৰ ঢেকিয়াজুলি ৰাজহ চক্ৰ অঞ্চলৰ বৰছলা সমষ্টিৰ ভংগামন্দিৰত অহা সাত মে'ৰ পৰা সপ্তাহজোৰা কাৰ্যসূচীৰে শ্ৰীমদ্ভাগৱত মহাপুৰুষ জ্ঞানযজ্ঞ আৰু প্ৰবচনৰ আয়োজন কৰা হৈছে। ভংগামন্দিৰ নবোদয় যুৱক সংঘৰ সৌজন্যত ভংগামন্দিৰ চাৰিআলিত আয়োজন কৰা শ্ৰীমদ্ভাগৱত মহাপুৰাণ জ্ঞানযজ্ঞ আৰু প্ৰবচনৰ কাৰ্যসূচীসমূহ সুচাৰুৰূপে পৰিচালনাৰ বাবে নবোদয় যুৱক সংঘৰ বিষয়ববীয়া আৰু স্থানীয় ৰাইজে প্ৰস্তুতি সম্পূৰ্ণ কৰিছে। কাৰ্যসূচী অনুসৰি অহা সাত মে'ত ধৰ্মধ্বজা উত্তোলনেৰে কাৰ্যসূচী আৰম্ভ কৰাৰ পাছতে কলহ যাত্ৰাৰে শ্ৰীমদ্ভাগৱত মহাপুৰাণ জ্ঞানযজ্ঞ আৰু প্ৰবচন আৰম্ভ কৰা হ'ব। প্ৰত্যেকদিনা বন্দনা আৰু ভজন-কীৰ্তনৰ কাৰ্যসূচী ৰূপায়ণ কৰাৰ লগতে দিনৰ ১১ৰ পৰা আবেলি তিনি বজালৈ শ্ৰীমদ্ভাগৱত মহাপুৰাণ জ্ঞানযজ্ঞৰ কাৰ্যসূচী ৰূপায়ণ কৰা হ'ব। ইফালে ১৩ মে'ত উপনয়নৰ কাৰ্যসূচীৰ লগতে সন্ধিয়া লক্ষ বন্তি প্ৰজ্বলন কৰা হ'ব আৰু ১৪ মে' অন্তিম দিনা বিসৰ্জনৰ কাৰ্যসূচী ৰূপায়ণ কৰা হ'ব। উল্লেখ্য যে স্থানীয় যুৱক পণ্ডিত ভূষণ বৰাল মুখ্য প্ৰবচকৰূপে অংশগ্ৰহণ কৰিব লগা শ্ৰীমদ্ভাগৱত মহাপুৰাণ জ্ঞানযজ্ঞ আৰু প্ৰবচনৰ সমূহ কাৰ্যসূচীত সহায়-সহযোগিতা আগবঢ়াবৰ বাবে উদ্‌যাপন সমিতিৰ হৈ ভংগামন্দিৰ নবোদয় যুৱক সংঘৰ সভাপতি চূড়ামণি কৈৰালা, কাৰ্যকৰী সভাপতি পুষ্প বস্নেত, যাদৱ গৌতম, সাধাৰণ সম্পাদক কিৰণ খড়কা আৰু সহসম্পাদক মিলন দাহালে অঞ্চলটোৰ ৰাইজক অনুৰোধ জনাইছে।

## হোজাইত নাৰী সুৰক্ষা সজাগতামূলক শোভাযাত্ৰা

অগ্ৰদূত বাৰ্তা

**হোজাই, ৫ মে' ঃ** হোজাই জিলাৰ ঐতিহ্যমণ্ডিত কৃষ্ণ বৰা বি এড মহাবিদ্যালয়ৰ দ্বিতীয় বাৰ্ষিকৰ প্ৰশিক্ষাৰ্থীসকলৰ উদ্যোগত আৰু লস্কৰ পাঞ্চালী হাইস্কুল, গুড চেফ্ৰেড ইংলিছ স্কুল আৰু অসম ভেলী একাডেমীৰ সহযোগত লস্কৰ পাঞ্চালী হাইস্কুলত কালি এখন নাৰী সৱলীকৰণ সভা অনুষ্ঠিত হয়। লস্কৰ পাঞ্চালী হাইস্কুলৰ প্ৰধান শিক্ষক হিফজুৰ ৰহমানৰ সভাপতিত্বত অনুষ্ঠিত সভাত উপস্থিত থাকে কৃষ্ণ বৰা বি এড কলেজৰ অধ্যক্ষ মুস্তাফিৰ ৰহমান, লংকা জুনিয়ৰ কলেজৰ প্ৰৱক্তা অনু ৰিজলৰ লগতে সহস্ৰাধিক ছাত্ৰ-ছাত্ৰী আৰু অভিভাৱকসকল। আৰম্ভণিতে পুৱা নাৰী সুৰক্ষা সজাগতামূলক শোভাযাত্ৰা উলিওৱা হয়। নাৰীৰ সম অধিকাৰ, নাৰীৰ সুৰক্ষা আদি বিভিন্ন শ্ল'গানেৰে হাতে হাতে প্লেকাৰ্ড লৈ শোভাযাত্ৰা উলিওৱা হয়। শোভাযাত্ৰাত প্ৰায় সহস্ৰাধিক ছাত্ৰ-ছাত্ৰীৰ লগতে শিক্ষক-শিক্ষয়িত্ৰীসকলে ভাগ লয়। শোভাযাত্ৰাৰ পাছত সভা আৰম্ভ হয়।

## শিৱসাগৰত মহিলা সন্ধানহীন

বিশেষ সংবাদদাতা

**শিৱসাগৰ, ৫ মে', ঃ** শিৱসাগৰ চহৰৰ পৰা এগৰাকী মহিলা সন্ধানহীন হৈ থকা ঘটনাই প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছে। সন্ধানহীন হোৱা মহিলাগৰাকী শিৱসাগৰৰ ৩৭ নম্বৰ ৰাষ্ট্ৰীয় ঘাইপথৰ নিবাসী বিজয় দেৰ পত্নী উৰ্মিলা পাল (২৭)। এগৰাকী কন্যা সন্তানৰ মাতৃ উৰ্মিলা পাল যোৱা ২৯ এপ্ৰিলৰ সন্ধিয়া ছয় বজাত ঘৰৰ পৰা ওলাই যোৱাৰ পাছৰে পৰা সন্ধানহীন হৈ আছে। মহিলাগৰাকী সন্ধানহীন হৈ থকা সন্দৰ্ভত পৰিয়ালৰ লোকে শিৱসাগৰ সদৰ থানাত এজাহাৰ দাখিল কৰিছে। মহিলাগৰাকীয়ে নিজেই আত্মগোপন কৰিছে নে কোনো লোকে মহিলাগৰাকীক অপহৰণ কৰিছে সেই কথা পোহৰলৈ অহা নাই।

## তেজপুৰত ছখন ট্ৰাক-ডাম্পাৰ জব্দ

অগ্ৰদূত বাৰ্তা

**তেজপুৰ, ৫ মে' ঃ** শোণিতপুৰ পশ্চিম বন সংমণ্ডল অধীনস্থ তেজপুৰ সদৰ বনাঞ্চলিক বিষয়াৰ কাৰ্যালয়ে যোৱা ৩ মে'ত চলোৱা এক অভিযানত অবৈধভাৱে শিল-বালি কঢ়িওৱা মুঠ ছখন ট্ৰাক আৰু ডাম্পাৰ জব্দ কৰে। পুৱা প্ৰায় ৯-৩০ বজাত বন বিভাগৰ অভিযানকাৰী দলটোৱে তেজপুৰৰ পৰোৱা অঞ্চলত চলোৱা অভিযানৰ সময়ত নথিপত্ৰহীনভাৱে শিল-বালি কঢ়িওৱা এ এছ-১২ এ চি-৬৫৫৮, এ এছ-০১ এইছ চি-৭৪৫৩, এ এছ-১২ এ চি-৪৫৯৬, এ এছ-১২-বি চি ০৭২০, এ আৰ-০৪-৭১৬০ আৰু এ এছ-০৯ চি-৭৭০৪ নম্বৰৰ ট্ৰাক আৰু ডাম্পাৰকেইখন জব্দ কৰে।

## দৰঙত ৰাজহুৱা তথা ৰাজহ বিষয়াক অভিযোগৰ শুনানি

বিশেষ সংবাদদাতা

**মঙলদৈ, ৫ মে', ঃ** দৰং জিলাৰ বিভিন্ন ৰাজহুৱা আৰু ৰাজহ সম্পৰ্কীয় অভিযোগৰ নিষ্পত্তিৰ অৰ্থে অহা ন মে'ত মঙলদৈ ৰাজহ চক্ৰ বিষয়াৰ কাৰ্যালয়ত এক শুনানিৰ দিহা কৰা হৈছে। জিলাখনৰ অতিৰিক্ত উপায়ুক্ত কুলেন শৰ্মাই পুৱা ১০ বজাৰ পৰা এই কাৰ্যালয়ত শুনানিৰ বাবে উপস্থিত থাকিব। জিলাখনৰ কোনো ব্যক্তি বা ৰাইজে তেওঁলোকৰ অভিযোগৰ নিষ্পত্তিকৰণৰ অৰ্থে অতিৰিক্ত উপায়ুক্তক সাক্ষাৎ কৰিব পাৰিব। অতিৰিক্ত উপায়ুক্তক এই ক্ষেত্ৰত সহযোগ কৰিব জিলাখনৰ সহকাৰী আয়ুক্ত হেমাশ্ৰী খনিকৰে।

## তিনিদিনীয়া কাৰ্যসূচীৰে নলবাৰী মহকুমা বিহুৰ আয়োজন

অগ্ৰদূত বাৰ্তা

**নলবাৰী, ৫ মে', ঃ** নলবাৰীৰ ৪৯ সংখ্যক মহকুমা বিহু সন্মিলনী অহা সাত, আঠ আৰু ন মে'ত অনুষ্ঠিত হ'ব। চৰকাৰী গৰ্ডন স্কুল খেলপথাৰত মুকুন্দমোহন তালুকদাৰ আৰু গোলক বৰ্মন সোঁৱৰণী ক্ষেত্ৰত প্ৰথম দিনা বিয়লি উদ্‌যাপন সমিতিৰ সভাপতি গণেশ তামুলীয়ে পতাকা উত্তোলনেৰে কাৰ্যসূচী মুকলি কৰিব। ইয়াৰ পাছত জিলা ছাত্ৰ সন্থাৰ সাধাৰণ সম্পাদক অক্ষয় ডেকাই ছহিদ তৰ্পণ আৰু যুৱ ছাত্ৰ পৰিষদৰ জিলা সাধাৰণ সম্পাদক নিৰোদ দাসে মাল্যাৰ্পণ কৰিব। ৪৯ গছি বন্তি প্ৰজ্বলনৰ পাছত বৰনগৰ মহাবিদ্যালয়ৰ অধ্যক্ষ ড° বীৰেন কুমাৰ চক্ৰৱৰ্তীয়ে মুকলি বিহু প্ৰতিযোগিতা উদ্বোধন কৰিব। অনুষ্ঠানত জিলা আৰক্ষী অধীক্ষক অমনজিৎ কৌৰ আৰু সাহিত্যিক বিভা বুজৰবৰুৱা উপস্থিত থাকিব। আঠ মে'ত আবেলি নিত্যানন্দ মেধি সোঁৱৰণী ক্ৰীড়া প্ৰতিযোগিতা উদ্বোধন কৰিব নলবাৰী ক্ৰীড়া সন্থাৰ ফুটবল সম্পাদক দিলীপ কুমাৰ মেধিয়ে। গোপী গোস্বামী সোঁৱৰণী চিত্ৰাংকন প্ৰতিযোগিতা উদ্বোধন কৰিব সমাজসেৱক মুকুল গোস্বামীয়ে। অসম সাহিত্য সভাৰ প্ৰাক্তন সভাপতি ত্ৰৈলোক্য নাথ গোস্বামী সোঁৱৰণী কুইজ প্ৰতিযোগিতা উদ্বোধন কৰিব সাহিত্যিক বশিষ্ঠ গোস্বামীয়ে। ক্ৰীড়া সাংবাদিক-সংগঠক অপূৰ্ব কুমাৰ শৰ্মা সোঁৱৰণী খোজকঢ়া প্ৰতিযোগিতাৰ অন্তত সন্ধিয়া নবীন চন্দ্ৰ তামুলী সোঁৱৰণী সদৌ অসম ভিত্তিত বিহু কুঁৱৰী প্ৰতিযোগিতা। উদ্বোধন কৰিব জিলা পৰিষদৰ সভাপতি নিতুল ডেকাই। ইয়াৰ পূৰ্বে প্ৰয়াত নবীন তামুলীৰ প্ৰতিচ্ছবিত বন্তি প্ৰজ্বলন কৰিব পুত্ৰ গণেশ তামুলীয়ে। নিশা সাংস্কৃতিক সন্ধিয়া উদ্বোধন কৰিব শিশু যোগ বিশেষজ্ঞ ডাঃ প্ৰণৱ কুমাৰ শৰ্মাই। সিদিনাই বিয়লি ৰচি টনা আৰু চেমনীয়াৰ মাজত ফুটবল প্ৰতিযোগিতা অনুষ্ঠিত হ'ব। তদুপৰি সিদিনাই বিশিষ্ট অভিনেত্ৰী চেতনা দাস সাংস্কৃতিক অনুষ্ঠানত উপস্থিত থাকিব। ন মে'ত মৰহুম হাতেম আলী সোঁৱৰণী আবৃত্তি প্ৰতিযোগিতা উদ্বোধন কৰিব কবি বিনয় মজুমদাৰে। সন্ধিয়া বিশিষ্ট ব্যক্তিৰ দ্বাৰা বন্তি প্ৰজ্বলন। বঁটা বিতৰণী অনুষ্ঠান উদ্বোধন কৰিব চিকিৎসক ডাঃ কামেশ্বৰ লহকৰে। ৰাজমোহন হাজৰিকা-সুভদ্ৰা হাজৰিকা সোঁৱৰণী বৰ্ষপঞ্জী উন্মোচনৰ পাছত স্মৰণিকা 'জাপি' উন্মোচন কৰিব বিধায়ক অশোক শৰ্মাই। অনুষ্ঠানত জিলা উপায়ুক্ত ভাৰত ভূষণ দেৱচৌধুৰী, অভিনেত্ৰী জুপিতৰা ভূঞা, পিংকী শৰ্মা আৰু শ্ৰুতি চৌধুৰী উপস্থিত থাকিব। জীৱন শিল্পী আদ্যশৰ্মা সোঁৱৰণী সাংস্কৃতিক সন্ধিয়াত শিল্পী সীমান্ত শেখৰ আৰু দিলীপ দাসে গীত পৰিৱেশন কৰিব।




তেজপুৰত বিশ্ব হাস্য দিৱস উপলক্ষে উলিওৱা সমাৰোহ, দেওবাৰে।

## বেংগলী যুৱ-ছাত্ৰৰ চিৰাং জিলা সমিতি গঠন

অগ্ৰদূত বাৰ্তা

**গৰুভাষা, ৫ মে' ঃ** সদৌ অসম বেংগলী যুৱ-ছাত্ৰ ফেডাৰেছন (এ এ বি ৱাই এছ এফ)ৰ চিৰাং জিলা সমিতিখন আনুষ্ঠানিকভাৱে গঠন কৰা হয়। বেংগলী ছাত্ৰ সংগঠনটোৰ বিটিএডি ক্ষেত্ৰীয় সমিতিৰ সভাপতি ৰাজীৱ সৰকাৰে কালি সংবাদ মাধ্যমলৈ প্ৰেৰিত এক প্ৰেছ বিজ্ঞপ্তিযোগে এই সন্দৰ্ভত সংবাদ মাধ্যমক জানিবলৈ দি কয় যে চিৰাং জিলাৰ কুকুৰমাৰীস্থিত মুন হোটেলত কালি বিয়লি ফেডাৰেছনৰ এখন গুৰুত্বপূৰ্ণ সাংগঠনিক সভা অনুষ্ঠিত হয়। ফেডাৰেছনৰ চিৰাং জিলাখনৰ এগৰাকী সক্ৰিয় কৰ্মী চৈতন্য পালৰ সভাপতিত্বত অনুষ্ঠিত সভাখনত কিংকৰ প্ৰসাদ দেক সভাপতি আৰু আনন্দ চন্দ্ৰ আৰ্যক সাধাৰণ সম্পাদক তথা সুজিত মণ্ডল, চৈতন্য পাল, ভানুৰাম দাস আৰু মেঘলাল মণ্ডলক উপদেষ্টা হিচাপে লৈ ৩১ জনীয়া চিৰাং জিলা সমিতিখন গঠন কৰা হয়। সভাত ফেডাৰেছনৰ কেন্দ্ৰীয় সভাপতি কমল চৌধুৰী, উপ-সভাপতি প্ৰবীৰ সান্যাল, সহ সাধাৰণ সম্পাদক বাপ্পী সৰকাৰ আৰু বিটিচি ক্ষেত্ৰীয় সভাপতি ৰাজীৱ সৰকাৰকে ধৰি ভালেসংখ্যক লোক উপস্থিত থাকে।

## তেজপুৰৰ পদপথত পাৰ্কিং-পথচাৰীৰ যাতায়াতত ব্যাঘাত ঃ নীৰৱ প্ৰশাসন

অগ্ৰদূত বাৰ্তা

**তেজপুৰ, ৫ মে' ঃ** তেজপুৰৰ পদপথ এতিয়া একাংশ বণিক গোষ্ঠীয়ে যানবাহন ৰখোৱা ঠাই হিচাপে তথা আৰ্হি প্ৰদৰ্শনৰ স্থানৰূপে ব্যৱহাৰ কৰি আহিছে। পথচাৰীৰ সুবিধাৰ্থে চৰকাৰে বৃহৎ আকাৰৰ নলাৰ লগতে পদপথসমূহ নিৰ্মাণ কৰিছে। ইয়াৰ বিপৰীতে একাংশ ব্যৱসায়িক প্ৰতিষ্ঠানৰ কৰ্মচাৰীৰ বাবে যানবাহন ৰখাৰ সু-ব্যৱস্থা নকৰাৰ বাবে ব্যস্ত পথৰ দাঁতিত আৰু পদপথত ৰখাবলগীয়া হৈছে। তেজপুৰৰ বাহন বিক্ৰী প্ৰতিষ্ঠান নিকামূলস্থিত অধিকাংশ ব্যৱসায়িক প্ৰতিষ্ঠানে সন্মুখৰ পদপথৰ লগতে ৰাষ্ট্ৰীয় ঘাইপথৰ দাঁতিত দুচকীয়া আৰু চাৰিচকীয়া বাহন নিতৌ ৰখাই পথচাৰীৰ



যাতায়াত ব্যাঘাত জন্মাই আহিছে। ৰাষ্ট্ৰীয় ঘাইপথ প্ৰাধিকৰণে তেজপুৰ মিছন চাৰিআলিৰ পৰা দোলাবাৰীলৈকে যান-জঁটৰ সমস্যা হ্ৰাস কৰাৰ বাবে পথছোৱা বহল কৰিছে যদিও পথটোৰ বিভিন্ন অংশত বিজুলী সৰবৰাহৰ পকী খুঁটা, গছ আদি পূৰ্বৰ স্থানতে আছে। ইয়াৰে পূৰ্ণ সুযোগ গ্ৰহণ কৰি ব্যস্ত পথটো পাৰ্কিং তথা ক্ষুদ্ৰ ব্যৱসায়িক স্থানলৈ পৰ্যবসিত হৈছে। বিভিন্ন সময়ত জিলা প্ৰশাসনে এই পথছোৱাত অভিযান চলায় মুকলি কৰে যদিও পুনৰ দোকান-পোহাৰসমূহ গঢ়ি উঠে। বিগত সময়ত জ্যেষ্ঠ নাগৰিকসকলেও বিষয়টো জিলা উপায়ুক্তক দৃষ্টিগোচৰ কৰিছিল। ইয়াৰ পাছতো ব্যৱস্থা গ্ৰহণ নকৰাত পদপথসমূহ পথচাৰীৰ বাবে হৈ থকা নাই। বেচৰকাৰী তিনিখন বিদ্যালয়, নিকামূল সত্ৰ আদিলৈ আহ-যাহ কৰা শিক্ষাৰ্থী, ভকত, সাধাৰণ নাগৰিক পদপথত সুচলভাৱে যাতায়াত কৰিব নোৱাৰাৰ অভিযোগ উঠাৰ উপৰি জিলা প্ৰশাসনে চকুমুদা কুলিৰ ভাও জোৰাৰ বাবে মুকলি কৰাত ব্যৰ্থ হৈছে। জিলা প্ৰশাসনে গুৰুত্বপূৰ্ণ পদপথ মুকলি কৰাত কেনে পদক্ষেপ গ্ৰহণ কৰে সেয়াহে লক্ষ্যণীয় হ'ব।

### ২৬ বছৰে বিনা বেতনে মানৱ সম্পদ গঢ় দিয়াত আত্মনিয়োগ

## ধনৰ অভাৱত চিকিৎসা অবিহনে মৃত্যুৰ ক্ষণ গণিছে সুনীল দাসে

অগ্ৰদূত বাৰ্তা

**দুমুনিচকী, ৫ মে' ঃ** কামৰূপ জিলাৰ বিহদিয়াস্থিত উত্তৰ-পূব কামৰূপ কনিষ্ঠ মহাবিদ্যালয়ত সুদীৰ্ঘ প্ৰায় ২৬ বছৰে বিনা বেতনে সেৱা কৰি অহা সহকাৰী অধ্যাপক সুনীল দাস বৰ্তমান গুৰুতৰভাৱে অসুস্থ হৈ পৰিছে। ১৯৯৩ৰ পৰা বৰ্তমানলৈকে বিনা বেতনে সেৱা আগবঢ়াই অহা এই মহাবিদ্যালয়খন আজিকোপতি ৰঙাফিটাৰ মেৰপেছত প্ৰাদেশিকীকৰণ নোহোৱাত তেওঁ ধনৰ অভাৱত উপযুক্ত চিকিৎসা অবিহনে দিন কটাবলগীয়া হৈছে। এই সন্দৰ্ভত তথ্য অনুসৰি সুনীল দাসে অসুস্থ হৈ পৰাত চিকিৎসকক দেখুওৱাত তেওঁৰ লিভাৰ বিকল হোৱাৰ কথা অৱগত হয়। ইয়াৰ পাছত তেওঁ বিভিন্নজনৰ সহায়ত গুৱাহাটী চিকিৎসা মহাবিদ্যালয় হাস্পতাল, নেমকেয়াৰ হাস্পতালৰ লগতে হায়দৰাবাদত গৈ চিকিৎসা কৰে যদিও আৰ্থিক অভাৱৰ বাবে উন্নত চিকিৎসা গ্ৰহণৰ পৰা বিৰত থাকিব লগা হৈছে। তদুপৰি তেওঁৰ পত্নী মঞ্জু দাসৰো দিনচেৰেক পূৰ্বে পিছলি পৰি ভৰি ভঙাত এতিয়া পৰিয়ালটোত পানীত হাঁহ নচৰা অৱস্থাৰ সৃষ্টি হৈছে। সেয়েহে পৰিয়ালটোৱে তেওঁৰ প্ৰাক্তন ছাত্ৰ-ছাত্ৰী, অভিভাৱক, শুভকাংক্ষী ব্যক্তি, অনুষ্ঠান-প্ৰতিষ্ঠানৰ পৰা উন্নত চিকিৎসাৰ বাবে আৰ্থিক সাহায্য আগবঢ়াবলৈ কাতৰ অনুৰোধ কৰিছে। এই ক্ষেত্ৰত ধনৰ অভাৱত উপযুক্ত চিকিৎসা অবিহনে মৃত্যুৰ ক্ষণ গণিবলৈ বাধ্য হোৱা সুদীৰ্ঘ কাল বিনা বেতনে মানৱ সম্পদ গঢ় দিয়াত আত্মনিয়োগ কৰি অহা শিক্ষকজনক চিকিৎসাৰ স্বাৰ্থত সহায় কৰাৰ বাবে ইচ্ছুক সুহৃদ ব্যক্তিসকলক ষ্টেট বেংক অৱ ইণ্ডিয়াৰ বাইহাটা চাৰিআলি শাখাৰ ৩৪০০৪৮১৭২৯৯ নম্বৰ একাউণ্টত (এছ বি আই এন ০০১১৬১৪) সাহায্য জমা দিবলৈ অনুৰোধ জনাইছে।

৫-৫-২০১৯ সংখ্যাৰ পাছৰ পৰা

# Office of the Accountant General (A & E) Assam, Maidamgaon, Guwahati-781029
## Webpage : http://agasm.cag.gov.in/status of gpf.html

**Final Payment Authorities of General Provident Fund issued during the month of Marcth' 2019 in respect of employees of Government of Assam on retirement/death.**

| Sl. No. | GPF Account No |
|---|---|
| 177 | CW / 50469 |
| 178 | CW / 50631 |
| 179 | CW / 51701 |
| 180 | CW / 51912 |
| 181 | CW / 53087 |
| 182 | CW / 53830 |
| 183 | CW / 56946 |
| 184 | CW / 58733 |
| 185 | CW / 60574 |
| 186 | CW / 60715 |
| 187 | CW / 60819 |
| 188 | CW / 62059 |
| 189 | CW / 62730 |
| 190 | CW / 63150 |
| 191 | CW / 63521 |
| 192 | DT / 3316 |
| 193 | DT / 4270 |
| 194 | DT / 4469 |
| 195 | DT / 4604 |
| 196 | DT / 4672 |
| 197 | DT / 4833 |
| 198 | DT / 5284 |
| 199 | DT / 5461 |
| 200 | DT / 5562 |
| 201 | DT / 6021 |
| 202 | DT / 9270 |
| 203 | EDN / 12796 |
| 204 | EDN / 12855 |
| 205 | EDN / 13512 |
| 206 | EDN / 14549 |
| 207 | EDN / 14850 |
| 208 | EDN / 14955 |
| 209 | EDN / 15019 |
| 210 | EDN / 15400 |
| 211 | EDN / 15820 |
| 212 | EDN / 16139 |
| 213 | EDN / 16192 |
| 214 | EDN / 16305 |
| 215 | EDN / 17179 |
| 216 | EDN / 17180 |
| 217 | EDN / 17242 |
| 218 | EDN / 17716 |
| 219 | EDN / 17794 |
| 220 | EDN / 17886 |
| 221 | EDN / 18114 |
| 222 | EDN / 18621 |
| 223 | EDN / 18632 |
| 224 | EDN / 18999 |
| 225 | EDN / 19051 |
| 226 | EDN / 19353 |
| 227 | EDN / 19417 |
| 228 | EDN / 19422 |
| 229 | EDN / 19520 |
| 230 | EDN / 19521 |
| 231 | EDN / 19528 |
| 232 | EDN / 20244 |
| 233 | EDN / 20319 |
| 234 | EDN / 21114 |
| 235 | EDN / 21407 |
| 236 | EDN / 21478 |
| 237 | EDN / 21680 |
| 238 | EDN / 21933 |
| 239 | EDN / 22722 |
| 240 | EDN / 22966 |
| 241 | EDN / 23095 |
| 242 | EDN / 24650 |
| 243 | EDN / 25273 |
| 244 | EDN / 25276 |
| 245 | EDN / 25472 |
| 246 | EDN / 25597 |
| 247 | EDN / 25620 |
| 248 | EDN / 25626 |
| 249 | EDN / 25689 |
| 250 | EDN / 25984 |
| 251 | EDN / 26423 |
| 252 | EDN / 26655 |
| 253 | EDN / 26665 |
| 254 | EDN / 26756 |
| 255 | EDN / 27515 |
| 256 | EDN / 27789 |
| 257 | EDN / 27872 |
| 258 | EDN / 28155 |
| 259 | EDN / 28180 |
| 260 | EDN / 28971 |
| 261 | EDN / 30495 |
| 262 | EX / 1604 |
| 263 | FIS / 630 |
| 264 | FIS / 1203 |
| 265 | FIS / 1282 |
| 266 | FIS / 1306 |
| 267 | FIS / 1311 |
| 268 | FIS / 1327 |
| 269 | FIS / 1403 |
| 270 | FIS / 1411 |
| 271 | FIS / 1430 |
| 272 | FIS / 1678 |
| 273 | FN / 1380 |
| 274 | FOR / 6532 |
| 275 | FOR / 6663 |
| 276 | FOR / 6817 |
| 277 | FOR / 7071 |
| 278 | FOR / 8538 |
| 279 | FOR / 8810 |
| 280 | FOR / 8821 |
| 281 | FOR / 8907 |
| 282 | FOR / 8921 |
| 283 | FOR / 9638 |
| 284 | FOR / 9807 |
| 285 | FOR / 9959 |
| 286 | FOR / 9988 |
| 287 | FOR / 9991 |
| 288 | FOR / 10061 |
| 289 | FOR / 10228 |
| 290 | FOR / 10259 |
| 291 | FOR / 10578 |
| 292 | FOR / 10932 |
| 293 | FOR / 12040 |
| 294 | FOR / 12290 |
| 295 | FOR / 12724 |
| 296 | FOR / 13091 |
| 297 | FOR / 13289 |
| 298 | FOR / 13447 |
| 299 | FOR / 13575 |
| 300 | FOR / 13891 |
| 301 | FOR / 15160 |
| 302 | FOR / 15176 |
| 303 | FOR / 15235 |
| 304 | FOR / 15281 |
| 305 | FOR / 15444 |
| 306 | FOR / 15625 |
| 307 | FOR / 15944 |
| 308 | FOR / 16054 |
| 309 | FOR / 16731 |
| 310 | FOR / 17323 |
| 311 | FOR / 17981 |
| 312 | FOR / 18372 |
| 313 | FOR / 18825 |
| 314 | FW / 373 |
| 315 | FW / 406 |
| 316 | FW / 466 |
| 317 | FW / 1228 |
| 318 | FW / 1315 |
| 319 | FW / 2216 |
| 320 | FW / 3783 |
| 321 | FW / 3912 |
| 322 | FW / 4539 |
| 323 | FW / 4966 |
| 324 | FW / 7056 |
| 325 | IND / 4015 |
| 326 | IND / 4064 |
| 327 | IND / 4065 |
| 328 | IND / 4476 |
| 329 | IND / 4890 |
| 330 | IND / 4951 |
| 331 | IND / 5387 |
| 332 | IND / 5420 |
| 333 | IND / 5438 |
| 334 | IND / 5526 |
| 335 | IND / 5631 |
| 336 | IND / 5757 |
| 337 | IND / 5824 |
| 338 | IND / 7117 |
| 339 | IND / 8002 |
| 340 | IND / 8079 |
| 341 | IND / 8230 |
| 342 | IND / 8599 |
| 343 | IND / 10218 |
| 344 | IND / 10341 |
| 345 | IND / 10482 |
| 346 | IND / 10529 |
| 347 | IND / 10713 |
| 348 | IND / 11102 |
| 349 | IND / 12365 |
| 350 | IND / 12714 |
| 351 | IND / 12905 |
| 352 | JAL / 1445 |
| 353 | JAL / 1838 |
| 354 | JCE / 1451 |
| 355 | JCE / 1508 |
| 356 | JCE / 1900 |
| 357 | LAB / 947 |
| 358 | LAB / 1200 |
| 359 | LAB / 1304 |
| 360 | LAB / 1760 |
| 361 | LAB / 1865 |
| 362 | LAB / 2245 |
| 363 | LAB / 2251 |
| 364 | LAB / 2253 |
| 365 | LAB / 2494 |
| 366 | LAB / 2517 |
| 367 | LAB / 2546 |
| 368 | LR / 5832 |
| 369 | LR / 7053 |
| 370 | LR / 8492 |
| 371 | LR / 8962 |
| 372 | LR / 9332 |
| 373 | LR / 9452 |
| 374 | LR / 9471 |
| 375 | LR / 9589 |
| 376 | LR / 9890 |
| 377 | LR / 11157 |
| 378 | LR / 11371 |
| 379 | LR / 11421 |
| 380 | LR / 11870 |
| 381 | LR / 12165 |
| 382 | LR / 12563 |
| 383 | LR / 12795 |
| 384 | LR / 12866 |
| 385 | LR / 12902 |
| 386 | LR / 13200 |
| 387 | LR / 13274 |
| 388 | LR / 13288 |
| 389 | MED / 7586 |
| 390 | MED / 7743 |
| 391 | MED / 7753 |
| 392 | MED / 7772 |
| 393 | MED / 7933 |
| 394 | MED / 8005 |
| 395 | MED / 8009 |
| 396 | MED / 8263 |
| 397 | MED / 8521 |
| 398 | MED / 9002 |
| 399 | MED / 10878 |
| 400 | MED / 11058 |
| 401 | MED / 11834 |
| 402 | MED / 12291 |
| 403 | MED / 12341 |
| 404 | MED / 12455 |
| 405 | MED / 12942 |
| 406 | MED / 13304 |
| 407 | MED / 13407 |
| 408 | MED / 14419 |
| 409 | MED / 14671 |
| 410 | MED / 14868 |
| 411 | MED / 15245 |
| 412 | MED / 15322 |
| 413 | MED / 15636 |
| 414 | MED / 15689 |
| 415 | MED / 15727 |
| 416 | MED / 15934 |
| 417 | MED / 16231 |
| 418 | MED / 16259 |
| 419 | MED / 16284 |
| 420 | MED / 16716 |
| 421 | MED / 16786 |
| 422 | MED / 16874 |
| 423 | MED / 17049 |
| 424 | MED / 17218 |
| 425 | MED / 20180 |
| 426 | MED / 20199 |
| 427 | MED / 20657 |
| 428 | MED / 21530 |
| 429 | MED / 21576 |
| 430 | MED / 21676 |
| 431 | MED / 21774 |
| 432 | MED / 23003 |
| 433 | MED / 23222 |
| 434 | MED / 23329 |
| 435 | MED / 25441 |
| 436 | MED / 25503 |
| 437 | MED / 25525 |
| 438 | MED / 25628 |
| 439 | MED / 25684 |
| 440 | MED / 25875 |
| 441 | MED / 26182 |
| 442 | MED / 26308 |
| 443 | MED / 26318 |
| 444 | MED / 26593 |
| 445 | MED / 26679 |
| 446 | MED / 26768 |
| 447 | MED / 26797 |
| 448 | MED / 27156 |
| 449 | MED / 27332 |
| 450 | MED / 27646 |
| 451 | MED / 27801 |
| 452 | MED / 27874 |
| 453 | MED / 28963 |
| 454 | MED / 29479 |
| 455 | MED / 29571 |
| 456 | MED / 30006 |
| 457 | MED / 30286 |
| 458 | MED / 30360 |
| 459 | MED / 31135 |
| 460 | MSC / 1553 |
| 461 | MSC / 1768 |
| 462 | MSC / 1895 |
| 463 | MSC / 2094 |
| 464 | MSC / 2484 |
| 465 | MSC / 2508 |
| 466 | MSC / 2784 |
| 467 | MSC / 2905 |
| 468 | MSC / 3397 |
| 469 | MSC / 3949 |
| 470 | MSC / 4050 |
| 471 | MSC / 4117 |
| 472 | MSC / 4187 |
| 473 | MSC / 4436 |
| 474 | MSC / 5037 |
| 475 | MSC / 5279 |
| 476 | MSC / 5830 |
| 477 | MSC / 5839 |
| 478 | MSC / 6158 |
| 479 | MSC / 6284 |
| 480 | MSC / 7255 |
| 481 | MSC / 7256 |
| 482 | MSC / 7279 |
| 483 | MSC / 8254 |
| 484 | MSC / 8498 |
| 485 | MSC / 8528 |
| 486 | MSC / 8558 |
| 487 | MSC / 8689 |
| 488 | MSC / 8734 |
| 489 | MSC / 8892 |
| 490 | MSC / 9092 |
| 491 | MSC / 9187 |
| 492 | MSC / 9455 |
| 493 | MSC / 9663 |
| 494 | MSC / 9744 |
| 495 | MSC / 9906 |
| 496 | MSC / 10457 |
| 497 | MSC / 10686 |
| 498 | MSC / 10710 |
| 499 | MSC / 11113 |
| 500 | MSC / 11355 |
| 501 | MSC / 11574 |
| 502 | MSC / 11827 |
| 503 | MSC / 12211 |
| 504 | MSC / 12214 |
| 505 | MSC / 12229 |
| 506 | MSC / 12248 |
| 507 | MSC / 12252 |
| 508 | MSC / 12681 |
| 509 | MSC / 12770 |
| 510 | MSC / 12864 |
| 511 | MSC / 13011 |
| 512 | MSC / 13138 |
| 513 | MSC / 13632 |
| 514 | MSC / 13696 |
| 515 | MSC / 13959 |
| 516 | MSC / 14001 |
| 517 | MSC / 14340 |
| 518 | MSC / 14523 |
| 519 | MSC / 14548 |
| 520 | MSC / 14731 |
| 521 | MSC / 15127 |
| 522 | MSC / 15586 |
| 523 | MSC / 15876 |
| 524 | MSC / 15917 |
| 525 | MSC / 16190 |
| 526 | MSC / 16262 |
| 527 | MSC / 16738 |
| 528 | MSC / 16871 |
| 529 | MSC / 17342 |
| 530 | MSC / 18001 |
| 531 | MSC / 18007 |
| 532 | MSC / 18464 |
| 533 | MSC / 19364 |
| 534 | MSC / 19471 |
| 535 | MSC / 20236 |
| 536 | MSC / 20820 |
| 537 | MSC / 21270 |
| 538 | MSC / 21369 |
| 539 | MSC / 21433 |
| 540 | MSC / 22230 |
| 541 | ORS / 2121 |
| 542 | ORS / 2134 |
| 543 | ORS / 2425 |
| 544 | ORS / 2476 |
| 545 | ORS / 2621 |
| 546 | ORS / 2631 |
| 547 | ORS / 2703 |
| 548 | ORS / 4246 |
| 549 | ORS / 6191 |
| 550 | ORS / 6915 |
| 551 | OTD / 1172 |
| 552 | OTD / 1352 |
| 553 | OTD / 1526 |
| 554 | OTD / 1754 |
| 555 | OTD / 1760 |
| 556 | OTD / 1865 |
| 557 | OTD / 2481 |
| 558 | PED / 100040 |
| 559 | PED / 100413 |
| 560 | PED / 100451 |
| 561 | PED / 100797 |
| 562 | PED / 100863 |
| 563 | PED / 101152 |
| 564 | PED / 101307 |
| 565 | PED / 101599 |
| 566 | PED / 101801 |
| 567 | PED / 101802 |
| 568 | PED / 101809 |
| 569 | PED / 101911 |
| 570 | PED / 101940 |
| 571 | PED / 101975 |
| 572 | PED / 102401 |
| 573 | PED / 102635 |
| 574 | PED / 102667 |
| 575 | PED / 102690 |
| 576 | PED / 102691 |
| 577 | PED / 102795 |
| 578 | PED / 102880 |
| 579 | PED / 103149 |
| 580 | PED / 103186 |
| 581 | PED / 103368 |
| 582 | PED / 103586 |
| 583 | PED / 103760 |
| 584 | PED / 103763 |
| 585 | PED / 104140 |
| 586 | PED / 104236 |
| 587 | PED / 104374 |
| 588 | PED / 104409 |
| 589 | PED / 104798 |
| 590 | PED / 104805 |
| 591 | PED / 104869 |
| 592 | PED / 104909 |
| 593 | PED / 104931 |
| 594 | PED / 105077 |
| 595 | PED / 105080 |
| 596 | PED / 105159 |
| 597 | PED / 105281 |
| 598 | PED / 105381 |
| 599 | PED / 105726 |
| 600 | PED / 105904 |
| 601 | PED / 106615 |
| 602 | PED / 106716 |
| 603 | PED / 106853 |
| 604 | PED / 107152 |
| 605 | PED / 107308 |
| 606 | PED / 107324 |
| 607 | PED / 107481 |
| 608 | PED / 107486 |
| 609 | PED / 107665 |
| 610 | PED / 108372 |
| 611 | PED / 108464 |
| 612 | PED / 108658 |
| 613 | PED / 108681 |
| 614 | PED / 109161 |
| 615 | PED / 109262 |
| 616 | PED / 109378 |
| 617 | PED / 109760 |
| 618 | PED / 109847 |
| 619 | PED / 109859 |
| 620 | PED / 109923 |
| 621 | PED / 110079 |
| 622 | PED / 110398 |
| 623 | PED / 110653 |
| 624 | PED / 110656 |
| 625 | PED / 110658 |
| 626 | PED / 110672 |
| 627 | PED / 110824 |
| 628 | PED / 110878 |
| 629 | PED / 111398 |
| 630 | PED / 111473 |
| 631 | PED / 111485 |
| 632 | PED / 111486 |
| 633 | PED / 111780 |
| 634 | PED / 111803 |
| 635 | PED / 111916 |
| 636 | PED / 111978 |
| 637 | PED / 111990 |
| 638 | PED / 112003 |
| 639 | PED / 112042 |
| 640 | PED / 112324 |
| 641 | PED / 112405 |
| 642 | PED / 112439 |
| 643 | PED / 112447 |
| 644 | PED / 112450 |
| 645 | PED / 112650 |
| 646 | PED / 112955 |
| 647 | PED / 112989 |
| 648 | PED / 113146 |
| 649 | PED / 113507 |
| 650 | PED / 113541 |
| 651 | PED / 113546 |
| 652 | PED / 113615 |
| 653 | PED / 113902 |
| 654 | PED / 114084 |
| 655 | PED / 114238 |
| 656 | PED / 114296 |
| 657 | PED / 114313 |
| 658 | PED / 114415 |
| 659 | PED / 114740 |
| 660 | PED / 114757 |
| 661 | PED / 114997 |
| 662 | PED / 114998 |
| 663 | PED / 115538 |
| 664 | PED / 115830 |
| 665 | PED / 116076 |
| 666 | PED / 116085 |
| 667 | PED / 116194 |
| 668 | PED / 116523 |
| 669 | PED / 116576 |
| 670 | PED / 116639 |
| 671 | PED / 117284 |
| 672 | PED / 117306 |
| 673 | PED / 117548 |
| 674 | PED / 118853 |
| 675 | PED / 118878 |
| 676 | PED / 119028 |
| 677 | PED / 119174 |
| 678 | PED / 119195 |
| 679 | PED / 119642 |
| 680 | PED / 119687 |
| 681 | PED / 119814 |
| 682 | PED / 120787 |
| 683 | PED / 121139 |
| 684 | PED / 121201 |
| 685 | PED / 121496 |
| 686 | PED / 122362 |
| 687 | PED / 122462 |
| 688 | PED / 122732 |
| 689 | PED / 122825 |
| 690 | PED / 122983 |
| 691 | PED / 123139 |
| 692 | PED / 123453 |
| 693 | PED / 123606 |
| 694 | PED / 123613 |
| 695 | PED / 123877 |
| 696 | PED / 123996 |
| 697 | PED / 124211 |
| 698 | PED / 124216 |
| 699 | PED / 124306 |
| 700 | PED / 124507 |
| 701 | PED / 124903 |
| 702 | PED / 124977 |
| 703 | PED / 125237 |
| 704 | PED / 125381 |
| 705 | PED / 125484 |
| 706 | PED / 125759 |
| 707 | PED / 125760 |
| 708 | PED / 125888 |
| 709 | PED / 126548 |
| 710 | PED / 126583 |
| 711 | PED / 127861 |
| 712 | PED / 127961 |
| 713 | PED / 128009 |
| 714 | PED / 128264 |
| 715 | PED / 128505 |
| 716 | PED / 128852 |
| 717 | PED / 129088 |
| 718 | PED / 129345 |
| 719 | PED / 129458 |
| 720 | PED / 129778 |
| 721 | PED / 129975 |
| 722 | PED / 130015 |
| 723 | PED / 130494 |
| 724 | PED / 130695 |
| 725 | PED / 130728 |
| 726 | PED / 130787 |
| 727 | PED / 130829 |
| 728 | PED / 131171 |
| 729 | PED / 131194 |
| 730 | PED / 131224 |
| 731 | PED / 131575 |
| 732 | PED / 132629 |
| 733 | PED / 132811 |
| 734 | PED / 132861 |
| 735 | PED / 133141 |
| 736 | PED / 133448 |
| 737 | PED / 133717 |
| 738 | PED / 133752 |
| 739 | PED / 133767 |
| 740 | PED / 133769 |
| 741 | PED / 133921 |
| 742 | PED / 134654 |
| 743 | PED / 135996 |
| 744 | PED / 136064 |
| 745 | PED / 136470 |
| 746 | PED / 136678 |
| 747 | PED / 136807 |
| 748 | PED / 136974 |
| 749 | PED / 137433 |
| 750 | PED / 137989 |
| 751 | PED / 138056 |
| 752 | PED / 138123 |
| 753 | PED / 138124 |
| 754 | PED / 138280 |
| 755 | PED / 138589 |
| 756 | PED / 138597 |
| 757 | PED / 138635 |
| 758 | PED / 138869 |
| 759 | PED / 139005 |
| 760 | PED / 139426 |
| 761 | PED / 139498 |
| 762 | PED / 139541 |
| 763 | PED / 139635 |
| 764 | PED / 139868 |
| 765 | PED / 139889 |
| 766 | PED / 139978 |
| 767 | PED / 140449 |
| 768 | PED / 140709 |
| 769 | PED / 140744 |
| 770 | PED / 140849 |
| 771 | PED / 141101 |
| 772 | PED / 141345 |
| 773 | PED / 141503 |
| 774 | PED / 141529 |
| 775 | PED / 141544 |
| 776 | PED / 141556 |
| 777 | PED / 141560 |
| 778 | PED / 141945 |
| 779 | PED / 142016 |
| 780 | PED / 142297 |
| 781 | PED / 142311 |
| 782 | PED / 142662 |
| 783 | PED / 142791 |
| 784 | PED / 142837 |
| 785 | PED / 142899 |
| 786 | PED / 143606 |
| 787 | PED / 144222 |
| 788 | PED / 144270 |
| 789 | PED / 144458 |
| 790 | PED / 144593 |
| 791 | PED / 144668 |
| 792 | PED / 145306 |
| 793 | PED / 145454 |
| 794 | PED / 145569 |
| 795 | PED / 145861 |
| 796 | PED / 145974 |
| 797 | PED / 146062 |
| 798 | PED / 146673 |
| 799 | PED / 147520 |
| 800 | PED / 147755 |
| 801 | PED / 147760 |
| 802 | PED / 147939 |
| 803 | PED / 147964 |
| 804 | PED / 149620 |
| 805 | PED / 149640 |
| 806 | PED / 150859 |
| 807 | PED / 151719 |
| 808 | PED / 151786 |
| 809 | PED / 152875 |
| 810 | PED / 153747 |
| 811 | PED / 153917 |
| 812 | PED / 154471 |
| 813 | PED / 155205 |
| 814 | PED / 155480 |
| 815 | PED / 156261 |
| 816 | PED / 156481 |
| 817 | PED / 156654 |
| 818 | PED / 156845 |
| 819 | PED / 157869 |
| 820 | PED / 158024 |
| 821 | PED / 158213 |
| 822 | PED / 158717 |
| 823 | PED / 159122 |
| 824 | PED / 159725 |
| 825 | PED / 160443 |
| 826 | PED / 160584 |
| 827 | PED / 161487 |
| 828 | PED / 162894 |
| 829 | PED / 163363 |
| 830 | PED / 166079 |
| 831 | PED / 166476 |
| 832 | PED / 167275 |
| 833 | PED / 167901 |
| 834 | PED / 168211 |
| 835 | PED / 168216 |
| 836 | PED / 168443 |
| 837 | PED / 168489 |
| 838 | PED / 168839 |
| 839 | PED / 168957 |
| 840 | PED / 169342 |
| 841 | PED / 169367 |
| 842 | PED / 169464 |
| 843 | PED / 169533 |
| 844 | PED / 169961 |
| 845 | PED / 169976 |
| 846 | PED / 170138 |
| 847 | PED / 170141 |
| 848 | PED / 170312 |
| 849 | PED / 170475 |
| 850 | PED / 170578 |
| 851 | PED / 170677 |
| 852 | PED / 171366 |
| 853 | PED / 171527 |
| 854 | PED / 171727 |
| 855 | PED / 172345 |
| 856 | PED / 172474 |
| 857 | PED / 172497 |
| 858 | PED / 172639 |
| 859 | PED / 172914 |
| 860 | PED / 173555 |
| 861 | PED / 173713 |
| 862 | PED / 173753 |
| 863 | PED / 174180 |
| 864 | PED / 174341 |
| 865 | PED / 174533 |
| 866 | PED / 174676 |
| 867 | PED / 174866 |
| 868 | PED / 175219 |
| 869 | PED / 175943 |
| 870 | PED / 176242 |
| 871 | PED / 176292 |
| 872 | PED / 178373 |
| 873 | PED / 178425 |
| 874 | PED / 178465 |
| 875 | PED / 178666 |
| 876 | PED / 179170 |
| 877 | PED / 179232 |
| 878 | PED / 180283 |
| 879 | PED / 181620 |
| 880 | PED / 181871 |
| 881 | PED / 181936 |
| 882 | PED / 182250 |
| 883 | PED / 182356 |
| 884 | PED / 182658 |
| 885 | PED / 183194 |
| 886 | PED / 184305 |
| 887 | PED / 184380 |
| 888 | PED / 184632 |
| 889 | PED / 185481 |
| 890 | PED / 185763 |
| 891 | PED / 185841 |
| 892 | PED / 186520 |
| 893 | PED / 186847 |
| 894 | PED / 187215 |
| 895 | PED / 187331 |
| 896 | PED / 187418 |
| 897 | PED / 187588 |
| 898 | PED / 187727 |
| 899 | PED / 187849 |
| 900 | PED / 188902 |
| 901 | PED / 189124 |
| 902 | PED / 190173 |
| 903 | PED / 190456 |
| 904 | PED / 190465 |
| 905 | PED / 190500 |
| 906 | PED / 190509 |
| 907 | PED / 190679 |
| 908 | PED / 190827 |
| 909 | PED / 191245 |
| 910 | PED / 191444 |
| 911 | PED / 191826 |
| 912 | PED / 191837 |
| 913 | PED / 192407 |
| 914 | PED / 193065 |
| 915 | PED / 193749 |
| 916 | PED / 194118 |
| 917 | PED / 194328 |
| 918 | PED / 194496 |
| 919 | PED / 194848 |
| 920 | PED / 195065 |
| 921 | PED / 195095 |
| 922 | PED / 195180 |
| 923 | PED / 195764 |
| 924 | PED / 195857 |
| 925 | PED / 196348 |
| 926 | PED / 196599 |
| 927 | PED / 197049 |
| 928 | PED / 197509 |
| 929 | PED / 197528 |
| 930 | PED / 197616 |
| 931 | PED / 197876 |
| 932 | PED / 197967 |
| 933 | PED / 198194 |
| 934 | PED / 198267 |
| 935 | PED / 198495 |
| 936 | PED / 198851 |
| 937 | PED / 199081 |
| 938 | PED / 199308 |
| 939 | PED / 200075 |
| 940 | PED / 200159 |
| 941 | PED / 200313 |
| 942 | PED / 200574 |
| 943 | PED / 201404 |
| 944 | PED / 201482 |
| 945 | PED / 201591 |
| 946 | PED / 201777 |
| 947 | PED / 201806 |
| 948 | PED / 201817 |
| 949 | PED / 201934 |
| 950 | PED / 202274 |
| 951 | PED / 202520 |
| 952 | PED / 202632 |
| 953 | PED / 202715 |
| 954 | PED / 203068 |
| 955 | PED / 203192 |
| 956 | PED / 203504 |
| 957 | PED / 203681 |
| 958 | PED / 204010 |
| 959 | PED / 204123 |
| 960 | PED / 204367 |
| 961 | PED / 204435 |
| 962 | PED / 204494 |
| 963 | PED / 204555 |
| 964 | PED / 205304 |
| 965 | PED / 205580 |
| 966 | PED / 205657 |
| 967 | PED / 205733 |
| 968 | PED / 206562 |
| 969 | PED / 206693 |
| 970 | PED / 206766 |
| 971 | PED / 206772 |
| 972 | PED / 206802 |
| 973 | PED / 207079 |
| 974 | PED / 207347 |
| 975 | PED / 207699 |
| 976 | PED / 207730 |
| 977 | PED / 208329 |
| 978 | PED / 208919 |
| 979 | PED / 209369 |
| 980 | PED / 209471 |
| 981 | PED / 209612 |
| 982 | PED / 209778 |
| 983 | PED / 209891 |
| 984 | PED / 210014 |
| 985 | PED / 210019 |
| 986 | PED / 210141 |
| 987 | PED / 210406 |
| 988 | PED / 211660 |
| 989 | PED / 211662 |
| 990 | PED / 211949 |
| 991 | PED / 212110 |
| 992 | PED / 213015 |
| 993 | PED / 213667 |
| 994 | PED / 213978 |
| 995 | PED / 214138 |
| 996 | PED / 215218 |
| 997 | PED / 215218 |
| 998 | PED / 215833 |
| 999 | PED / 216112 |
| 1000 | PED / 216169 |
| 1001 | PED / 216247 |
| 1002 | PED / 216763 |
| 1003 | PED / 217173 |
| 1004 | PED / 217252 |
| 1005 | PED / 217989 |
| 1006 | PED / 218305 |
| 1007 | PED / 218603 |
| 1008 | PED / 218821 |

১৩ পৃষ্ঠাত চাওক

## তিনিজন বিষয়াই চলাইছে বেংক

# কঠিয়াতলিস্থ ‘চেন্ট্ৰেল বেংক’ত গ্ৰাহকৰ হাহাকাৰ

অগ্ৰদূত বাৰ্তা

**কঠিয়াতলি, ৫ মে’ ঃ** নগাঁও জিলাৰ কঠিয়াতলিস্থিত চেন্ট্ৰেল বেংক অৱ ইণ্ডিয়াৰ শাখাটোত বিষয়া-কৰ্মচাৰীৰ অভাৱে গ্ৰাহক ৰাইজক বাৰুকৈয়ে জ্বলা-কলা খুৱাইছে। বেংকটোত তিনিগৰাকী বিষয়া আৰু দুজনমান চতুৰ্থ শ্ৰেণীৰ কৰ্মচাৰীয়ে বেংকটোলৈ অহা গ্ৰাহক ৰাইজক সেৱা আগবঢ়োৱাত ব্যৰ্থ হৈছে। বেংকটোত এগৰাকী শাখা পৰিচালক, এগৰাকী সহকাৰী শাখা পৰিচালক আৰু এগৰাকী গাণনিক বিষয়াকে ধৰি তিনিজন বিষয়াক চতুৰ্থ শ্ৰেণীৰ কৰ্মচাৰীসকলে সকলো দিশতে সহায় কৰি আহিছে। অৱশ্যে বেংকটোলৈ দৈনিক সেৱা বিচাৰি অহা শতাধিক গ্ৰাহকক সন্তুষ্ট কৰিবলৈ ব্যৰ্থ হোৱাৰ অভিযোগ উঠিছে। তদুপৰি বেংকৰ ভিতৰভাগ অতি ঠেক ঠাই হোৱাৰ বাবে বেংকৰ ভিতৰত গ্ৰাহক ৰাইজৰ থিয় হ’বলৈ পৰ্যাপ্ত ঠাইৰ অভাৱ। আনহাতে, বেংকটোত সময়ে সময়ে হোৱা বিদ্যুতৰ নাটনিয়ে গ্ৰাহক ৰাইজৰ মাজত হাহাকাৰৰ সৃষ্টি কৰে। ইপিনে, বেংকটোত জ্যেষ্ঠ নাগৰিক আৰু বিশেষভাৱে সক্ষম লোকৰ বাবে কোনো ব্যৱস্থা নাই। বিশেষকৈ বেংকটোৰ ভিতৰত প্ৰস্ৰাৱগাৰ আৰু এটুপি খোৱাপানীৰ ব্যৱস্থা নথকাত মহিলা গ্ৰাহকসকলৰ লগতে কোলাত কেঁচুৱা লৈ অহা মহিলা গ্ৰাহকসকলে সমস্যাৰ সন্মুখীন হয়। বৰ্তমান বেংকটোত ১৪ হেজাৰ নিয়মীয়া গ্ৰাহক আছে যদিও দৈনিক গ্ৰাহকৰ সংখ্যা বৃদ্ধি পাই আহিছে। আনহাতে, বেংকটোৰ শাখা পৰিচালকজনৰ কিছুমান কাম-কাজে ৰাইজক ক্ষুব্ধ কৰি তুলিছে। পৰিচালকজনে সামান্য অজুহাততে গ্ৰাহকৰ একাউণ্ট বন্ধ কৰি দিয়া, এ টি এম কাৰ্ডৰ আবেদনকাৰীক কাৰ্ড ইছ্যু নকৰা, চাৰি, পাঁচ মাহে একাউণ্ট খোলা বন্ধ কৰি ৰাখিছে। বেংকটোৰ ঊৰ্ধ্বতন কৰ্তৃপক্ষক সকলো সুবিধা প্ৰদানৰ কাৰণে ৰাইজে দাবী জনাইছে।

## বিনামূলীয়া ক’চিং শ্ৰেণীৰ আৰম্ভ

# বিষয়া হোৱাৰ পূৰ্বে ভাল মানুহ হ’ব লাগিব ঃ মিট্টাল

অগ্ৰদূত বাৰ্তা

**বোকাখাত, ৫ মে’, ঃ** ‘পৰীক্ষাত উত্তীৰ্ণ হৈ ভাল বিষয়া হ’ব পাৰি, কিন্তু ভাল বিষয়া হোৱাৰ আগতে ভাল মানুহ হ’ব লাগিব। সময়ৰ সদ্ব্যৱহাৰ কৰিব লাগিব। ম’বাইল ফোনৰে ঘণ্টাৰ পাছত ঘণ্টা ব্যস্ত থকাৰ সলনি অধ্যয়ন কৰিব লাগিব। প্ৰতিযোগিতামূলক পৰীক্ষাৰ তিনিমাহমান আগৰে পৰা অত্যন্ত দৰকাৰ নহ’লে ম’বাইল ফোন ব্যৱহাৰ কৰিবই নালাগে। দেশ সেৱাৰ মনোভাব লাগিব।’ পৰিবহণ আয়ুক্ত বীৰেন্দ্ৰ মিট্টালে আজি বোকাখাতত প্ৰতিযোগিতামূলক পৰীক্ষাৰ ক’চিং কেন্দ্ৰ উদ্বোধন কৰি এনেদৰে কয়। বোকাখাত মহকুমাৰ মহকুমাধিপতি বিবেক শ্যামৰ তথা মহকুমা প্ৰশাসনৰ উদ্যোগত অসম অসামৰিক সেৱাৰ পৰীক্ষাত অৱতীৰ্ণ হ’ব পৰাকৈ এক ক’চিং ক্লাছৰ আৰম্ভ হৈছে। বিনামূলীয়াকৈ বোকাখাতৰ মেধাসম্পন্ন ছাত্ৰ-ছাত্ৰীক মহকুমা প্ৰশাসনৰ বিষয়াই সপ্তাহত দুদিনকৈ পাঠদান কৰিব। তদুপৰি সমল ব্যক্তিও আনিব। তিনিশৰ অধিক ছাত্ৰ-ছাত্ৰীয়ে ভাগ লোৱা অনুষ্ঠানত মহকুমাধিপতি বিবেক শ্যামে জীৱনত লক্ষ্য লৈ আগবাঢ়িবলৈ আহ্বান জনায়। উক্ত সভাত মহকুমা আৰক্ষী বিষয়া ডাঃ কল্যাণ কুমাৰ দাস, অসম ৰাজ্যিক সাংবাদিক সন্থাৰ সভাপতি জিতু শৰ্মা ৰাজখোৱা, বোকাখাত প্ৰেছ ক্লাবৰ সভাপতি ভৱানন্দ কলিতা, অৱসৰপ্ৰাপ্ত অধ্যক্ষ ডঃ বাবুলাল মোৰে ভাষণ আগবঢ়ায়।

# মৰাণত স্কুলীয়া ছাত্ৰীক যৌন নিৰ্যাতন গ্ৰেপ্তাৰ এক

অগ্ৰদূত বাৰ্তা

**মৰাণ, ৫ মে’ ঃ** চৰাইদেউ জিলাৰ মৰাণহাট আৰক্ষী থানাৰ অন্তৰ্গত কুৰুকানি দেউৰী গাঁৱত এজন যুৱকে ষষ্ঠ শ্ৰেণীৰ এগৰাকী ছাত্ৰীক যৌন নিৰ্যাতন চলোৱাৰ অভিযোগ উত্থাপিত হৈছে। বিয়লি কুৰুকানি দেউৰী গাঁৱৰ সীমান্ত দেউৰী (৩৫) নামৰ ব্যৱসায়ীজনে দোকানত বস্তু কিনিবলৈ অহা ষষ্ঠ শ্ৰেণীৰ ছাত্ৰীগৰাকীক যৌন নিৰ্যাতন চলায়। পাছত ছাত্ৰীগৰাকীয়ে ঘৰত ঘটনাৰ বিষয়ে অৱগত কৰাত পৰিয়ালৰ লগতে স্থানীয় ৰাইজে অভিযুক্তজনক লপাথপা দি আৰক্ষীক গতাই দিয়ে।

## কথমপি প্ৰাণৰক্ষা মাতৃ-পুত্ৰৰ

# তামুলপুৰৰ গণেশগুৰিত বন্যহস্তীৰ তাণ্ডৱ



**তামুলপুৰ, ৫ মে’ ঃ** বাগ্‌সা জিলাৰ ভাৰত-ভূটান সীমান্তৱৰ্তী অঞ্চলসমূহত হাতী-মানুহৰ সংঘাত অব্যাহত থকাৰ মাজতে যোৱা নিশা জিলাখনৰ তামুলপুৰৰ অন্তৰ্গত কুমাৰীকাটা বনাঞ্চলিক কাৰ্যালয়ৰ অধীনৰ ভাৰত-ভূটান সীমান্তৱৰ্তী গণেশগুৰিত বন্যহস্তীয়ে সুভাস ক’ন নামৰ লোক এজনৰ ঘৰ-দুৱাৰ ভাঙি তাণ্ডৱ চলায়। চুবুৰীয়া ৰাষ্ট্ৰ ভূটান শ্ৰমিক হিচাপে কাম কৰি থকা সুভাসৰ পত্নীয়ে উল্লেখ কৰা মতে, নিশা তেওঁলোকৰ অষ্টম শ্ৰেণীত অধ্যয়নৰত একমাত্ৰ পুত্ৰৰ স’তে নিশা শুই থকা অৱস্থাত বন্যহস্তীৰ জাকে পৰিয়ালটোৰ একমাত্ৰ থকা ঘৰটোৰ বেৰ ভঙাত মাতৃ-পুত্ৰই সাৰ পাই ঘৰৰ দুৱাৰ খুলি ওলাই আহিব খোজোতে ঘৰৰ চোতালত কে’বাটাও হাতী দেখি চিঞৰ-বাখৰ লগায়; কিন্তু নিশা বৰষুণ দি থকাৰ বাবে ওচৰ-চুবুৰীয়া লোক ওলাই নহাত আতংকিত মাতৃ-পুত্ৰই এচুকত লুকাই থাকে। তেনেদৰে বহু সময় পৰি থকাৰ পাছত হাতীৰ জাকটো আঁতৰি যোৱাত ঘৰৰ পৰা ওলাই গৈ ওচৰ-চুবুৰীয়াক খবৰ দিয়ে। দুখীয়া পৰিয়ালটোৰ একমাত্ৰ থকা ঘৰটো বন্যহস্তীয়ে ভাঙি পেলোৱাত এতিয়া গৃহহীন হৈ পৰিছে। আজি পুৱা কুমাৰীকাটাৰ বন বিভাগৰ লোকে খবৰ পোৱাত দৰিদ্ৰ পৰিয়ালটোৰ ঘৰত উপস্থিত হৈ ক্ষয়-ক্ষতিৰ বুজ লয়।

## নিদ্ৰামগ্ন গড়কাপ্তানী বিভাগ

# তিনি বছৰে সম্পূৰ্ণ নহ’ল পথ নিৰ্মাণ

অগ্ৰদূত বাৰ্তা

**মৰিগাঁও, ৫ মে’ ঃ** অতি নিম্নমানৰ সামগ্ৰীৰ লগতে লেহেমীয়া গতিৰে পথ নিৰ্মাণৰ কাম চলিছে মৰিগাঁও ভূৰবন্ধাত। তিনি বছৰ পূৰ্বে আৰম্ভ কৰা মৰিগাঁও জিলা ভূৰবন্ধা প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰৰ সন্মুখৰ পৰা ভূৰবন্ধাৰ কনিষ্ঠ মহাবিদ্যালয়, সোণাই পুৰিয়া মাধ্যমিক বিদ্যালয় হৈ ময়নগুৰি কদমতলিলৈ যোৱা পথটো আজিও সম্পূৰ্ণ নহ’ল। ফলত মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীৰ লগতে অঞ্চলৰ ৰাইজে জীয়াতু ভুগিছে। মৰিগাঁও জিলা গড়কাপ্তানী বিভাগৰ অধীনত শিৱসাগৰৰ জনৈক গগৈ উপাধিৰ ঠিকাদাৰজনে নিৰ্মাণৰ কাম আৰম্ভ কৰিছিল যদিও আজিলৈকে ২৫ শতাংশও সম্পূৰ্ণ নোহোৱাৰ অভিযোগ উঠিছে। এই ক্ষেত্ৰত অঞ্চলটোৰ ৰাইজ তথা বিদ্যালয়, মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলে শীঘ্ৰে নিৰ্মাণ সম্পূৰ্ণ কৰিবলৈ কৰ্তৃপক্ষক দাবী জনাইছে।

## চতিয়াত অসাধু ব্যৱসায়ীয়ে ঠগিছে গ্ৰাহকক

# কুম্ভকৰ্ণ নিদ্ৰাত বৈধ পৰিমাণ বিজ্ঞান বিভাগ

অগ্ৰদূত বাৰ্তা

**চতিয়া, ৫ মে’ ঃ** জোখ-মাপৰ ক্ষেত্ৰত গ্ৰাহক তথা উপভোক্তাসকল যাতে প্ৰতাৰিত নহয় তাৰ ব্যৱস্থাপনাৰ বাবে অসম চৰকাৰৰ বৈধ পৰিমাণ বিজ্ঞান বুলি এটা বিভাগ আছে। কিন্তু নিষ্ক্ৰিয় তথা কুম্ভকৰ্ণ নিদ্ৰাত থকা বিভাগটোৱে সাধাৰণ গ্ৰাহকৰ সুৰক্ষাৰ বাবে কোনোদিনে আগবাঢ়ি অহা পৰিলক্ষিত হোৱা নাই। বৃহত্তৰ চতিয়া অঞ্চলৰ ক্ৰেতা ৰাইজে অভিযোগ কৰা অনুসৰি, মাছ-মাংস, শাক-পাচলিকে আদি কৰি নিত্য প্ৰয়োজনীয় সামগ্ৰীসমূহ ক্ৰয়ৰ সময়ত প্ৰায়ে গ্ৰাহকে সঠিক ওজনৰ সামগ্ৰী লাভ নকৰে। একাংশ গ্ৰাহকে অভিযোগ কৰা মতে, চতিয়াৰ মাছ-মাংসৰ বজাৰত প্ৰতিদিনে বেপাৰীয়ে ওজনৰ হেৰফেৰ কৰি গ্ৰাহকক প্ৰৱঞ্চনা কৰি আহিছে। অভিযোগ অনুসৰি, এক কিলোগ্ৰাম মাছ কিনিলে গ্ৰাহকে আঠশ গ্ৰাম মানহে লাভ কৰে। উল্লেখ্য যে বেপাৰীসকলে নিয়মানুসাৰে দগা-পাল্লাসমূহ বছৰি নবীকৰণ কৰিব লাগে। বৈধ পৰিমাণ বিজ্ঞান বিভাগৰ তদাৰকত এই কাম হ’ব লাগে যদিও বছৰ বছৰ ধৰি নবীকৰণ নকৰা ক্ষয় যোৱা দগাসমূহৰেই বেহা চলাই আছে ব্যৱসায়ীসকলে। একাংশ অভিযোগকাৰী গ্ৰাহকে জনোৱা মতে, ব্যৱসায়ীসকলৰ হাতত দুই ধৰণৰ দগা আছে। এটা সঠিক এজনৰ আৰু আনটো কম ওজনৰ। জোখ-মাপৰ ক্ষেত্ৰত প্ৰতিবাদ কৰা সচেতন গ্ৰাহকক সঠিক দগাৰে সামগ্ৰী ওজন কৰি বিক্ৰী কৰে। প্ৰচলিত দগা-পাল্লাৰ লগতে ইলেক্টনিক পাল্লাসমূহৰ হেৰফেৰ কৰি একাংশ দোকানীয়ে গ্ৰাহকক ঠগি আহিছে বুলিও অভিযোগ উত্থাপিত হৈছে।

# মৰিগাঁও জৱাহৰ নবোদয় বিদ্যালয়ৰ এশ শতাংশ উত্তীৰ্ণ

অগ্ৰদূত বাৰ্তা

**মৰিগাঁও, ৫ মে’ ঃ** সদ্য ঘোষিত চি বি এছ ইৰ দ্বাদশ শ্ৰেণীৰ ফলাফলত মৰিগাঁও জৱাহৰ নবোদয় বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীয়ে এশ শতাংশ উত্তীৰ্ণৰে উন্নত ফলাফল দেখুৱাই সুনাম অৰ্জন কৰিছে। জিলাখনৰ দলৈ চুবাস্থিত জৱাহৰ নবোদয় বিদ্যালয়ৰ অধ্যক্ষা লক্ষী সিংহই জনোৱা মতে যোৱা দ্বাদশ শ্ৰেণীৰ পৰীক্ষাত মুঠ ৫৫ জন ছাত্ৰ-ছাত্ৰীয়ে অৱতীৰ্ণ হৈছিল। ইয়াৰ ভিতৰত ২৬ জন ছাত্ৰ-ছাত্ৰীয়ে ডিষ্টিংছন পোৱাৰ লগতে মুঠ ৪৮জনে প্ৰথম বিভাগ লাভ কৰে। সাতজনে দ্বিতীয় বিভাগ লাভ কৰাৰ লগতে বিদ্যালয়খনৰ বিজ্ঞান শাখাৰ তপন হাজৰিকাই ৯২ শতাংশ, উচমান আলীয়ে ৯০.৬০ শতাংশ আৰু বাণিজ্য শাখাত দীপামণি দেৱীয়ে ৯১.২০ শতাংশ নম্বৰৰে উত্তীৰ্ণ হয়।

## ঢেকিয়াজুলিত আমছুৰ জনজাগৰণ সভা

# ধৰ্মীয় সংখ্যালঘু সমাজত শৈক্ষিক জাগৰণ সৃষ্টি কৰিব লাগিব ঃ হুছেইন

অগ্ৰদূত বাৰ্তা

**ঠেলামৰা, ৫ মে’ ঃ** ‘ধৰ্মীয় সংখ্যালঘু সমাজৰ ব্যাধিসমূহ দূৰ কৰি এখন সংস্কাৰমুখী সমাজৰূপে গঢ় দিবলৈ শৈক্ষিক জাগৰণ সৃষ্টি কৰিব লাগিব। বিজ্ঞানৰ চমকপ্ৰদ উন্নয়নৰ সময়তো সংখ্যালঘু লোকসকলে অন্ধবিশ্বাস, কুসংস্কাৰত জৰ্জৰিত হৈ আছে। সময়ৰ আহ্বান বাল্য বিবাহ বন্ধ কৰিব লাগিব। জনবিস্ফোৰণ ৰোধ কৰা, শিশু শ্ৰমিক ৰোধ কৰি শিক্ষা দিশত অগ্ৰসৰ হ’ব লাগিব।’ এই মন্তব্য সদৌ অসম সংখ্যালঘু ছাত্ৰ ইউনিয়ন (আমছু)ৰ কেন্দ্ৰীয় সাধাৰণ সম্পাদক ইমতিয়াজ হুছেইনৰ। কালি শোণিতপুৰ জিলাৰ ঢেকিয়াজুলিৰ নামচুবুৰী পাণবাৰীত শোণিতপুৰ জিলা আমছুৰ সহযোগত আৰু কেহেৰুখন্দা আঞ্চলিক আমছুৰ উদ্যোগত ‘বাল্য বিবাহ, শিশু শ্ৰমিক, শিক্ষাৰ সজাগতা’ শীৰ্ষক জনজাগৰণ সভাত উপস্থিত থাকি তেওঁ এইদৰে কয়। তেওঁ পুনৰ কয়, ‘সম্প্ৰতি সমাজত জনবিস্ফোৰণে ভয়াবহ ৰূপ ধাৰণ কৰিছে। ইয়াৰ প্ৰতি সকলোৱে দৃষ্টি ৰাখি সংখ্যালঘু সমাজত সজাগতা সৃষ্টি কৰাটো অতিকৈ জৰুৰী হৈ পৰিছে। শিক্ষাৰ ক্ষেত্ৰত আগবাঢ়িলেহে সমাজৰ পৰা ব্যাধিবোৰ নিৰ্মূল হ’ব। শোণিতপুৰ জিলা আমছুৰ কাৰ্যকৰী সভাপতি ৰহমত আনচাৰীৰ পৌৰোহিত্যত অনুষ্ঠিত উক্ত সভাত কেন্দ্ৰীয় সমিতিৰ সহকাৰী সম্পাদক নজৰুল ইছলাম, মিৰ্ধা, কাৰ্যকৰী সদস্য খাইৰুল ইছলাম শোণিতপুৰ জিলা আমছুৰ সাধাৰণ সম্পাদক আফতাব আহমেদে বিভিন্ন দিশত আলোকপাত কৰে।

**Office of the Accountant General (A & E) Assam, Maidamgaon, Guwahati-781029**
**Webpage : http://agasm.cag.gov.in/status of gpf.html**

১২ পৃষ্ঠাৰ পৰা

**Final Payment Authorities of General Provident Fund issued during the month of Marcth' 2019 in respect of employees of Government of Assam on retirement/death.**

| Sl. No. | GPF Account No |
|---|---|
| 1009 | PED / 219006 |
| 1010 | PED / 219272 |
| 1011 | PED / 219376 |
| 1012 | PED / 219898 |
| 1013 | PED / 219975 |
| 1014 | PED / 219984 |
| 1015 | PED / 219985 |
| 1016 | PED / 220105 |
| 1017 | PED / 220677 |
| 1018 | PED / 221533 |
| 1019 | PED / 221641 |
| 1020 | PED / 221807 |
| 1021 | PED / 222058 |
| 1022 | PED / 222142 |
| 1023 | PED / 222188 |
| 1024 | PED / 222267 |
| 1025 | PED / 222332 |
| 1026 | PED / 222407 |
| 1027 | PED / 222447 |
| 1028 | PED / 222676 |
| 1029 | PED / 222895 |
| 1030 | PED / 222979 |
| 1031 | PED / 223252 |
| 1032 | PED / 223511 |
| 1033 | PED / 223588 |
| 1034 | PED / 223679 |
| 1035 | PED / 224007 |
| 1036 | PED / 224012 |
| 1037 | PED / 224123 |
| 1038 | PED / 224139 |
| 1039 | PED / 224148 |
| 1040 | PED / 224241 |
| 1041 | PED / 224340 |
| 1042 | PED / 224633 |
| 1043 | PED / 224767 |
| 1044 | PED / 225724 |
| 1045 | PED / 225772 |
| 1046 | PED / 226378 |
| 1047 | PED / 227103 |
| 1048 | PED / 227104 |
| 1049 | PED / 227590 |
| 1050 | PED / 227895 |
| 1051 | PED / 228166 |
| 1052 | PED / 228949 |
| 1053 | PED / 228974 |
| 1054 | PED / 229396 |
| 1055 | PED / 229794 |
| 1056 | PED / 229900 |
| 1057 | PED / 230069 |
| 1058 | PED / 230118 |
| 1059 | PED / 230366 |
| 1060 | PED / 231887 |
| 1061 | PED / 232523 |
| 1062 | PED / 232566 |
| 1063 | PED / 233239 |
| 1064 | PED / 233285 |
| 1065 | PED / 233825 |
| 1066 | PED / 234110 |
| 1067 | PED / 234146 |
| 1068 | PED / 234210 |
| 1069 | PED / 234223 |
| 1070 | PED / 234258 |
| 1071 | PED / 234286 |
| 1072 | PED / 234347 |
| 1073 | PED / 234410 |
| 1074 | PED / 235417 |
| 1075 | PED / 235448 |
| 1076 | PED / 235566 |
| 1077 | PED / 236075 |
| 1078 | PED / 236459 |
| 1079 | PED / 236545 |
| 1080 | PED / 236833 |
| 1081 | PED / 237231 |
| 1082 | PED / 237353 |
| 1083 | PED / 237535 |
| 1084 | PED / 237981 |
| 1085 | PED / 238161 |
| 1086 | PED / 238375 |
| 1087 | PED / 238665 |
| 1088 | PED / 238747 |
| 1089 | PED / 239269 |
| 1090 | PED / 239639 |
| 1091 | PED / 239640 |
| 1092 | PED / 239839 |
| 1093 | PED / 239977 |
| 1094 | PED / 240069 |
| 1095 | PED / 240146 |
| 1096 | PED / 240297 |
| 1097 | PED / 240483 |
| 1098 | PED / 240571 |
| 1099 | PED / 240969 |
| 1100 | PED / 242673 |
| 1101 | PED / 242960 |
| 1102 | PED / 242986 |
| 1103 | PED / 243002 |
| 1104 | PED / 243307 |
| 1105 | PED / 244100 |
| 1106 | PED / 244561 |
| 1107 | PED / 244620 |
| 1108 | PED / 244795 |
| 1109 | PED / 244818 |
| 1110 | PED / 245024 |
| 1111 | PED / 245066 |
| 1112 | PED / 245170 |
| 1113 | PED / 245265 |
| 1114 | PED / 245315 |
| 1115 | PED / 245555 |
| 1116 | PED / 245587 |
| 1117 | PED / 246040 |
| 1118 | PED / 246154 |
| 1119 | PED / 246254 |
| 1120 | PED / 246566 |
| 1121 | PED / 247097 |
| 1122 | PED / 247179 |
| 1123 | PED / 247499 |
| 1124 | PED / 247582 |
| 1125 | PED / 248026 |
| 1126 | PED / 248053 |
| 1127 | PED / 248614 |
| 1128 | PED / 249069 |
| 1129 | PED / 250099 |
| 1130 | PED / 250128 |
| 1131 | PED / 250141 |
| 1132 | PED / 251217 |
| 1133 | PED / 251468 |
| 1134 | PED / 251470 |
| 1135 | PED / 251784 |
| 1136 | PED / 252344 |
| 1137 | PED / 252500 |
| 1138 | PED / 252878 |
| 1139 | PED / 252914 |
| 1140 | PED / 253008 |
| 1141 | PED / 253223 |
| 1142 | PED / 253894 |
| 1143 | PED / 254342 |
| 1144 | PED / 254404 |
| 1145 | PED / 255364 |
| 1146 | PED / 256329 |
| 1147 | PED / 256372 |
| 1148 | PED / 256714 |
| 1149 | PED / 258452 |
| 1150 | PED / 258815 |
| 1151 | PED / 259480 |
| 1152 | PED / 260135 |
| 1153 | PED / 260188 |
| 1154 | PED / 260424 |
| 1155 | PED / 261163 |
| 1156 | PED / 261226 |
| 1157 | PED / 261398 |
| 1158 | PED / 261410 |
| 1159 | PED / 261505 |
| 1160 | PED / 261814 |
| 1161 | PED / 262237 |
| 1162 | PED / 262306 |
| 1163 | PED / 262741 |
| 1164 | PED / 265354 |
| 1165 | PED / 266062 |
| 1166 | PED / 266148 |
| 1167 | PED / 266201 |
| 1168 | PED / 266235 |
| 1169 | PED / 266655 |
| 1170 | PED / 266962 |
| 1171 | PED / 269572 |
| 1172 | PED / 272106 |
| 1173 | PED / 272580 |
| 1174 | PED / 273727 |
| 1175 | PED / 274309 |
| 1176 | PED / 275009 |
| 1177 | PED / 275288 |
| 1178 | PED / 276257 |
| 1179 | PED / 276336 |
| 1180 | PED / 276465 |
| 1181 | PED / 276658 |
| 1182 | PED / 276813 |
| 1183 | PED / 277946 |
| 1184 | PED / 278879 |
| 1185 | PED / 278959 |
| 1186 | PED / 280181 |
| 1187 | PED / 281639 |
| 1188 | PED / 282682 |
| 1189 | PED / 283345 |
| 1190 | PED / 284567 |
| 1191 | PED / 284912 |
| 1192 | PED / 285414 |
| 1193 | PED / 285421 |
| 1194 | PED / 285667 |
| 1195 | PED / 291905 |
| 1196 | PED / 292959 |
| 1197 | PED / 294360 |
| 1198 | PH / 4102 |
| 1199 | PH / 4574 |
| 1200 | PH / 5423 |
| 1201 | PH / 6012 |
| 1202 | PH / 6548 |
| 1203 | PH / 6553 |
| 1204 | PH / 6839 |
| 1205 | PH / 6988 |
| 1206 | PH / 7375 |
| 1207 | PH / 7383 |
| 1208 | PH / 7801 |
| 1209 | PH / 8145 |
| 1210 | PH / 8479 |
| 1211 | PH / 8520 |
| 1212 | PH / 8542 |
| 1213 | PH / 8608 |
| 1214 | PH / 8650 |
| 1215 | PH / 8675 |
| 1216 | PH / 8683 |
| 1217 | PH / 9009 |
| 1218 | PH / 9521 |
| 1219 | PH / 9685 |
| 1220 | PH / 10109 |
| 1221 | PH / 10812 |
| 1222 | PH / 12194 |
| 1223 | PH / 12370 |
| 1224 | PH / 13107 |
| 1225 | PH / 13157 |
| 1226 | PH / 13690 |
| 1227 | PH / 13837 |
| 1228 | PH / 13939 |
| 1229 | PH / 14133 |
| 1230 | PH / 14689 |
| 1231 | PH / 14807 |
| 1232 | PH / 14850 |
| 1233 | PH / 15212 |
| 1234 | PH / 15448 |
| 1235 | PH / 15515 |
| 1236 | PH / 15621 |
| 1237 | PH / 15915 |
| 1238 | PH / 15977 |
| 1239 | PH / 16135 |
| 1240 | PH / 16141 |
| 1241 | PH / 16148 |
| 1242 | PH / 16169 |
| 1243 | PH / 16194 |
| 1244 | PH / 16213 |
| 1245 | PH / 16239 |
| 1246 | PH / 16627 |
| 1247 | PH / 16818 |
| 1248 | PH / 16848 |
| 1249 | PH / 18229 |
| 1250 | PH / 18626 |
| 1251 | PH / 18649 |
| 1252 | PH / 18749 |
| 1253 | PH / 18887 |
| 1254 | PH / 18913 |
| 1255 | PH / 18967 |
| 1256 | PH / 19308 |
| 1257 | PH / 19495 |
| 1258 | PH / 19670 |
| 1259 | PH / 20117 |
| 1260 | PH / 20410 |
| 1261 | PH / 20449 |
| 1262 | PH / 20454 |
| 1263 | PH / 20668 |
| 1264 | PH / 21334 |
| 1265 | PH / 21368 |
| 1266 | PH / 21389 |
| 1267 | PH / 22759 |
| 1268 | PH / 23122 |
| 1269 | PH / 23262 |
| 1270 | POL / 35541 |
| 1271 | POL / 36237 |
| 1272 | POL / 36300 |
| 1273 | POL / 36810 |
| 1274 | POL / 37107 |
| 1275 | POL / 37368 |
| 1276 | POL / 37391 |
| 1277 | POL / 37485 |
| 1278 | POL / 37969 |
| 1279 | POL / 38094 |
| 1280 | POL / 38344 |
| 1281 | POL / 38558 |
| 1282 | POL / 38586 |
| 1283 | POL / 38676 |
| 1284 | POL / 38738 |
| 1285 | POL / 38791 |
| 1286 | POL / 39206 |
| 1287 | POL / 40509 |
| 1288 | POL / 41490 |
| 1289 | POL / 41882 |
| 1290 | POL / 41919 |
| 1291 | POL / 42030 |
| 1292 | POL / 42138 |
| 1293 | POL / 42564 |
| 1294 | POL / 42648 |
| 1295 | POL / 42839 |
| 1296 | POL / 42882 |
| 1297 | POL / 42923 |
| 1298 | POL / 43638 |
| 1299 | POL / 43730 |
| 1300 | POL / 44234 |
| 1301 | POL / 44281 |
| 1302 | POL / 44317 |
| 1303 | POL / 45921 |
| 1304 | POL / 46321 |
| 1305 | POL / 48161 |
| 1306 | POL / 48510 |
| 1307 | POL / 48839 |
| 1308 | POL / 49610 |
| 1309 | POL / 49960 |
| 1310 | POL / 50060 |
| 1311 | POL / 50140 |
| 1312 | POL / 50376 |
| 1313 | POL / 50532 |
| 1314 | POL / 50663 |
| 1315 | POL / 50797 |
| 1316 | POL / 51011 |
| 1317 | POL / 51234 |
| 1318 | POL / 53555 |
| 1319 | POL / 54504 |
| 1320 | POL / 56212 |
| 1321 | POL / 57308 |
| 1322 | POL / 58772 |
| 1323 | POL / 59459 |
| 1324 | POL / 59949 |
| 1325 | POL / 61345 |
| 1326 | POL / 61405 |
| 1327 | POL / 61562 |
| 1328 | POL / 62487 |
| 1329 | POL / 62994 |
| 1330 | POL / 63474 |
| 1331 | POL / 63899 |
| 1332 | POL / 64699 |
| 1333 | POL / 64806 |
| 1334 | POL / 64944 |
| 1335 | POL / 64983 |
| 1336 | POL / 65705 |
| 1337 | POL / 66275 |
| 1338 | POL / 66279 |
| 1339 | POL / 67228 |
| 1340 | POL / 67503 |
| 1341 | POL / 68659 |
| 1342 | POL / 68884 |
| 1343 | POL / 69663 |
| 1344 | POL / 70560 |
| 1345 | POL / 70862 |
| 1346 | POL / 71757 |
| 1347 | POL / 72718 |
| 1348 | POL / 73689 |
| 1349 | POL / 74704 |
| 1350 | POL / 74790 |
| 1351 | POL / 75107 |
| 1352 | POL / 75362 |
| 1353 | POL / 76347 |
| 1354 | POL / 77138 |
| 1355 | POL / 77277 |
| 1356 | POL / 77705 |
| 1357 | POL / 78306 |
| 1358 | POL / 78382 |
| 1359 | POL / 79027 |
| 1360 | POL / 79326 |
| 1361 | POL / 79903 |
| 1362 | POL / 80591 |
| 1363 | POL / 80710 |
| 1364 | POL / 81292 |
| 1365 | POL / 81687 |
| 1366 | POL / 81833 |
| 1367 | POL / 82058 |
| 1368 | POL / 82079 |
| 1369 | POL / 82269 |
| 1370 | POL / 82706 |
| 1371 | POL / 84082 |
| 1372 | POL / 84227 |
| 1373 | POL / 84263 |
| 1374 | POL / 84466 |
| 1375 | POL / 84996 |
| 1376 | POL / 85715 |
| 1377 | POL / 86613 |
| 1378 | POL / 87085 |
| 1379 | POL / 87199 |
| 1380 | POL / 87635 |
| 1381 | POL / 89655 |
| 1382 | POL / 90417 |
| 1383 | POL / 91223 |
| 1384 | POL / 93276 |
| 1385 | POL / 97293 |
| 1386 | POL / 97784 |
| 1387 | REG / 437 |
| 1388 | REG / 847 |
| 1389 | REG / 870 |
| 1390 | SAS / 3360 |
| 1391 | SAS / 3598 |
| 1392 | SAS / 3656 |
| 1393 | SAS / 3787 |
| 1394 | SAS / 4466 |
| 1395 | SAS / 4748 |
| 1396 | SAS / 5104 |
| 1397 | SAS / 5199 |
| 1398 | SAS / 5575 |
| 1399 | SAS / 5664 |
| 1400 | SAS / 5788 |
| 1401 | SAS / 6061 |
| 1402 | SAS / 6223 |
| 1403 | SAS / 6253 |
| 1404 | SAS / 6269 |
| 1405 | SAS / 6688 |
| 1406 | SAS / 7107 |
| 1407 | SAS / 7306 |
| 1408 | SAS / 7458 |
| 1409 | SAS / 7596 |
| 1410 | SAS / 7621 |
| 1411 | SAS / 7683 |
| 1412 | SAS / 8221 |
| 1413 | SAS / 8296 |
| 1414 | SAS / 8337 |
| 1415 | SAS / 8446 |
| 1416 | SAS / 8462 |
| 1417 | SAS / 8475 |
| 1418 | SAS / 8491 |
| 1419 | SAS / 8493 |
| 1420 | SAS / 8501 |
| 1421 | SAS / 8574 |
| 1422 | SAS / 8640 |
| 1423 | SAS / 8648 |
| 1424 | SAS / 8660 |
| 1425 | SAS / 8780 |
| 1426 | SAS / 8900 |
| 1427 | SAS / 8911 |
| 1428 | SAS / 8957 |
| 1429 | SAS / 9290 |
| 1430 | SAS / 9482 |
| 1431 | SAS / 9503 |
| 1432 | SAS / 9530 |
| 1433 | SAS / 9582 |
| 1434 | SAS / 9606 |
| 1435 | SAS / 9684 |
| 1436 | SAS / 9820 |
| 1437 | SAS / 10039 |
| 1438 | SAS / 10047 |
| 1439 | SAS / 10190 |
| 1440 | SAS / 10373 |
| 1441 | SAS / 10415 |
| 1442 | SAS / 10477 |
| 1443 | SAS / 10492 |
| 1444 | SAS / 10552 |
| 1445 | SAS / 10553 |
| 1446 | SAS / 10708 |
| 1447 | SAS / 10764 |
| 1448 | SAS / 10998 |
| 1449 | SAS / 11665 |
| 1450 | SAS / 11880 |
| 1451 | SAS / 11893 |
| 1452 | SAS / 11929 |
| 1453 | SAS / 11947 |
| 1454 | SAS / 11996 |
| 1455 | SAS / 12420 |
| 1456 | SAS / 12431 |
| 1457 | SAS / 12448 |
| 1458 | SAS / 12547 |
| 1459 | SAS / 12892 |
| 1460 | SAS / 12941 |
| 1461 | SAS / 13292 |
| 1462 | SAS / 13300 |
| 1463 | SAS / 13907 |
| 1464 | SAS / 14492 |
| 1465 | SSR / 365 |
| 1466 | SSR / 538 |
| 1467 | SSR / 546 |
| 1468 | SSR / 583 |
| 1469 | SSR / 597 |
| 1470 | SSW / 2970 |
| 1471 | TC / 332 |
| 1472 | TC / 385 |
| 1473 | TC / 529 |
| 1474 | TC / 587 |
| 1475 | TC / 830 |
| 1476 | TC / 1033 |
| 1477 | TC / 1184 |
| 1478 | TC / 1266 |
| 1479 | TC / 1426 |
| 1480 | TC / 1601 |
| 1481 | TC / 1901 |
| 1482 | TC / 1952 |
| 1483 | TC / 1956 |
| 1484 | TC / 2387 |
| 1485 | TC / 2515 |
| 1486 | TC / 3617 |
| 1487 | TC / 4918 |
| 1488 | VET / 2951 |
| 1489 | VET / 3063 |
| 1490 | VET / 3575 |
| 1491 | VET / 4079 |
| 1492 | VET / 4107 |
| 1493 | VET / 4132 |
| 1494 | VET / 4361 |
| 1495 | VET / 4558 |
| 1496 | VET / 5650 |
| 1497 | VET / 5787 |
| 1498 | VET / 5876 |
| 1499 | VET / 5983 |
| 1500 | VET / 6243 |
| 1501 | VET / 6468 |
| 1502 | VET / 6598 |
| 1503 | VET / 6631 |
| 1504 | VET / 6679 |
| 1505 | VET / 7199 |
| 1506 | VET / 7281 |
| 1507 | VET / 7282 |
| 1508 | VET / 7302 |
| 1509 | VET / 7484 |
| 1510 | VET / 7496 |
| 1511 | VET / 7535 |
| 1512 | VET / 7738 |
| 1513 | VET / 9048 |
| 1514 | VET / 9519 |
| 1515 | VET / 9658 |
| 1516 | VET / 9800 |
| 1517 | VET / 9896 |
| 1518 | VET / 10106 |
| 1519 | VET / 10448 |
| 1520 | VET / 10665 |
| 1521 | VET / 10773 |
| 1522 | VET / 10966 |
| 1523 | VET / 10968 |
| 1524 | VET / 11106 |
| 1525 | VET / 11143 |
| 1526 | VET / 11897 |
| 1527 | VET / 11970 |
| 1528 | VET / 11995 |
| 1529 | VET / 12286 |

E&OE

Sd/-
Sanjoy Bhattacharjee
Accounts Officer PF-1

*Janasanyog/D/130/19*



# এদিনীয়া ক্ৰিকেটত ইতিহাস গঢ়িলে ৱেষ্টইণ্ডিজৰ জন কেম্পবেল-ছাই হ'পে



## আয়াৰলেণ্ডৰ বিপক্ষে অপেনিং যুটিত সংগ্ৰহ কৰিলে ৩৬৫ ৰাণ

**ডাবলিন, ৫ মে' ঃ** এদিনীয়া আন্তৰ্জাতিক ক্ৰিকেটত ইতিহাস গঢ়িলে ৱেষ্টইণ্ডিজৰ অপেনিং যুটি জন কেম্পবেল আৰু ছাই হ'পেই। আয়াৰলেণ্ডৰ বিপক্ষে খেলা মেচখনত প্ৰাৰম্ভিক যুটিত দললৈ আগবঢ়ায় ৩৬৫ ৰাণ। পূৰ্বে পাকিস্তানৰ যুটি ইমাম-উল-হক আৰু ফকৰ জামানে ২০১৮ত ৩০৪ ৰাণ কৰিছিল জিম্বাব'ৱেৰ বিপক্ষে বুলৱায়ুত। লক্ষ্যণীয়ভাৱে এদিনীয়া ফৰ্মেটত আৰম্ভণি যুটিত প্ৰত্যেকে ১৫০ ৰাণ অতিক্ৰম কৰাৰ কৃতিত্ব অৰ্জন কৰিলে কেম্পবেল আৰু হ'পে। ৪৬ অভাৰলৈ যুটিত খেলি কেম্পবেল ১৭৯ ৰাণত আউট হয়। সেই সময়ত উইকেটৰক্ষক বেটছমেন হ'পৰ ৰাণ আছিল ১৭০ ৰাণ। ৪৭ অভাৰত যুটি ভংগ হ'ল। ৱেষ্টইণ্ডিজে ৫০ অভাৰত তিনি উইকেট হেৰুৱাই ৩৮১ ৰাণৰ পাহাৰ গঢ়িবলৈ সক্ষম হয়।



বেবি লীগৰ ন বছৰ অনূৰ্ধ্ব শাখাৰ চেম্পিয়ন দল।

# আন্তঃৰাষ্ট্ৰীয় শ্বুটিঙত অসমৰ হৃদয়ৰ ব্ৰঞ্জৰ পদক অৰ্জন

অগ্ৰদূত বাৰ্তা

**বিহপুৰীয়া, ৫ মে' ঃ** অসমৰ যুৱ শ্বুটাৰ হৃদয় হাজৰিকাই চেক গণৰাজ্যত অনুষ্ঠিত আন্তঃৰাষ্ট্ৰীয় শ্বুটিং প্ৰতিযোগিতাৰ ছিনিয়ৰ শাখাত ব্ৰঞ্জৰ পদক লাভ কৰিবলৈ সক্ষম হৈছে। পিলজেনত অনুষ্ঠিত হোৱা ৫০ সংখ্যক গাঁ-প্ৰিত চূড়ান্ত খেলত ২২৮.২ পইণ্ট সংগ্ৰহ কৰি ব্ৰঞ্জৰ পদক লাভ কৰে। প্ৰাৰম্ভিক খেলত ৬২৭.২ পইণ্ট কৰি ফাইনেলত প্ৰৱেশ কৰিছিল। নৱেম্বৰৰ পাছত হৃদয়ে প্ৰথমখন আন্তঃৰাষ্ট্ৰীয় প্ৰতিযোগিতাত অংশগ্ৰহণ কৰিছিল। অহা সপ্তাহত জাৰ্মানীত আন এখন আন্তঃৰাষ্ট্ৰীয় প্ৰতিযোগিতাত অংশগ্ৰহণ কৰিব হৃদয়ে। হৃদয়ে নাৰায়ণপুৰৰ মাধৱদেৱ মহাবিদ্যালয়ৰ অধ্যক্ষ শৰৎ হাজৰিকাৰ সন্তান।



## বিপদত পৰিল ট'টেনহাম

# শীৰ্ষ স্থানত লিভাৰপুল

**লণ্ডন, ৫ মে' ঃ** চেম্পিয়নছ লীগৰ ছেমিফাইনেলৰ প্ৰথম লেগৰ মেচত হতাশাজনক প্ৰদৰ্শন কৰাৰ পাছত লিভাৰপুলে ইংলিছ প্ৰিমিয়াৰ লীগত যোৱানিশা অনবদ্য বিজয় লাভ কৰি হেৰুওৱা আত্মবিশ্বাস ঘুৰাই আনিছে। নিউকাষ্টল ইউনাইটেডক ২-৩ গ'লৰ ব্যৱধানত পৰাস্ত কৰে লিভাৰপুলে। লিভাৰপুলৰ হৈ ভান ডিজক (১৩ মিনিট), মহম্মদ ছালাহ (২৮ মিনিট), আৰু অৰিগি (৮৬ মিনিট)য়ে গ'ল কৰাৰ বিপৰীতে নিউকাষ্টল ইউনাইটেডৰ হৈ অটছু (২০ মিনিট) আৰু ৰ'নডনে (৫৪ মিনিট) গ'ল দুটা কৰে। এই জয়ৰ পাছত লিভাৰপুল পইণ্ট তালিকাৰ শীৰ্ষস্থানত উপনীত হৈছে। ৩৭ মেচত দলৰ পইণ্ট হ'ল ৯৪। বিপৰীতে বিগত বৰ্ষৰ চেম্পিয়ন মানচেষ্টাৰ চিটীয়ে ৩৬ মেচত ৯২ পইণ্ট লাভ কৰি দ্বিতীয় স্থানত আছে। উল্লেখ্য যে চেম্পিয়নছ লীগৰ ছেমিফাইনেলৰ প্ৰথম লেগৰ মেচত তাৰকা ষ্ট্ৰাইকাৰ লিয়নেল মেছিৰ যাদুকৰী দুটা গ'লৰ সহায়ত বাৰ্চিলোনাই লিভাৰপুলক ৩-০ ব্যৱধানত পৰাস্ত কৰিছে। খেলৰ আৰম্ভণিৰে পৰা দমনীয় প্ৰদৰ্শন কৰি বাৰ্চিলোনাই লিভাৰপুলক চাপত ৰাখিবলৈ সক্ষম হয়। দ্বিতীয় লেগৰ মেচ এতিয়া লিভাৰপুলৰ বাবে মৰণপণ লগতে বৃহৎ প্ৰত্যাহ্বান। অহা মঙলবাৰে দ্বিতীয় লেগ খেলিব লাগিব এনফিল্ডত। ইফালে, চেম্পিয়নছ লীগৰ ছেমিফাইনেলৰ প্ৰথম লেগৰ মেচত ড্ৰ খেলা ট'টেনহাম দলে যোৱানিশা ইংলিছ প্ৰিমিয়াৰ লীগত পৰাজয়ৰ সন্মুখীন হয়। লগতে ৰঙা কাৰ্ড পোৱাৰ বাবে দুজনকৈ খেলুৱৈক হেৰুৱাই দলে। এ এফ চি ব্ৰুনমাউথে ১-০ত পৰাস্ত কৰে ট'টেনহাম দলক। চেম্পিয়নছ লীগৰ ছেমিফাইনেলৰ দ্বিতীয় লেগৰ মেচৰ পূৰ্বে এয়া ট'টেনহাম দলৰ বাবে হতাশাজনক খবৰ।



# পাঁচখন এষ্ট্ৰ'টাৰ্ফ থকাৰ পাছতো দিল্লীত ঘাঁহনিত অনুশীলন জুনিয়ৰ হকী দলৰ

**নতুন দিল্লী, ৫ মে' ঃ** পাঁচখনকৈ কৃটিম পিটছ এষ্ট্ৰ'টাৰ্ফ থকাৰ পাছত দেশৰ ৰাজধানী দিল্লীত ঘাঁহনিৰ ওপৰত অনুশীলন কৰিছে ১৫ বছৰ অনূৰ্ধ্বৰ খেলুৱৈয়ে। অহা ১১ মে'ৰ পৰা চণ্ডিশগড়ত অনুষ্ঠিত হ'ব হকী ইণ্ডিয়াৰ ৰাষ্ট্ৰীয় ছাব-জুনিয়ৰ প্ৰতিযোগিতা। এই প্ৰতিযোগিতাৰ বাবে অনুশীলন চলাবলৈ এষ্ট্ৰ'টাৰ্ফৰ অভাৱ ৰাজধানী দিল্লীৰ খেলুৱৈৰ। ঘাঁহনিত হকী খেলাৰ দিন একদশক পূৰ্বেই অন্ত পৰিল। তেনে স্থলত দিল্লীৰ চেমনীয়া খেলুৱৈয়ে অনুশীলন কৰিব লগা হৈছে। দিল্লী দলৰ এনে দুখলগা অৱস্থাৰ কাৰণ কেইটা হ'ল ধ্যানচান্দ ৰাষ্ট্ৰীয় ষ্টেডিয়ামত তিনিখন কৃটিম পিটছ আছে। কিন্তু ২০১৮ৰ নৱেম্বৰৰ পৰা পুনৰ্নিৰ্মাণ চলি আছে। শিৱাজী ষ্টেডিয়ামত হকী ইণ্ডিয়াৰ টুৰ্ণামেন্ট অনুমোদন কৰাত সমস্যা আছে। ইপিনে, যমুনা ক্ৰীড়া প্ৰকল্পত অনুশীলনৰ বাবে প্ৰতিটো ছেছনত দুহেজাৰ টকা দিব লাগে। এনে দায়সৰা মন্তব্য দিয়ে হকী দিল্লীৰ সচিব মহেশ দয়ালে। মন কৰিবলগীয়া যে তৃণমূল পৰ্যায়ত হকীৰ উন্নয়নৰ বাবে ৰাজ্যিক হকী সন্থাক ১০ লাখ টকাৰ সাহায্য প্ৰদান কৰাৰ নীতি আছে হকী ইণ্ডিয়াই। তেনে স্থলতো ৰাজধানী দিল্লীত চলিছে আওপুৰণি পদ্ধতিত অনুশীলন।

# অন্তিম মেচত চেন্নাই ছুপাৰ কিংছৰ বিৰুদ্ধে কিংছ একাদশ পঞ্জাৱৰ জয়

**ম'হালী, ৫ মে' ঃ** কিংছ একাদশ পঞ্জাৱ দলে চলিত দ্বাদশ আই পি এলৰ নিজৰ অন্তিমখন মেচত জয়লাভ কৰিলেও দলে প্লে-অফত স্থান নিশ্চিত কৰাত ব্যৰ্থ হয়। আজি অনুষ্ঠিত মেচত দলে ছয় উইকেটত পৰাস্ত কৰে চেন্নাই ছুপাৰ কিংছ দলক। অৱশ্যে এই মেচ চি এছ কেৰ বাবে গুৰুত্বহীন। কাৰণ ইতিমধ্যে প্লে-অফলৈ যোগ্যতা অৰ্জন কৰিছে চেন্নাই ছুপাৰ কিংছ দলে। ম'হালীত অনুষ্ঠিত মেচত পোনতে বেটিং কৰা চেন্নাই ছুপাৰ কিংছ দলে ২০ অভাৰত পাঁচ উইকেট হেৰুৱাই ১৭০ ৰাণ কৰে। দলৰ হৈ ফাফ ডুপ্লেছিছে ৯৬ ৰাণৰ বিস্ফোৰক ইনিংছ খেলাৰ বিপৰীতে সুৰেশ ৰাইনাই ৫৩ ৰাণৰ অবদান আগবঢ়ায়। কিংছ একাদশৰ হৈ মহম্মদ ছামিয়ে দুটা আৰু কাৰাণে তিনিটা উইকেট পায়। প্ৰত্যুত্তৰত কিংছ একাদশ পঞ্জাৱ দলে ১৮ অভাৰত চাৰিটা উইকেট হেৰুৱাই ১৭৩ ৰাণ কৰি হেলাৰঙে বিজয়লক্ষ্যত উপনীত হয়। কিংছ একাদশ পঞ্জাৱৰ হৈ লোকেছ ৰাহুলে ৩৬ বলত ৭১ ৰাণৰ অনবদ্য ইনিংছ খেলি দলক বিজয়লক্ষ্যত উপনীত কৰোৱায়। গেইলে ২৮ আৰু পুৰানে ৩৬ ৰাণ কৰে। চেন্নাই ছুপাৰ কিংছৰ হৈ হৰভজন সিঙে তিনিটা উইকেট পায়।





মাদ্ৰিদ অপেনত কিট্'ভা।

## হেটমীয়েৰ-গুৰকীৰাট সিঙৰ শতকীয় যুটি

# ছানৰাইজাৰ্ছ হায়দৰাবাদক হৰুৱাই ছিজন সামৰিলে আৰ চি বি দলে



**বাংগালুৰু, ৫ মে' ঃ** চলিত দ্বাদশ আই পি এলৰ নিজৰ অন্তিমখন মেচত জয়লাভ কৰিছে ৰয়েল চেলেঞ্জাৰ্ছ বাংগালুৰু দলে। যোৱানিশা চিন্নাস্বামী ষ্টেডিয়ামত অনুষ্ঠিত মেচত আৰ চি বিয়ে চাৰি উইকেটত পৰাস্ত কৰে ছানৰাইজাৰ্ছ হায়দৰাবাদ দলক। পোনতে বেটিং কৰি ছানৰাইজাৰ্ছ হায়দৰাবাদ দলে ২০ অভাৰত সাত উইকেট হেৰুৱাই ১৭৫ ৰাণ কৰে। দলৰ হৈ কেন উইলিয়ামছনে সৰ্বাধিক ৭০ ৰাণ কৰাৰ বিপৰীতে গুপটিলে ৩০, বিজয় শংকৰে ২৭ আৰু ঋদ্ধিমান সাহাই ২০ ৰাণ কৰে। আৰ চি বিৰ হৈ ছাইনিয়ে দুটা আৰু ৱাশ্বিংটন সুন্দৰে তিনিটা উইকেট পায়। প্ৰত্যুত্তৰত ৰয়েল চেলেঞ্জাৰ্ছ বাংগালুৰু দলে ১৯.২ অভাৰত ছয় উইকেটত ১৭৮ ৰাণ কৰি বিজয়লক্ষ্যত উপনীত হয়। আৰ চি বিয়ে আৰম্ভণিতে পাৰ্থিৱ পেটেল (০), বিৰাট কোহলি (১৬) আৰু ডেভিলিয়াৰ্ছৰ (১) উইকেট তিনিটা হেৰুৱাই বিপদত পৰে যদিও হেটমীয়েৰ (৭৫) আৰু গুৰকীৰাট সিঙে (৬৫) শতকীয় যুটী বান্ধি দলক বিজয়লক্ষ্যত উপনীত কৰোৱায়। ছানৰাইজাৰ্ছ হায়দৰাবাদৰ হৈ খলীল আহমেদে তিনিটা আৰু ভূৱনেশ্বৰ কুমাৰে দুটা উইকেট পায়।

# ফাইনেল খেলাৰ আশা হেৰী কেনৰ

**লণ্ডন, ৫ মে' ঃ** আমেৰিকা যুক্তৰাষ্ট্ৰৰ নেচনেল ফুটবল লীগ (এন এফ এল)ত গ'ল স্ক'ৰ কৰিয়েই কেৰিয়াৰ সামৰিব ইংলণ্ডৰ জাতীয় ফুটবল দলৰ অধিনায়ক হেৰী কেনে। ৰাছিয়া বিশ্বকাপত সৰ্বাধিক গ'লদাতা কেনে এক সাক্ষাৎকাৰত কয়, 'ইউৰোপীয় ফুটবলৰ পাছত আমেৰিকা যুক্তৰাষ্ট্ৰৰ এন এফ এলত শক্তি প্ৰদৰ্শন কৰিব পৰাটোহে প্ৰকৃত খেলুৱৈ। বিশ্ব বিখ্যাত ষ্ট্ৰাইকাৰ ডেভিদ বেকহাম, ৱেইনে ৰুণী আৰু ষ্টিভেন জেৰাৰ্ডেও আমেৰিকাৰ শীৰ্ষ লীগ এম এল এছত উন্নত প্ৰদৰ্শন কৰিছিল। বিশ্বকাপ প্ৰিমিয়াৰ লীগৰ পাছত এন এফ এলত অংশগ্ৰহণ কৰিলেহে মহান ক্ৰীড়াবিদৰূপে পৰিচিত হয়। একাংশ খেলুৱৈয়ে এন এফ এলত অংশ নলয়। সেয়া তেওঁলোকৰ ভ্ৰান্ত ধাৰণা। মই নেচনেল ফুটবল লীগত উন্নত প্ৰদৰ্শন কৰিম।' ইফালে ট'টেনহামে যদি চেম্পিয়নছ লীগৰ ফাইনেল খেলে তেন্তে মেচখনত খেলাৰ আশা ব্যক্ত কৰিছে কেনে।



ৰোহিত

# লা-লীগাত মেছি-ছুৱাৰেজ অবিহনে খেলি পৰাজয়ৰ সন্মুখীন বাৰ্চিলোনা



**বাৰ্চিলোনা, ৫ মে' ঃ** চলিত স্পেনিছ লীগাৰ খিতাপ লাভ কৰাটো ইতিমধ্যে নিশ্চিত কৰা বাৰ্চিলোনাই যোৱানিশা লীগৰ এখন মেচত পৰাজয়ৰ সন্মুখীন হয়। চেল্টা ভিগোই ২-০ গ'লৰ ব্যৱধানত পৰাস্ত কৰে বাৰ্চিলোনাক। উল্লেখ্য যে বাৰ্চিলোনাৰ বাবে কাৰ্যতঃ গুৰুত্বহীন এই মেচখনত অংশ লোৱাৰ পৰা বিৰত থাকে দলৰ তিনি তাৰকা লিয়োনেল মেছি, লুইছ ছুৱাৰেজ আৰু পিকে। চেম্পিয়নছ লীগৰ ছেমিফাইনেলৰ দ্বিতীয় লেগ তথা ফাইনেলৰ বাবে নিজক সাজু কৰাৰ লক্ষ্যৰে কালিৰ মেচত দলৰ তিনি তাৰকা লিয়োনেল মেছি, লুইছ ছুৱাৰেজ আৰু পিকেক খেলিবলৈ নিদিলে বাৰ্চিলোনাৰ মেনেজাৰে। উল্লেখ্য যে তাৰকা ষ্ট্ৰাইকাৰ লিয়নেল মেছিৰ যাদুকৰী দুটা গ'লৰ সহায়ত বাৰ্চিলোনাই লিভাৰপুলক ৩-০ ব্যৱধানত পৰাস্ত কৰি চেম্পিয়নছ লীগ ফাইনেলত খেলাৰ দিশে অগবাঢ়িছে। ছেমিফাইনেলৰ প্ৰথম লেগৰ মেচখনত লুইছ ছুৱাৰেজে এটা গ'ল দিয়ে। ইপিনে, মেছিয়ে ৭৫ আৰু ৮২ মিনিটত গ'ল দি দলৰ জয় নিশ্চিত কৰে। অহা মাহত অনুষ্ঠিত হ'ব লগা ফাইনেলৰ পূৰ্বে বাৰ্চিলোনাই অহা মঙলবাৰে দ্বিতীয় লেগ খেলিব লাগিব এনফিল্ডত। স্মৰ্তব্য যে তিনিখন মেচ খেলিবলৈ বাকী থাকোতেই চলিত স্পেনিছ লীগৰ খিতাপ লাভ কৰিছে বাৰ্চিলোনাই। ইয়াৰ পূৰ্বৰ মেচত বাৰ্চিলোনাই ১-০ গ'লৰ ব্যৱধানত পৰাস্ত কৰে লেভাণ্টেক। খেলত বাৰ্চিলোনাৰ হৈ বিজয়সুচক গ'লটো কৰিছিল তাৰকা লিয়োনেল মেছিয়ে। এই বিজয়ৰ পাছত পইণ্ট তালিকাৰ শীৰ্ষত থকা বাৰ্চিলোনাই চলিত স্পেনিছ লীগৰ খিতাপ লাভ কৰাটো কাৰ্যতঃ নিশ্চিত হয়। এতিয়া কেবল লীগৰ সামৰণিৰ আনুষ্ঠানিকতাহে বাকী আছে। ইফালে লা-লীগাৰ যোৱানিশা অনুষ্ঠিত অন্য এখন মেচত পৰাজয়ৰ সন্মুখীন হয় এথলেটিকো মাদ্ৰিদ।

# সমৰকলা খেলুৱৈক প্ৰশিক্ষণ-বেল্ট প্ৰদান

অগ্ৰদূত বাৰ্তা

**মৰিয়নি, ৫ মে' ঃ** মৰিয়নি মাৰ্চিয়েল আৰ্ট এছ'চিয়েছনৰ উদ্যোগত বাপুজী ষ্টেডিয়ামত সমৰকলা খেলুৱৈসকলৰ এক বিশেষ প্ৰশিক্ষণ অনুষ্ঠিত হয়। তিনিদিনীয়া প্ৰশিক্ষণৰ অন্তত পৰীক্ষা অনুষ্ঠিত কৰাৰ লগতে খেলুৱৈসকলক বিভিন্ন বেল্ট প্ৰদান কৰা হয়। এই উপলক্ষ্যে আজি মৰিয়নি ক্ৰীড়া সন্থা ভৱনত অনুষ্ঠিত এক অনুষ্ঠানত উপস্থিত থাকি উকাৰ' কাৰিকৰী সঞ্চালক তথা শ্ব'ৰিণ-ৰিঅ'-চেইবুকান কাৰাটে-ড' স্কুল অব ইণ্ডিয়াৰ ষ্টাইল হেড্ ৰমেন পাল দাসে অংশগ্ৰহণকাৰী খেলুৱৈসকলক বিভিন্ন কলা-কৌশল সম্পৰ্কে অৱগত কৰে। শিক্ষক মনোজ কুমাৰ শৰ্মাই আঁত ধৰা অনুষ্ঠানটোত মৰিয়নি মাৰ্চিয়েল আৰ্ট এছ'চিয়েছনৰ মুখ্য প্ৰশিক্ষক ত্ৰিদ্বীপ গগৈ, মৰিয়নিৰ বিধায়ক তথা মৰিয়নি মাৰ্চিয়েল আৰ্ট এছ'চিয়েছনৰ সভাপতি ৰূপজ্যোতি কুৰ্মীয়েও বক্তব্য প্ৰদান কৰে। অনুষ্ঠানটোত মৰিয়নি ক্ৰীড়া সন্থাৰ ভাৰপ্ৰাপ্ত সম্পাদক দীপক দত্ত, মৰিয়নি মাৰ্চিয়েল আৰ্ট এছ'চিয়েছনৰ সম্পাদক নজৰুল হাজৰিকা, বিশিষ্ট চিকিৎসক ডাঃ খ্ৰীষ্টজ্যোতি বৰা উপস্থিত থাকে।



# জাৰ্মান লীগত বেয়াৰ্ণৰ জয়লাভ নেইমাৰৰ গ'লেৰে পি এছ জিৰ ড্ৰ



**মিউনিখ, ৫ মে' ঃ** বুণ্ডেছ লীগাৰ খিতাপ দখল কৰিবলৈ আৰু মাত্ৰ চাৰি পইণ্ট প্ৰয়োজন বেয়াৰ্ণ মিউনিখ দলক। যোৱানিশা অনুষ্ঠিত মেচত বেয়াৰ্ণ মিউনিখে জয়লাভ কৰাৰ বিপৰীতে দলৰ খিতাপৰ প্ৰতিদ্বন্দ্বী ব'ৰুছিয়া ড'ৰ্টমুণ্ড দলে নিজৰ গুৰুত্বপূৰ্ণ মেচত ড্ৰ খেলে। বেয়াৰ্ণ মিউনিখে কালি ৩-১ত জয়লাভ কৰি নিজৰ শীৰ্ষস্থান অক্ষুণ্ণ ৰাখিছে। ৩২ মেচত দলৰ পইণ্ট হ'ল ৭৪। ইফালে, ব'ৰুছিয়া ড'ৰ্টমুণ্ড দলে যোৱানিশা ২-২ত ড্ৰ খেলি খিতাপৰ দৌৰৰ পৰা আঁতৰিছে। ৩২ মেচত ব'ৰুছিয়া ড'ৰ্টমুণ্ড দলে ৭০ পইণ্ট লাভ কৰি দ্বিতীয় স্থানত আছে। **ফৰাচী লীগ ঃ** ইফালে নেইমাৰৰ পেনাল্টি গ'লৰ সহায়ত ফৰাচী লীগত নাইচৰ বিৰুদ্ধে পৰাজয়ৰ পৰা ৰক্ষা পৰিছে পি এছ জি। ১-১গ'লত ড্ৰ হয় মেচখন। ৪৬ মিনিটত গানাগাই গ'ল কৰি নাইচক ১-০ৰ অগ্ৰগতি দিয়ে। কিন্তু ৬০ মিনিটত পি এছ জিয়ে লাভ কৰা পেনাল্টিক নেইমাৰে গ'লৰ ৰূপ দি মেচ ১-১ত ড্ৰ কৰিবলৈ সক্ষম হয়।

শেষ পৃষ্ঠাৰ প্ৰথম

দৈনন্দিন

# ৩৫ টকা মাহিলি দৰমহাত কাম কৰি এতিয়া চাট হাউছৰ গৰাকী

## অভাৱৰ তাড়নাত ঘৰ এৰি পলায়ন কৰিছিল সুৰেন দাসে



**শৈশৱতে** অভাৱ কি তেওঁ বুজি পাইছিল আৰু সেই অভাৱৰ তাড়নাতে এদিন ১৬ বছৰ বয়সতে ঘৰৰ পৰা পলায়ন কৰিবলৈ বাধ্য হৈছিল। সেইদৰে পলাই গৈয়ে মাথোঁ ৩৫ টকা মাহিলি দৰমহাত তেজপুৰৰ এখন হোটেলত কাম কৰিছিল নলবাৰী জিলাৰ ঘগ্ৰাপাৰৰ আল্লিয়াৰ সুৰেন দাসে। পাঁচজন ভাই-ককাইৰ তৃতীয় দাসে সেই টকাৰে পৰিয়ালৰ অভাৱ পূৰ কৰিব পৰা নাছিল। সেয়ে এদিন পুনৰ ঢাপলি মেলিছিল চুবুৰীয়া ৰাজ্য অৰুণাচল প্ৰদেশলৈ। তাতে ১২ বছৰ কাম কৰি উভতি আহি ভৰি দিয়ে গুৱাহাটী মহানগৰীত। দিন হাজিৰাৰে মহানগৰীত জীৱন সংগ্ৰাম কৰা দাসক এদিন গাঁৱৰে এজন লোকে মাতি আনি গোটাই দিছিল পদপথৰ এখন চাট হাউছ। সেই চাট হাউছতে বিগত ৩০ বছৰে নিৰৱচ্ছিন্নভাৱে তেওঁ সেই কামেই কৰি আহিছে। মহানগৰীৰ সদাব্যস্ত জু-নাৰেংগী পথৰ অট'ষ্টেণ্ডৰ সমীপতে তেওঁৰ চাট হাউছখন। কাহিলিপুৱাতে ব্যৱসায় আৰম্ভ কৰা দাসৰ চাট হাউছত গ্ৰাহকৰ ৰূপত ভিৰ কৰে মৰ্ণিং ৱাক কৰা লোকৰ পৰা আৰম্ভ কৰি বিভিন্নজনে। তেওঁৰ ভাষাত, 'অভাৱ মই ভালদৰে বুজি পাওঁ। আজি যিসকলে মোৰ দোকানত পুৱাই আহি পৰঠা-চাহ খায়, তেওঁলোকৰ বেছিভাগেই শ্ৰমজীৱী। পুৱাই কৰ্মৰ সন্ধানত ওলাই আহি মোৰ দোকানতে ভিৰ কৰে। ময়ো তেওঁলোকক পাৰ্যমানে সহায় কৰো।' প্ৰথমে জু-নাৰেংগীৰ বিজয়া বেংকৰ সমীপত ব্যৱসায় আৰম্ভ কৰা দাস এতিয়াও আৰ্থিকভাৱে স্বচ্ছল নহ'লেও সুন্দৰকৈ পৰিয়ালৰ স'তে জীৱন যাপন কৰিবলৈ সক্ষম হৈছে। একমাত্ৰ কন্যা এতিয়া বি এ চতুৰ্থ ষাণ্মাসিকৰ ছাত্ৰী। পত্নী-কন্যাৰ স'তে দাসে মহানগৰীৰ এটা ভাড়াঘৰত থাকে যদিও সময়-সুযোগ পালে জন্মগাঁও আল্লিয়ালৈ দৌৰ মাৰে। কিয়নো গুৱাহাটীত ঘৰ-মাটি নকৰিলেও বা কৰিবলৈ সক্ষম নহ'লেও এই আল্লিয়াৰে পৈত্ৰিক ভেটিত নতুনকৈ নিৰ্মাণ কৰিছে এটি গৃহ। তদুপৰি তামোল-নাৰিকলকে ধৰি বিধে বিধে ৰোপণ কৰিছে উদ্যান শস্য। মাহিলি কমেও ১৫ হেজাৰ টকা আয় কৰা দাসে কঠিন সংগ্ৰামক স্মৰণ কৰি আৱেগিকভাৱে কয়, 'এদিন অভাৱৰ তাড়নাতে মায়ে আমাৰ ডাঙৰ দাদাক গুৱাহাটীত এজন বৰবাবুৰ তাত বনকৰাৰূপে থৈছিল। মাজু দাদাকো অনুৰূপভাৱে ব্যৱহাৰ কৰা হৈছিল; কিন্তু তাৰ পাছতো দেউতাই হাজিৰা কৰি আমাৰ পৰিয়ালটো পোহপাল দিবলৈ সক্ষম হোৱা নাছিল। কাৰণ আমাৰ থকা ভেটিটোৰ বাদে নাছিল আন খেতি মাটি। সেই বাবেই এদিন ওলাই আহিছিলো ঘৰৰ পৰা।' তেজপুৰ-অৰুণাচলৰ পাছত ১৯৮৯ত গুৱাহাটীলৈ আহি আজি জীৱিকাৰ পথ বিচাৰি পাই নিজে বহুত সুখী বুলিও তেওঁ উল্লেখ কৰে। পদপথত দোকান দি সুখী বুলি অনুভৱ কৰা কঠিন সংগ্ৰামত ব্ৰতী হোৱা দাস এজন সুনিপুণ ৰান্ধনিও। দাস অবিহনে এতিয়া অঞ্চলটোৰ বহুতৰে বিবাহ, কাজ, উৎসৱ-পাৰ্বণ নচলে। 'মই কোনো চাইনিজ খাদ্যৰ ৰান্ধনি নহয়। নিভাঁজ থলুৱা খাদ্যৰেহে মই মহানগৰবাসীক জিভাৰ জুতি দিয়াৰ ইচ্ছা কৰো।' তেওঁ কয়। এতিয়া একমাত্ৰ কন্যা সন্তানক মানুহ কৰাৰ স্বাৰ্থত সকলো ত্যাগ কৰিবলৈ সাজু বুলিও দাসে সজোৰে ঘোষণা কৰে।

■ চাহাবুদ্দিন আহমেদ



# ৰোড শ্ব'ত চৰ শোধোৱাজন আপৰ অসন্তুষ্ট কৰ্মী ঃ আৰক্ষী

## বিজেপিয়ে আমাৰ চৰকাৰক নিঃশেষৰ ষড়যন্ত্ৰ ৰচিছে ঃ কেজৰিৱাল

**নিউজ ব্যুৰ'**
**নতুন দিল্লী, ৫ মে' ঃ** কালি এক নিৰ্বাচনী ৰোড শ্ব'ত এজন ব্যক্তিয়ে চৰ মৰা ঘটনাৰ আঁৰত বিজেপিৰ গভীৰ ষড়যন্ত্ৰ জড়িত থকাৰ গোন্ধ পালে আপৰ মুৰব্বী তথা দিল্লীৰ মুখ্যমন্ত্ৰী অৰবিন্দ কেজৰিৱালে। এই ষড়যন্ত্ৰৰ অংশস্বৰূপে বিজেপিয়ে তেওঁৰ নিৰাপত্তাত ত্ৰুটি ৰখাৰ ব্যৱস্থা কৰা বুলি আজি কেজৰিৱাল সৰৱ হৈ উঠে। আম আদমী পাৰ্টিৰ মুৰব্বীজনে অভিযোগ কৰে যে বিজেপিয়ে তেওঁৰ চৰকাৰক নিঃশেষ কৰাৰ চেষ্টা চলাইছে। এই উদ্দেশ্যে তেওঁকে ধৰি দলৰ সকলো নেতাক লক্ষ্য কৰি লৈছে বুলি তেওঁ অভিযোগ উত্থাপন কৰিছে। মুখ্যমন্ত্ৰীৰূপে শপত গ্ৰহণৰ পূৰ্বে নবাৰ আৰু পাছত পাঁচবাৰ এনে ধৰণৰ আক্ৰমণৰ সন্মুখীন হোৱা বুলি উল্লেখ কৰি কেজৰিৱালে কয়, 'নিৰাপত্তা প্ৰদানৰ দায়িত্ব বিজেপি (কেন্দ্ৰ)ৰ। আন কোনো ৰাজ্যই এনেদৰে কাম নকৰে। এয়া ভুল নে ষড়যন্ত্ৰমূলকভাৱে সংঘটিত কৰা হৈছে? কিন্তু নিৰাপত্তাৰ ত্ৰুটি এবাৰ, দুবাৰ অথবা তিনিবাৰ হ'ব পাৰে, তাতকৈ অধিক হ'ব নোৱাৰে। তেনে ঘটিলেই ঘটনাৰ স'তে ষড়যন্ত্ৰ জড়িত থকা যেন অনুভৱ হয়।' অৱশ্যে কালি ৰোড শ্ব'ত কেজৰিৱালক চৰ শোধোৱা লোকজন আপৰ অসন্তুষ্ট সমৰ্থক বুলি দিল্লী আৰক্ষীয়ে প্ৰকাশ কৰিছে। ইতিমধ্যে আৰক্ষীৰ জালত পৰা এই লোকজনৰ নাম সুৰেশ। স্ক্ৰেপ ডীলাৰৰূপে জীৱিকা অৰ্জন কৰা সুৰেশে আপৰ প্ৰচাৰৰ বাবে কাম কৰিছিল। দলৰ নেতাসকলৰ কাম-কাজক লৈ আপৰ প্ৰতি মোহভংগ ঘটি তেওঁ কালিৰ ঘটনাটো সংঘটিত কৰা বুলি দিল্লী আৰক্ষীৰ অতিৰিক্ত জনসংযোগ বিষয়া অনিল মিট্টালে প্ৰকাশ কৰিছে।






# মোদীৰ পূৰ্বেও ভাৰতীয় সেনাই ছাৰ্জিকেল ষ্ট্ৰাইক চলাইছিল

## এইবাৰ কংগ্ৰেছৰ সুৰত কথা ক'লে প্ৰাক্তন লেফটেনেণ্ট জেনেৰেলে

**নিউজ ব্যুৰ'**
**জয়পুৰ, ৫ মে' ঃ** পাকিস্তানত ভাৰতীয় সেনাই কৰা ছাৰ্জিকেল ষ্ট্ৰাইকক প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আৰু বিজেপিয়ে এইবাৰ নিৰ্বাচনী ইছ্যু কৰাক লৈ বিতৰ্ক অব্যাহত থকাৰ সময়তে সমগ্ৰ বিষয়টোৱে সম্প্ৰতি এক নতুন ৰূপ লৈছে। পূৰ্বৰ ইউ পি এ চৰকাৰৰ দিনতো ছাৰ্জিকেল ষ্ট্ৰাইক হৈছিল আৰু তাকে লৈ ৰাজনীতি কৰা নাছিল বুলি কংগ্ৰেছে প্ৰতিক্ৰিয়া প্ৰকাশ কৰাৰ পাছতে বিৰোধী দলটোৰ সুৰতে সুৰ মিলাই এজন প্ৰাক্তন শীৰ্ষ সেনা বিষয়াই মোদীয়ে প্ৰধানমন্ত্ৰীৰূপে শপত গ্ৰহণৰ পূৰ্বেও ভাৰতীয় সেনাই ছাৰ্জিকেল ষ্ট্ৰাইক কৰিছিল বুলি মন্তব্য কৰিছে। লক্ষ্যণীয় যে পূৰ্বৰ ইউ পি এ চৰকাৰৰ দিনত প্ৰকৃততে কোনো ছাৰ্জিকেল ষ্ট্ৰাইক হোৱা নাছিল, ইয়াৰ সমৰ্থনত কংগ্ৰেছে প্ৰকাশ কৰা তথ্য ভিডিঅ' গেমহে আছিল বুলি মোদীয়ে অলপতে কটাক্ষ কৰে। প্ৰধানমন্ত্ৰীৰ এনে মন্তব্য ভাৰতীয় সেনাৰ প্ৰতি অপমানজনক বুলি কংগ্ৰেছে প্ৰতিক্ৰিয়া প্ৰকাশ কৰাৰ সময়তে অৱসৰপ্ৰাপ্ত লেফটেনেণ্ট জেনেৰেল ডি এছ হুদাই কয় যে ভাৰতীয় সেনাই পূৰ্বেও ছাৰ্জিকেল ষ্ট্ৰাইক কৰাটো নিশ্চিত। কালি ৰাজস্থানৰ জয়পুৰত এক অনুষ্ঠানত অংশ লোৱাৰ সময়ত প্ৰাক্তন শীৰ্ষ সেনা বিষয়াজনে সাংবাদিকৰ প্ৰশ্নৰ উত্তৰত কয়, 'বহু লোক আৰু প্ৰাক্তন সেনাই কৈ আহিছে যে ভাৰতীয় সেনাই পূৰ্বেও ছাৰ্জিকেল ষ্ট্ৰাইক অথবা সীমান্তৰ সিপাৰলৈ গৈ অভিযান চলাইছিল। অৱশ্যে মই এনে অভিযানৰ দিন আৰু অভিযান চলা স্থানৰ বিষয়ে অৱগত নহয়।' কংগ্ৰেছে পূৰ্বৰ ইউ পি এ চৰকাৰৰ দিনত সেনাই ছবাৰকৈ ছাৰ্জিকেল ষ্ট্ৰাইক চলোৱা বুলি সম্প্ৰতি দাবী কৰিছে। এনে অৱস্থাতে প্ৰাক্তন শীৰ্ষ সেনা বিষয়াজনে পূৰ্বেও ভাৰতীয় সেনাই ছাৰ্জিকেল ষ্ট্ৰাইক চলোৱা বুলি কৰা মন্তব্যই বিভিন্ন স্তৰত চৰ্চা অৰ্জন কৰিছে। উল্লেখ্য যে অৱসৰপ্ৰাপ্ত লেফটেনেণ্ট জেনেৰেল হুদাই ২০১৬ৰ ছাৰ্জিকেল ষ্ট্ৰাইকৰ ক্ষেত্ৰত স্থপতিৰ দৰে মূল ভূমিকা পালন কৰে। এই দুঃসাহসিক অভিযানৰ তেৱেঁই সমগ্ৰ পৰিকল্পনা প্ৰস্তুত কৰে। অৱসৰ গ্ৰহণৰ পাছত তেওঁক চলিত বৰ্ষৰ আৰম্ভণিতে কংগ্ৰেছ সভাপতি ৰাহুল গান্ধীয়ে ৰাষ্ট্ৰীয় সুৰক্ষাক লৈ গঠন কৰা এখন সমিতিৰ মুৰব্বী পদত অধিষ্ঠিত কৰি ৰাষ্ট্ৰীয় সুৰক্ষা সম্পৰ্কত প্ৰতিবেদন দাখিলৰ দায়িত্ব দিয়ে। সেই অনুসৰি তেওঁ যোৱা মাৰ্চত ৰাহুলৰ হাতত এই প্ৰতিবেদন দাখিল কৰে। নিৰ্বাচনত সামৰিক বাহিনীসমূহৰ প্ৰসংগ উত্থাপনে সেনাৰ ক্ষতিসাধন কৰে বুলি সংশ্লিষ্ট পক্ষসমূহক সতৰ্ক কৰি দি হুদাই কয়, 'নিৰ্বাচন আয়োগৰ নিৰ্দেশনা অনুসৰি সেনাৰ প্ৰসংগ নিৰ্বাচনত ব্যৱহাৰ কৰাৰ অধিকাৰ কোনো ৰাজনৈতিক দলৰ নাই। যদি কোনোৱে ইয়াকে কৰে, তেন্তে সিয়ে নিৰ্বাচন আয়োগৰ স্থায়ী ক্ষতিসাধন কৰিব।' অৱশ্যে কালি বিজেপিৰ মুখপাত্ৰ জি ভি এল নৰসিংহ ৰাৱে দিল্লীত এখন সংবাদমেলত দাবী কৰে যে ভাৰতীয় সেনাই প্ৰথমবাৰৰ বাবে ২০১৬ৰ ২৯ ছেপ্টেম্বৰত ছাৰ্জিকেল ষ্ট্ৰাইক চলায়। ইয়াৰ পূৰ্বে ভাৰতীয় সেনাই কোনো ধৰণৰ ছাৰ্জিকেল ষ্ট্ৰাইক চলোৱা নাছিল বুলি উল্লেখ কৰি ৰাৱে কয়, 'আৰ টি আই আবেদনৰ ভিত্তিত সামৰিক অভিযানৰ সঞ্চালকপ্ৰধানে প্ৰদান কৰা তথ্যতে স্পষ্ট হৈছে যে ২০১৬ৰ ২৯ ছেপ্টেম্বৰৰ পূৰ্বে কোনো ছাৰ্জিকেল ষ্ট্ৰাইক হোৱা নাছিল।' ইউ পি এৰ শাসনত ছবাৰ ছাৰ্জিকেল ষ্ট্ৰাইক হোৱা বুলি দাবী কৰা কংগ্ৰেছক উভতি ধৰি বিজেপিৰ মুখপাত্ৰজনে কয় যে প্ৰতিজন কংগ্ৰেছ নেতাই কেইটা ছাৰ্জিকেল ষ্ট্ৰাইক হৈছিল, তাৰ পৃথক পৃথক সংখ্যা দিছে। এজনে যদি দুবাৰ হৈছিল বুলি কৈছে, আন এজনে ছবাৰ আৰু আন একাংশই ১০বাৰ ছাৰ্জিকেল ষ্ট্ৰাইক হৈছিল বুলি কংগ্ৰেছে বিভ্ৰান্তিকৰ তথ্য দাঙি ধৰা বুলিও ৰাৱে সমালোচনা কৰে। তেওঁ দিল্লীৰ আকবৰ ৰোডৰ কংগ্ৰেছ কাৰ্যালয়ৰ পৰা ছাৰ্জিকেল ষ্ট্ৰাইক হৈছিল নেকি বুলি কটাক্ষ কৰে। ইপিনে, কেন্দ্ৰীয় মন্ত্ৰী তথা পূৰ্বৰ সেনাপ্ৰধান ভি কে সিঙেও ইউ পি এৰ শাসনত কোনো ছাৰ্জিকেল ষ্ট্ৰাইক হোৱা নাছিল বুলি দাবী কৰি কয় যে মিছা কথা কোৱাটো কংগ্ৰেছৰ এটা অভ্যাস। একেদৰে কেন্দ্ৰীয় মন্ত্ৰী তথা জ্যেষ্ঠ বিজেপি নেতা অৰুণ জেটলীয়েও ছাৰ্জিকেল ষ্ট্ৰাইকক লৈ কংগ্ৰেছ কটাক্ষ কৰি কয় যে ইউ পি এৰ দিনত সংঘটিত ছাৰ্জিকেল ষ্ট্ৰাইকসমূহ অদৃশ্য আৰু অজ্ঞাত। বিজেপি নেতা-মন্ত্ৰীসকলৰ এনে কটাক্ষবাণৰ বিপৰীতে কংগ্ৰেছ নেতা ৰাজীৱ শুক্লাই এখন সংবাদমেলত দাবী কৰে যে ইউ পি এৰ শাসনত ছটা ছাৰ্জিকেল ষ্ট্ৰাইক চলোৱা হৈছিল। ইয়াৰ দিন আৰু স্থানৰ তথ্য প্ৰকাশ কৰি তেওঁ কয়, '২০০৮ৰ ১৯ জুনত জম্মু-কাশ্মীৰৰ পুঞ্চৰ ভট্টাৰল ছেক্টৰত এটা ছাৰ্জিকেল ষ্ট্ৰাইক চলোৱা হৈছিল। ২০১১ৰ ৩০ আগষ্ট আৰু পহিলা ছেপ্টেম্বৰত নীলম নৈৰ ওচৰত শাৰদা ছেক্টৰত আন এক ছাৰ্জিকেল ষ্ট্ৰাইক চলোৱা হৈছিল। ২০১৩ৰ ছয় জানুৱাৰীত সাৱন পাত্ৰ তালাচী চকীত, সেই বছৰৰে ২৭ জুলাই আৰু ২৮ জুলাইত নাজাপীৰ ছেক্টৰত আৰু ২০১৪ৰ ১৪ জানুৱাৰীত নীলম উপত্যকাত ছাৰ্জিকেল ষ্ট্ৰাইক চলোৱা হৈছিল।' তদুপৰি কংগ্ৰেছ নেতাজনে কয় যে অটল বিহাৰী বাজপেয়ী চৰকাৰৰ দিনতো ভাৰতে দুটা ছাৰ্জিকেল ষ্ট্ৰাইক চলাইছিল।

SIMS
SRM INSTITUTES FOR MEDICAL SCIENCE
SIMS Hospital - Chennai Super Specialist visiting Guwahati for consultation
ডাঃ পি এম গোপিনাথ
MD, DGO, FMMC, FICS, FICOG, MBA (HSM)
প্ৰসূতি আৰু স্ত্ৰীৰোগ বিশেষজ্ঞ
তাৰিখ: ১২-০৫-২০১৯
সন্তানহীনতাৰ সমস্যা অথবা গৰ্ভধাৰণত হোৱা সমস্যা, সঘন গৰ্ভপাত, ইউটেৰাছ আৰু গৰ্ভাশয়ৰ টিউমাৰ বা অন্যান্য গাইন'কল'জিকেল সমস্যা আৰু পুৰুষৰ শীঘ্ৰে বীৰ্যস্খলন বা যৌন সমস্যাত ভোগা ৰোগী সকলে তলৰ ঠিকনাত আগতীয়াকৈ নাম পঞ্জীয়ন কৰিব পাৰে।
SIMS Hospital-Chennai
(a unit of SRM Institutes for Medical Science)
NILGIRI Mansion, Opp. Nemcare Hospital Bhangagarh, Guwahati - 5
Ph: 98540 16303




# স্থানীয় ভোটাৰৰ আদৰ্শ হৈছে শতায়ু গৰকা গান্ধীভক্ত



**নিউজ ব্যুৰ'**
**কলকাতা, ৫ মে' ঃ** ১৯৫২ত প্ৰথমবাৰলৈ ভোটাধিকাৰ সাব্যস্ত কৰাৰ পাছত সম্প্ৰতি পশ্চিমবংগৰ মহিষাদল অঞ্চলৰ মানুহৰ বাবে আদৰ্শস্বৰূপ হৈ পৰিছে এজন শতায়ু গৰকা লোক। জাতিৰ পিতা মহাত্মা গান্ধীৰ পৰম ভক্তৰূপে পৰিচিত এই লোকজন হৈছে স্বাধীনতা সংগ্ৰামী অতুল চন্দ্ৰ ৰাজ। ১৯৫২ত স্বাধীন ভাৰতৰ প্ৰথম নিৰ্বাচনৰ পৰাই কোনোদিনে ভোটদান পৰা আঁতৰি থকা নাই এই ১০৪ বছৰীয়া লোকজন।

স্বাধীনতা সংগ্ৰামীৰূপে থকা চৰকাৰী প্ৰমাণপত্ৰৰ প্ৰতি উদাসীন ৰাজৰ কোনো ধৰণৰ চৰকাৰী সাহায্যৰ প্ৰতি উৎসাহ নাই। চাৰি পুত্ৰ আৰু চাৰি কন্যাক তেওঁ অতি কষ্টৰে ডাঙৰ-দীঘল কৰিছে। প্ৰত্যেকেই এতিয়া নিজৰ সংসাৰ গঢ়িছে। দৰিদ্ৰতাই ভাৰাক্ৰান্ত কৰিলেও বৃদ্ধজনে সামাজিক কাম-কাজৰ পৰা আজিও নিজক আঁতৰাই ৰখা নাই। গান্ধীভক্ত বৃদ্ধজন এতিয়া অৱশ্যে পশ্চিমবংগৰ মুখ্যমন্ত্ৰী মমতা বেনাৰ্জীৰ পৰম সমৰ্থক। ৰাজৰ মতে, তেওঁৰ পৰিয়ালৰ একো নহ'লেও সমাজৰ ভাল হোৱাটোহে বিচাৰে। কংগ্ৰেছ আৰু বাঁওদলৰ দীঘলীয়া শাসনত নোহোৱা কাম মমতাই কৰা বুলিও তেওঁ দাবী কৰে।

অহা ১২ মে'ত বৃদ্ধজনে দুই নম্বৰ মেদিনীপুৰত ভোটাধিকাৰ সাব্যস্ত কৰিব। নিজগৃহৰ পৰা প্ৰায় দুই কিলোমিটাৰ দূৰৈত ভোটগ্ৰহণ কেন্দ্ৰ। কিন্তু কাৰো সহায় নোলোৱাকৈ লাঠিত ভৰ দিয়েই তেওঁ ভোট দিবলৈ যোৱাৰ মনস্থ কৰিছে। এই সন্দৰ্ভত পুত্ৰ অলক ৰাজে কয়, 'দেউতাই পুৱাই ভোট দিয়াৰ পাছতহে অঞ্চলৰ বাকী ভোটাৰে ভোট দিয়ে। তেওঁ অঞ্চলবাসীৰ বাবে ইমানেই শ্ৰদ্ধাৰ পাত্ৰ।' অঞ্চলৰ ৰাইজে তেওঁক নিৰ্বাচনত মহিষাদলৰ গৰ্ব বুলিও অভিহিত কৰে। ১০৪ বছৰীয়া বৃদ্ধজনক দেখিয়ে অঞ্চলটোৰ যুৱ প্ৰজন্মও অনুপ্ৰাণিত হোৱা বুলি তেওঁৰ পুত্ৰই অৱগত কৰে।

পুৰণি গাঁঠিৰ বিষত ভুগি থকা ৰোগীসকলৰ বাবে ভাল খবৰ

ডাঃ অৰ্থোৰ ৬০টা কেপচুলৰ এটা টেমাৰ স'তে ডাঃ অৰ্থো মলম এটা সম্পূৰ্ণৰূপে বিনামূল্যে




একে নামৰ ঔষধৰ পৰা সাৱধান
ডাঃ অৰ্থোৰ সম্পূৰ্ণ নাম পঢ়িহে কিনক

ডাঃ অৰ্থোই কিয় কিনিব

আবুধাবিত আয়োজিত এটি পুৰস্কাৰ সমাৰোহত 'ডাঃ অৰ্থো' তেল আৰু কেপচুলক "দ্য ৱৰ্ল্ড গ্ৰেটেষ্ট ব্ৰাণ্ড ২০১৫-১৬" পুৰস্কাৰেৰে সন্মানিত কৰিছে।

আইবিচি ইন্‌ফ' মিডিয়া প্ৰাইভেট লিমিটেডে ভাৰতবৰ্ষত বৃহৎসংখ্যক উপভোক্তা থকাৰ পৰিপ্ৰেক্ষিতত 'ডাঃ অৰ্থো' তেল আৰু কেপচুলক "নং ১ ব্ৰাণ্ড" পুৰস্কাৰ ২০১৪ৰে সন্মানিত কৰিছে।

সম্পূৰ্ণ ভাৰতবৰ্ষই লাভ কৰা পৰিনাম

Rajasthan — তেজ সিং, বয়স ৫০ বছৰ, বন বিভাগত কাৰ্যৰত। মোৰ কেইবছৰমানৰ পৰা আঁঠুৰ বিষ আছিল, পেইনকিলাৰ গ্ৰহণ কৰি আছিলো। এজন বন্ধুৰ পৰামৰ্শ মতে আয়ুৰ্বেদিক ডাঃ অৰ্থো কেপচুল পুৱা-গধুলি গাখীৰৰ স'তে গ্ৰহণ কৰো। মাত্ৰ ৪২ দিন প্ৰয়োগ কৰাৰ পাছতেই আঁঠুৰ বিষতো বাদেই মোৰ সৰ্বশৰীৰত বৰ্তমান কোনো বেদনা নাই।

Uttar Pradesh — দীনেশ চন্দ্ৰ আগৰৱালা, বয়স ৬১ বছৰ, মহিষূৰত বাচন-বৰ্তনৰ শ্ব'ৰুম আছে। মোৰ আঁঠুত আৰু ককালত অসহনীয় বিষ হৈ আছিল। দূৰদৰ্শনত ডাঃ অৰ্থো কেপচুলৰ বিজ্ঞাপন দেখা পালো আৰু ২টা ২টা কেপচুল পুৱা আৰু গধুলি গাখীৰৰ স'তে গ্ৰহণ কৰিবলৈ ল'লো। মাত্ৰ কেইসপ্তাহতে মই আঁঠুৰ আৰু ককালৰ বিষৰ পৰা যথেষ্ট সঁকাহ পালো।

Maharashtra — মহাদেৱ নাৰায়ণ বাৰস্কৰ, বয়স ৬৫ বছৰ। পাৱাৰ হাউছত কাম কৰো। ভলীবল খেলি থাকোতে মোৰ বাওঁ কান্ধত আঘাত পাওঁ। বন্ধুৰ উপদেশ মতে পুৱা-গধুলি ২টাকৈ আয়ুৰ্বেদিক কেপচুল গ্ৰহণ কৰো। মই বহুত সুখী যে মোৰ ১০ বছৰ পুৰণি কান্ধৰ বিষ নোহোৱা হ'ল।

Chhattisgarh — শ্যামা দেৱী, বয়স ৪১ বছৰ। কে'বাবছৰৰ পৰা মোৰ আঁঠু আৰু ভৰিৰ পিছফালে অসহনীয় বিষ হৈ আছিল। মোৰ পুত্ৰই বজাৰৰ পৰা আয়ুৰ্বেদিক ডাঃ অৰ্থো কেপচুল আনি দিয়ে। তেতিয়াৰ পৰা ২টাকৈ কেপচুল পুৱা-গধুলি গাখীৰৰ লগত গ্ৰহণ কৰিবলৈ ল'লো আৰু কেইদিনমানতে সম্পূৰ্ণ আৰোগ্য লাভ কৰিলো।

Punjab — শ্যাম সিং দত্ত, বয়স ৬১ বছৰ। পেছাত স্প'ৰ্টছ ব্যৱসায়ী। গোটেই দিন আঁঠুৰ পৰা কেৰকেৰণি শব্দ হৈ আছিল। মই সম্পূৰ্ণ বিশ্বাসৰ স'তে ডাঃ অৰ্থো তেল আৰু কেপ্চুল প্ৰতিদিনে ব্যৱহাৰ কৰিলো। মাত্ৰ ২০-২৫ দিনতে অদ্ভুত পৰিনাম লাভ কৰিলো। এতিয়া মই আৰু মোৰ পৰিবাৰ দুয়োজনে ইয়াক ব্যৱহাৰ কৰো।

Madhya Pradesh — অনীতা ভিক্টৰ, বয়স ৪৫ বছৰ, হাউচ ৱাইফ। কেইবছৰমানৰ পৰা মোৰ কান্ধ আৰু বাহুত যথেষ্ট বিষ অনুভৱ কৰি আছিলো। সমস্যা দিনক দিনে বাঢ়ি গৈছিল। বান্ধৱীৰ উপদেশ মতে প্ৰতিদিনে আয়ুৰ্বেদিক ডাঃ অৰ্থো কেপচুল গ্ৰহণ কৰিবলৈ লওঁ। আজি মই সম্পূৰ্ণৰূপে বিষৰ পৰা মুক্তিলাভ কৰিলো।

24x7 Helpline No.: 0171-3055100 • Website: www.drorthooil.com • Available at all medical & general stores

অগ্ৰদূত পাব্লিচাৰ্ছ প্ৰাইভেট লিমিটেড, গুৱাহাটী-৬ৰ হৈ বি এছ ডেকাৰ দ্বাৰা অগ্ৰদূত ভৱন, দিছপুৰ, গুৱাহাটী-৬, তৰাজান, যোৰহাট আৰু দোলাবাৰী, তেজপুৰত মুদ্ৰিত আৰু প্ৰকাশিত। সম্পাদক ঃ প্ৰাঞ্জলসেন ডেকা। মুখ্য সম্পাদক ঃ কনকসেন ডেকা।
ফোন ঃ (গুৱাহাটী) সম্পাদনা ঃ (০৩৬১) ২২৬১৯২৩, ২২২৪৯৩৩, চাৰ্কুলেচন- ২২৩৪২০৯ ফেক্স ঃ (০৩৬১) ২২৬০৬৫৫, ২২৬৯১৪৭, আৰু বিজ্ঞাপন - ৯৮৬৪৮৯৭১৭৫। ফোন (যোৰহাট) ঃ (০৩৭৬) ২৩৭১৮৯৫, তেজপুৰ ঃ (০৩৭১২) ২২১৫৫১, ডিব্ৰুগড় ঃ (০৩৭৩) ২৩২৭৮৫৯।
E-MAIL : agradoot@gmail.com, editor.agradoot@gmail.com